# দিশপুৰিয়ান

## दिसपुरियन

## DISPURIAN

একবিংশতম্ সংখ্যা ২০১৫-২০১৬



DISPURIAN 21st issue (2015-2016) : A yearly magazine of Dispur College, Guwahati, Edited by Sri Bishwajit Kalita under the supervision of Dr. Reena Choudhury and published by Dispur College on behalf of Dispur College Students' Union, Guwahati - 781006, on February, 2017. The title of the magazine has been changed from 'ARUN' to 'DISPURIAN' as decided in the meeting organised by the Dispur College Student's Union on 19th January, 2017.

## সম্পাদনা সমিতি - 'দিশপুৰিয়ান'

**সভাপতি ঃ**
ড° অমৰ শইকীয়া, অধ্যক্ষ

**উপ-সভাপতি ঃ**
ড° নন্দিনী বৰুৱা শৰ্মা, উপাধ্যক্ষা

**ছাত্ৰ কল্যাণ বিষয়া ঃ**
ড° জয়জ্যোতি গোস্বামী

**তত্বাবধায়িকা ঃ**
ড° বীণা চৌধুৰী

**শিক্ষক সদস্য ঃ**
ড° মঞ্জৰী শৰ্মা (ইংৰাজী শাখা)
ড° সঞ্জীব কুমাৰ শৰ্মা (ইংৰাজী শাখা)
ড° সুনীতা আগৰৱালা (হিন্দী শাখা)
ড° মালবিকা ভট্টাচাৰ্য্য (অসমীয়া শাখা)
অজিত প্ৰসাদ শৰ্মা (অসমীয়া শাখা)

**সম্পাদক ঃ**
বিশ্বজিত কলিতা

**ছাত্ৰ সদস্য ঃ**
গুঞ্জন দাস (ইংৰাজী বিভাগ)
ছাহিল আলম আহমেদ (ইংৰাজী বিভাগ)
সুস্মিতা শৰ্মা (হিন্দী বিভাগ)
দিপকিশান দাস (হিন্দী বিভাগ)
অৰবিন্দ বৰা (অসমীয়া বিভাগ)
ৰাজা ঠাকুৰীয়া (অসমীয়া বিভাগ)

**বেটুপাত ঃ**
(সন্মুখ পৃষ্ঠা) জেচমিন আৰা বেগম
বুৰঞ্জী বিভাগ (পঞ্চম ষান্মাষিক)
(শেষ পৃষ্ঠা) প্ৰীতম বৰঠাকুৰ
বিত্ত বিভাগ (প্ৰথম ষান্মাসিক )

**অংগসজ্জা আৰু পৰিকল্পনা ঃ**
সম্পাদনা সমিতি

**স্কেচ ঃ**
প্ৰীতম বৰঠাকুৰ, জেচমিন আৰা বেগম

**মুদ্ৰক ঃ**
এচ. এন. এচ ছিৰেট, দিশপুৰ, গুৱাহাটী



...লৰ পৰা (বহি) ক্ৰমে - ড° সুনীতা আগৰৱালা, অজিত প্ৰসাদ শৰ্মা, ড° সঞ্জীৱ কুমাৰ শৰ্মা, ড° মঞ্জৰী শৰ্মা, ড° বীণা চৌধুৰী (তত্বাবধায়িকা), ড° অমৰ শইকীয়া (অধ্যক্ষ), ...ন্দিনী বৰুৱা শৰ্মা (উপাধ্যক্ষা), ড° জয়জ্যোতি গোস্বামী (ছাত্ৰ কল্যাণ বিষয়া), ড° মালবিকা ভট্টাচাৰ্য্য।
...ফালৰ পৰা (থিয় হৈ) ক্ৰমে - দিপকিশান দাস, ছাহিল আলম আহমেদ, গুঞ্জন দাস, বিশ্বজিত কলিতা (সম্পাদক), অৰবিন্দ বৰা, সুস্মিতা শৰ্মা, ৰাজা ঠাকুৰীয়া।

## শ্ৰদ্ধাৰে সুঁৱৰিছো

ভ্ৰাম্যমান থিয়েটাৰৰ জনক অচ্যুত লহকৰ, তামিলনাডুৰ মুখ্যমন্ত্ৰী জয়ৰাম জয়ললিতা,
কিউবা ৰাষ্ট্ৰপতি ফিডেল কাষ্ট্ৰ, ইছৰ'ৰ প্ৰাক্তন মুৰব্বী এম. জি. কে. মেনন,
কবি নলিনীধৰ ভট্টাচাৰ্য্য, সাহিত্যিক মহিম বৰা,
বিশিষ্ট ৰাজনীতিবিদ অঞ্জন দত্ত
বিশিষ্ট বনৌষধিবিদ গুণাৰাম খনিকৰ
সংবাদ-সাহিত্য জগতৰ মহীৰুহ তিলক হাজৰিকা, বিশিষ্ট কবি-সাহিত্যিক হীৰেন্দ্ৰ নাথ দত্ত,
শিক্ষাবিদ কেশৱানন্দ দেৱ গোস্বামী, শিক্ষাবিদ অনিমা দত্ত, সাহিত্যিক গণেশ চন্দ্ৰ কুৰ্মী,
আমাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী প্ৰিয়ংকা নাথ আদিৰ লগতে
প্ৰাকৃতিক দুৰ্যোগ, সন্ত্ৰাসবাদ, নিয়তিৰ নিষ্ঠুৰ
আহ্বানৰ ফলত প্ৰাণ হেৰুওৱা
লোকৰ বাদেও জ্ঞাতে-অজ্ঞাতে আমাৰ মাজৰ পৰা চিৰদিনলৈ আঁতৰি যোৱা
সকলো ব্যক্তিলৈ 'দিশপুৰিয়ান'ৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

# উচর্গা




দিশপুৰ মহাবিদ্যালয়ৰ
সমূহ ছাত্ৰ-ছাত্ৰীৰ হাতত
একবিংশতম্ মুখপত্ৰ
'দিশপুৰিয়ান'
উচর্গা কৰা হ'ল।



GOVERNOR
ASSAM

RAJ BHAVAN
GUWAHATI



## MESSAGE

I am glad to know that Dispur College, Guwahati is bringing out its annual magazine 'Arun' and I convey my best wishes to the editorial team on this occasion.

Swami Vivekananda once said, 'Education is the manifestation of perfection already in man' and our schools, colleges and universities are unrelentingly working towards manifesting this perfection by producing bright students exploiting their latent knowledge.

I hope, Dispur College will continue performing its role in nurturing more brilliant brains and minds in our society. I moreover, hope that the college magazine 'Arun' will see its heyday and guide the society to the path of knowledge and wisdom.

Dated : December 28, 2016

**(Banwarilal Purohit)**
Governor of Assam

সৰ্বানন্দ সোণোৱাল



সত্যমেৱ জয়তে

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

দিছপুৰ
২৮-১১-২০১৬

## শুভেচ্ছাবাণী

দিছপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন মহাবিদ্যালয়খনৰ বাৰ্ষিক সপ্তাহৰ লগত সংগতি ৰাখি প্ৰকাশৰ বাবে যো-জা চলোৱা বুলি জানিবলৈ পাই মই হৰষিত হৈছো।

ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান আৰু প্ৰজ্ঞাৰ সাধনাত ব্ৰতী হোৱাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠান এখনৰ ভূমিকা গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধনত শিক্ষানুষ্ঠানৰ আলোচনী এখনে বহু সমল যোগায়। এখন ৰাজ্যৰ বিকাশৰ পৰ্যায় নিৰ্ণয়ত নতুন প্ৰজন্মৰ ভূমিকা অপৰিসীম। আধুনিক প্ৰতিযোগিতামুখী বিশ্বত ছাত্ৰ-ছাত্ৰীক আগুৱাই নিয়াৰ ক্ষেত্ৰত আলোচনী এখনৰ বিভিন্ন লিখনীয়ে তেওঁলোকক উদ্‌গণি যোগায়।

আনহাতে, শিক্ষানুষ্ঠানৰ আলোচনী এখনে ছাত্ৰ-ছাত্ৰীসকলক আধুনিক চিন্তা-চৰ্চা আৰু মূল্যবোধৰ শিক্ষা দিয়াৰ উপৰি বিভিন্ন ক্ষেত্ৰত জ্ঞানৰ পৰিসৰ বৃদ্ধিত সহায় কৰে। আলোচনী এখনে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন সৃজনীশীল প্ৰতিভা প্ৰতিফলিত কৰাৰ লগতে তেওঁলোকৰ মানসিক দিগন্ত প্ৰসাৰৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টিত অৰিহণা যোগায়। এনে আলোচনীত শিক্ষক, শিক্ষাবিদ আৰু বিদ্যানুৰাগী ব্যক্তিসকলে বিদ্যায়তনিক দিশবোৰৰ ওপৰত আলোকপাত কৰি লিখা লিখনী সমূহে ছাত্ৰ-ছাত্ৰীক নতুন দিশৰ সন্ধানৰ বাবে আগ্ৰহী কৰি তোলে। আনহাতে তেওঁলোকৰ মতামত আৰু দিহা-পৰামৰ্শই গুণগত শিক্ষাৰ উন্নয়ন আৰু প্ৰসাৰত সহায় কৰে। দিছপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনে শিক্ষানুষ্ঠানখনৰ লগতে অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰৰ উন্নয়নলৈ অৱদান আগবঢ়াব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিলো।

মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি আন্তৰিকতাৰে কামনা কৰাৰ লগতে মহাবিদ্যালয় সপ্তাহৰ সফলতা আৰু বাৰ্ষিক আলোচনীখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(সৰ্বানন্দ সোণোৱাল)

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
**Vice Chancellor**
Phone : + 91-3612-2570412 (O); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
hazarika50@gmail.com



## MESSAGE

I am happy to learn that Dispur College, Guwahati is going to publish its annual college magazine entitled "ARUN" very soon. College magazine is a strong medium for the constituent members of a college for intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time. It also provides scope for manifestation of hidden talents in the college.

I wish all success in their mission and hope the magazine will be well accepted by the readers.

**Date : 20.12. 2016**

**(Mridul Hazarika)**

# DISPUR COLLEGE

ESTD. 1978
GANESHGURI, DISPUR,
GUWAHATI - 6
www.dispurcollege.com

**Prof. Srijib Kr. Chakravarty,** M.Sc, AES (Retd.)
***President, Governing Body***
**Dispur College,** Guwahati-781006
Formerly Professor, Deptt. of Zoology
Cotton College, Guwahati-781001 and
Retd. Additional Director of Education (Hills) Haflong, Assam
099540-55860 (M)

**Residence :**
'NIRMALALAYA'
H/No-20, Byelane -6
Natun Sarania, Gandhibosti
Guwahati-781003
Ph. : 0361-2662658


Ref. No...............

Date....................



## MESSAGE

I am extremely happy to know that Dispur College is going to publish its annual magazine entitled 'ARUN' very soon. I hope this magazine would provide a forum to the students and faculties to focus their intellectual development through their writings and research oriented articles.

I am also very happy to know that for the last three decades this magazine is in existence and has played a pivotal role in exposing the intellectual talents of young writers.

I hope 'ARUN' all success.

(Prof. Srijib Kumar Chakravarty)

# শুভেচ্ছাবাণী .......




দিশপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ "অৰুণ"ৰ ২১ তম্ সংস্কৰণ দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাই প্ৰকাশৰ যো-জা কৰা বুলি জানিব পাৰি নথৈ আনন্দিত হৈছো। এই আলোচনীৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰি অসমৰ লগতে ভাৰতৰ সাহিত্য ক্ষেত্ৰখনত কিছু সংযোগ কৰিবলৈ সক্ষম হয় এই কামনাৰে -

(ড° অমৰ শইকীয়া)
অধ্যক্ষ
দিশপুৰ মহাবিদ্যালয়

# মহাবিদ্যালয়ৰ পৰিচালনা সমিতি



বাওঁফালৰ পৰা ক্ৰমে - ইন্দিৰা বৰগোহাঁই গগৈ, তপন ডেকা, প্ৰণীতা ভট্টাচাৰ্য্য, বাতুল বৰা, ড° নন্দিনী বৰুৱা শৰ্মা (উপাধ্যক্ষা), ড° অমৰ শইকীয়া (অধ্যা
শ্ৰীজীৱ কুমাৰ চক্ৰৱৰ্ত্তী (সভাপতি), প্ৰদীপ ফুকন, ড° সুনীল পৱন বৰুৱা, দ্বিপেন চন্দ্ৰ শৰ্মা, খগেন চন্দ্ৰ বড়ো

# অধ্যক্ষৰ সৈতে অধ্যাপক-অধ্যাপিকাসকলৰ একাংশ



## তত্বাৱধায়িকাৰ একাষাৰ ..........



*জয়জয়তে একবিংশতম্ 'অৰুণ' ওৰফে 'দিশপুৰিয়ান'ৰ তত্বাৱধায়িকা নিৰ্বাচিত কৰাৰ বাবে দিশপুৰ মহাবিদ্যালয় পৰিয়ালক কৃতজ্ঞতা জনাইছোঁ।*

*সম্প্ৰতি আমাৰ দেশে উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ গুণগত মান বৃদ্ধি আৰু উন্নীতকৰণৰ বাবে বহু কমিছন, কমিটি, শিক্ষানীতি আদিৰ লগতে সময়ে-সময়ে বিভিন্ন নীতি-নিৰ্দেশনা জাৰি কৰাৰ দস্তুৰ চলি আহিছে। মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ শুদ্ধ পৰিকল্পনা আৰু পৰিচালনাই শৈক্ষিক দিশটোৰ শুদ্ধ মূল্যায়ণ কৰাৰ লগতে উচ্চ শিক্ষাৰ আমূল সংস্কাৰ সাধন কৰিব পাৰে। উচ্চ শিক্ষাৰ অনুষ্ঠান এটিৰ সদস্য হিচাপে শিক্ষক-ছাত্ৰ সমন্বিতে আমি তাৰেই কামনা কৰো। লগতে আন এটা গুৰুত্বপূৰ্ণ দিশে বিতৰ্কৰ সৃষ্টি কৰিব বিচাৰে - প্ৰযুক্তিবিদ্যা আশীৰ্বাদ নে অভিশাপ (Technology is a bane or boon)। উচ্চ প্ৰযুক্তি বিদ্যা, নতুন ঔদ্যোগিক নীতি, বিত্তীয় সিদ্ধান্ত, বিমুদ্ৰাকৰণ আদিয়ে আমাৰ দেশৰ উন্নতি সাধিব বুলি আশা কৰাৰ পিচতো সম্প্ৰতি সৰ্বসাধাৰণৰ জীৱন ধাৰাত ই প্ৰভাৱ বিস্তাৰ কেনেদৰে কৰিছেবা, তেনে বিষয়সমূহে আমাৰ মনকো কেতিয়াবা ভাবাক্ৰান্ত কৰি তোলে।*

*ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাংশৰ ব্ৰহ্মপুত্ৰ বিধৌত প্ৰাগজ্যোতিষ, কামৰূপ আৰু শেষত অসম নামে খ্যাত হোৱা ভূ-খণ্ডত বৰ্তমান সময়ত দিশপুৰৰ প্ৰভুত্ব অসীম। সেই সূত্ৰৰেই যেনখাই দিশপুৰৰেই এটি আঁতত ১৯৭৮ চনত দিশপুৰ মহাবিদ্যালয়েও প্ৰাণ পাই উঠিছিল। নৰকাসুৰ পাহাৰৰ পাদদেশত পুৰণি দিচপুৰ গাওঁ আৰু গণেশৰ গুৰিৰ (গণেশ মন্দিৰ অংশ) মধ্যভাগত গঢ় লৈ উঠা মহাবিদ্যালয়খনে ৩৮ টা বসন্ত পাৰ কৰিলে। ইয়াৰ লগে-লগে দিশপুৰ মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ মুখপত্ৰ হিচাপে ১৯৯২ -৯৩ বৰ্ষত প্ৰথম সংখ্যা আৰম্ভ হৈ ২০১৪-১৫ বৰ্ষলৈ 'অৰুণে' বিশটা বছৰ সফলতাৰে অতিক্ৰম কৰিছে। উল্লেখযোগ্য যে দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাই ১৯/০১/২০১৭ তাৰিখে ছাত্ৰ কল্যাণ বিষয়া, তত্বাৱধায়ক আৰু শিক্ষকবৃন্দৰ উপস্থিতিত এক বৈঠক অনুষ্ঠিত কৰি একৈশ বছৰত ভৰি থোৱা 'অৰুণ'ক 'দিশপুৰিয়ান' নামেৰে নতুনকৈ নামকৰণ কৰে। গতিকে 'অৰুণ'লৈ পঠোৱা সকলোখিনি শুভেচ্ছাবাণী আৰু Messageৰ কোনো পৰিবৰ্তন নঘটোৱাকৈ একবিংশতম্ সংখ্যা 'দিশপুৰিয়ান'ত স্থান দিয়া হৈছে।*

*আমাৰ সম্পাদনা সমিতিৰ অনুৰোধ মৰ্মে 'গৰীয়সী'ৰ জ্যেষ্ঠ উপ-সম্পাদক অংকুৰ ডেকাই 'অৰুণ'ৰ বিংশ সংখ্যাটিৰ খতিয়ান তথা দোষগুণ বিচাৰ কৰি প্ৰেৰণ কৰা সুন্দৰ লেখাটিয়ে আমাক আনন্দ দিছে। অতিথি শিতানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃ-তত্ব বিভাগৰ ভূতপূৰ্ব অধ্যাপক বিৰিঞ্চি কুমাৰ মেধিয়ে 'গানৰ লহৰ প্ৰাণৰ পোহৰ' প্ৰবন্ধেৰে গীতে-মাতে দিশপুৰ মহাবিদ্যালয়ক দাঙি ধৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰবীন্দ্ৰ কুমাৰ শৰ্মাৰ 'বিজ্ঞান চৰ্চাৰ অনুপ্ৰেৰণা' শীৰ্ষক লেখাটিয়ে ছাত্ৰ-ছাত্ৰীসকললৈ নতুন চিন্তাৰ বেগুনি কঢ়িয়াইছে। তদুপৰি আজহাৰ আলম আৰু সন্দীপ কুমাৰ শৰ্মাৰ লেখাই হিন্দী বিভাগ শুৱনি কৰিছে। আমাৰ ছাত্ৰ-সদস্যাই চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ সৈতে কৰা অন্তৰংগ আলাপ 'দিশপুৰিয়ান'ৰ পৃষ্ঠাত স্থান দিয়া হৈছে। এওঁলোক সদৌটিলৈ শলাগ জনালোঁ।*

*একবিংশতম্ 'দিশপুৰিয়ান' প্ৰকাশ কৰাৰ ক্ষেত্ৰত চহকী দিহা-পৰামৰ্শৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অধ্যাপক শ্ৰীজীৱ কুমাৰ চক্ৰৱৰ্ত্তী, অধ্যক্ষ ড° অমৰ শইকীয়া, উপাধ্যক্ষা ড° নন্দিনী বৰুৱা শৰ্মা আৰু ছাত্ৰ কল্যাণ বিষয়া ড° জয়জ্যোতি গোস্বামীয়ে আমাক কৃতজ্ঞতাৰ পাশত আৱদ্ধ কৰাইছে। তদুপৰি 'দিশপুৰিয়ান' সম্পাদনা সমিতিৰ প্ৰতিজন সন্মানীয় শিক্ষক সদস্য আৰু ছাত্ৰ সদস্যাই অশেষ পৰিশ্ৰম আৰু চিন্তা-চৰ্চাৰে মুখপত্ৰখনক জাকত জিলিকা কৰি তুলিবলৈ অহোপুৰুষাৰ্থ কৰিছে। সম্পাদক বিশ্বজিত কলিতাৰ একনিষ্ঠতাৰ লগতে গুঞ্জন দাস, ৰাজা ঠাকুৰীয়া, ছাহিল আলম আহমেদ, অৰবিন্দ বৰা, সুস্মিতা শৰ্মা, দিপকিশান দাসৰ একান্ত সহযোগিতাই আমাক অভিভূত কৰাৰ লগতে তেওঁলোক বিশেষভাৱে ধন্যবাদৰ পাত্ৰ হৈছে। 'দিশপুৰিয়ান'ৰ প্ৰথম পৃষ্ঠাৰ বেটুপাত কলা শাখাৰ জেচমিন আৰা বেগম আৰু শেষ পৃষ্ঠাৰ বেটুপাত বাণিজ্য বিভাগৰ প্ৰীতম বৰঠাকুৰে সজাই তুলি 'দিশপুৰিয়ান'ক সৰ্বাংগ সুন্দৰ ৰূপ প্ৰাপ্তিৰ পিনে আগবঢ়াই নিছে। লগতে মুদ্ৰক এছ, এন, এচ ছিয়েটৰ কৰ্মকৰ্তা আৰু স্বত্বাধিকাৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।*

*শেষত, মুখপত্ৰ 'দিশপুৰিয়ান'ৰ সমূহ দায়-দোষ, ভুল-ভ্ৰান্তি নতশিৰে গ্ৰহণ কৰাৰ লগতে পুনৰ আটাইলৈকে শ্ৰদ্ধা আৰু প্ৰণিপাত জনাইছো।*



জয়তু দিশপুৰ মহাবিদ্যালয়।
জয়তু দিশপুৰ মহাবিদ্যালয় আলোচনী 'দিশপুৰিয়ান'।

ধন্যবাদেৰে -

(ড° বীণা চৌধুৰী)
তত্বাৱধায়িকা, 'দিশপুৰিয়ান'

# সম্পাদকীয়





"নতুনৰ গতি খেদা
ডেকা গাভৰু আমি
নিৰ্ভীক কুৰি শতিকাৰ
অজ্ঞান চাকনৈয়া
এফলীয়া কৰি থৈ মাৰি যাওঁ জীৱনৰ ভাঁৱ"

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ কালজয়ী গীতটিৰ পংক্তিৰ দৰে বিংশ শতিকাৰ ন'হলেও একবিংশ শতিকাৰ ডেকা-গাভৰু দিশপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টি, সংগ্ৰহৰ লগতে কৃতিত্বৰাজিক মুখপত্ৰ 'দিশপুৰিয়ান'ৰ জৰিয়তে প্ৰকাশিত কৰাৰ প্ৰয়াস হে মাথোন, এই একবিংশতম্ 'দিশপুৰিয়ান'ৰ সংকলনটি। সাম্প্ৰদায়িকতা, জাতিভেদ, বিচ্ছিন্নতাবাদ, হিংসা ইত্যাদিক সততে প্ৰশ্ৰয় নিদিয়া যুৱ প্ৰজন্মৰ অন্তৰৰ ভিতৰত দোদোল্যমান হোৱা বিভিন্ন ঘটনা-পৰিঘটনাৰ মাজেৰে প্ৰৱাহমান সৃষ্টিক প্ৰকাশিত কৰিবলৈ পোৱা সুযোগ আমাৰ বাবে অত্যন্ত কঠিন আছিল যদিও মহাবিদ্যালয়ৰ মুখপত্ৰ প্ৰকাশৰ সুযোগক সফল কৰাৰ মানসেৰে আদিগুৰু, শিক্ষাগুৰু আৰু শৰণদাতা গুৰুৰ আশীৰ্বাদ শিৰত লৈ সকলোৰে সহায়-সহযোগত নিমিত্ত হে সম্পূৰ্ণ কৰা হয়।

বৰ্তমান 'ডিজিটেলাইজেছন'ৰ সময়ত মানুহৰ জীৱন-ধাৰণ শৈলীৰ কিছু পৰিবৰ্তন হ'লেও সাহিত্য-সংস্কৃতি চৰ্চাৰ পৰা যে বৰ্তমানৰ নৱপ্ৰজন্ম আঁতৰি যোৱা নাই সেয়া বিভিন্ন বিদ্যালয়-মহাবিদ্যালয় সমূহে প্ৰত্যেক বছৰে প্ৰকাশিত কৰি অহা আলোচনীসমূহত প্ৰকাশ পোৱা সৃষ্টিৰাজিয়ে প্ৰমাণিত কৰে। বিভিন্ন সময়ত অসমভূমিত জন্ম লাভ কৰা, প্ৰব্ৰজন হৈ অহা বিভিন্ন জাতি-উপজাতি অথবা অৱতাৰী পুৰুষসকলে অসমৰ বিভিন্ন ভাষা-ভাষী, জাতি-উপজাতিৰ লোকসমূহক সাহিত্য-সংস্কৃতিৰ মাধ্যমেৰে একত্ৰিত কৰি বৃহত্তৰ অসমীয়া জাতিৰ পৰিচয় প্ৰদান কৰি তেওঁলোকৰ ভবিষ্যত প্ৰজন্মক সুৰক্ষিত কৰিছিল। তেওঁলোকলৈ আমাৰ সশ্ৰদ্ধ প্ৰণাম। নৱপ্ৰজন্ময়ো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰী মাধৱদেৱ, লাচিত বৰফুকন ইত্যাদি মহান মহান, মনীষী সকলক আদৰ্শ হিচাপে লৈ সাহিত্য চৰ্চা অথবা তেওঁলোকৰ বিভিন্ন ধৰণৰ লোকহিতকৰ কৰ্মৰ মাধ্যমেৰে বৃহত্তৰ অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ অনন্ত প্ৰহৰী হিচাপে থিয় দি অসমীয়া জাতি, ভাষা-সংস্কৃতিক বিশ্বৰ দৰবাৰত উজ্বলাই ৰাখিবলৈ সক্ষম হ'ব।

২০১৫-১৬ বৰ্ষৰ কাৰ্যকালৰ খতিয়ান -

২০১৫-১৬ বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক হিচাপে নিৰ্বাচিত হৈ ১ ফেব্ৰুৱাৰীৰ পৰা ৬ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হোৱা দিশপুৰ মহাবিদ্যালয় বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত মহাবিদ্যালয়ৰ হকে কৰ্ম কৰি যোৱাৰ সুযোগ লাভ কৰো। আলোচনী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰজ্ঞান' খনি প্ৰস্তুত কৰি উলিওৱাৰ লগতে বিভিন্ন ধৰণৰ প্ৰতিযোগিতা যেনে থিতাতে লিখা - (ক) প্ৰবন্ধ, (খ) কবিতা, (গ) নীলা খামৰ চিঠি, (ঘ) লিমাৰিক তিনিওটা ভাষা ক্ৰমে অসমীয়া, হিন্দী আৰু ইংৰাজীত অনুষ্ঠিত কৰা হয়। লগতে ৪ চেপ্তেম্বৰত অনুষ্ঠিত হোৱা নৱাগত আদৰণি সভাত পুনৰ আলোচনী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'প্ৰজ্ঞান'খনি প্ৰস্তুত কৰি উলিওৱা হয়। বছৰৰ শেষত এক ৰেটুপাত প্ৰতিযোগিতাৰ আয়োজন কৰা হয় য'ত শ্ৰেষ্ঠ ৰেটুপাত দুখনিক মহাবিদ্যালয়ৰ মুখপত্ৰ 'দিশপুৰিয়ান'ৰ প্ৰথম আৰু শেষ পৃষ্ঠাৰ ৰেটুপাত হিচাপে নিৰ্বাচিত কৰা হয়। ২০১৫-১৬ বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকলৰ মাজৰ পৰা মুখপত্ৰ 'দিশপুৰিয়ান'ৰ ছাত্ৰ সদস্যসমূহ নিৰ্বাচিত কৰা হয়।

*২০১৫-১৬ বৰ্ষ আৰু ২০১৬-১৭ বৰ্ষৰ ছাত্ৰ একতা সভা, বিভিন্ন বিভাগৰ তত্বাৱধায়ক-তত্বাৱধায়িকা আৰু মুখপত্ৰ 'অৰুণ'ৰ সম্পাদনা সমিতিৰ উপস্থিতিত ১৯/১/২০১৭ তাৰিখে ছাত্ৰ একতা সভাৰ ছাত্ৰ কল্যাণ বিষয়াৰ সৈতে হোৱা আলোচনাত দিশপুৰ মহাবিদ্যালয়ৰ একবিংশতম্ মুখপত্ৰৰ নাম 'অৰুণ'ৰ ঠাইত 'দিশপুৰিয়ান' কৰা হয়।*

কৃতজ্ঞতা স্বীকাৰ -

মহাবিদ্যালয়ৰ বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ পৰা সংগ্ৰহ কৰা লিখনীৰ নিৰ্বাচিত লিখনিসমূহ 'দিশপুৰিয়ান'ৰ মাজেৰে প্ৰকাশ কৰাৰ প্ৰচেষ্টা কঠিনতম আছিল যদিও সকলোৰে সহায়-সহযোগিতাই আমাৰ চিন্তাধাৰাক কাৰ্যত পৰিণত কৰাত সহায় কৰিলে। বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিলো দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধাৰ ড° অমৰ শইকীয়া মহোদয়ক। ছাত্ৰ কল্যাণ বিষয়া ড° জয়জ্যোতি গোস্বামী বাইদেউলৈও ধন্যবাদ জনালোঁ। আলোচনী বিভাগৰ প্ৰতিটো কাৰ্যসূচীতে পাৰ্যমানে সহায়ৰ হাত আগবঢ়োৱা আলোচনী বিভাগৰ তত্বাৱধায়িকা ড° বীণা চৌধুৰী বাইদেউলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। তেখেতৰ উপদেশ আৰু সহায়-সহযোগিতাই আমাক কৰ্ম কৰি যাবলৈ অধিক অনুপ্ৰাণিত কৰিলে। 'দিশপুৰিয়ান' সম্পাদনা সমিতিৰ শ্ৰদ্ধাৰ সমূহ শিক্ষক সদস্য আৰু মৰমৰ ছাত্ৰ সদস্যৰ লগতে মৰমৰ বন্ধু নিশান্ত, সুভাষ, জ্যোতিৰ্ময় তথা ২০১৬-১৭ বৰ্ষৰ আলোচনী সম্পাদক সঞ্জীৱ কুমাৰ দাস, এছ, এন, এড'ছিয়েটৰ লগতে দিশপুৰ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীবৃন্দলৈ মোৰ মৰম সেৱা আৰু শ্ৰদ্ধা জ্ঞাপন কৰি, শেষত জ্ঞাতে-অজ্ঞাতে 'দিশপুৰিয়ান' সম্পাদনাত বৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা মাগি সম্পাদকীয় কলমৰ সামৰণি মাৰিছোঁ।



জয়তু দিশপুৰ মহাবিদ্যালয়
জয়তু দিশপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয়তু দিশপুৰ মহাবিদ্যালয় মুখপত্ৰ 'দিশপুৰিয়ান'।

বিশ্বজিত কলিতা
৯/২/২০১৭
(বিশ্বজিত কলিতা)
আলোচনী সম্পাদক



# অৰুণ ঃ বিংশতম্ সংখ্যা ২০১৪-২০১৫
## এটি নাতিদীৰ্ঘ আলোচনা



অংকুৰ ডেকা
জ্যেষ্ঠ উপ-সম্পাদক, **গৰীয়সী**

*লেখক অংকুৰ ডেকা মুখ্যতঃ শিল্পকলা-আলোচক। তেওঁৰ প্ৰকাশিত পুথি হ'ল, 'তুমি ৰ'দৰ উৎসৱ' (কাব্য সংকলন) আৰু 'চিত্ৰকলা' (চিত্ৰকলা বিষয়ক প্ৰবন্ধ সংকলন)। সম্প্ৰতি তেওঁ অসমৰ বিশিষ্ট সাহিত্য-আলোচনী 'গৰীয়সী'ৰ জ্যেষ্ঠ উপ-সম্পাদক)*

অসমৰ ৰাজনীতি ক্ষেত্ৰৰ হৃদপিণ্ডস্বৰূপ দিশপুৰত অৱস্থিত 'দিশপুৰ মহাবিদ্যালয়'ৰ বাৰ্ষিক আলোচনী 'অৰুণ'ৰ বিংশতম্ সংখ্যাটি (২০১৪-২০১৫) আদ্যান্ত পঢ়ি আক্ষৰিক অৰ্থতে এক বিমল আনন্দ পালোঁ। পৃথিৱীৰ বহু বিখ্যাত সাহিত্যিকৰ প্ৰথম ৰচনাখন বিদ্যালয়-মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ অথবা প্ৰাচীৰ পত্ৰিকাত প্ৰকাশৰ উদাহৰণ দেখাৰ— দূৰলৈ যাব নালাগে; কুৰি শতিকাৰ শ্ৰেষ্ঠ আধুনিক অসমীয়া কবিকেইগৰাকীৰ অন্যতম নীলমণি ফুকনে অসমীয়া কবিতাৰ আধুনিকতাৰ বাটটোত ১৯৫৩ চনতে যাত্ৰা আৰম্ভ কৰিছিল বুলি ধৰি ল'ব পাৰি; কিয়নো ১৯৫৩ চনত কটন মহাবিদ্যালয়ৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ হৈ থাকোঁতে তেওঁ ৰচনা কৰা 'জাকবালীৰ কবিতা' প্ৰকাশ পাইছিল পৰৱৰ্তী বছৰৰ কটন মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ 'কটনিয়ান'ত। দ্বিতীয়তে, শক্তিশালী কথাশিল্পী অৰহান পামুকে এষাৰি সোণসেৰীয়া কথা কৈছে, "আমি আমাৰ প্ৰিয় পুথিবোৰ সেইবোৰৰ প্ৰচ্ছদবোৰ অবিহনে মনত পেলাব নোৱাৰোঁ।' 'অৰুণ'ৰ আলোচিত সংখ্যাৰ মনোমোহা প্ৰচ্ছদখনৰ প্ৰসংগতে পামুকক স্মৰণ কৰিলোঁহক— উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষৰ ছাত্ৰ কুলদীপ শৰ্মা এনে এক অৰ্থবহ, প্ৰাসংগিক প্ৰচ্ছদচিত্ৰৰ বাবে নিশ্চয়কৈ ধন্যবাদাৰ্হ। মূলতঃ মহাবিদ্যালয়খনৰ প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰী-ছাত্ৰ-ছাত্ৰীৰ বিচিত্ৰধৰ্মী লেখনিৰে সমৃদ্ধ 'অৰুণ'খন ত্ৰিভাষিক; অৰ্ধেক পৃষ্ঠা অসমীয়া ভাষাৰ— বাকী অৰ্ধেক ইংৰাজী আৰু হিন্দী ভাষাত। 'অৰুণ'ৰ তত্বাৱধায়িকা ড° বীণা চৌধুৰী আৰু সম্পাদিকা হীৰামণি নাথৰ সম্পাদনাত প্ৰকাশিত প্ৰায় দুশ পৃষ্ঠাৰ আলোচনীখনৰ বিষয়বৈচিত্ৰ্যই আমাক মুগ্ধ কৰিবলৈ বাধ্য। 'অতিথি শিতান'ত বন্তি শেনচোৱাৰ বহুচৰ্চিত এটি সাৰ্থক অসমীয়া গল্প 'জল ভৰি যশোদা' আৰু 'সংস্কৃত ভাৰতী'ৰ কাৰ্যকৰ্তা ৰাজ কুমাৰ বৰদলৈৰ 'ভাৰতস্য গৌৰৱং সংস্কৃতে নিহিতম্' শীৰ্ষক চিন্তউদ্ৰেককাৰী প্ৰবন্ধই 'অৰুণ'ক এক আকৰ্ষণীয় আয়তন প্ৰদান কৰিছে।



'অৰুণ'ৰ প্ৰবন্ধ, গল্প আৰু কবিতা— এই তিনিওটা শিতানৰ ভিতৰত আমাৰ বোধেৰে প্ৰবন্ধমুঠিহে বিষয়বৈচিত্ৰ্য আৰু পঠনযোগ্যতাৰ গুণত শ্ৰেষ্ঠৰূপে বিবেচিত হ'বৰ যোগ্য। প্ৰিয়ংকা সৰকাৰৰ 'ডাইনী হত্যা ঃ এক অন্ধবিশ্বাস', কুলদীপ শৰ্মাৰ 'বিচিত্ৰ ব্যক্তিত্ব ঃ লিঅ'নাৰ্ড দা ভিঞ্চি', বন্দিতা বড়োৰ 'সন্ত্ৰাসবাদৰ সৃষ্টি আৰু নিৰ্মূলৰ উপায়', জেবিন আকবৰৰ 'ইছলাম ধৰ্মত হজৰ বৈশিষ্ট্য' আদি প্ৰবন্ধৰ প্ৰাসংগিকতাই পঢ়ুৱৈক পঢ়িবলৈ নিশ্চয় অনুপ্ৰাণিত কৰিব। ড° জয়জ্যোতি গোস্বামী আৰু ড° বীণা চৌধুৰীয়ে গ্ৰহণ কৰা শিক্ষাব্ৰতী কেশদা মহন্তৰ সাক্ষাৎকাৰৰ পৰা আমাৰ ছাত্ৰ-ছাত্ৰীসকল নিশ্চয় উপকৃত হ'ব পাৰিছে। ভবিষ্যতে অৱশ্যে এনে সাক্ষাৎ গ্ৰহণৰ বেলিকা মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীকো যাতে জড়িত কৰা হয়; তাৰ বাবে 'অৰুণ'ৰ সম্পাদনা সমিতিৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। ড° জ্যোৎস্না ভট্টাচাৰ্যৰ 'Philosophical Humanism', টুইংকল বিশ্বাসৰ 'Save the Girl-Child', হীৰু পৱন হীৰাৰ 'The Journey of Music through Ages', জন দাসৰ 'How to prepare for a competitive Exam?' আদি প্ৰবন্ধ সকলো বয়সৰ পঢ়ুৱৈৰ বাবে উপযোগী হৈছে। হিন্দী শিতানতো কবীৰৰ দোহা বা শিশু শ্ৰমিকক লৈ অৱশ্যপঠনীয় প্ৰবন্ধ অন্তৰ্ভুক্ত হৈছে।

অপেক্ষাকৃতভাৱে 'অৰুণ'ৰ তিনিওটা শিতানৰ গল্প বা কবিতামুঠি পাছে পাগত নুঠিল! আমাৰ সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীয়ে সদায় মনত ৰখা উচিত যে ভাল লিখিবলৈ হ'লে ভাল পুথি পঢ়িবই লাগিব— তেতিয়াহে নিজৰ সীমাবদ্ধতাৰ উমান পাব পৰা যায়হ'ক। যিসকল ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতেও আন্তৰিকতাৰে সাহিত্য চৰ্চা কৰিবলৈ আগ্ৰহী; তেওঁলোকে অন্ততঃ এতিয়াৰে পৰা লক্ষ্মীনাথ বেজবৰুৱা, ড° বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈ, নৱকান্ত বৰুৱা, সৌৰভ কুমাৰ চলিহা, মহিম বৰা, নীলমণি ফুকন, হোমেন বৰগোহাঞি, লক্ষ্মীনন্দন বৰা আদি প্ৰাতঃস্মৰণীয় অসমীয়া সাহিত্যিকসকলৰ পুথিবোৰ নিয়মীয়াকৈ পঢ়া উচিত। আমি মনত ৰখা উচিত যে শিল্প-সাহিত্যৰ ক্ষেত্ৰত আত্মশিক্ষাই হৈছে একমাত্ৰ পথ। তাৰ বিকল্প নাই; নাই সাফল্যৰো চমু বাট।

আশা কৰোঁ, ভৱিষ্যতে 'অৰুণ' আৰু পূৰ্ণাঙ্গ ৰূপত উজলি উঠক। শুভকামনাৰে।

যিসকল ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতেও আন্তৰিকতাৰে সাহিত্য চৰ্চা কৰিবলৈ আগ্ৰহী; তেওঁলোকে অন্ততঃ এতিয়াৰে পৰা লক্ষ্মীনাথ বেজবৰুৱা, ড° বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈ, নৱকান্ত বৰুৱা, সৌৰভ কুমাৰ চলিহা, মহিম বৰা, নীলমণি ফুকন, হোমেন বৰগোহাঞি, লক্ষ্মীনন্দন বৰা আদি প্ৰাতঃস্মৰণীয় অসমীয়া সাহিত্যিকসকলৰ পুথিবোৰ নিয়মীয়াকৈ পঢ়া উচিত। আমি মনত ৰখা উচিত যে শিল্প-সাহিত্যৰ ক্ষেত্ৰত আত্মশিক্ষাই হৈছে একমাত্ৰ পথ। তাৰ বিকল্প নাই; নাই সাফল্যৰো চমু বাট।



# প্ৰথম পৃষ্ঠাৰ বেটুপাতে কি ক'ব বিচাৰে




বৌদ্ধ ধৰ্মৰ মূলমন্ত্ৰ আৰু কিছুমান নিয়মাৱলীৰ ওপৰত ভিত্তি কৰি দিছপুৰ মহাবিদ্যালয়ৰ একবিংশতিতম মুখপত্ৰ দিশপুৰিয়ানৰ বেটুপাত অংকন কৰা হৈছে। ঐতিহ্যমণ্ডিত এই বৌদ্ধধৰ্মত প্ৰচলিত এক বিশ্বাস যে মনুষ্যই জীৱনত লাভ কৰিব পৰা সৰ্বোত্তম মানসিক অৱস্থা হৈছে শান্তি। আজিকালি অতি ব্যস্ত আৰু অগতানুগতিক জীৱনশৈলীৰ মাজত ক্ৰমাৎ অস্তিত্ববিহীন হ'বলৈ ধৰা মানুহৰ আত্মবিশ্বাস আৰু মানসিক শান্তিৰ বাবে এই বিশ্বাস অনুসৰণ কৰা অত্যন্তই প্ৰয়োজনীয় হৈ পৰিছে। এই আধুনিক কৃত্ৰিমতাৰ মাজত দিক্‌ভ্ৰান্ত হোৱা মানুহে উপলব্ধি কৰিছে যে সুখ সদায় আপেক্ষিক। শান্তি কি যদিও বুজিবলৈ টান তথাপিও দেখা যায় যে মানুহৰ জীৱনৰ দুঃচিন্তা বিহীন শৈশৱ কালতো পাৰ হৈ যায় অনাবিল শান্তিৰে। বেটুপাতত অংকিত চৰাইৰ ৰূপৰেখাটো আমি শান্তিৰ প্ৰতীক হিচাপে চিহ্নিত কৰিব পাৰো। বগা পাখৰ দেহত বিলীন হৈ যোৱা ৰঙা ৰঙে আমাক দেখুৱাইছে যান্ত্ৰিকতাৰ গহ্বৰত হেৰাই যাবলৈ ধৰা মানসিক শান্তিক পুনৰুদ্ধাৰ কৰিবলৈ আমি দূৰণিলৈ যাব নালাগে, লাগে মাথো নিজৰ আত্মাক দৈনন্দিন চাপ তথা দুঃচিন্তাৰ পৰা মুক্ত কৰাৰ দৃঢ় মনোবল।

বেটুপাতৰ দ্বিতীয় প্ৰতীকত বৰ্ণহীন মানৱ শান্তিৰ অভিমুখী যাত্ৰা প্ৰকাশ পাইছে। সেই যাত্ৰা হৈছে পৱিত্ৰতা আৰু সততাৰে আৱৰা মানসিক শান্তি প্ৰাপ্তিৰ এক অৱস্থা। আমাৰ মনলৈ সততে প্ৰশ্ন আহে যে মানসিক শান্তিৰ প্ৰয়োজনীয়তা ক'ত। ইয়াৰ উত্তৰ সন্নিহিত হৈ আছে আমাৰ দৃষ্টিভংগীত। সুদৃশ্য এই ধৰণীখনত এক নতুন দৃষ্টিৰে অনুভৱ কৰিবলৈ আমাক শান্তিৰ প্ৰয়োজন। শান্তিয়ে সহায় কৰে প্ৰত্যেকৰে প্ৰতি শুভাকাংক্ষী হ'বলৈ। যেতিয়া কোনো এগৰাকী ব্যক্তিয়ে মানসিক শান্তি লাভ কৰে তেতিয়া সেই ব্যক্তিজনে সমগ্ৰ ব্ৰহ্মাণ্ডৰ সৈতে আত্মাৰ সহাৱস্থান কৰিব পাৰে। সেই ব্যক্তিজনে প্ৰকৃতি, সত্য আৰু সৌন্দৰ্যৰ লগত একাত্ম সম্পৰ্ক স্থাপন কৰিব পাৰে।

বেটুপাতৰ তৃতীয় প্ৰতীকটো প্ৰতিনিধিত্ব কৰে আমাৰ শাৰীৰিক অৱস্থাৰ স্থিতি। প্ৰতীকটোৰ পাছফালে প্ৰজ্জ্বলিত জ্যোতিয়ে আমাক বুজায় যে মানসিক শান্তি প্ৰাপ্ত কৰিলে আশাৰ জ্যোতি উজ্জ্বলি উঠে। মাটি, পানী আদিৰ মিশ্ৰণেৰে গঢ় লোৱা অস্থায়ী মানৱ দেহৰ মুখ্য উপাদান তেজৰ ৰঙেৰে এই মানৱ দেহ অংকন কৰা হৈছে। য'ত মিশ্ৰিত কৰা হৈছে মাটিয়া ৰং। বেটুপাতৰ প্ৰচ্ছদ ভাগৰ গাঢ় নীলাৰে বুজোৱা হৈছে যে মানুহৰ মন আৰু আত্মা অন্ধকাৰেৰে আৱৰা। তাতে থকা শান্তিৰ প্ৰতীকে আশাৰ বাট দেখুৱাইছে। বেটুপাতত বাওঁফালৰ জুইকুৰাই মানসিক দুখ-কষ্ট বুজাইছে আৰু সকলো বাধা-বিঘিনি অতিক্ৰমি আশাৰ বাটেৰে আগবাঢ়ি যাবলৈ শিকনি দিছে। কাৰণ আশা আছে বাবেই আমাৰ পৃথিৱীখন ধুনীয়া হৈ আছে আৰু থাকিব।



জেচমিন আৰা বেগম
পঞ্চম যান্মাসিক (বুৰঞ্জী বিভাগ)

# শেষপৃষ্ঠাৰ বেটুপাতে কি কয়



জম্বুদ্বীপ হিচাপে পৰিচিত আমাৰ ভাৰতবৰ্ষৰ সিন্ধু নদীক কেন্দ্ৰ কৰি গঢ়ি উঠা সভ্যতাই সহস্ৰাধিক বৰ্ষ অতিক্ৰম কৰি আজিৰ ভাৰতবৰ্ষৰ আকাৰ লাভ কৰিছে। এই সমগ্ৰ পৰিক্ৰমাত ভাৰতবৰ্ষ জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলোৰে মিলনভূমিৰূপে পৰিগণিত হৈছে। সেই তাহানিৰে পৰা চলি অহা এষাৰি আপ্তবাক্য 'অনেকৰ মাজত ঐক্য' — যিষাৰ বাক্যই ভাৰতবৰ্ষক সম্পূৰ্ণৰূপে প্ৰতিনিধিত্ব কৰে। সেইষাৰি বাক্যৰ যথাৰ্থতা আমাৰ চিত্ৰখনৰ মাজেৰে নিৰূপণ কৰিবলৈ চেষ্টা কৰা হৈছে।

চিত্ৰখন ওপৰৰ পৰা লক্ষ্য কৰিলে সৰ্বশিখৰত জম্মু-কাশ্মীৰৰ নৌকাগৃহ অংকিত কৰা হৈছে যাৰ দ্বাৰা ভাৰতবৰ্ষৰ উত্তৰ প্ৰান্তৰ এক নান্দনিক আৰু প্ৰাচীন ঐতিহ্যৰ আভাস পোৱা যায়। তাৰ ঠিক তলতে অংকন কৰা হৈছে ভূ-স্বৰ্গ জম্মু কাশ্মীৰৰ প্ৰাণসদৃশ চিৰসেউজ পাইন গছ আৰু পাইনবোৰে সৌৰৱাই দিয়ে সিহঁতবোৰক আঁকোৱালি লৈ থকা ক'ৰবাত বৰফাবৃত আন ক'ৰবাত কুলু কুলু চঞ্চলা নিজৰাবোৰে নাচি থকা পাহাৰবোৰ।

তাৰ ঠিক তলতেই জিলিকি থকা এক শ্বাশ্বত চিহ্ন 'ওঁ'। ই প্ৰতিনিধিত্ব কৰে সমগ্ৰ ভাৰতীয় সভ্যতাৰ বিচাৰ যিয়ে প্ৰকাশ কৰে শান্তি। চিত্ৰখনৰ যিখিনি ঠাইত চিহ্নতো অংকন কৰা হৈছে সেইখিনি ঠাইতে তাহানিতে আৰম্ভ হৈছিল বেদৰ সৃষ্টি আৰু শিক্ষাৰ প্ৰচাৰ। তাৰ ঠিক সমান্তৰাল ভাৱে বাওঁফালে অংকন কৰা হৈছে এখন মুখ। এমুখ দাড়ি আৰু মূৰত এটি পাগুৰীৰে সেয়া এগৰাকী শিখ ধৰ্মাৱলম্বী ব্যক্তিৰ মুখ। সমগ্ৰ ভাৰতত সেয়া এক দায়বদ্ধ ভাৰতীয়ৰ চিনাকী ব্যক্তিত্ব। তাৰ ঠিক বাওঁফালে অংকন কৰা হৈছে — ভাক্ৰা নাংগল বান্ধ (Bhakra Nangal Dam), সৰিয়হ ফুলৰ দেশ পাঞ্জাবৰ যিয়ে এক বিশেষ ভূমিকা অৱলম্বন কৰিছে।

তাৰ ঠিক তলতেই অংকন কৰা হৈছে এক ভাস্কৰ্য — নামেই যাৰ পৰিচয়, তাজমহল। পৃথিৱীৰ আন আশ্চৰ্যৰ অন্যতম তাজমহলৰ পৰিচয় বেলেগকৈ দিয়াৰ প্ৰয়োজন নাই। মোগল সম্ৰাট ছাহজাহানৰ মমতাজ মহলৰ প্ৰতি থকা পত্নী প্ৰেমৰ নিদৰ্শন, চালে চকু ৰৈ যোৱা এক ভাস্কৰ্য তাজমহল বৰ্তমান বিশ্ববিখ্যাত এক পৰ্যটন কেন্দ্ৰত পৰিণত হৈছে। দুপৰীয়াৰ চোকা ৰ'দত জিলিকি উঠা তাজমহলে এতিয়াও কঢ়িয়াই আছে মোগল সাম্ৰাজ্যৰ ৰাজকীয় প্ৰেমৰ গাম্ভীৰ্য।

চিত্ৰখনৰ ৰাজস্থান-গুজৰাট অংশত ময়ুৰ, উট, গান্ধী যাঁতৰ ইত্যাদি অংকিত কৰা হৈছে। তদুপৰি তাজমহলৰ ঠিক তলতেই অংকিত কৰা বাঘ আৰু হাতীৰ জৰিয়তে এই প্ৰাণীসমূহৰ সংৰক্ষণৰ গুৰুত্বৰ বিষয়ে অৱগত কৰাৰ প্ৰয়াস কৰা হৈছে। তথ্য অনুযায়ী বিশাল জৈৱ-বৈচিত্ৰ্যৰ কেন্দ্ৰ হিচাপে পৰিগণিত হোৱা ভাৰতবৰ্ষত ৮,৭১,৩১৮ বিধৰো অধিক জীৱ-জন্তুৰ প্ৰজাতি আছে। আমাৰ তথা সকলো ভাৰতীয় নাগৰিকৰ সজাগতা অবিহনে এই সকলো জীৱ-জন্তু কালৰ গৰ্ভত এদিন বিলুপ্ত হৈ যোৱাৰ আশংকা কৰা হৈছে আৰু জীৱ-জন্তুৰ সংৰক্ষণৰ গুৰুত্ব প্ৰদৰ্শন কৰিবলৈ চিত্ৰখনত ভাৰতীয় জীৱতো জন্তুৰ চিত্ৰ অংকন কৰা হৈছে। বিগত দশক কেইটাত প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতবৰ্ষই অভূতপূৰ্ব সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। মংগল যানৰ সফল উৎক্ষেপনে ভাৰতবৰ্ষৰ প্ৰযুক্তিমুখিতাত এক নৱ লহৰ যোগ দিবলৈ সক্ষম হৈছে। ভাৰতবৰ্ষৰ অৰ্থনীতি বৰ্তমান বিশ্বৰ এক অন্যতম লেখত ল'বলগীয়া দ্ৰুত উন্নয়নশীল অৰ্থনীতি।

তদুপৰি বিভিন্ন শাস্ত্ৰীয় সংগীত নৃত্য-কলা তথা অন্যান্য শিল্পৰে চহকী দক্ষিণ ভাৰতীয় সংস্কৃতিক কথাকলি, ভাৰত নাট্যম আদি প্ৰতীকেৰে চিহ্নিত কৰা হৈছে। চিত্ৰখনৰ বংগৰ অংশত অংকিত কৰা হৈছে এগৰাকী মহিলা বাউল (Baul) শিল্পী। ইয়ে চিহ্নিত কৰিছে বংগৰ বিখ্যাত বাউল নৃত্য যিয়ে আন্তৰ্জাতিক পৰ্যায়ত প্ৰশংসা লভিবলৈ সক্ষম হৈছে।

আনপিনে উত্তৰ-পূৱ ভাৰত ইয়াৰ সাংস্কৃতিক বহুমুখিতা প্ৰাকৃতিক সৌন্দৰ্য, অতিথি পৰায়ণতা, বিভিন্ন ধৰণৰ জনজাতীয় খাদ্য সম্ভাৰ আৰু এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত।



প্ৰীতম বৰঠাকুৰ
প্ৰথম ষাণ্মাসিক
(বিত্ত বিভাগ)

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰৱেশদ্বাৰ হিচাপে অসমৰ প্ৰসিদ্ধ চাহ খেতি, নীলাচল পাহাৰত অৱস্থিত কামাখ্যা মন্দিৰ আৰু সাংস্কৃতিক দিশত বিহুনৃত্যৰ বাবে বিখ্যাত। উত্তৰ-পূব ভাৰতক মায়াৰ্ছ ২০০০ (Myers 2000)ৰ দ্বাৰা বিশ্বৰ ভিতৰত সপ্তম চহকী জৈৱ বৈচিত্ৰপূৰ্ণ ক্ষেত্ৰ হিচাপে চিহ্নিত কৰা হৈছে। উত্তৰ-পূব ভাৰতৰ ভাষা আৰু সংস্কৃতি মংগোলীয়, অষ্ট্ৰিক, দ্ৰাবিড় আৰু আৰ্য ইত্যাদি সংস্কৃতিৰ সভ্যতাৰ মিশ্ৰণ বুলিব পাৰি। ইয়াৰোপৰি ভাষাবিদসকলৰ গৱেষণা অনুযায়ী প্ৰায় ২২০ টাৰো অধিক ভাষা ব্যৱহাৰ কৰা জাতি-উপজাতি উত্তৰ-পূৰ্বাঞ্চলত থকা বুলি কোৱা হৈছে।

এক কথাত ভাৰতবৰ্ষ এখন সাংস্কৃতিকভাৱে বহুমুখী দেশ। বিভিন্ন ধৰ্ম, জাতি, উপজাতি, পৰম্পৰা, লোকপ্ৰথা আদিৰে সমৃদ্ধ ভাৰতবৰ্ষক এখন ৰঙীন কলাজৰ সৈতে তুলনা কৰিব পাৰি যিয়ে ভাৰতবৰ্ষক অতুলনীয় দৃষ্টিভংগীৰে পৰ্যবেক্ষণ কৰিবলৈ বাধ্য কৰে। ভাৰতবৰ্ষৰ সৌন্দৰ্য হৈছে সাংস্কৃতিক ঐতিহ্য আৰু আমি ইয়াক সংৰক্ষণ কৰিবলৈ প্ৰত্যেকে প্ৰতিশ্ৰুতি বদ্ধ হ'ব লাগিব।

উক্ত বেটুপাতত ভাৰতীয় জাতীয় ঐতিহ্য আৰু সংস্কৃতিক চেতনা সামগ্ৰীকভাৱে জাগৃত কৰাৰ প্ৰসংগ প্ৰকাশ কৰিবলৈ বিচৰা হৈছে।



# সূচীপত্ৰ

## অসমীয়া বিভাগ




প্ৰবন্ধ
অন্তৰংগ আলাপ
কবিতা
গল্প
প্ৰাচীৰ পত্ৰিকা
পৃষ্ঠা - ১ ৰ পৰা ১২২ লৈ


## ENGLISH SECTION




Article
Poetry
Story
Page - From 123 to 168


## हिंदी अनुभाग




निबन्ध
कविता
कहानी
पृष्ठ संख्या 169 से 191 तक


## প্ৰতিবেদন




পৃষ্ঠা - ১৯২ ৰ পৰা

# অসমীয়া বিভাগ





# প্ৰবন্ধ শিতান

*“ভাৰ নিজে যিমানেই সুন্দৰ নহওঁক কিয়, তাক সুন্দৰকৈ নসজালে সৰ্বজন চিত্তগ্ৰাহী হ'ব নোৱাৰে।”*

— লৰ্ড চেষ্টাৰফিল্ড



# প্ৰবন্ধ

গানৰ লহৰ, প্ৰাণৰ পোহৰ — ডঃ বিৰিঞ্চি কুমাৰ মেধি /৩
বিজ্ঞান চৰ্চাৰ অনুপ্ৰেৰণা — ড° ৰবীন্দ্ৰ কুমাৰ শৰ্মা /৬
শিক্ষাৰ প্ৰত্যাহবান — ড° ৰাণী মুদিয়াৰ ডেকা /৯
বিমুদ্ৰাকৰণ আৰু কলা ধনৰ ওপৰত আয়কৰ আইন — ড° জ্যোতিষ গোস্বামী /১২
অসমৰ জাতীয় সম্পদ স্বৰূপ ভ্ৰাম্যমান থিয়েটাৰ — ড° মৌচুমী দেৱী /১৫
... অৰণ্য মানৱ আৰু 'মলাই কাঠনি' — অমিত কুমাৰ ৰায়চৌধুৰী /১৯
সামাজিক বিকাশত মহিলা শিক্ষাৰ ভূমিকা — সীমা বৰ্মণ /২২
উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত দেৱালয় সমূহ — জয়িতা দাস /২৪
অসমীয়া নাটৰ আৰম্ভণি — পাৰ্থ প্ৰতিম হালৈ /২৬
বহাগ মাহ কেন্দ্ৰিক লোক উৎসৱ ঃ ভঠেলি আৰু সুঁৱৰি — লিপিকা নাথ /২৭
পৰিবেশ বিজ্ঞানৰ ভূমিকা — মধুমিতা তুমুং /২৯
দৰঙত পালন কৰা গীত-নৃত্যানুষ্ঠান — অঞ্জুৱাৰা আহমেদ /৩১
পৰিবেশ বিজ্ঞান ঃ এক নৈতিক দৃষ্টিভংগীৰে — বন্দিতা বড়ো /৩৫
ৰিঅ' অলিম্পিক- ২০১৬ ত ভাৰতৰ ভূমিকা — দেৱজিত কলিতা /৪০
হাজোৰ তীৰ্থক্ষেত্ৰ ঃ এটি আলোচনা — বীণা বেগম /৪১
আত্মহনন ঃ যুৱপ্ৰজন্মৰ বাবে এক সামাজিক ব্যাধি — ৰাজা ঠাকুৰীয়া /৪৫
অসম ৰাজ্যিক চিৰিয়াখানা — হীৰকজ্যোতি কলিতা /৪৭
অসমীয়া সকলৰ সাজপাৰ — সত্যম্ চৌধুৰী /৪৭
মাজুলী ঃ অসমৰ সত্ৰীয়া সংস্কৃতিৰ ভঁৰাল — অৰবিন্দ বৰা /৪৮
আমাৰ সমাজ আৰু আমি — পৰীখা কলিতা /৫০
যুৱসমাজৰ শৃংখলাবোধ — চুমী কলিতা /৫১
নলবাৰী হৰি মন্দিৰৰ ৰাস মহোৎসৱৰ ইতিহাস — অনামিকা দাস /৫২
শিক্ষামূলক ভ্ৰমণ শ্বিলং-চেৰাপুঞ্জীলৈ — সুভাষ দাস /৫৪
শিক্ষামূলক ভ্ৰমণ ঃ বৰপেটালৈ — প্ৰথম আৰু তৃতীয় ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰী বৃন্দ /৫৫
হেণ্ডেৰাবাৰীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী মা বাঘেশ্বৰী দেৱীৰ থান — তৃষ্ণা তালুকদাৰ /৫৮
টাবাঙত ৰাষ্ট্ৰীয় যুৱ প্ৰকল্প শিবিৰত — বিশ্বজিত কলিতা, মুনমুন বৰুৱা, জিণ্টু হালৈ /৫৯
টিহুৰ প্ৰসিদ্ধ মাখিবাহা সভা মহোৎসৱ — অংকিতা তালুকদাৰ /৬১
আব্ৰাহাম লিংকনৰ বিখ্যাত চিঠিখন — প্ৰিয়াংকু কুমাৰ গগৈ /৬৩
মাদাৰ টেৰেছা — সান্ত্বনা কলিতা /৬৪


প্ৰবন্ধ শিতান



অতিথি শিতান

# গানৰ লহৰ, প্ৰাণৰ পোহৰ




*ডঃ বিৰিঞ্চি কুমাৰ মেধি*
*ভূতপূৰ্ব অধ্যাপক*
*গুৱাহাটী বিশ্ববিদ্যালয়*


দিশপুৰ মহাবিদ্যালয়
অশেষ প্ৰাণত তোমাৰ স্পন্দ
আনে নৱসুষমাৰ
নীৰৱে বিলাই
আপোন কৰিলা তুমি উদয়।

হেজাৰজনৰে হ'ল
মুখৰ প্ৰাংগণ
উদাৰ চিত্তে কৰা
জ্ঞান বিতৰণ
শ্ৰদ্ধা নিষ্ঠা প্ৰীতি
তোমাৰেই দান
সফল কৰিলা কত স্বপ্ন।

শিথিল কৰি তুমি
তুলিলা সবল
মুক্ত দীপ্ত তৰ
হাঁহিমুখ মন
অতুল কিৰণ বিলাই
শতজনক
আপোন কৰিলা মনোমুগ্ধ।

অসম আমাৰ জন্মভূমি। আমাৰ ধাৰণা, চেতনা, সাধনা আৰু এষণাত অসমে সুবিশাল আকাৰ ধাৰণ কৰি ভাৰতত বিলীন হৈ পৰে। সেই অনন্য ভাৰত, দুষ্যন্ত আৰু শকুন্তলাৰ পুত্ৰ ৰাজকুমাৰ ভৰতৰ ৰাজ্যাভিষেকৰ অনঘ্য ক্ষণত পুৰোহিতে তেওঁক যি ভূখণ্ডৰ সম্ৰাট স্বৰূপে উল্লেখ কৰিছিল, কাশ্মীৰৰ পৰা কুমাৰিকালৈ, কচ্ছৰ পৰা কামৰূপলৈ বিস্তৃত হৃদয়ৰঞ্জক ভূখণ্ড, যাৰ শিৰত তুহিন শুভ্ৰ কিৰীটি, চৰণ যাৰ অনুক্ষণ পখালি থাকে অতলান্ত সাগৰে, যি দেশত অনৈক্যৰ মাজত চিৰকাল ঐক্য বিৰাজমান, সেইখন ভাৰত। আমাৰ প্ৰশস্তিত অসম আৰু ভাৰত হৈ পৰে একাত্ম - অভিন্ন।

কতযে নামেৰে মাতিছো তোমাক
জন্মভূমি শতৰূপা
সুজলা সুজাতা শান্তা সুনভা
অলকানন্দা অনসূয়া।

গভীৰ আঘাত কৰি দিয়া শাঁত
বুকুত ফুলোৱা প্ৰীতিৰ ফুল
উদাস হতাশ প্ৰাণত সানিলা
দোকমোকালিৰ হেন্তুলী বোল
তুমিয়ে জননী শান্তি-দায়িনী
আভনন্দিতা নিৰুপমা।

নদীৰূপে মেলা প্ৰেমৰ পোহাৰ
শস্য ৰূপেৰে যাচিলা আহাৰ
ক্লান্তি বিষাদ বিলীন কৰিলা
নীৰৱে বোৱাই স্নেহধাৰা।

তোমাৰ ধূলিত আছে নৱনীত
সমীৰণে তোলে কৰুণা- ঢৌ
সচিতে সপোনে যাচিলা সঘনে
জীৱনদায়িনী মমতা - মৌ
তুমি গৰীয়সী মাতৃ শ্ৰেয়সী
অপৰাজিতা প্ৰাণাধিকা।

এই দেশৰ বৰ্ণাঢ্য সংস্কৃতিয়ে বিশ্ব নিখিলৰ অগণন

সংবেদনশীল অনুসন্ধিৎসু লোকক চিৰকাল কৰি ৰাখিছে মন্ত্ৰমুগ্ধ, বিস্ময়াভিভূত; জীৱনৰ প্ৰতিটো পল-অনুপল, সামাজিক, অৰ্থনৈতিক, ধৰ্মীয় ধাৰাৰ প্ৰতিটো গ্ৰন্থি চিত্তবিনোদক সংস্কৃতিৰ দীঘ-বাণিয়ে কৰি ৰাখিছে সংকৰ্ষক, কৌতূহলোদ্দীপক।

অ' আমাৰ বুকুৰ আপোন
শান্তিৰূপা সংস্কৃতি
তোমাৰেই আলিংগনত
সঞ্জীৱিত দিৱস-ৰাতি।

ওঁঠত দিলা মধুৰ ভাষা
বুকুত প্ৰেমৰ সোণশিৰি
চকুত দিলা পৰম আশা
তৃপ্তি ঢালা জীৱনজুৰি
ক্লান্তপৰাণ সজীৱ কৰি
বুলাই দিয়া পৰশকাৰি।

আমাক কৰা মন্ত্ৰমুগ্ধ
বিশ্ব কৰা আন্দোলিত
সফল কৰি অলেখ স্বপ্ন
স্তব্ধ মনৰ দিয়া গতি।

বুকুৰ ভূগোল কৰি আকুল
অন্ধকাৰত জ্বলাই চাকি
দগ্ধ মৰুত বোৱাই দিয়া
বিশ্বপ্ৰেমৰ অমল নদী
আমি তোমাৰ অমোঘ বাণীৰ
সঞ্চাৰিণী প্ৰতিধ্বনি।

আমাৰ দেশৰ আবাল বৃদ্ধ বনিতাৰ জীৱনৰ প্ৰতিটো সোপান স্পন্দিত, কল্লোলিত কৰি ৰাখে স্পৰ্শকাতৰ, মায়াময় সংগীতে। মানুহৰ দ্বিধা-দৈন্য, অশ্ৰু-আনন্দ, প্ৰাপ্তি-অপ্ৰাপ্তি-ঔৎসুক্য হৃদয়স্পৰ্শী ৰূপত সংগীতৰ মাধ্যমেৰে পৰিৱেশিত হয়। লোকগীতৰ পৰা বেদ-উপনিষদৰ স্তোত্ৰলৈকে অনিৰ্বচনীয় জ্ঞানৰ ভাণ্ডাৰ গীতসমূহে আমাৰ দেশৰ জনগণৰ হৃদয়-মন, আকাংক্ষা-অভীপ্সাৰ সঠিক সংবাদ দিব পাৰে।

ইমান আপোন এই গানৰ ভুবন
ভুবন আৱৰি আছে অগণন সুৰ
সুৰৰ মায়াৰে ভৰে নীলিম গগন
গগনেও ঢালি দিয়ে সুৰ সুমধুৰ।

সুমধুৰ সুৰ লৈ আকুল জীৱন
জীৱন-জগত হয় সুৰত বিভোৰ
বিভোৰ পৰাণ প্ৰেম-প্ৰীতিত মগন
মগন হৃদয়ে কৰে ধ্বনী মধুৰ।

মধুৰ পলকে ৰচে অযুত সপোন
লপোন সামৰি ৰচে জীৱন মুকুৰ
মুকুৰ আৱৰি আছে উলাহৰ গান
উলাহৰ গানে ঢাকে বিষাদ অশ্ৰুৰ।

গানেই জ্বলায় প্ৰাণৰ লিখা, জ্ঞানৰ প্ৰদীপ। বেদ, ব্ৰাহ্মণ, স্মৃতি, সংহিতাই প্ৰজ্বলিত কৰে প্ৰজ্ঞামেধ; সৃষ্টি হয় নালন্দা-তক্ষশীলা ইত্যাদি বিভিন্ন পৰ্যায়ৰ প্ৰজ্ঞালয়ৰ। সেই কেন্দ্ৰত চামে চামে প্ৰৱেশ কৰে শিশু-কিশোৰৰ; কালক্ৰমত তেওঁলোকেই পৰিণত হয় বিজ্ঞ, বৰেণ্য, প্ৰবুদ্ধ লোকত। নবাগতসকলক আদৰিবলৈ প্ৰজ্ঞাকেন্দ্ৰৰ আবাসীবৃন্দৰ কণ্ঠেৰে নিঃসৃত হয় অকুণ্ঠ সগোত্ৰ চেতনাৰ, জীৱন-জগত সুখময়-প্ৰশান্তিময় কৰাৰ পৰম সংগীত।

হে সতীৰ্থ সমাগত
জনাও সাদৰ সম্ভাষণ
আমাৰ শুভকামনাৰে কৰা
ন-মনীষাৰ অংকুৰণ।
অদূৰত জ্বলে হেঙুলীয়া বেলি
জ্ঞানৰ ৰশ্মি ঢালি
মহা আলোকৰ অমল ৰেণু
লোৱা আশিস বুলি
প্ৰাণেৰে স্নেহেৰে শিক্ষাৰে তাৰ
জীৱন কৰা অনুপম।
প্ৰজ্ঞা লাগে নিষ্ঠা লাগে
সমাজ গঢ়িবলে'
আৰু লাগে অমিত সাহস
জীৱন গঢ়িবলে'
আমাৰ বন্ধ্যা ভৱিষ্যতৰ
ৰুক্ষ ঊষৰ থল
কৰা উৰ্বৰ বোৱাই আনি
সুপ্তি ভঙাৰ জল
ধ্যানেৰে জ্ঞানেৰে দীক্ষাৰে তাৰ
বিশ্ব কৰা নিৰুপম।

অসমৰ ঐতিহ্যমণ্ডিত ইতিহাসত চিৰকাল গুৱাহাটীয়ে অধিকাৰ কৰি আছে এক চিত্তাকৰ্ষক অভিকেন্দ্ৰিক স্থান। সেই গুৱাহাটীৰে বৰ্তমান কালৰ এক উল্লেখ্য অঞ্চল হ'ল দিশপুৰ। ৰাজনৈতিকভাৱে অসম ছিন্ন-ভিন্ন হোৱাৰ পূৰ্বলৈ দিশপুৰ আছিল প্ৰায় প্ৰত্যন্ত, প্ৰশান্ত, পান্নাৱৰ্ণী অঞ্চল। মেঘালয়ৰ সৃষ্টি হোৱাৰ পাছত বহুকাল ছিলঙত অৱস্থিত অসমৰ ৰাজধানী স্থানান্তৰিত হ'ল গুৱাহাটীৰ দিশপুৰলৈ। হ্ৰস্বকালতে নিমাওমাও দিশপুৰ হৈ উঠিল সালংকৃতা; সেউজীয়া আস্তৰণ সংকুচিত কৰি তাত গঢ় লৈ উঠিল কংক্ৰিটৰ সাম্ৰাজ্য, উন্মেষ হ'ল বহু শিক্ষা কেন্দ্ৰৰ, অংকুৰিত হ'ল দিশপুৰ মহাবিদ্যালয়। সময় সোপান অতিক্ৰম কৰি উক্ত মহাবিদ্যালয়ে বৰ্তমান বহু পৰিমাণে লাভ কৰিছে পৰিপূৰ্ণতা। দিশপুৰ মহাবিদ্যালয়ৰ সমৰ্পিত ছাত্ৰ-ছাত্ৰীবৃন্দৰ হৃদয়-মন মন্থিত কল্লোলিত কৰি কেতিয়াবা ধ্বনিত-প্ৰতিধ্বনিত হয়নে শিক্ষানুষ্ঠানটিৰ প্ৰতি থকা সমৰ্পণ, আকৰ্ষণ, স্নেহ আৰু শ্ৰদ্ধাৰ অনুপ সংগীত?

দিশপুৰ মহাবিদ্যালয়
অলেখ প্ৰাণত তোলা ছন্দ
অমল অংশুমালা
নীৰবে বিলাই
আমাক কৰিলা তুমি ধন্য।

হেজাৰজনেৰে হ'ল
মুখৰ প্ৰাংগণ
উদাৰ চিন্তে কৰা
জ্ঞান বিকিৰণ
প্ৰজ্ঞা নিষ্ঠা প্ৰীতি
তোমাৰেই দান
সফল কৰিলা কত স্বপ্ন।

শিথিল বক্ষ জুৰি
তুলিলা স্পন্দন
মুক্ত দীপ্ত কৰা
ছায়াঘন মন
অতুল বিভৱ যাচি
শতেকজনক
আমাক কৰিলা মনোমুগ্ধ। ●

*[অসমীয়া সাহিত্যৰ আৱৰ্ত্তত ড° বিৰিঞ্চি কুমাৰ মেধি পৰিচিত জনপ্ৰিয় নাম। গল্প, উপন্যাস, প্ৰবন্ধ, নাটক, শিশু সাহিত্য, গীত, কবিতা ইত্যাদি সাহিত্যৰ বিভিন্ন দিশত তেওঁ প্ৰতিভাৰ স্বাক্ষৰ ৰাখিবলৈ সমৰ্থ হৈছে। মংগলদৈ নগৰত ১৯৫০ চনৰ ১৪ নৱেম্বৰ তাৰিখে জন্মলাভ কৰা ডাঃ মেধি গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলৰ পৰা ১৯৬৪ চনত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। কটন কলেজৰ পৰা ১৯৬৯ চনত তেওঁ কলা আৰু বিজ্ঞান উভয় শাখাৰ নৃতত্বৰ অনাৰ্চ পৰীক্ষাৰ্থীসকলৰ মাজত প্ৰথম স্থান অধিকাৰ কৰি বি এছ চি ডিগ্ৰী লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৭১ চনত তেওঁ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি নৃতত্বৰ এম এছ চি ডিগ্ৰী লাভ কৰে। আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰবক্তা ৰূপে ১৯৭২ চনত তেওঁ কৰ্মজীৱনৰ পাতনি মেলে। ১৯৭৮ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ সমৰ্থ হয়। অসমীয়া শিখসকলৰ সামাজিক সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰি তেওঁ ১৯৯০ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰে; অসমীয়া শিখ সম্বন্ধে তথ্য নিৰ্ভৰ প্ৰণালীবদ্ধ অধ্যয়ন চলোৱা ড° মেধিয়েই হৈছে প্ৰথম ব্যক্তি। ১৯৮১ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগত প্ৰবক্তাৰূপে যোগদান কৰি ১৯৯৯ চনত তেওঁ অধ্যাপক পদলৈ উন্নীত হয় আৰু ২০১৩ চনত তেওঁ সেই পদৰ পৰা অৱসৰ গ্ৰহণ কৰে।*

*উত্তৰ পূৱ ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ মাজত গভীৰ অধ্যয়ন চলোৱা ড° মেধিৰ তত্বাৱধানত গৱেষণা কৰি এতিয়ালৈকে ২২ গৰাকী ব্যক্তিয়ে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। তেওঁৰ প্ৰকাশিত গৱেষণা পত্ৰৰ সংখ্যা ১০০ খনতকৈয়ো অধিক। বৰ্তমানলৈ সক্ৰিয় ড° মেধিয়ে দেশ-বিদেশৰ চেমিনাৰ আদিত উত্তৰ পূৱ ভাৰতৰ তথ্যৰ ভিত্তিত নিয়মিতভাৱে বক্তৃতা প্ৰদান কৰি আহিছে।*

*ড° মেধিৰ অধ্যয়নৰ ক্ষেত্ৰ অতি বিশাল। অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে তেওঁ ৰচনা কৰা পুথিসমূহে বিদ্বৎ সমাজ আৰু সাধাৰণ পাঠকৰ মাজত প্ৰচুৰ জনপ্ৰিয়তা লাভ কৰিছে। 'এখন দেশ, অলেখ মানুহ' গ্ৰন্থখনৰ বাবে ১৯৮২ চনত ভাৰতৰ সন্মানীয় ৰাষ্ট্ৰপতিৰ পৰা তেওঁ Certificate of Merit লাভ কৰে। অসমৰ State Film Award Festival ত তেওঁ দুবাৰকৈ (২০১০ আৰু ২০১৫) শ্ৰেষ্ঠ গীতিকাৰৰ পুৰস্কাৰ লাভ কৰিছে।*

*অভিনন্দিত অৱসাদ (১৯৮২), আকাশ যিমান (১৯৮৪) আদি চুটিগল্পৰ পুথি, আজন্মৰ সহচৰ (১৯৮৫, উপন্যাস), আজৰি পৰৰ কবিতা (১৯৮৭), অংকুৰৰ পৰা অৰণ্যলৈ (২০০৭) আদি শিশু সাহিত্য, চৰাচৰ (১৯৯৮), পদুম পাতৰ পানী (১৯৯৪) ইত্যাদি প্ৰবন্ধ পুথি তেওঁৰ সাহিত্য সেৱাৰ উৎকৃষ্ট নিদৰ্শন। এতিয়ালৈকে তেওঁ অসমীয়া ভাষাত বিভিন্ন বিষয়ক ১৬ খন পুথি ৰচনা আৰু ৪ খন পুথি সম্পাদনা কৰিছে। তেওঁ ৫ খন ইংৰাজী পুথি সম্পাদনা কৰিছে আৰু পত্ৰিকাৰ পাতত তেওঁৰ বহু উপন্যাস, গল্প আদি অপ্ৰকাশিত ৰূপত আছে।*

*কলেজৰ নিম্ন শ্ৰেণীৰ ছাত্ৰ থাকোতেই ড° মেধিয়ে অনাতাঁৰ কেন্দ্ৰৰ গীতিকাৰৰ স্বীকৃতি লাভ কৰে। বসুন্ধৰা, তোমাৰ বাবে, ক্ষোভ আদি কথাছবিৰ বাবে গীত ৰচনা কৰি তেওঁ পুৰস্কৃত হৈছে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, আৰ্য বিদ্যাপীঠ কলেজ, কে চি দাস কমাৰ্চ কলেজ, জে বি ল কলেজ, দুধনৈ কলেজ, পুঠিমাৰী কলেজ, বেজেৰা আঞ্চলিক মহাবিদ্যালয়, অসম কিক বক্সিং সংস্থা, গুৱাহাটী ক্ৰীড়া সন্থা আৰু অনেক অনুষ্ঠান-প্ৰতিষ্ঠানৰ বাবে ৰচনা কৰা শীৰ্ষ সংগীতসমূহে ড° মেধিৰ গীত নিৰ্মাণৰ দক্ষতা আৰু সমৰ্পণ প্ৰকাশ কৰে।]*

# বিজ্ঞান চৰ্চাৰ অনুপ্ৰেৰণা

ড° ৰবীন্দ্ৰ কুমাৰ শৰ্মা
ভূতপূৰ্ব অধ্যাপক
গুৱাহাটী বিশ্ববিদ্যালয়

*[অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন সভাপতি তথা সাধাৰণ সম্পাদক ড° ৰবীন্দ্ৰ কুমাৰ শৰ্মা গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক। “ভাৰতীয় বিজ্ঞানী”, “নতুন বৈজ্ঞানিক চিন্তা”, “পৰমাণু বোমাৰ আঁৰৰ কাহিনী” আদি তেখেতৰ প্ৰকাশিত পুথি। ড° শৰ্মাই পঞ্চাচৰো অধিক গৱেষণা মূলক প্ৰবন্ধৰ লগতে কেবাখনো পাঠ্যপুথি ৰচনা কৰিছে।]*

মানুহৰ কৌতূহলী মনৰ বাবেই বিজ্ঞানৰ ক্ৰমবিকাশ সম্ভৱ হৈছে। এনে কৌতূহলৰ বাবেই নিজ পৰিবেশৰ চাৰিওফালে লক্ষ্য কৰা প্ৰাকৃতিক পৰিঘটনা সমূহৰ বিষয়ে মানুহৰ মনত জন্ম দিয়ে বিভিন্ন প্ৰশ্নৰ। প্ৰশ্নৰ উত্তৰ বিচাৰতে মানুহে সৃষ্টি কৰে নতুন জ্ঞান। বিজ্ঞানত নতুন জ্ঞান সৃষ্টি হয় বিজ্ঞানীসকলে তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ বিচৰা প্ৰক্ৰিয়াত। যিকোনো সময়ৰ বিজ্ঞানী সকলৰ সন্মুখত পূৰ্বৰ বিজ্ঞানীসকলে চিন্তা, কৰ্ম আৰু অশেষ পৰিশ্ৰমৰে সঞ্চয় কৰি থৈ যোৱা জ্ঞান আৰু অভিজ্ঞতাৰ এক বিপুল সঞ্চয় মজুত থাকে। এই সঞ্চিত জ্ঞান আৰু অভিজ্ঞতা কোনোটোৱেই স্বয়ংসম্পূৰ্ণ নহয় বা সম্পূৰ্ণ ভ্ৰান্তিহীনো নহয়। এই অপূৰ্ণতাৰ ভিত্তিতেই বিজ্ঞানীসকলে তেওঁলোকে অনুসৰণ কৰিবলগীয়া অনুসন্ধানৰ পথ নিৰ্ণয় কৰি লয়। এনে অনুসন্ধানৰ ফলতেই ক্ৰমসঞ্চিত জ্ঞানৰ ভঁড়ালটো নতুন জ্ঞান সংযোজিত হয়।

প্ৰখ্যাত বিজ্ঞানী জে, ডি, বাৰ্ণালৰ মতে এই ক্ৰমসঞ্চিত ৰূপ বিজ্ঞানৰ এক প্ৰধান বৈশিষ্ট্য। ক্ৰমসঞ্চিত ৰূপৰ কাৰণেই কোনো কাল পৰ্যন্ত বিজ্ঞানে লাভ কৰা অৱস্থা বুলিলে সেই সময়লৈকে বিজ্ঞানত যি যি সত্য উদঘাটিত হৈছে, যি সূত্ৰ প্ৰতিষ্ঠিত হৈছে, নতুন ধাৰণা গঢ় লৈছে বা পূৰ্বে প্ৰতিষ্ঠিত ধাৰণাৰ যি সংশোধন ঘটিছে তাৰেই একত্ৰীকৰণ বুজায়। বিজ্ঞান কিন্তু জ্ঞাত সত্য, ধাৰণা, তত্ত্ব বা সূত্ৰৰ সৰল একত্ৰীকৰণ নহয়। এনে ধাৰণা তত্ত্ব আদিৰ পুনৰীক্ষণ, বিশ্লেষণ, সমালোচনা নিৰন্তৰ চলি থাকে। এনে বিশ্লেষণ পুনৰীক্ষণৰ ফলত বহু নতুন ধাৰণাই গঢ় লৈ উঠে, বহু নতুন জ্ঞান সৃষ্টি হয়। কিন্তু লগতে কিছু বিধ্বস্তও হয়। ভঙা-গঢ়াৰ অহৰহ এই প্ৰক্ৰিয়াৰ মাজেৰেই বিজ্ঞানৰ সামগ্ৰিক বিকাশ অব্যাহত থাকে। খ্যাত-বিখ্যাত বিভিন্ন সময়ৰ, বিভিন্ন দেশৰ বহু বিজ্ঞানীৰ নিৰলস চিন্তা আৰু কৰ্মই এই ক্ৰমসঞ্চিত জ্ঞানৰ ভাণ্ডাৰ অহৰহ পুষ্ট কৰি ৰাখে। জে, ডি বাৰ্ণেলে তেওঁৰ বিখ্যাত গ্ৰন্থ Science in History ত এই বিষয়ে কৰা আলোচনাত কৈছে যে বিজ্ঞানৰ নতুন জ্ঞান অন্বেষণকাৰী এজনক বিজ্ঞানী বুলিবলৈ হ'লে ইতিমধ্যে সঞ্চিত হৈ থকা জ্ঞানৰ বিষয়ে অৱগত হৈ থাকিব পৰাটোৱেই যথেষ্ট নহয়। এই ক্ৰম সঞ্চিত জ্ঞান ভাণ্ডাৰলৈ কিঞ্চিত হ'লেও তেওঁৰ অৱিহণা থকাটো প্ৰয়োজনীয়।

বিজ্ঞানৰ নতুন জ্ঞান সৃষ্টি হয় ইতিমধ্যেই প্ৰতিষ্ঠা লভা জ্ঞানৰ আধাৰত বিজ্ঞানীসকলে যুগুত কৰি উলিওৱা প্ৰশ্নৰ উত্তৰ বিচৰা প্ৰক্ৰিয়াত। এনেদৰে যুগুত কৰি উলিওৱা প্ৰশ্নক বিজ্ঞানীসকলে সমস্যা বা ইংৰাজীত 'প্ৰব্লেম' বুলিও কয়। জ্ঞান চৰ্চাত ব্ৰতীসকলৰ অনুভৱ হৈছে নতুন জ্ঞান সৃষ্টিৰ বাবে সমস্যা বা প্ৰশ্ন এটা সঠিকভাৱে যুগুত কৰি উলিয়াব পৰাটো উত্তৰ পোৱাতকৈও বেছি দৰকাৰী। সঠিক সমস্যাৰ যুগুত কৰাৰ বাবে প্ৰয়োজন হয় গভীৰ চিন্তা আৰু কল্পনাৰ। আইনষ্টাইনৰ ভাষাত “জ্ঞানতকৈও বেছি প্ৰয়োজন কল্পনাৰ” জ্ঞানৰ আধাৰত গভীৰ চিন্তা আৰু কল্পনাৰে এটা সঠিক আৰু মৌলিক সমস্যা নিৰ্ণয় কৰি ল'ব পাৰিলে এটা সময়ত ইয়াৰ সমাধানৰ নিশ্চয়তা প্ৰায় থাকেই। সমস্যাৰ সমাধান হোৱা মানেই নতুন জ্ঞান সৃষ্টি হোৱা আৰু জ্ঞানৰ ক্ৰমসঞ্চিত ভঁড়ালত নতুন সংযোজন হোৱা। কিন্তু এইনতুন জ্ঞানো নিৰীক্ষণ-পুনৰীক্ষণ-বিশ্লেষণ আৰম্ভ হৈ যায়। নতুন জ্ঞান সম্পৰ্কেও প্ৰশ্নৰ অৱতাৰণা হয়। মাথো প্ৰশ্নসমূহ





ক্ৰমে সূক্ষ্মৰ পৰা সূক্ষ্মতৰ হৈ যায়। উদাহৰণ স্বৰূপে পদাৰ্থৰ গঠন সম্পৰ্কে কৰা অনুসন্ধানৰ কথাকে ল'ব পাৰি। পদাৰ্থ যে পৰমাণুৰে গঠিত এই ধাৰণা পোনতে ডাল্টনে প্ৰতিষ্ঠা কৰে। ডাল্টনে পৰমাণু অবিভাজ্য বুলি ভাবিছিল। টমছনে ইলেক্ট্ৰন আৱিষ্কাৰ কৰাৰ পিছত আৰু বিকিউৰেলে তেজস্ক্ৰিয়তা আৱিষ্কাৰ কৰাৰ পিছত এই ধাৰণা ধূলিসাৎ হৈ যায়। তেতিয়া বিজ্ঞানী সকলৰ প্ৰশ্ন হৈছিল পৰমাণুৰ গঠন তেনেহ'লে কেনে হ'ব পাৰে? এই প্ৰশ্নৰে আধাৰত ৰাডাৰফোৰ্ডে কৰা তেওঁৰ বিখ্যাত আলফা কণিকাৰ বিচ্ছুৰণৰ পৰীক্ষাৰ ফলাফলৰ অধ্যয়নে দেখুৱালে যে সকলো পৰমাণুৰ ধনাত্মকভাৱে আহিত পৰমাণু কেন্দ্ৰ থাকে আৰু ইয়াৰ চাৰিওফালে ঋণাত্মকভাৱে আহিত ইলেক্ট্ৰনবোৰ ঘূৰি থাকে। কেনেকৈ ঘূৰি থাকে? এই সম্বন্ধেও নানা প্ৰশ্ন, নানা সন্দেহ। নীলছ্ ব'ৰে এক সম্ভাব্য সমাধান উলিয়ালে। প্ৰশ্নৰ অৱকাশ কিন্তু থাকিয়েই গ'ল। নতুন নতুন প্ৰশ্ন যুগুত কৰি লৈ বিজ্ঞানীসকলে অনুসন্ধান কৰি পৰমাণুৰ ধাৰণাৰ উন্নততৰ ৰূপ দিবলৈ ধৰিলে। নতুন ৰূপ, নতুন জ্ঞানে নতুন প্ৰশ্নকে জন্ম দিবলৈ ধৰিলে। এইবোৰৰ সমাধান বিচাৰোতেই আৱিষ্কাৰ হ'ল পৰমাণুৰ অভ্যন্তৰতে থকা ক্ষুদ্ৰাতিক্ষুদ্ৰ বহু মৌলিক কণাৰ। এইবোৰ সম্পৰ্কে গৱেষণা চলি থাকিল। গৱেষণা চলি থাকিল মানেই হ'ল নতুন সমস্যাৰ সমাধানৰ প্ৰয়াস চলি থাকিল। প্ৰশ্নৰ যেন এক অন্তহীন যাত্ৰা। এতিয়াও বিশ্বৰ বিভিন্ন বিশ্ববিদ্যালয়, গৱেষণাগাৰত বিজ্ঞানীসকলে নিজ কল্পনাৰে পদাৰ্থৰ গঠন সম্পৰ্কে সমস্যা যুগুত কৰি লৈ তাৰ সমাধানত ব্ৰতী হৈ আছে। এনেদৰে আন আন বিষয়তো বহু গৱেষক-বিজ্ঞানী-অধ্যাপক পৃথিৱীৰ বিভিন্ন দেশৰ বিশ্ববিদ্যালয়, শিক্ষানুষ্ঠান আৰু গৱেষণাগাৰত নিয়োজিত হৈ আছে প্ৰকৃতিৰ ৰহস্যভেদৰ আকাংক্ষাৰে। নিত্য নতুন সমস্যা বা প্ৰশ্নও ওলায়েই আছে। নবেল বঁটা বিজয়ী প্ৰসিদ্ধ পদাৰ্থ বিজ্ঞানী ৰিচাৰ্ড ফাইনমেনে এবাৰ এনেদৰে কৈছিল 'যেতিয়াই কোনো এজন বিজ্ঞানীয়ে তেওঁ মনতে যুগুত কৰি লোৱা সমস্যা এটাৰ সমাধান উলিয়াব নোৱাৰে তেন্তে তেওঁ সেই বিষয়ে অজ্ঞ, যেতিয়া সমাধান কি হ'ব পাৰে সেই বিষয়ে এক ধৰণৰ উমান পায় তেতিয়া তেওঁ অনিশ্চিত; যেতিয়া তেওঁ সমাধান সম্পৰ্কে প্ৰায় পতিয়ন যায় তেতিয়াও কিন্তু তেওঁৰ মনত সন্দেহৰ কিছু ভাৱৰ থাকিয়েই যায়। এই সন্দেহ বা প্ৰশ্নই হ'ল ভৱিষ্যতৰ নতুন প্ৰশ্নৰ অংকুৰ। প্ৰকৃতিৰ নিহিত সত্য উদ্‌ঘাটনৰ কাৰণে বা আন কথাত সত্য প্ৰতিষ্ঠাৰ কাৰণে সন্দেহ কৰা বা প্ৰশ্ন কৰাৰ স্বাধীনতা, যুক্তি তৰ্কৰে সত্য গ্ৰহণ কৰাৰ মানসিকতা বিজ্ঞানৰ এক গভীৰ প্ৰমূল্য। কোনো সত্যৰ সংৰক্ষণৰ মানসিকতা বিজ্ঞানত নাথাকে। শাশ্বত সত্য বুলিও কোনো কথা নাথাকে। বৰঞ্চ উদ্‌ঘাটিত সত্যৰ প্ৰতিষ্ঠিত ধাৰণাৰ বিচাৰ-বিশ্লেষণ, পৰিৱৰ্তনৰ প্ৰয়াসহে চলি থাকে।'

বিজ্ঞান চৰ্চাৰ ঘাই অনুপ্ৰেৰণা হ'ল প্ৰকৃতিৰ নিহিত সত্যৰ উদ্‌ঘাটন কৰা। এই অনুপ্ৰেৰণা আহে মানুহৰ কৌতূহলী মনৰ বাবে আৰু এই কৌতূহল ওপজে সঞ্চিত জ্ঞানৰ আধাৰত। ঘাই অনুপ্ৰেৰণা বোলাৰ কাৰণ হ'ল - আন অনুপ্ৰেৰণাও নোহোৱা নহয়। বৃত্তিগত গৌৰৱ আৰু নিজৰ কামৰ পৰা সন্তুষ্টি লভাৰ হাবিয়াস, প্ৰখ্যাত গৱেষক আৰু বিজ্ঞানীৰ পৰা সমাদৰ আৰু স্বীকৃতি লভাৰ ইচ্ছা আদিয়েও বিজ্ঞান চৰ্চাত ব্ৰতী হ'বলৈ উদ্‌গনি যোগায়।

সাধাৰণভাৱে দুই ধৰণৰ প্ৰত্যাহ্বান মোকাবিলা কৰাৰ প্ৰয়াসত বিজ্ঞানীসকলে সত্য উদ্‌ঘাটন কৰিবলৈ সক্ষম হয়। এনে এবিধ প্ৰত্যাহ্বান হ'ল বিজ্ঞানৰ বিশুদ্ধ মৌলিক সমস্যাৰ সমাধান কৰা। পৰমাণুৰ গঠন কেনেকুৱা, পৰমাণুৰ অভ্যন্তৰত থকা ক্ষুদ্ৰাতিক্ষুদ্ৰ কণিকা সমূহক কি বলে বান্ধি ৰাখে, বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি কেনেকৈ হ'ল, পোহৰৰ আচৰণ তৰংগৰ দৰে নে কণিকাৰ দৰে, ৰোগৰ বীজাণুৱে দেহত কি ধৰণে ক্ৰিয়া কৰে আদি প্ৰশ্ন বা সমস্যা হ'ল বিজ্ঞানৰ মৌলিক সমস্যা। এনে মৌলিক সমস্যা সমাধানত ব্ৰতী বিজ্ঞানীসকলে উদ্‌ঘাটিত হ'ব পৰা সম্ভাব্য সত্যই মানুহৰ দৈনন্দিন জীৱনত কিবা প্ৰকাৰৰ ব্যৱহাৰৰ উপযোগী সঁজুলি নিৰ্মাণত সহায় কৰিব পাৰিব নে নোৱাৰে এই কথা বিবেচনা কৰি নাথাকে। সমস্যাৰ সমাধান কৰি সত্য উদ্‌ঘাটনেই হৈ পৰে লক্ষ্য। এয়া বিশুদ্ধ জ্ঞানান্বেষণ বুলিব পাৰি। অৱশ্যে এনেদৰে উন্মোচিত বহু সত্যই পৰৱৰ্তীকালত প্ৰযুক্তিৰ যোগেৰে মানুহৰ ব্যৱহাৰত লাগে। উদাহৰণ স্বৰূপে মাইকেল ফেৰাডেৰ বিদ্যুৎ চুম্বকীয় আৱেশ পৰিঘটনাৰ আৱিষ্কাৰ, বিদ্যুৎ চুম্বকীয় সূত্ৰ সমূহৰ উপস্থাপন এনে জ্ঞানান্বেষণৰ ফল। কিন্তু এই আৱিষ্কাৰৰ ভিত্তিতেই আধুনিক কালত বৈদ্যুতিক শক্তি উৎপাদন, বিতৰণ প্ৰযুক্তি মানৱ সমাজে লাভ কৰিবলৈ সক্ষম হ'ল। জে, জে, টমছনৰ ইলেক্ট্ৰনৰ আৱিষ্কাৰো এনে প্ৰয়াসৰে ফল। ইলেক্ট্ৰন আৱিষ্কাৰত তেওঁ ব্যৱহাৰ কৰা সঁজুলিয়েই আধুনিক যুগত আমি ব্যৱহাৰ কৰা টেলিভিছনৰ আদি ৰূপ। আনৱিক শক্তি, অৰ্ধ পৰিবাহীৰ অধ্যয়ন সম্পৰ্কেও একে কথাই ক'ব পাৰি। এনে উদাহৰণ বিস্তৰ আছে। মৌলিক সমস্যা সমাধানত ব্ৰতী বিজ্ঞানীয়ে সমস্যা সমাধানতেই সন্তুষ্টি লাভ কৰে ইয়াৰ সম্ভাব্য প্ৰয়োগ সম্বন্ধে বৰ বেছি বিবেচনা কৰি নাথাকে। হাঙ্গেৰীৰ ৰসায়ন বিজ্ঞানী এলবাৰ্ট জেণ্ট গিয়াৰ্গিয়ে (এওঁ ১৯৩৭ চনত নোবেল বঁটা লাভ কৰিছিল) এই বিষয়ে মতামত দিছিল

এনেধৰণৰ "মোৰ ওচৰলৈ যদি কোনো গৱেষক ছাত্ৰ আহি কয় যে তেওঁ মানৱ জাতিৰ কামত আহিব পৰাকৈ গৱেষণাৰ বিষয় ল'ব বিচাৰে যাতে গৱেষণা লব্ধ ফলাফলে মানুহৰ দুখ-দৰ্দশা মোচনত সহায় কৰিব পাৰে তেতিয়া তেওঁক কোনো দাতব্য অনুষ্ঠানলৈ যাবলৈহে উপদেশ দিম। বিজ্ঞানৰ গৱেষণা প্ৰকৃতিৰ ৰহস্যৰ সমাধান কৰি নিজে আনন্দ আৰু সন্তুষ্টি লভা জনৰ বাবেহে।"

আকৌ বিজ্ঞানী আৰু মানৱীয়তাবাদী ব্যক্তি হিচাবে প্ৰখ্যাত আইনষ্টাইনে নিজৰ বিজ্ঞান চৰ্চাৰ আৰু মানৱীয়তাবাদী বিবেচনাৰ অনুপ্ৰেৰণাৰ বিষয়ে কৈছিল - "মোৰ বৈজ্ঞানিক কৰ্মৰাজিৰ বাবে অনুপ্ৰেৰণা লাভ কৰো প্ৰকৃতিৰ ৰহস্য জনাৰ এক দুৰ্বাৰ বাসনাৰ বাবেহে। ন্যায় প্ৰতিষ্ঠাৰ বাবে মোৰ আগ্ৰহ বা মানুহৰ অৱস্থাৰ উন্নতিত অৱিহণা যোগোৱাৰ মোৰ ইচ্ছা এই অনুপ্ৰেৰণাৰ পৰা পৃথক।" দেখা যায় আইনষ্টাইনৰ বাবে তেওঁৰ জীৱনৰ দুই মুখ্য অন্বেষণৰ অনুপ্ৰেৰণা সম্পূৰ্ণ পৃথক। বহু বিজ্ঞানীৰ ক্ষেত্ৰতো একে ধৰণৰ অনুপ্ৰেৰণাৰ পাৰ্থক্য থাকে।

বিজ্ঞানীয়ে গ্ৰহণ কৰা দ্বিতীয়বিধ প্ৰত্যাহ্বান হ'ল মানুহৰ নিত্য নতুন আৱশ্যকতা পূৰণ, মানুহৰ জীৱনৰ মান উন্নয়ন, মানুহৰ সুখ-স্বাচ্ছন্দ্যৰ জীৱন যাপনৰ বাবে প্ৰয়োজনীয় কৌশল উদ্ভাৱনৰ তাগিদা। উদাহৰণ স্বৰূপে বৰ্দ্ধিত জনসাধাৰণৰ খাদ্য যোগানৰ বাবে কৃষি বিজ্ঞানৰ গৱেষণা, মানুহৰ ৰোগ-ব্যাধি নিয়ন্ত্ৰণ, নিৰ্মূল, নিৰাময়ৰ বাবে কৰা অধ্যয়ন, যোগাযোগ ব্যৱস্থাৰ উন্নতি কল্পে কৰা গৱেষণা, নতুন নতুন মানুহৰ ব্যৱহাৰোপযোগী পদাৰ্থ আৱিষ্কাৰৰ প্ৰয়াস, মানুহৰ অতি প্ৰয়োজনীয় শক্তিৰ পৰম্পৰাগত-অপৰাম্পৰাগত উৎসৰ উন্নয়ন সন্ধান আদিও বিজ্ঞান গৱেষণাৰ আন এক মুখ্য অনুপ্ৰেৰণা। অৱশ্যে এই দুই অনুপ্ৰেৰণাৰ বৈশিষ্ট সম্পৰ্কে স্পষ্ট সীমাৰেখা থকা বুলিব নোৱাৰি। বহু ক্ষেত্ৰতে দুয়োবিধ প্ৰত্যাহ্বান পৃথকে বিবেচনা কৰিব নোৱাৰি।

প্ৰথমবিধ প্ৰত্যাহ্বান গ্ৰহণ কৰি বিজ্ঞান অন্বেষণৰ পৰা লাভ কৰা জ্ঞানে মানৱজাতিক বৌদ্ধিকভাৱে সমৃদ্ধ কৰে আৰু বৈজ্ঞানিক চিন্তা, জ্ঞান মানৱ সংস্কৃতিৰ অভিন্ন অংগ হৈ পৰে। দ্বিতীয় প্ৰত্যাহ্বান গ্ৰহণৰ ফলত উপলব্ধ জ্ঞানে মানুহৰ জীৱনৰ মান উন্নত কৰাত বৰগুণি যোগায়। বৈজ্ঞানিক জ্ঞান, প্ৰযুক্তিৰ যোগেদি মানুহৰ কামত আহিলেহে সৰ্বসাধাৰণৰ দৃষ্টি গোচৰ হয় আৰু বিজ্ঞানৰ উপযোগীতা উপলব্ধি কৰে। আনহাতে বহু ক্ষেত্ৰত বিজ্ঞানীসকলে নিৰলস চিন্তা আৰু কৰ্মৰে উন্মোচিত কৰিবলৈ সক্ষম হোৱা বহু জ্ঞান সৰ্বসাধাৰণৰ অলক্ষিতে ৰৈ যায়।

বিজ্ঞানৰ ক্ৰমোন্নতিৰ পৰ্যায়ত সময়ে সময়ে এনে এক সন্ধিক্ষণত উপনীত হোৱা যায় যে কোনো প্ৰাকৃতিক পৰিঘটনা প্ৰতিষ্ঠিত আৰু পৰীক্ষিত জ্ঞানৰ সহায়ত সম্পূৰ্ণভাৱে ব্যাখ্যা কৰাটো অসম্ভৱ হৈ পৰে। ইতিমধ্যে সঞ্চিত ধাৰণাৰ আধাৰত এই নতুন সমস্যাৰ সমাধান কৰাটো সম্ভৱ নহয়। তেতিয়াই প্ৰয়োজন হয় সঞ্চিত ধাৰণাৰ শৃংখলৰ পৰা মুক্ত হৈ সম্পূৰ্ণ নতুন ধাৰণা প্ৰৱৰ্তন কৰাৰ। এনে সম্পূৰ্ণ নতুন ধাৰণা সৃষ্টিৰ পৰ্যায়কে কোৱা হয় বিজ্ঞানৰ বিপ্লৱ। গেলিলিঅ'ৰ পৰীক্ষা নিৰ্ভৰ বিজ্ঞান, লেভউৱছিয়েৰ, নিউটন, প্লাংক, ডাৰউইন, আইনষ্টাইনৰ যুগান্তকাৰী অৱদান সমূহক সেয়েহে বিজ্ঞানৰ একো একোটা বিপ্লৱ বুলি কোৱা হয়।

বিজ্ঞানৰ বিকাশৰ কাৰণ হ'ল মানুহৰ সত্যানুসন্ধানৰ প্ৰয়াস। সত্যানুসন্ধানৰ এই প্ৰয়াস মানৱজাতিৰ ইতিহাসত নতুন নহয় যদিও আমি আধুনিক বিজ্ঞান বুলিলে যি বুজো সেয়া বৰ বেছি পুৰণি নহয়। মানৱজাতিৰ নিজ ইতিহাসৰ তুলনাত আধুনিক বিজ্ঞানৰ বিকাশৰ কালছোৱা অতি ক্ষুদ্ৰ। পৃথিৱী নামৰ সৌৰজগতৰ এই গ্ৰহটোত মানুহ হিচাপে আমি বাস কৰা সময় ২ নিযুত বছৰৰ অধিক নহয়। ইয়াৰে বেছিভাগ সময়েই (প্ৰায় শতকৰা ৯৪ ভাগ) মানুহে পশুৰ দৰে খাদ্য আৰু আশ্ৰয়ৰ সন্ধানত অনাই-বনাই ফুৰিছিল, গুহাত বাস কৰিছিল, কৃষি কৰ্মৰ একো জ্ঞান নাছিল। মানুহে চিন্তা আৰু কৰ্মৰ সহায়ত এই অৱস্থাৰ পৰিবৰ্তন ঘটোৱা বেছি দিন হোৱা নাই। আমি আজি দেখিবলৈ পোৱা বহু বৈজ্ঞানিক কীৰ্তিৰ সম্পাদনাৰ সময় এশ বছৰ মানহে। বিদ্যুৎ চুম্বকত্বৰ আৱিষ্কাৰ, উন্নত যোগাযোগ ব্যৱস্থা, টেলিভিছন, অত্যাধুনিক স্বাস্থ্য ৰক্ষাৰ উপায় আদিৰ আৱিষ্কাৰ বৰ বেছিদিনীয়া নহয়। মাথো এশ-দুশ বছৰ পুৰণি। মানৱজাতিৰ ইতিহাসৰ তুলনাত এই সময় নিচেই তাকৰ (প্ৰায় শতকৰা .০০০১)। মানৱজাতিৰ সন্মুখত আছে নিযুত নিযুত বছৰ। মানৱ প্ৰগতিৰ বাবেই বিজ্ঞান চৰ্চা চলি থাকিব আৰু এই চৰ্চা হ'ব এতিয়ালৈকে সঞ্চিত জ্ঞানৰ আধাৰত। মহান বিজ্ঞানী আইনষ্টাইনে এখন বিদ্যালয়ৰ ছাত্ৰ সকলক সম্বোধি কৈছিল "মনত ৰাখিবা, তোমালোকে আজি যিবোৰ কথা শিকিবলৈ পাইছা সেই সকলোবোৰ পূৰ্বজ সকলৰ অক্লান্ত পৰিশ্ৰমৰ ফল। এই সকলো জ্ঞান সৃষ্টি হৈছে পৃথিৱীৰ প্ৰতিখন দেশৰে মানুহৰ আগ্ৰহ আৰু অসীম পৰিশ্ৰমৰ কাৰণে। এই জ্ঞান তোমালোকলৈ আগবঢ়োৱা হৈছে যাতে তোমালোকে ইয়াক শ্ৰদ্ধাসহকাৰে গ্ৰহণ কৰা আৰু সঞ্চিত এই জ্ঞানলৈ নিজৰো অৱদান আগবঢ়োৱা আৰু এদিন বিশ্বাসৰ সৈতে ভৱিষ্যত প্ৰজন্মৰ হাতত তুলি দিয়া।" ভৱিষ্যতৰ বিজ্ঞানী সকলৰ বাবে এয়াই প্ৰত্যাহ্বান।







# শিক্ষাৰ প্ৰত্যাহ্বান

ড° ৰাণী মুদিয়াৰ ডেকা
মুৰব্বী তথা সহযোগী অধ্যাপিকা
অৰ্থনীতি বিভাগ

**সাম্প্ৰতিক সময়ত শিক্ষকসকল 'প্ৰফেচনেল' হোৱাটো অতিকে প্ৰয়োজনীয়। প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ শিক্ষাৰ স্তৰলৈকে শিক্ষক সকলৰ বাবে নিযুক্তিৰ পূৰ্বে আৰু চাকৰি-কালীন প্ৰশিক্ষণ অপৰিহাৰ্য।**

ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ে শেহতীয়াকৈ নতুন শিক্ষানীতিৰ খচৰা প্ৰস্তুত কৰি উলিয়াইছে। 'নতুন খচৰা শিক্ষা নীতি, ২০১৬' শীৰ্ষক এই প্ৰস্তাৱনা ইতিমধ্যে ৰাজহুৱা কৰা হৈছে আৰু সৰ্বস্তৰৰ চৰ্চা-আলোচনা, তৰ্ক-বিতৰ্ক আহ্বান কৰাৰ উপৰিও নিৰ্দিষ্ট কমিটি গঠন কৰি পুনৰীক্ষণৰ বাবেও দিয়া হৈছে। মূল খচৰাত সন্নিবিষ্ট প্ৰস্তাৱ সমূহ অধ্যয়নৰ শেষত উক্ত কমিটিয়ে সংশ্লিষ্ট কৰ্তৃপক্ষৰ হাতত প্ৰতিবেদনো দাখিল কৰিছে। এই প্ৰতিবেদন তথা অন্যান্য মঞ্চৰ পৰা অহা পৰামৰ্শৰ ভিত্তিত হয়তো অতি শীঘ্ৰেই চৰকাৰে নতুন শিক্ষানীতি ঘোষণা কৰিব। এই খচৰা শিক্ষানীতিত নতুনকৈ প্ৰচলন কৰিব বিচৰা প্ৰস্তাৱ সমূহৰ লগতে মন্ত্ৰালয়ে শিক্ষাখণ্ডত দেখা দিয়া কেতবোৰ প্ৰাথমিক প্ৰত্যাহ্বানৰ কথা বিশেষভাৱে উল্লেখ কৰিছে। ভাৰতৰ দৰে উন্নয়নশীল দেশত প্ৰত্যাহ্বানৰ আদি-অন্ত নাই। ভাৰতৰ বিশাল আকাৰৰ জনসংখ্যাই যিকোনো ক্ষেত্ৰতেই প্ৰত্যাহ্বানৰ সৃষ্টি কৰে। শিক্ষাৰ ক্ষেত্ৰখনো ইয়াৰ ব্যতিক্ৰম নহয়। খচৰা শিক্ষানীতিত প্ৰায় এক ডৰ্জন প্ৰত্যাহ্বানৰ কথা উল্লেখ কৰা হৈছে। ইয়াৰে কেতবোৰ প্ৰত্যাহ্বান পূৰ্বৰে পৰাই আছে, যিবোৰক এতিয়ালৈ জয় কৰিব পৰা হোৱা নাই। আনহাতে, অন্য কেতবোৰ প্ৰত্যাহ্বানৰ সৃষ্টি হৈছে বিশ্বৰ পৰিবৰ্তিত পৰিস্থিতিৰ প্ৰেক্ষাপটত। যিধৰণৰেই নহওক কিয়, সফলতাৰে নীতি ৰূপায়নৰ এক পূৰ্বচৰ্ত হৈছে প্ৰত্যাহ্বানৰ চিনাক্তকৰণ। প্ৰত্যাহ্বানবোৰ যাত্ৰাপথৰ গড়খাৰৈ সদৃশ; পূৰ্বতেই চিনাক্ত কৰিব নোৱাৰিলে দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ আশংকা থাকে। সেই দিশৰ পৰা বিচাৰ কৰিলে খচৰা শিক্ষানীতিত সঠিক ভাৱেই প্ৰত্যাহ্বান সমূহ সন্নিবিষ্ট কৰিছে। এই ৰচনাত এই প্ৰত্যাহ্বানবোৰৰ ওপৰত চমুকৈ আলোকপাত কৰা হ'ব।

ভাৰতৰ সংবিধানে শিক্ষাৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিছে। বিগত সময়ছোৱাত চৰকাৰে 'সকলোৰে বাবে শিক্ষা' নীতি ৰূপায়ণ কৰাৰ বাবে অনেক আঁচনি কাৰ্যসূচী প্ৰস্তুত কৰি উলিয়াইছে। তৎসত্বেও সকলোৰে শিক্ষা আহৰণ কৰিব পৰা নাই; বিভিন্ন স্তৰত অংশগ্ৰহণ সম্পূৰ্ণ হোৱা নাই। সেয়েহে, শিক্ষা-আহৰণ আৰু শিক্ষাত অংশগ্ৰহণ হৈছে এক প্ৰধান প্ৰত্যাহ্বান। বিশ্বৰ অন্যান্য দেশৰ দৰে ভাৰততো আনুষ্ঠানিক শিক্ষা আৰম্ভ কৰাৰ পূৰ্বেই প্ৰাক্-প্ৰাথমিক স্তৰৰ শিক্ষাৰে শিশুসকলৰ প্ৰস্তুত কৰিব বিচাৰিছে যদিও অতি কম পৰিমাণতহে ই সফল হোৱা পৰিলক্ষিত হৈছে। আকৌ ৬ বছৰৰ পৰা ১৩ বছৰৰ শিশুৰ যি বৃহৎ সংখ্যক স্কুললৈ নোযোৱাকৈ আছিল, চৰকাৰী প্ৰচেষ্টাৰ ফলস্বৰূপে বিশেষকৈ ২০০০ চনৰ পিচৰ পৰা এনে শিশুৰ সংখ্যা হ্ৰাস পাবলৈ লৈছে। সেয়ে হ'লেও, চৰকাৰী হিচাপমতেই এতিয়াও এক বুজন সংখ্যক ৬-১৩ বছৰৰ শিশু স্কুলৰ আৱেষ্টনীৰ বাহিৰতেই ৰৈ গৈছে। এয়া দেশৰ বাবে এক বৃহৎ অপচয়। একেদৰে, উচ্চ শিক্ষাত মুঠ নামভৰ্তিকৰণৰ অনুপাত

হৈছে মাথোন ২৩.৬ শতাংশহে। এই তথ্য ২০১৪-১৫ বৰ্ষৰ বাবে পোৱা গৈছে। ২০২০-২১ চনলৈ এই অনুপাত ৩০ শতাংশলৈ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। এই লক্ষ্যত উপনীত হ'ব পৰাটোও এক বৃহৎ প্ৰত্যাহ্বান স্বৰূপ। উচ্চ-শিক্ষাতো দূৰৈৰ কথা, ভাৰতৰ বাবে নিৰক্ষৰতাও আজি পৰ্যন্ত এক প্ৰত্যাহ্বান হৈয়েই আছে। খচৰা নীতিত উল্লেখ কৰা মতে ভাৰতত সম্প্ৰতি বিশ্বৰ ভিতৰতেই সৰ্বাধিক ২৮২.৬ নিযুত নিৰক্ষৰ লোক আছে (এই তথ্য ২০১১ আৰু ই ৭ বছৰ বয়সৰ ওপৰৰ সকলোকে সামৰি লৈছে)। এই একে সময়তে ১৫-২৪ বছৰ বয়সৰ যুৱ-নিৰক্ষৰতা আৰু ১৫ বছৰ উৰ্দ্ধৰ সকলোকে সামৰি লোৱা প্ৰাপ্ত-বয়স্ক নিৰক্ষৰতাৰ ক্ষেত্ৰতো ভাৰতে বিশ্বৰ ভিতৰতে শীৰ্ষ স্থান অধিকাৰ কৰিছে। উক্ত দুই বয়স গ্ৰুপৰ সাক্ষৰতাৰ হাৰ হৈছে ক্ৰমে ৮৬.১ শতাংশ আৰু ৬৯.৩ শতাংশ। এনে পৰিস্থিতিৰ প্ৰেক্ষাপটত নিৰক্ষৰতা দূৰ কৰিব পৰাটোৱেই হৈছে সবাতোকৈ বৃহৎ প্ৰত্যাহ্বান, য'ত এতিয়াও লাখ লাখ মানুহে আখৰ লিখিব আৰু পঢ়িবকে নাজানে।

প্ৰাক্-প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ স্তৰলৈকে শিক্ষাৰ গুণগত মান বৰ্তাই ৰাখিব পৰাটো হৈছে এই ক্ষেত্ৰখনৰ অন্যতম প্ৰধান প্ৰত্যাহ্বান। ৰাষ্ট্ৰীয় পৰ্যায়ত চলোৱা বিভিন্ন সমীক্ষা প্ৰতিবেদনৰ তথ্যৰ উদ্ধৃতিৰে খচৰা শিক্ষানীতিত উনুকিয়াই দিয়া হৈছে যে বিভিন্ন স্তৰত বুজন সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আহৰণ কৰা শিক্ষাৰ মান উন্নত নহয়। এনে হোৱাৰ বিভিন্ন কাৰক আছে। উদাহৰণ স্বৰূপে, বহুতো শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনিমূলক ব্যৱস্থাবোৰ অতিশয় দুৰ্বল। কোনো কোনো ঠাইত উপযুক্ত সংখ্যক অৰ্হতা সম্পন্ন শিক্ষকৰ অভাৱ। আন কোনোবা ক্ষেত্ৰত আকৌ পাঠ্যক্ৰম যথোপযুক্ত নহয়। খচৰা নীতিখনত কাঠফুলাৰ দৰে গঢ়ি উঠা ব্যক্তিগত খণ্ডৰ উচ্চ শিক্ষা অনুষ্ঠানবোৰৰ কথাও হৈছে, যিবোৰে গুণগত দিশটোত প্ৰত্যাহ্বান সৃষ্টিত অৰিহণা যোগাইছে। ভিন্ন স্তৰৰ শিক্ষানুষ্ঠানবোৰত খালী হৈ থকা শিক্ষকৰ পদ পূৰণ নকৰাৰ বাবে সৃষ্টি হোৱা সমস্যাৰ কথাও উনুকিওৱা হৈছে। এই প্ৰত্যাহ্বান সমূহ আমাৰ দেশৰ শিক্ষাখণ্ডৰ সৈতে দীৰ্ঘসময় জুৰি সংলগ্ন হৈ আছে আৰু আজি পৰ্যন্ত অমীমাংসিত এই প্ৰত্যাহ্বানবোৰে শিক্ষা ব্যৱস্থাটোক পঙ্গু কৰি পেলাইছে।

জ্ঞান আহৰণেই শিক্ষাৰ একমাত্ৰ উদ্দেশ্য নহয়। আহৰিত জ্ঞানৰ সহযোগত দক্ষতাৰ বিকাশ ঘটাই ছাত্ৰ-ছাত্ৰীক নিয়োগযোগ্য কৰি তোলাটো আধুনিক শিক্ষাৰ প্ৰধান উদ্দেশ্য। খচৰা শিক্ষানীতিয়ে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ প্ৰেক্ষাপটত দক্ষতা বিকাশ আৰু নিয়োগযোগ্যতা বৃদ্ধিক অন্যতম প্ৰত্যাহ্বান বুলি উল্লেখ কৰিছে। কিয়নো, বেছিভাগ শিক্ষানুষ্ঠানতেই দক্ষতা আৰু নিয়োগযোগ্যতা বিকাশৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ আদি দিয়াৰ সা-সুবিধা নাই।।

**জ্ঞান আহৰণেই শিক্ষাৰ একমাত্ৰ উদ্দেশ্য নহয়। আহৰিত জ্ঞানৰ সহযোগত দক্ষতাৰ বিকাশ ঘটাই ছাত্ৰ-ছাত্ৰীক নিয়োগযোগ্য কৰি তোলাটো আধুনিক শিক্ষাৰ প্ৰধান উদ্দেশ্য।**

আকৌ, সাম্প্ৰতিক সময়ত প্ৰচলিত পাঠ্যক্ৰমৰ দ্বাৰা আহৰিত জ্ঞান আৰু নিযুক্তিৰ বজাৰত নিয়োগকৰ্তাই বিচৰা কৰ্ম-জ্ঞানৰ মাজত অসামঞ্জস্য দেখা যায়। প্ৰযুক্তিৰ দ্ৰুত পৰিবৰ্তনে কৰ্ম ব্যৱস্থালৈ অনা পৰিবৰ্তনৰ ফলতে এনে অসামঞ্জস্যৰ উদ্ভৱ হৈছে। গতিকে, পাঠ্যক্ৰমলৈ প্ৰয়োজন অনুপাতে আনিবলগীয়া হোৱা পৰিবৰ্তনেও প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে বুলি নতুন খচৰা শিক্ষানীতিত উল্লেখ কৰা হৈছে।

তথ্য আৰু যোগাযোগ প্ৰযুক্তিয়ে সমগ্ৰ বিশ্বকে এক নতুন ৰূপ প্ৰদান কৰিছে। ভাৰতৰ শিক্ষাখণ্ডত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ দৰে এতিয়াও তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ ব্যৱহাৰ হোৱা নাই। ভাৰতৰ দৰে অনগ্ৰসৰ অৰ্থনীতিৰ দেশৰ বাবে ই স্বাভাৱিক আৰু শিক্ষাখণ্ডৰ বাবে ই এক নতুন প্ৰত্যাহ্বান।

পৰিবৰ্তিত আৰ্থ-সামাজিক, সাংস্কৃতিক তথা প্ৰযুক্তিগত পৰিস্থিতিৰ সন্দৰ্ভত সুযোগ্য শিক্ষকৰ সুলভতাও ভাৰতৰ দৰে দেশৰ বাবে এক প্ৰত্যাহ্বান স্বৰূপ। সাম্প্ৰতিক সময়ত শিক্ষকসকল 'প্ৰফেচনেল' হোৱাটো অতিকে প্ৰয়োজনীয়। প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ শিক্ষাৰ স্তৰলৈকে শিক্ষক সকলৰ বাবে নিযুক্তিৰ পূৰ্বে আৰু চাকৰি-কালীন প্ৰশিক্ষণ অপৰিহাৰ্য। অথচ, ভাৰতত আজিও এই ক্ষেত্ৰত সম্পূৰ্ণ ব্যৱস্থা আছে বুলি ক'ব পৰা নাযায়। এনে ব্যৱস্থাপনাৰ অভাৱে শিক্ষকসকলক পূৰ্ণ-সমল ব্যক্তিলৈ ৰূপান্তৰিত হোৱাত বাধা প্ৰদান কৰিছে। খচৰা শিক্ষানীতিয়ে অতি স্পষ্ট ভাষাৰে এই কথা উল্লেখ কৰিছে। শিক্ষকসকলৰ দায়বদ্ধতাৰ প্ৰশ্নটোও গুৰুত্বসহকাৰে সন্নিবিষ্ট কৰা হৈছে।

জাতি-ধৰ্ম-বৰ্ণ-লিঙ্গ নিৰ্বিশেষে শিক্ষাত সকলোৰে সম-





অংশীদাৰিত্বৰ প্ৰসঙ্গটোও প্ৰত্যাহ্বানৰ আওতালৈ অনা হৈছে। দেখা গৈছে যে ভিন্ন স্তৰৰ শিক্ষাত নামভৰ্ত্তিকৰণৰ ক্ষেত্ৰত দেশখনৰ ৰাজ্যসমূহৰ মাজত, অনুসূচীত জাতি-জনজাতি আৰু অন্যান্য পিচপৰা জাতি বৰ্গৰ ক্ষেত্ৰত, অৰ্থনৈতিক ভাবে দুৰ্বল আয়ৰ শ্ৰেণীৰ ক্ষেত্ৰত, শাৰিৰীকভাৱে বাধাগ্ৰস্তসকলৰ ক্ষেত্ৰত সম-অংশীদাৰিত্ব নাই। একেদৰে, পুৰুষ আৰু মহিলাৰক্ষেত্ৰতো শিক্ষাগত ব্যৱধান যথেষ্ট ব্যাপক। এনে ব্যৱধানবোৰে শিক্ষাত অসমতাৰ সৃষ্টি কৰি আহিছে। এই ব্যৱধান আঁতৰ কৰিব পৰাটোও হ'ব এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান। সম্প্ৰতি, যুৱক-যুৱতীসকলৰ মাজৰ নিৰক্ষৰতা হাৰৰ মাজৰ ব্যৱধান হৈছে ৮.২ শতাংশ। ২০১১ চনৰ লোকপিয়ল মতে ১৫-২৪ বছৰ বয়সৰ যুৱকৰ সাক্ষৰতা হাৰ হৈছে ৯০ শতাংশ; তাৰ বিপৰীতে যুৱতীসকলৰ সাক্ষৰতাৰ হাৰ হৈছেগৈ ৮১.৮ শতাংশহে। প্ৰাপ্তবয়স্কৰ সাক্ষৰতাৰ ক্ষেত্ৰত পুৰুষ-মহিলাৰ ব্যৱধানৰ হাৰ হৈছে ১৯.৫ শতাংশ। পুৰুষৰ ৭৮.৮ শতাংশৰ বিপৰীতে মহিলাৰ সাক্ষৰতাৰ হাৰ হৈছেগৈ মাথোন ৫৯.৩ শতাংশ। এনেবোৰ অসমতা সামগ্ৰিকভাৱে উন্নয়নৰ ক্ষেত্ৰত বাধাৰ পৰিপন্থী। ব্যৱহাৰিক দিশৰ আঁসোৱাহবোৰ দূৰ কৰিবলৈ হ'লে এক সুদৃঢ় আৰু সবল প্ৰশাসনীয় সংগঠকৰ প্ৰয়োজন হয়। অন্যথা, ইও এক অন্যতম প্ৰত্যাহ্বান হিচাপে চিহ্নিত হৈছে।

উচ্চ শিক্ষাক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈকে লৈ যাবলৈ হ'লে গৱেষণাধৰ্মী অধ্যয়নৰ প্ৰয়োজনীয়তা সবাতোকৈ বেছি। উপযুক্ত গৱেষণা আৰু উন্নয়নৰ বিষয়টো গুৰুত্ব সহকাৰে উল্লেখ কৰি খচৰা শিক্ষানীতিত ইয়াকো এক প্ৰত্যাহ্বান ৰূপে চিহ্নিত কৰা হৈছে।

পৰ্যাপ্ত পৰিমাণৰ ধনৰ অভাৱে চৰকাৰী খণ্ডৰ স্কুল-বিদ্যালয়বোৰক এৰাবাৰী সদৃঢ় কৰি তুলিছে। কেৱল আন্তঃগাঁথনি নিৰ্মাণেই নহয়, বিভিন্ন সৃজনীমূলক কাম-কাজ কৰিবৰ বাবে, নতুন নতুন পাঠ্যক্ৰম খোলাৰ বাবে, ৰাজ্যখনৰ ভিন্ন স্থানত গৱেষণামূলক অনুষ্ঠান আদি খোলাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ ধনৰ প্ৰয়োজন। অতীতৰে পৰাই কেন্দ্ৰীয় সাধাৰণ বাজেটত শিক্ষাৰ বাবে ধাৰ্য কৰা ধনৰ পৰিমাণ অতি অসন্তোষজনক। এই প্ৰত্যাহ্বান জয় কৰিব নোৱাৰিলে শিক্ষাৰ বিকাশ প্ৰায় অসম্ভৱেই হ'ব।

শেহৰ প্ৰত্যাহ্বানটো এক সমন্বিত প্ৰয়াসৰ সৈতে সংযুক্ত হৈ আছে। খচৰা নীতিত কোৱা হৈছে ২০৩০ চনৰ ভিতৰত ৰাষ্ট্ৰসংঘই সদস্য ৰাষ্ট্ৰসমূহক 'সকলোকে অন্তৰ্ভূক্ত কৰিব পৰাকৈ শিক্ষা' প্ৰবৰ্তন কৰিবলৈ আহ্বান জনাইছে। এই আহ্বান ৰাষ্ট্ৰসংঘৰ 'বিশ্ব বহন ক্ষমতা যুক্ত বিকাশ লক্ষ্য'ৰ সৈতে সংগতি ৰাখি কৰা হৈছে। অনাগত ১৫ টা বছৰত 'সকলোৰে বাবে শিক্ষা' সুনিশ্চিত কৰিব পৰাটোও হ'ব এক অভিলাষী প্ৰত্যাহ্বান।

খচৰা শিক্ষানীতিত উক্ত প্ৰত্যাহ্বানবোৰৰ পৰিপ্ৰেক্ষিতত সুনিৰ্দিষ্ট আৰু পৰিকল্পিত অভিযান আৰু লক্ষ্যযুক্ত উদ্দেশ্যেৰে বুজনসংখ্যক প্ৰস্তাৱ প্ৰস্তুত কৰি উলিয়াইছে। এই খচৰা নীতি পূৰ্ণাঙ্গ শিক্ষানীতিলৈ ৰূপান্তৰিত হোৱাৰ পিচত যেতিয়া ৰূপায়নৰ সময় আহিব, তেতিয়াই এই প্ৰত্যাহ্বানবোৰকো সমপৰিমাণৰ গুৰুত্বসহকাৰে বিশ্লেষণ কৰিব লাগিব। ৰূপায়নৰ লগে লগে এই প্ৰত্যাহ্বান বোৰকো জয় কৰিব পৰাটোতেই নতুন শিক্ষানীতিৰ সফলতা নিৰ্ভৰ কৰিব।

*'বিদ্যাৰ সমান বন্ধু নাই, ৰোগৰ সমান শত্ৰু নাই।"*

— চাণক্য

# বিমুদ্ৰাকৰণ আৰু কলা ধনৰ ওপৰত আয়কৰ আইন

ড° জ্যোতিষ গোস্বামী
প্ৰাক্তন মুৰব্বী তথা সহকাৰী অধ্যাপক
হিচাপ বিদ্যা বিভাগ

মানুহ এবিধ অদম্য বাসনাৰ ক্ৰমশঃ উৰ্ধমুখী ধাবাৰ প্ৰাণী। এটা অভাব পূৰণ হ'লে আন এটা অভাব পূৰণৰ ইচ্ছা জন্মা মনোবৃত্তিৰ প্ৰাণী। "মেচ লোই-হাইৰাৰ্কী অব নীডছ্" মতে মানুহৰ জীৱন শৈলী পাঁচটা স্তৰত বিভক্ত কৰিছে। প্ৰথম স্তৰ হ'ল জীয়াই থকাৰ মৌলিক প্ৰয়োজন যেনে ভোক, পিয়াহ, নিবাৰণ, উশাহ-নিশাহ, টোপনি, মৌনতা ইত্যাদি। ভাৰতৰ ২২ শতাংশ জনতাই দৰিদ্ৰ সীমা ৰেখাৰ তলত সহ অৱস্থান কৰি আছে। দ্বিতীয় স্তৰত নিৰাপদ আৰু নিৰাপত্তাত গুৰুত্ব দিয়া যেনে ঘৰ দুৱাৰ, ৰ'দ, বতাহ, বৰষুণ আদিৰ পৰা নিৰাময়। তৃতীয় স্তৰৰ প্ৰয়োজনীয়তা হ'ল প্ৰেম, ভাল পোৱা, বন্ধুত্ব আৰু সামাজিক দায়বদ্ধতা ইত্যাদি। চতুৰ্থ স্তৰৰ প্ৰয়োজনীয়তা হ'ল সৌষ্ঠৱ বৃদ্ধি, ভাল অনুপ্ৰেৰণাদায়ক হৈ সমাজত স্বীকৃতি পোৱা আৰু পঞ্চম স্তৰটো হ'ল পৰিত্ৰাণ আৰু মুক্তি বা আত্মবলিদান। গোলকীকৰণ অৰ্থনীতিত অৰ্থ বা ধনৰ দৃষ্টিভংগী দুটা। প্ৰথমটো বাহ্যিক আৰু দ্বিতীয়টো আত্মিক। প্ৰথমটো মতে অৰ্থ বা ধনৰ বৃদ্ধিয়ে হ'ব উন্নতি বা দুষ্কৃতিৰ মূল আৰু দ্বিতীয়বিধ দৃষ্টিভংগী মতে অৰ্থ বা ধন নামমাত্ৰ, কেৱল অগ্ৰাধিকাৰ পায় শিক্ষা আৰু চিন্তন।

যোৱা ৮ নবেম্বৰৰ মাজনিশা হঠাৎ কেন্দ্ৰীয় চৰকাৰে পাঁচশ টকীয়া আৰু এহেজাৰ টকীয়া নোট সমূহ নিষিদ্ধ কৰাত দেশখনৰ চাৰিওফালে এক অভাৱনীয় পৰিস্থিতিৰ উদ্ভৱ হৈছে। বৰ্তমান আমাৰ সমাজখনত ভোক, ক্ষুধা, দৰিদ্ৰতা, দুৰ্নীতি আদি সমস্যাই প্ৰতিযোগিতামূলক হাৰত বৃদ্ধি পাই আহিছে। ক্ষমতাৰে বলীয়ান হৈ এচাম দুৰ্নীতিগ্ৰস্থ মানুহে সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক তথা দেশৰ প্ৰতি কৰণীয় নূন্যতম সামাজিক দায়বদ্ধতা নোহোৱাত ৰাইজ বিবুধিত পৰিছে। মূল্যাংকণ কৰিলে দেখা যায় যে যি সকলক দেশৰ মংগলৰ বাবে জনপ্ৰতিনিধি তথা চৰকাৰী বিষয়া কৰ্মচাৰী হিচাপে গুৰু দায়িত্ব দিয়া হয় তেওঁলোকৰ পৰ্বতসম ভ্ৰষ্টাচাৰ দুৰ্নীতিয়ে ৰাইজক আজি হতবাক কৰা পৰিলক্ষিত হৈছে। আধুনিক সমাজ ব্যৱস্থাৰ মূল বুনিয়াদ বা ভেটি হৈছে অৰ্থনীতি। বৰ্তমান সময়ত মুদ্ৰা অৰ্থনীতিৰ সংস্কাৰে দেশৰ সৰ্বসাধাৰণ জনতাৰ মনত আশাৰ সঞ্চাৰ ঘটাইছে। বৰ্তমানৰ প্ৰধানমন্ত্ৰী তথা বিত্ত মন্ত্ৰীৰ যুটীয়া প্ৰচেষ্টাত মুদ্ৰা বিমুদ্ৰাকৰণ এক নিতান্তই সাহসী আৰু ঐতিহাসিক পদক্ষেপ বুলি এচাম বিশিষ্ট অৰ্থনীতিবিদ লগতে গৰিষ্ঠ সংখ্যক সাধাৰণ ৰাইজেও স্বীকাৰ কৰিছে।

বিমুদ্ৰাকৰণ বা মুদ্ৰা পৰিবৰ্তনত সমগ্ৰ দেশ-বিদেশৰ ৰাজনৈতিক দল, এচাম ব্যৱসায়ীয়ে চৰকাৰ হঠকাৰী সিদ্ধান্তৰ ওপৰত বিভিন্ন প্ৰচাৰ মাধ্যমত প্ৰবল যুক্তিৰে ইয়াৰ সুদুৰপ্ৰসাৰী সুপ্ৰভাৱ নসাৎ কৰিছে। মুঠতে ভাৰতবৰ্ষত মুঠ জনগণৰ এচাম পুঁজিপতি আৰু ৰাজনীতিবিদ বিমুদ্ৰাকৰণৰ বিপক্ষে আছে আৰু সৰ্বসাধাৰণৰ গৰিষ্ঠ সংখ্যকে সপক্ষে থাকি চৰকাৰৰ মুদ্ৰানীতিৰ সুফল অনাগত দিনত ভাৰতীয় অৰ্থনীতি কি দৰে ৰূপায়িত হয় তাৰ প্ৰতি উদবাউল হৈ আছে।

সপক্ষে থকা সকলৰো চিন্তাধাৰা দুবিধ। এবিধে মুদ্ৰাকৰণৰ ভাল বেয়া হৃদয়ঙ্গম নকৰি কেৱল দলগত আনুগত্য বা সমৰ্থনৰ বাবে থিয় দিছে আৰু আনটো সমৰ্থনকাৰী দৰাচলতে সৰ্বসাধাৰণ দুখীয়া আৰু মধ্যবিত্ত পৰিয়ালে বিচাৰে কেৱল এখন সুস্থ সবল সমাজ য'ত দুৰ্নীতি ক'লা ধন আৰু সন্ত্ৰাসবাদ আদিৰ পৰা সমাজখন মুক্ত হয়।

বিমুদ্ৰাকৰণৰ বিপক্ষে মাতমতা সকলৰ এভাগে মোদী তথা বিজেপি বিৰোধী তথা চৰকাৰৰ মুদ্ৰা নীতি বিৰোধী। এওঁলোকে চৰকাৰৰ জন হিতকাৰী তথা চৰকাৰৰ যিকোনো কাৰ্যৱলীৰ ঘোৰ বিৰোধী। দ্বিতীয়বিধ হ'ল বিমুদ্ৰাকৰণে তেওঁলোকক যথেষ্ট ক্ষতিগ্ৰস্ত কৰিছে। যাৰ মজুত থকা কলাধন বেনামী সম্পত্তি আৰু অৰ্থনৈতিক লোকচানৰ দ্বাৰা ব্যৱসায়ৰ ক্ষতি হৈছে। এওঁলোকে কোনো নিৰ্দিষ্ট নীতি, আদৰ্শ, দল বাদ মতবাদক লৈ চিন্তিত নহয় কেৱল মজুত কলা ধন বৃদ্ধি আৰু কেনেকৈ পুৰণি পাঁচ শ আৰু এক হাজাৰ টকীয়া নোট সমূহ নতুন ৫০০ টকীয়া আৰু ২০০০ টকালৈ ৰূপান্তৰ কৰিব পাৰি; তেনেধৰণে চিন্তা চৰ্চাত ব্যস্ত। এ টি এম তথা বেংক সমূহৰ আগত লানি নিছিগা সাধাৰণ নাগৰিকৰ পুৰণা নোট সলনি/জমা আৰু পুৰণি পাঁচশ







আৰু হাজাৰ টকীয়া নোট সমূহ গাড়ীৰ তেল, ৰেল উৰাজাহাজত টিকট কিনা, বৈদুতিক মাচুল, পৌৰ নিগম, নিকায় তথা চৰকাৰী বিভাগত জমা দিয়াৰ ব্যৱস্থা কৰিছে। বেংক আৰু ডাকঘৰত থকা একাউন্টত ১০ নবেম্বৰৰ পৰা ৩০ ডিচেম্বৰলৈ পুৰণি নোট জমা বা সলনি কৰাৰ ব্যৱস্থা কৰিছে। এ.টি.এম. দৈনিক ২,৫০০/- টকাকৈ উলিয়াব পাৰিব আৰু বেংক একাউন্টৰ পৰা সৰ্ব্বোচ্চ প্ৰতি সপ্তাহত ২৪,০০০/- টকালৈ উলিয়াব পাৰিব। তথাপি এই ঘোষণাই সমগ্ৰ দেশত এক আলোড়ন সৃষ্টি কৰিছে। গ্ৰাম্যাঞ্চলত আন্তঃগাঁঠনি অভাৱে বহু ঠাইত এ.টি.এম. বিকল, এ.টি.এম.ত পৰ্যাপ্ত পৰিমাণৰ নোট নথকাৰ লগতে বহুতো মানুহৰ বেংকত একাউন্ট নাই। হঠাৎ পাঁচশ, এহাজাৰ টকীয়া নোট নুই কৰি দুইহাজাৰ টকীয়া নোট প্ৰচলনে ভ্ৰমণ, পৰ্যটন, হোটেল, ৰেষ্টোৰা, উৎসৱ, পাৰ্বণ, ইত্যাদিত যথেষ্ট অসুবিধা হোৱা পৰিলক্ষিত হৈছে।

কলাধন বুলিলে সাধাৰণতে এজন মানুহৰ আয় বৰ্হিভূত আয়কৰ আইনত দেখুওৱা মাত্ৰাতকৈ প্ৰকৃততে যথেষ্ট বেছি যাক গোপন বা অতিৰিক্ত আয় বোলা হয়। যাক কৰদাতাই তেওঁৰ বছৰি আয়ৰ বিভিন্ন উৎসৰ লগত নেদেখুৱাই চৰকাৰকো এই গোপন আয় বা কলা ধনৰ ওপৰত কৰ কাটিল নিদিয়ে। অপ্ৰিয় হ'লেও মুদ্ৰা পৰিবৰ্তনে দেশৰ সকলো স্তৰৰ নাগৰিকৰে নানা বাধা, দুখ-কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছে - একমাত্ৰ কলাধন নিৰ্মূলৰ দ্বাৰা চৰকাৰৰ দৃঢ় পদক্ষেপৰ বাস্তৱ ৰূপতো কি হয় তাকে চাবলৈ ৰাইজে নমনীয়তা অৱলম্বন কৰিছে।

কলাধন মজুত কাৰী কুকৰ্মই সৰ্বসাধাৰণ ৰাইজক বিস্ময়াভিভূত হৈ পৰা পৰিলক্ষিত হৈছে। মঠ, মন্দিৰ, নলা-নৰ্দমা, ডাষ্টবিনত পেলাই দিয়াৰ উপৰিও এচামে আকৌ গোপনে পুৰি পোলোৱা ঘটনাই সৰ্বসাধাৰণ ৰাইজক হতবাক কৰিছে। ৰাইজেও অসীম ধৈৰ্যৰে বিমুদ্ৰাকৰণৰ প্ৰতি সমৰ্থন জনোৱাৰ মূল উদ্দেশ্য হ'ল মুদ্ৰানীতিৰ ব্যাপক সংস্কাৰ। এই মুদ্ৰানীতি সংস্কাৰৰ দ্বাৰা দেশত কলাধনৰ বিলোপ সাধন, জাল নোট হ্ৰাস তথা নোহোৱা কৰা উগ্ৰপন্থী তথা সন্ত্ৰাবাদী সংগঠনক বিত্তীয় সংকটত পোলোৱা আৰু নিকা নিৰ্বাচনৰ অৰ্থে কলাধনৰ দ্বাৰা হিচাপ বৰ্হিভুত ব্যয় সংকোচন ইত্যাদি উল্লেখযোগ্য পদক্ষেপ বুলি ক'ব পৰা যায়।

দেশৰ জনকল্যাণৰ অন্তৰায় হৈ পৰা কলা ধন আৰু দুৰ্নীতি নিৰ্মূল কৰিব পাৰিলে ভাৰতবৰ্ষ পৃথিবীৰ উন্নত দেশৰ শাৰীত উপনীত হ'বলৈ ই এক সুদুৰ প্ৰসাৰী পদক্ষেপ হিচাপে চিহ্নিত হ'ব। ভাৰতবৰ্ষৰ বৰ্তমান ১৩০ কৌটিৰো অধিক জনবহুল দেশত প্ৰধান মন্ত্ৰীৰ ডিজিটেল অৰ্থনীতিৰ প্ৰয়োজনীয়তাই নিশ্চয়কৈ বিত্তৰ সুপ্ৰভাৱ পেলাব। এচামে আয়কৰ ফাঁকি দি দুৰ্নীতিৰে ৰাইজক প্ৰতাৰণা কৰি উন্নয়ণমূলক চৰকাৰী আঁচনি অসৎ উপায়েৰে আত্মসাৎ, ব্যৱসায়ত অত্যাধিক মুনাফা / লাভ অৰ্জন ইত্যাদিৰে সামাজিক জীৱন পংগু কৰিছে।

বিমুদ্ৰাকৰণৰ পিচত ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দুৰ্নীতি আৰু কলাধনৰ বিৰুদ্ধে কৰা দ্বিতীয় বিধ যুদ্ধ হ'ল বেনামী সম্পত্তি উদ্ধাৰ আৰু জব্দ কৰাৰ ওপৰত কঠোৰ আইন বলবৎ কৰা হব বুলি "মন কী বাত" অনুষ্ঠানত দৃঢ়তাৰে ঘোষণা কৰিছে। আইনৰ দৃষ্টিত ৰাজনীতিবিদ, ক্ষমতাবান কোনো ব্যক্তিয়ে এই আইনৰ পৰা সাৰি যাব নোৱাৰে। গ্ৰাহকে মোবাইল বেংকিং, ই-বেংকিং ৰূপে কাৰ্ড, ইউ পি আই, ইউ এছ ডি ডি পদ্ধতিৰে লেনদেন কৰিলে দৈনিক ৫০ টকাৰ পৰা ৩০০০ টকালৈ লেনদেন কৰা ব্যক্তিয়ে ১,০০০ টকাকৈ ১৫,০০০ জন নাগৰিকে পুৰস্কাৰ লাভ কৰিব। প্ৰধানমন্ত্ৰীয়ে দুখন নগদ বিহীন আঁচনি 'লাকী গ্ৰাহক যোজনা" আৰু "ডিজি ধন ব্যাপাৰ যোজনা" জনসাধাৰণক বৰ দিনৰ উপহাৰ হিচাপে ২৫ ডিচেম্বৰত উদ্বোধন কৰিছে।

বিমুদ্ৰা কৰণৰ পাচত বেংক বা ডাকঘৰ একাউন্টত ১০ নবেম্বৰৰ পৰা ৩০ ডিচেম্বৰলৈ ২.৫০ লাখ বা ততোধিক জমা ৰাশিৰ বৰ্ণনা আয়কৰ বিভাগে জমাৰাশিৰ আয়কৰ বিৱৰণিত দেখুওৱা আয় আৰু নিৰ্দ্ধাৰিণ কৰা আয়ৰ মাজত অমিল কলা ধন খিনিক ৩০ শতাংশ কৰ ধাৰ্য কৰাৰ উপৰিও আয়কৰ আইনমতে ২৯০ (এ) ধাৰাত ২০০ শতাংশ পেনাল্টি আৰোপ কৰা হ'ব।

মুদ্ৰা পৰিবৰ্তনে গাঁৱলীয়া অৰ্থনীতিত বিৰূপ প্ৰভাৱ পলাইছে। পৰিছে। বেংক, এ.টি.এম. ইন্টাৰনেট তথা বিজুলি শক্তি সম্পূৰ্ণ বা আংশিক প্ৰভাৱে বিত্তীয় লেনদেনত স্বচ্ছ হোৱা নাই। বেংকৰ লগত পৰিচয় নথকা গাঁৱৰ এচাম খেতিয়কৰ সাঁচতীয় জমা ধন যেনে ধান আৰু অন্যান্য খেতিৰ ফচল, গৰু ছাগলী, গাখীৰ, মাছ বিক্ৰী ইত্যাদি মূলধন বেংকত নথৈ ঘৰত জমা ৰাখি আজি মহা সংকটত পৰিছে। এই উৎস প্ৰকৃতাৰ্থত কলা ধন নহয় যাৰ ফলত হৃদযন্ত্ৰ বিকল হৈ দুই এজনে মৃত্যু মুখত পৰিব লগা হৈছে।

দুৰ্নীতি কলা ধন মজুতকাৰী ঘটনাৰাজী আৰু সমগ্ৰ দেশত মুদ্ৰা বিমুদ্ৰাকৰণে কিছু পৰিমাণে সাফল্য লাভ কৰিছে। জন ধন একাউণ্টৰ পৰা কৌটিপতিৰ কলাধনৰ আয়কৰ তথা সংশ্লিষ্ট কতৃপক্ষৰ আওতালৈ আহিল। ইয়াৰ মাজতে এচামে ১০ শতাংশৰ পৰা ৪০ শতাংশ পৰ্যন্ত কমিচনৰ দ্বাৰা কলাধন

ৰগাধনলৈ ৰূপান্তৰিত কৰিলে। বেংক বিষয়া-কৰ্মচাৰীৰ সততাহীনতাৰ বাবেওঁ এচাম কলাধন মজুতকাৰী ৰাজনৈতিক নেতা ইত্যাদিয়েও ৰাতিৰ ভিতৰতে মজুত কলা ধন ৰগা ধনলৈ ৰূপান্তৰ কৰিলে। ব্যতিক্ৰমত দুই এজন ধৰা পৰিল যদিও ভৰাতকৈ যথেষ্ট নগন্য। নগদ বিহীন, কেছলেছ্ বা ডিজিটেল লেনদেনে পৰৱৰ্তী সময়ত নিশ্চয় দেশৰ অৰ্থনীতিৰ এক যুগান্তকাৰী পদক্ষেপ হিচাপে চিহ্নিত হ'ব। কিন্তু ইয়াৰ বাবে জনসাধাৰণ সুশিক্ষিত হোৱাৰ উপৰিও আন্তঃগাঁঠনি পৰ্যাপ্ত হ'ব লাগিব। তাৰোপৰি বৈদ্যুতিক সেৱা তথা ইন্টাৰনেটৰ সুব্যৱস্থা থাকিলে নিশ্চয় পৰৱৰ্তী অৰ্থনৈতিক ব্যৱস্থাও মজুত হ'ব।

ইতিমধ্যে চৰকাৰে শেহতীয়াকৈ এখন নতুন আইন প্ৰস্তুত কৰিছে। এই আইন অনুসৰি যি সকলে ক'লা ধন বা আইনৰ আওতা নহা সম্পত্তি এপ্ৰিল মাহৰ ভিতৰত জমা থৈ স্বেচ্ছাই ঘোষণা কৰে তেতিয়াহ'লে এই ধনৰাশিৰ ৫০ শতাংশ চৰকাৰক আয়কৰ হিচাপে পৰিশোধ কৰিব লাগিব। ২৫ শতাংশ অঘোষিত কলা ধন লগে লগে ঘুৰাই দিব আৰু বাকী ২৫ শতাংশ চাৰি বছৰলৈ প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ যোজনা বিনিয়োগ কৰিব। চাৰি বছৰ পাছত এই ২৫ শতাংশ জমাকাৰীক বিনা সুদে ঘুৰাই দিব। চৰকাৰৰ নতুন কলা ধনৰ বাবে ঘোষিত আইনৰ আওতালৈ নহা অঘোষিত কলা ধন মজুত থকাসকলক চৰকাৰে কলা ধন জমাৰ ওপৰত ৮৪ শতাংশ আয়কৰ আৰু পেনাল্টি হিচাপে বাজেয়াপ্ত কৰিব।

শেহতীয়াকৈ সৰ্ববৃহৎ সন্থা 'অইল ইণ্ডিয়া মেনুফেক্চাৰ্ছ এছ'চিয়েচনে (এ আই এম অ') প্ৰস্তুত কৰা তৃতীয় প্ৰতিবেদনত এক ভয়াবহ তথ্য প্ৰকাশ পাইছে। প্ৰতিবেদনখনৰ মতে ২০১৭ চনৰ মাৰ্চ পৰ্যন্ত কৰ্মসংস্থান দেশত ৬০ শতাংশ পৰ্যন্ত হ্ৰাস হোৱাৰ লগতে ৰাজহ সংগ্ৰহ ৫৫ শতাংশ পৰ্যন্ত হ্ৰাস পোৱাৰ আশংকাই প্ৰবল। সামগ্ৰী নিৰ্মাণ আৰু ৰপ্তানি বাণিজ্যৰ সৈতে জড়িত ৩ লাখ অতি লঘু, ক্ষুদ্ৰ, মজলীয়া আৰু বৃহৎ উদ্যোগক প্ৰতিনিধিত্ব কৰা সংস্থাটোৰ দ্বাৰা নিয়োজিত বিশেষজ্ঞ কমিটিয়ে দাখিল কৰা প্ৰতিবেদনখনত কোৱা হৈছে যে বিমুদ্ৰাকৰণৰ ফলত প্ৰায় সকলো ঔদ্যোগিক কাম-কাজ এক প্ৰকাৰ স্তব্ধ হৈ পৰিছে, তাৰ ভিতৰত আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছে ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ খণ্ড। উদ্যোগ খণ্ডই বিমুদ্ৰাকৰণক চৰকাৰৰ এক সাহসী পদক্ষেপ বুলি গণ্য কৰিলেও, বিমুদ্ৰাকৰণৰ এমাহৰ পিচতো যে ইয়াৰ নেতিবাচক প্ৰভাৱে উদ্যোগ খণ্ডক ক্ষতিকাৰক হ'ব তাক অনুমানেই কৰিব পৰা নাছিল বুলি প্ৰতিবেদনখনত উল্লেখ কৰিছে।

ৰপ্তানি বাণিজ্যৰ সৈতে জড়িত বিদেশী কোম্পানীকে ধৰি মজলীয়া আৰু বৃহৎ উদ্যোগত ৩০ শতাংশ কৰ্ম সংস্থাপন হ্ৰাস কৰাৰ লগতে ৪০ শতাংশ ৰাজহ হ্ৰাস পাইছে। মাৰ্চ পৰ্যন্ত কৰ্ম সংস্থাপন ৩৫ শতাংশ পৰ্যন্ত হ্ৰাস কৰিছে বিমুদ্ৰাকৰণৰ প্ৰথম মাহটোত। এই সময়ছোৱাত বৃহৎ কোম্পানী সমূহে হেৰুৱাইছে ৪৫ শতাংশ ৰাজহ। প্ৰতিবেদনত অনুমান কৰা মতে ২০১৭ চনৰ মাৰ্চ পৰ্যন্ত কৰ্ম সংস্থাপন হ্ৰাস আৰু ৰাজহ হানি ৪০ শতাংশ পৰ্যন্ত হ'বগৈ। বিমুদ্ৰাকৰণৰ প্ৰথম ৩৪ দিনত সামগ্ৰী প্ৰস্তুতকৰণ খণ্ডৰ মজলীয়া আৰু বৃহৎ উদ্যোগত কৰ্ম সংস্থাপন ৫ শতাংশ হ্ৰাস পোৱাৰ বিপৰীতে ৰাজহ ২০ শতাংশ নিম্নগামী হয়। মাৰ্চ পৰ্যন্ত এই হ্ৰাস ১৫ শতাংশ হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰতিবেদনখনত কোৱা হৈছে।

বিমুদ্ৰাকৰণৰ ফলত দেশত অৰ্থনৈতিক বিপৰ্যয় সৃষ্টি হ'ব বুলি কৰা আশংকাক অমূলক বুলি অভিহিত কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী অৰুণ জেটলিয়ে কয়, এপ্ৰিল-ডিচেম্বৰৰ সময়ছোৱাত প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োকৰৰ সংগ্ৰহ বৃদ্ধিয়ে স্পষ্ট কৰে প্ৰস্তুতকৰণ খণ্ডকে ধৰি অন্যান্য অৰ্থনৈতিক পৰিক্ষেত্ৰৰ গতিশীলতাক। বিত্ত মন্ত্ৰীজনে কয় যে ২০১৫ বৰ্ষৰ তুলনাত ২০১৬ চনত এপ্ৰিল-ডিচেম্বৰৰ সময়ছোৱাত প্ৰত্যক্ষ কৰ সংগ্ৰহ ১২.০১ শতাংশ (৫.৫৩ লাখ কোটি টকা) বৃদ্ধি পাইছে। একেদৰে পৰোক্ষ কৰ সংগ্ৰহ ২৫ শতাংশ অৰ্থাৎ ৬.৩০ লাখ কোটিলৈ বৃদ্ধি পাইছে। বিত্তমন্ত্ৰীৰ মতে বিভিন্ন ৰাজ্যত ভেট সংগ্ৰহ বিপুলভাৱে বৃদ্ধি ঘটিছে। অসমৰ বিত্তমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মতে ২০১৫ চনৰ ডিচেম্বৰলৈ অসমত বাণিজ্যিকীৰ আহৰণ ৭১৮.৮৩ কোটি আনহাতে ২০১৬ চনৰ ডিচেম্বৰত এইখণ্ডৰ আহৰণ হয় ৮৭৫.১০ কোটি অৰ্থাৎ ১৫১.৭৭ কোটি বৃদ্ধি পায়।

সহায়ক :
১। নিয়মীয়া বাৰ্তা : 'বিমুদ্ৰাকৰণ আৰু মানসিকতা', ডাঃ দীনেশ চন্দ্ৰ গোস্বামী, ৯ ডিচেম্বৰ, ২০১৬
২। নিয়মীয়া বাৰ্তা : 'মুদ্ৰানীতিৰ ৰাজনীতি আৰু আমাৰ ধৈৰ্য্যচ্যুতি', চিন্ময় কলিতা, ২১ ডিচেম্বৰ, ২০১৬
৩। আমাৰ অসম : 'সাধাৰণ নাগৰিকৰ দৃষ্টিত বিমুদ্ৰাকৰণ' আবু নাছাৰ চাইদ আহমদ, ২৬ ডিচেম্বৰ, ২০১৬
৪। অসমীয়া প্ৰতিদিন : ১০ জানুৱাৰী, ২০১৭
৫। দ্য আছাম ট্ৰিবিউন আৰু দ্য ইক'নমিক টাইমছ্
৬। ইন্টাৰনেট





# অসমৰ জাতীয় সম্পদ স্বৰূপ ভ্ৰাম্যমান থিয়েটাৰ

ড° মৌচুমী দেৱী
সহকাৰী অধ্যাপিকা
ব্যৱস্থাপনা বিভাগ

**যাত্ৰা দলসমূহ বিভিন্ন কাৰণবশতঃ বেছি দিন জীয়াই থাকিব নোৱাৰিলে, তথাপিও অসমীয়া নাট্য-জগতত এক চিন থৈ গ'ল। অসমীয়া যাত্ৰা পাৰ্টিৰ উত্থানত ওস্তাদ হিচাপে খ্যাত ব্ৰজনাথ শৰ্মাৰ বৰঙণি অনবদ্য।**

নাট্যকলা হৈছে পৰিবেশ্য কলাৰ এনে এক অনবদ্য অংগ য'ত অভিনয়, গীত, নৃত্য, চিত্ৰকলা স্থাপত্য আদি আটাইৰে সমাহাৰ দেখা যায়। যিয়ে উত্থাপিত বিষয় বস্তু অধিক আকৰ্ষণীয় আৰু মনোগ্ৰাহী কৰি তোলে। নাটকৰ জন্ম কেতিয়া আৰু কেনেকৈ হৈছিল, তাৰ সঠিক উল্লেখ পোৱা নাযায়। তথাপিও জনা যায় যে, আদিম কালৰ মানৱে চিকাৰৰ পৰা আহি নিজৰ চিকাৰৰ কথা আনৰ আগত আকাৰে ইংগিতে বৰ্ণনা কৰিছিল। কিজানি তাৰে পৰা অভিনয় কলাৰ আৰম্ভণি হয়। উল্লেখ আছে যে, স্বৰ্গত দেৱতাসকলে অসুৰ বধৰ ভয়ত অন্তত নাটৰ মাধ্যমেৰে বিজয় উল্লাস কৰিছিল। ভৰত মুনিয়ে নাট্যশাস্ত্ৰক পঞ্চম বেদৰ আখ্যা দিছে। ভাৰতবৰ্ষত নাটকৰ ক্ৰম-বিৱৰ্তনৰ এক দীঘলীয়া ধাৰা দেখা যায়। ভাৰতত নাট্যকলাৰ প্ৰচলন সংস্কৃত নাটকৰ জৰিয়তে আৰম্ভ হৈছিল পোন প্ৰথম খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাত যিয়ে খ্ৰীষ্টাব্দ প্ৰথম আৰু দশম শতিকাৰ মাজত প্ৰসাৰ লাভ কৰিছিল। বৰ্তমান কেৱল কেৰালাৰ কোডিয়ট্ৰম (Kodiyattam) নামৰ নাট্যকলায়ে সংস্কৃত নাটকৰ ধাৰা অক্ষুন্ন ৰাখিছে। UNESCO য়ে কোডিয়ট্ৰমক Masterpiece of the Oral of Intangible Heritage of Humanity হিচাপে আনুষ্ঠানিকভাৱে স্বীকৃতি দিছে। পেছাদাৰী বা অপেছাদাৰী মঞ্চনাট্যৰ সমান্তৰালভাৱে ভাৰতত বিভিন্ন স্বকীয় লোকনাট্যৰ প্ৰচলন প্ৰায় প্ৰতিখন ৰাজ্যত দেখা যায় যেনে বেংগলৰ যাত্ৰা, ওড়িষ্যাৰ পালা, উত্তৰ ভাৰতৰ ৰামলীলা, উত্তৰ প্ৰদেশৰ ৰাসলীলা, মহাৰাষ্ট্ৰৰ তমাসা, কেৰালাৰ কথাকলি ইত্যাদি।

ভাৰতৰ অন্য প্ৰান্তত সংস্কৃত নাটৰ প্ৰচলনৰ সমসাময়িকভাৱে অসমতো সংস্কৃত নাট প্ৰদৰ্শিত হৈছিল। কিন্তু ভাষা আৰু প্ৰকাশ ভংগীৰ জটিলতাৰ বাবে এইনাটসমূহ জনতাৰ মাজত অধিক জনপ্ৰিয় হোৱা নাছিল। সাধাৰণ জনতাৰ মাজত বৈষ্ণৱ ধৰ্মৰ মত-আদৰ্শ তথা সামাজিক বিষয়বস্তু উপস্থাপনৰ অৰ্থে বৈষ্ণৱ গুৰু শ্ৰীমন্ত শংকৰদেৱে অংকীয়া নাটৰ সৃষ্টি কৰিছিল। এই নাটসমূহত মৈথেলী আৰু অসমীয়া ভাষাৰ সংমিশ্ৰণত ব্ৰজাবলী ভাষাৰ প্ৰয়োগ কৰিছিল। শ্ৰীমন্ত শংকৰদেৱৰ ৰচনা আৰু পৰিচালনাৰে ১৪৬৮ চনত প্ৰদৰ্শিত হোৱা চিহ্নযাত্ৰা নাটকখনেই প্ৰথম অসমীয়া নাটক। পৰৱৰ্তী পৰ্যায়ত শংকৰদেৱৰ শিষ্য মাধৱদেৱ, দামোদৰদেৱ আৰু আন আন সত্ৰাধিকাৰসকলে বিভিন্ন অংকীয়া নাট ভাওনা ৰচনা কৰিছিল। তাৰ সমান্তৰালভাৱে অসমৰ বিভিন্ন প্ৰান্তত বিশেষকৈ নামনি অসমত পুতলা নাচ, ঢুলীয়া-বায়ন, খুলীয়া, ওজাপালি,

কুশানগান আদি লোকনাট্য সমূহে দৰ্শকৰ মাজত এক সুকীয়া ঠাই অধিকাৰ কৰি আহিছে। বৃটিছসকলে অসমত প্ৰৱেশ কৰাৰ লগে লগে অসমৰ ভাষা-সংস্কৃতিলৈ বহিৰাগতৰ প্ৰভাৱ পাবলৈ ল'লে। তেনে এক নতুন সংযোজন হ'ল যাত্ৰা পাৰ্টি। ইংৰাজৰ আগমনৰ ফলত ভাৰতৰ অন্য প্ৰান্তৰ আৰু বিশেষকৈ বংগৰ লগত সাংস্কৃতিক আদান-প্ৰদান হ'বলৈ ল'লে যাৰ ফলত অসমৰ নাট্য জগতত বাঙালী যাত্ৰা পাৰ্টিৰ প্ৰভাৱ পৰিবলৈ ল'লে। ইংৰাজৰ প্ৰশাসনিক কাম-কাজৰ বাবে অসমৰ কেতবোৰ অঞ্চলত যেনে— নামনি অসম, হোজাই, ফৰকাটিং, মৰিয়ণী ইত্যাদিত থিতাপি লোৱা বাংলা ভাষীয় লোকসকলৰ লগতে অসমীয়া লোকসকলৰ মাজতো এই যাত্ৰা পাৰ্টিসমূহে সমাদৰ লাভ কৰিবলৈ ল'লে। প্ৰথমে বঙালী নাটকসমূহ অসমীয়া ভাষালৈ অনুবাদ কৰি প্ৰদৰ্শিত হৈছিল। পৰৱৰ্তী পৰ্যায়ত অসমীয়া মৌলিক নাটক যাত্ৰা পাৰ্টি বা 'খোলা-গান'ৰ মঞ্চত প্ৰদৰ্শিত হ'বলৈ ল'লে। ধনেশ্বৰ শৰ্মাৰ দ্বাৰা পৰিচালিত 'নল-দময়ন্তী' নাটখন যাত্ৰা দলৰ মঞ্চত প্ৰদৰ্শিত প্ৰথম অসমীয়া নাটক। এইখিনিতে অসমৰ কেইটামান উল্লেখনীয় যাত্ৰা পাৰ্টিৰ নাম উল্লেখ কৰা হ'ল— তিথিৰাম বায়নৰ যাত্ৰা পাৰ্টি (স্থাপিত ১৮৭১চন), পাঠশালা থিয়েটাৰ পাৰ্টি (১৯১০চন), শিলা-কালিকা অ'পেৰা পাৰ্টি (১৯২১ চন), দক্ষিণ গণকগিড়ী অ'পেৰা পাৰ্টি (১৯২৪ চন), আসাম কহিনুৰ অ'পেৰা পাৰ্টি (১৯৩০চন) আদি। যদিও এই যাত্ৰা দলসমূহ বিভিন্ন কাৰণবশতঃ বেছি দিন জীয়াই থাকিব নোৱাৰিলে, তথাপিও অসমীয়া নাট্য-জগতত এক চিন থৈ গ'ল। অসমীয়া যাত্ৰা পাৰ্টিৰ উত্থানত ওস্তাদ হিচাপে খ্যাত ব্ৰজনাথ শৰ্মাৰ বৰঙণী অনবদ্য। একেবাৰে অভিনেতা, নাট্য-পৰিচালক, নৃত্য-পৰিচালক, সাজ-সজ্জা পৰিচালক (Costume Designer) ব্ৰজনাথ শৰ্মাই অসমৰ যাত্ৰা পাৰ্টিসমূহলৈ আমোল পৰিৱৰ্তন আনে। যাত্ৰা পাৰ্টিসমূহক বাণিজ্যিক ৰূপ দিয়াৰ অৰ্থে তেওঁ নগাঁৱৰ বিপিন চন্দ্ৰ বৰুৱাৰ লগ হৈ ১৯৩০চনত অসম কহিনুৰ অ'পেৰা পাৰ্টি গঢ় দিয়ে। এই যাত্ৰা পাৰ্টিয়ে অসমৰ বিভিন্ন ঠাই ভ্ৰমি স্থায়ী মঞ্চ ভাড়াত লৈ নাট পৰিৱেশন কৰে। দৰ্শকৰ আকৰ্ষণৰ বাবে তেওঁ কেতবোৰ পদক্ষেপ লয়। তেনে এক প্ৰচেষ্টাত তেওঁ যাত্ৰা পাৰ্টিলৈ সহ অভিনয়ৰ বাট মোকলায়। যাত্ৰা পাৰ্টিত অভিনয়ৰ বাবে আগবাঢ়ি অহা মহিলা শিল্পীসকলৰ দুগৰাকী যোৰহাটৰ, দুগৰাকী নগাঁৱৰ পুৰণিগুডামৰ আৰু নাজিৰাৰ এগৰাকী আৰু তেওঁলোকৰ নামসমূহ হ'ল— গোলাপী দাস, সৰ্বেশ্বৰী দাস, ফুলেশ্বৰী দাস, লাৱণ্য দাস, শৈলবালা দেৱী আৰু বিনোদা গগৈ। অসমীয়া ৰক্ষণশীল সমাজৰ বাধা নেওচি এই সাহসী মহিলা কেইগৰাকী যাত্ৰা পাৰ্টিত অভিনয়ৰ বাবে আগবাঢ়ি আহি নাট্য জগতত এক আলোড়নৰ সৃষ্টি কৰিলে। তেওঁলোক আমাৰ ধন্যবাদৰ পাত্ৰী। ব্ৰজনাথ শৰ্মাই এই মহিলা শিল্পী কেইগৰাকীক পাঠশালাৰ মুখ্য বিহাৰ্ছেল কেম্পলৈ আনি অভিনয়ৰ সকলো দিশসমূহ শিকাই-বুজাই ১৯৩০ চনৰ নৱেম্বৰ মাহত ডুমডুমাত সহ-অভিনয়ত অভিনয়ৰ প্ৰথমখন নাট 'মৰাণ-জিয়ৰী' মঞ্চস্থ কৰে। ব্ৰজ শৰ্মাই বৈদ্যুতিক লাইট আৰু মঞ্চসজ্জাৰ ওপৰতো গুৰুত্ব দিয়ে। নাট প্ৰদৰ্শনীৰ বাবে টিকটৰ ব্যৱস্থা কৰে আৰু টিকটৰ মূল্য ক্ৰমে ৰিজাৰ্ভ আসনৰ বাবে দুটকা, প্ৰথম শ্ৰেণীৰ বাবে এটকা, দ্বিতীয় শ্ৰেণীৰ বাবে ৫০ পইচা আৰু তৃতীয় শ্ৰেণীৰ বাবে ২৫ পইচা, গেলাৰীৰ আসনৰ বাবে অতি কম মূল্য নিৰ্ধাৰণ কৰে। লাহে লাহে আন যাত্ৰা দলসমূহেও তেনে প্ৰচেষ্টা অনুকৰণ কৰে। কিন্তু দুৰ্ভাগ্যক্ৰমে আৰ্থিক অনাটনৰ কাৰণে ১৯৩৬চনত এই যাত্ৰা দলটো বন্ধ কৰিবলগীয়া হয়। জীৱিত কালত এই মহান শিল্পীজনাই ন্যায্য মৰ্যাদা নাপালেও মৰণোত্তৰভাৱে অসম চৰকাৰে এই শিল্পীজনাৰ প্ৰতি সন্মান যঁচাতো এক আদৰণীয় পদক্ষেপ। শেহতীয়াভাৱে (জানুৱাৰী ২০১৭চন) ৰাজ্য চৰকাৰে ব্ৰজনাথ শৰ্মা সোঁৱৰণী বঁটা প্ৰদান আৰু লগতে তেওঁৰ নামত এটি প্ৰতিমূৰ্তিও প্ৰতিষ্ঠা কৰাৰ কথা ঘোষণা কৰে। অসমীয়া যাত্ৰা দলৰ আন এটা উল্লেখনীয় নাম হ'ল পাঠশালাৰ সদা লহকৰ আৰু তেওঁ গঠন কৰা নটৰাজ অ'পেৰা। সদা লহকৰে তেওঁৰ সম্বন্ধীয় ভায়েক অচ্যুত লহকৰৰ লগত হৈ সম্পূৰ্ণ ব্যৱসায়িক মনোবৃত্তিৰে নাট্যযাত্ৰা আৰম্ভ কৰে আৰু কাৰিকৰী কৌশল আদিৰে দৰ্শকক আকৰ্ষিত কৰিবলৈ চেষ্টা কৰে।

**ভ্ৰাম্যমান থিয়েটাৰৰ আৰম্ভণি ঃ**

অনুসন্ধিৎসু আৰু কাৰিকৰী দিশত পাৰ্গত তথা শিল্পীসুলভ মনৰ অধিকাৰী অচ্যুত লহকৰে নটৰাজ অ'পেৰাৰ লগত জড়িত হৈ থকা সময়তে অসমৰ যাত্ৰা পাৰ্টিসমূহক এখোপ ওপৰলৈ নিয়াৰ মানস কৰে। তাৰেই নিমিত্তে চামিয়ানাৰ তম্বু তৰি, মঞ্চখনৰ লগতো কেতবোৰ পৰীক্ষা-নিৰিক্ষা কৰি কেইবাশ মানুহ একেলগে বহি নাট উপভোগ কৰিব পৰাকৈ চকীৰ ব্যৱস্থাৰে তেওঁ নাট প্ৰদৰ্শনৰ বাবে আগবাঢ়ে। অচ্যুত লহকৰে গঠন কৰা নাট্য দলটি নাম হ'ল নটৰাজ থিয়েটাৰ। নটৰাজ থিয়েটাৰে পোন প্ৰথমবাৰ ১৯৬৩ চনত নাট্যযাত্ৰা আৰম্ভ কৰে। সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাই জৰ্জ খেলপথাৰত নাট উপভোগ কৰি অভিভূত হয় আৰু দলটিৰ নাট প্ৰদৰ্শনীৰ বৈশিষ্ট্যতা আৰু কাৰ্য প্ৰণালী দেখি 'ভ্ৰাম্যমান থিয়েটাৰ' নামেৰে অলংকিত কৰে। এনেদৰে







**নটৰাজ থিয়েটাৰে পোন প্ৰথমবাৰ ১৯৬৩ চনত নাট্যযাত্ৰা আৰম্ভ কৰে। সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱাই জৰ্জ খেলপথাৰত নাট উপভোগ কৰি অভিভূত হয় আৰু দলটিৰ নাট প্ৰদৰ্শনীৰ বৈশিষ্ট্যতা আৰু কাৰ্য প্ৰণালী দেখি 'ভ্ৰাম্যমান থিয়েটাৰ' নামেৰে অলংকিত কৰে। এনেদৰে ভ্ৰাম্যমান থিয়েটাৰ নামৰ নাট্যানুষ্ঠানৰ জন্ম হয়**

ভ্ৰাম্যমান থিয়েটাৰ নামৰ নাট্যানুষ্ঠানৰ জন্ম হয় আৰু অক্টোবৰ মাহৰ ২ তাৰিখ ইয়াৰ জন্ম তাৰিখ হিচাপে গ্ৰাহ্য কৰা হয়। বৰ্তমান অসমত ৩০-৩৫টা মান ভ্ৰাম্যমাণ থিয়েটাৰ বা Mobile Theater পাৰ্টিয়ে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ দৰ্শকক মনোৰঞ্জন যোগাই আহিছে। জন্ম তাৰিখৰ পৰা ১৭০টা মান সৰু-বৰ থিয়েটাৰ পাৰ্টি গঠন হোৱা দেখা যায় যদিও ইয়াৰে অধিক সংখ্যকে সফল হ'ব নোৱাৰিলে। বৰ্তমান ৩০-৪০ টা মান থিয়েটাৰ পাৰ্টিয়েহে সক্ৰিয় ভাৱে নাট প্ৰদৰ্শন কৰি আহিছে। কিন্তু সফলতাৰ মাপ-কাঠি কেৱল আৰ্থিক দিশৰ পৰা নিৰ্ধাৰণ কৰিলেও ঠিক নহ'ব। কিয়নো প্ৰতিটো দলে অসমৰ থিয়েটাৰ জগতৰ সামূহিক উৎকৰ্ষ সাধনত কিবা নহয় কিবা বৰঙণি যোগাইছে। তাৰে উল্লেখনীয় কেইটামান নাট্য দল হ'ল-

**১। নটৰাজ থিয়েটাৰ ঃ**

অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ জনক অচ্যুত লহকৰে পাঠশালাত আৰম্ভ কৰা নটৰাজ থিয়েটাৰ ১৯৬৩ চনৰ পৰা ২০০৩ চনলৈ অসমৰ নাট্য জগতত এক সোণোৱালী যাত্ৰা অতিক্ৰম কৰিলে। অসমৰ বিভিন্ন প্ৰান্ত যেনে মাজুলীকে ধৰি উজনি অসমৰ বিভিন্ন অঞ্চল, নামনি অসমৰ বিভিন্ন অঞ্চলৰ উপৰি বৰাক উপত্যকা বিহাৰ, বেংগল আনকি নেপালতো নাট প্ৰদৰ্শন কৰি দৰ্শকক আপ্লুত কৰি তোলে। আনকি নটৰাজ থিয়েটাৰৰ বিহাৰ ভ্ৰমণ কালত প্ৰযোজক অচ্যুত লহকৰৰ অনুগ্ৰহত সেই সময়ৰ বিহাৰৰ মুখ্যমন্ত্ৰীয়ে বিহাৰৰ নাট্যদলসমূহৰ লগতে নটৰাজ থিয়েটাৰকো বিহাৰত নাট্য প্ৰদৰ্শনৰ বাবে আমোদ কৰৰ পৰা ৰেহাই দিয়ে। অসমতো পিছলৈ অচ্যুত লহকৰৰ অনুগ্ৰহত মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তৰ কাৰ্যকালত ভ্ৰাম্যমাণ থিয়েটাৰক আমোদ কৰৰ পৰা ৰেহাই দিছে যিটো এতিয়ালৈকে অব্যাহত আছে। নটৰাজ থিয়েটাৰৰ মঞ্চত পৰিৱেশন হোৱা উল্লেখনীয় নাটসমূহ হ'ল — সতী বেউলা, জেৰেঙাৰ সতী, বন্দিতা, ভোগজৰা, মনিৰাম দেৱান, চিৰাজ, চিপাহী বিদ্ৰোহ, শৰাগুড়ী চাপৰি, কাবুলীৱালা আদি। প্ৰযোজক অচ্যুত লহকৰে প্ৰত্যেকখন নাটকতেই বা প্ৰত্যেকটো নাট্যবৰ্ষতেই কিবা নহয় কিবা নতুনত্ব আনিবলৈ চেষ্টা কৰিছিল। সেইটো নাটকৰ কাৰিকৰী দিশেই হওক বা মঞ্চৰ লগত কৰা পৰীক্ষা-নিৰিক্ষা বা নাটকৰ বিষয়বস্তুও হ'ব পাৰে। লহকৰ ডাঙৰীয়া শাৰিৰীক অসুস্থতাৰ বাবে থিয়েটাৰ দলটো বন্ধ কৰিব লগা হ'ল। নটৰাজ থিয়েটাৰ নাট উপস্থাপন ব্যৱস্থা, থিয়েটাৰ স্কোপ ব্যৱস্থা, অলছোম বা ঘূৰণীয়া মঞ্চ, একেলগতে তিনিখন মঞ্চৰ প্ৰয়োগৰ জৰিয়তে বিৰামহীনৰূপে নাট প্ৰদৰ্শন ব্যৱস্থা আদিয়ে অসমীয়া ভ্ৰাম্যমাণ থিয়েটাৰ দলসমূহলৈ এক সুনিশ্চিত ভৱিষ্যৎ এৰি গ'ল। ২০১৬ চনত অসমীয়া ভ্ৰাম্যমাণ থিয়েটাৰৰ পিতামহ অচ্যুত লহকৰৰ পৰলোকপ্ৰাপ্তি ঘটে।

**২। সুৰদেৱী থিয়েটাৰ ঃ**

১৯৬৪চনত নলবাৰী জিলাৰ চামতাত ধৰণী বৰ্মনে এই থিয়েটাৰ দলটো গঠন কৰে। এই থিয়েটাৰ দলটোৱে মঞ্চৰ তিনি অংশ খোলা আৰু পিছৰ অংশ বন্ধ ৰখা ব্যৱস্থাৰে নাট মঞ্চস্থ কৰিছিল। যিটো আন দল সমূহেও অনুকৰণ কৰে। সুৰদেৱী থিয়েটাৰৰ প্ৰতিষ্ঠাপক ধৰণী বৰ্মণে সংগীত নাটক একাডেমী বঁটাৰে সমাদৃত লৈছিল।

**৩। মঞ্চৰূপা থিয়েটাৰ ঃ** ১৯৬৯ চনত পাঠশালাত আত্মপ্ৰকাশ কৰা এই থিয়েটাৰ পাৰ্টিয়ে টিকট বিক্ৰী ব্যৱস্থাৰ লগতে নাটক প্ৰদৰ্শনৰ বাবে দ্বৈত মঞ্চৰ প্ৰয়োগ কৰিছিল।

তেনেদৰে পূৰ্বজ্যোতি থিয়েটাৰ, মুন থিয়েটাৰ আদিয়ে থিয়েটাৰ জগতত দৰ্শকক মনোৰঞ্জন যোগাইছিল। কালক্ৰমে বিভিন্ন কাৰণবশতঃ এই থিয়েটাৰ দলসমূহ অসমীয়া নাট্যজগতৰ

পৰা মেলানি মাগিব লগা হ'ল। পুৰণা নাট্য দলসমূহৰ আদৰ্শৰে বৰ্তমান অসমীয়া ভ্ৰাম্যমাণ জগতত দৰ্শকক ভিন্নৰূপী নাটকৰ সোৱাদ দি অহা থিয়েটাৰ দলকেইটামান হ'ল —

**থিয়েটাৰ ভাগ্যদেৱী ঃ**

নলবাৰী জিলাৰ মৰোৱাত আৰম্ভ হোৱা এই থিয়েটাৰ দলটোৱে অহা ২০১৭-১৮ নাট্যবৰ্ষত সোণালী জয়ন্তী বৰ্ষত ভৰি দিব। প্ৰযোজক শৰৎ মজুমদাৰে ভাগ্যদেৱী নাট্য সমিতি নামে যাত্ৰা দল হিচাপে নাট্যযাত্ৰা আৰম্ভ কৰে। জন্মলগ্নৰে পৰা এই থিয়েটাৰ পাৰ্টিটোৱে নাটকৰ মানদণ্ডৰ ওপৰত গুৰুত্ব দি আহিছে। থিয়েটাৰ ভাগ্যদেৱীত প্ৰদৰ্শিত কেইখনমান উল্লেখনীয় নাটক হ'ল— জোন-বেলি, মইনামতি, চিৰাজ আদি। দক্ষিণ কামৰূপৰ শিংৰাত নাট প্ৰদৰ্শন হৈ থকা অৱস্থাতে ২০০২ চনৰ ২৮ ডিচেম্বৰত প্ৰযোজক শৰৎ মজুমদাৰৰ আকস্মিক বিয়োগ ঘটে। বৰ্তমান পুত্ৰ সুবোধ মজুমদাৰে অতি দক্ষতাৰে এই নাট্যদলটোৰ পুৰণি ধাৰা চলাই নিছে।

**কহিনুৰ থিয়েটাৰ ঃ**

প্ৰযোজকদ্বয় ৰতন লহকৰ আৰু কৃষ্ণ ৰয়ৰ প্ৰচেষ্টাত ১৯৭৬ চনত কহিনুৰ থিয়েটাৰে জন্ম পায়। নটৰাজ থিয়েটাৰৰ পিছতে কহিনুৰ থিয়েটাৰে দেশ-বিদেশলৈ অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ বাৰ্তা কঢ়িয়াই লৈ গৈছে। নটৰাজ থিয়েটাৰ, সুৰদেৱী থিয়েটাৰত অভিনেতা আৰু প্ৰযোজনাৰ অভিজ্ঞতাৰে পুষ্ট প্ৰযোজক ৰতন লহকৰে কহিনুৰৰ জৰিয়তে পুৰণি দৰ্শক চামৰ লগতে নতুন প্ৰজন্মকো ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰতি আকৃষ্ট কৰাত সক্ষম হৈছে। কহিনুৰৰ মঞ্চত প্ৰদৰ্শিত হোৱা নাট কেইখনমান হ'ল— তেজিমলা, মাটিৰ গাড়ী, শৰাগুড়ী চাপৰি, মহাভাৰত, ৰামায়ণ, ৰাণী ক্লিঅ'পেট্ৰা, ইলিয়াড-ওডিচি, ডাইনীৰ প্ৰেম, টাইটানিক, সাগৰলৈ বহু দূৰ, অনুৰাধাৰ দেশ আদি। কহিনুৰ থিয়েটাৰ কাৰিকৰী কুশলতা আৰু নাটকৰ বিষয়বস্তুৰ বাবে দৰ্শকৰ মাজত জনপ্ৰিয়। কহিনুৰৰ মঞ্চত প্ৰদৰ্শিত টাইটানিকে দেশ-বিদেশৰ দৰ্শক আৰু সংবাদ মাধ্যমকো আকৰ্ষিত কৰিছিল।

**আৱাহন থিয়েটাৰ ঃ**

কহিনুৰ থিয়েটাৰৰ প্ৰযোজক হিচাপে জড়িত হৈ থকাৰ পিছত কৃষ্ণ ৰয় ডাঙৰীয়াই ১৯৮০-৮১ নাট্যবৰ্ষৰ পৰা নাট্যযাত্ৰা আৰম্ভ কৰে। আৱাহনৰ মঞ্চৰ পৰা দৰ্শক সকলে এক সুকীয়া নাটকৰ সোৱাদ পাবলৈ সক্ষম হৈছে। বিশিষ্ট চলচ্চিত্ৰ পৰিচালক ড° ভবেন্দ্ৰ শইকীয়া দেৱৰ নাটক সমূহে পৰিচালক কৃষ্ণ ৰয়ৰ প্ৰযোজনাত অসমীয়া নাট্য জগতলৈ এক আপুৰুগীয়া ৰবঙণি আগবঢ়াই আনিছে। তেনে কেইখনমান নাটক হ'ল— মণিকূট, নীলকণ্ঠ, অন্ধকূপ, দীনবন্ধু, বৃন্দাবন আদি।

ভ্ৰাম্যমান থিয়েটাৰ জগতত হেঙুল থিয়েটাৰ, আশীৰ্বাদ থিয়েটাৰ ৰাজতিলক থিয়েটাৰ, বৃন্দাবন থিয়েটাৰ, ইতিহাস থিয়েটাৰ, আদি কেইবাটাও থিয়েটাৰ দলে অসমৰ নাট্য জগতৰ ভঁৰাল চহকী কৰিছে। তদুপৰি প্ৰতি নাট্যবৰ্ষতে নতুন নতুন থিয়েটাৰ দলে আত্মপ্ৰকাশ কৰি থিয়েটাৰ জগতলৈ আগবাঢ়ি আহিছে। অকল নাটকৰ ভঁৰালেই চহকী কৰা নাই, এই ভ্ৰাম্যমাণ থিয়েটাৰসমূহে কেইবা হাজাৰ নিবনুৱাক সংস্থাপন দিছে। থলুৱা লোকসকলে ভ্ৰাম্যমাণ থিয়েটাৰসমূহৰ লগত বিভিন্ন প্ৰকাৰে জড়িত হৈ উপাৰ্জনৰ মুখ দেখিছে। তদুপৰি ৰাস্তা-ঘাট, দলং, মেৰামতি, স্কুল-ঘৰ বনোৱা, স্কুল লাইব্ৰেৰী, টাউন হল, নামঘৰ, মছজিদ, বজাৰ ঘৰ, খেলপথাৰ, সাংস্কৃতিক সংঘ আদি অলেখ সামাজিক অনুষ্ঠান নিৰ্মাণৰ ক্ষেত্ৰত ভ্ৰাম্যমাণ থিয়েটাৰসমূহে আগ-ভাগ লৈছে।

ৰাজ্য চৰকাৰে ২০১০ চনতে ভ্ৰাম্যমাণ থিয়েটাৰসমূহক সাংস্কৃতিক উদ্যোগ হিচাপে স্বীকৃতি দিবলৈ Mobile Theatre Regulation Artists' Welfare Fund Act গৃহীত কৰিছে যদিও এই আইন খনৰ আজি পৰ্যন্ত প্ৰযোজ্য হোৱা নাই। যিহেতু অসমৰ অৰ্থনীতিত এই ভ্ৰাম্যমাণ থিয়েটাৰসমূহে এক সুকীয়া স্থান দখল কৰিছে চৰকাৰেও এই ক্ষেত্ৰত উচিত পদক্ষেপ ল'ব লাগে। ভ্ৰাম্যমাণ থিয়েটাৰ অনুষ্ঠানটো আৰু ইয়াৰ শিল্পী, কলা-কুশলীৰ প্ৰতি চৰকাৰৰো নিশ্চয় কৰণীয় বহুখিনি আছে।

> "স্বদেশ আৰু স্বজাতিৰ মঙ্গল মন্দিৰৰ সিংহদ্বাৰ মাতৃভাষা।"
>
> — সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা





# ... অৰণ্য মানৱ আৰু 'মলাই কাঁঠনি'

অমিত কুমাৰ ৰায়চৌধুৰী
সহকাৰী অধ্যাপক (শিক্ষা বিভাগ)

এনেতে এটা পদক হাতত উঠালো আৰু
ভালকৈ চাই দেখিলো
অশোক স্তম্ভ খোদিত
সেই পদকটি হ'ল
ৰাষ্ট্ৰপতিয়ে নিজ হাতে পিন্ধোৱা
'পদ্মশ্ৰী'ৰ পদক।

কিছু বছৰ আগত এটা ব্যক্তিগত অসমীয়া বাতৰি সম্প্ৰচাৰ কেন্দ্ৰত প্ৰচলিত এটা বাতৰিত অসমৰ এজন সহজ-সৰল প্ৰকৃতিক ভাল পোৱা মানুহক দেখিলো। বাতৰিটোৱে মোক বৰকৈ আকৰ্ষিত কৰিলে যেতিয়া গম পালো যে তেখেতে অকলে এখনি অৰণ্য সৃষ্টি কৰিছে যিখন এটা সময়ত এটা বৃহৎ বালিচৰ আছিল। সেই সময়তে ঠিৰাং কৰিছিলো যে এবাৰ হ'লেও জীৱনত এনে এক বিৰল ব্যক্তিত্বক লগ কৰিম। তাৰ পিছত তেখেতৰ বিষয়ে জানিবলৈ বৰকৈ মন গ'ল আৰু সেই মুহূৰ্তত মোৰ এটা সহজ লভ্য মাধ্যম আছিল ইণ্টাৰনেট। ইণ্টাৰনেটৰ জৰিয়তে তেখেতৰ বিষয়ে কিছু জানিলো আৰু তেওঁৰ গছ-গছনিৰ প্ৰতি তথা প্ৰকৃতি প্ৰেম দেখি কিছু সময়ৰ বাবে অবাক হৈ ৰ'লো। তেখেতক যেন সেই মুহূৰ্ততে লগ কৰিম আৰু মনত উদ্ভাৱন হোৱা আটাইবোৰ প্ৰশ্ন কৰিম তেনে লাগিল। ইণ্টাৰনেটতেই তেখেতৰ ঠিকনা বিচাৰিলো আৰু জানিব পাৰিলো এই মহান ব্যক্তিজন মোৰ গৌৰবোজ্জ্বল অসম দেশৰ যোৰহাট জিলাৰ কোকিলামুখ নামে ঠাইত বাস কৰে আৰু তাতেই আছে তেওঁৰ সেই অৰণ্যখন, যিখনত প্ৰতিজোপা গছ ইউনেস্ক'ৰ (UNESCO) প্ৰতিনিধি দলে পৰীক্ষা নিৰীক্ষা কৰি এজন মানুহৰেই প্ৰতিপালিত বুলি ঘোষণা কৰে আৰু লগে লগে এই ব্যক্তিজনে 'অৰণ্য মানৱ' বুলি খ্যাতি লাভ কৰে। তেখেতক এই উপাধি আনুষ্ঠানিক ভাৱে জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়ে ঘোষণা কৰে আৰু ২০১২ চনত ড° এ. পি .জে আব্দুল কালাম 'ছাৰ' এ তেখেতক এই সন্মান আগবঢ়ায়।

২০১৫ চনৰ পহিলা ভাগত গুৱাহাটীৰ এখন মহাবিদ্যালয়ৰ কিছু শিক্ষাৰ্থীক লৈ শিৱসাগৰলৈ গৈছিলো এক ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে। লগতে মনত হেঁপাহ আছিল যে তেখেতক ঘূৰি আহোতে লগ কৰি আহিম। কিন্তু দুৰ্ভাগ্যবশতঃ এই আশা পূৰ্ণ নহ'ল। সেই সময়তে ভাৰত ৰাষ্ট্ৰই তেখেতক সন্মানীয় পদ্মশ্ৰী উপাধি প্ৰদান কৰে। তাৰ কিছুমাহ পিছত কিবা কাৰণবশতঃ যোৰহাটত যাবলগীয়া হয় আৰু পুনৰ মনত আশাৰ সঞ্চাৰ হয়। সেই বুলি যোৰহাটৰ কামখিনি সমাপ্ত কৰি মই আৰু মোৰ পৰিবাৰো ওলালো কোকিলামুখলৈ। তাত অট'খন গৈ ৰখালে ব্ৰহ্মপুত্ৰৰ দাঁতিৰ 'ৰামকৃষ্ণ মিছন' আশ্ৰমৰ সন্মুখত। মই অ'টৰালাজনক অৰণ্যখন ক'ত বুলি সোধাত তেখেতে ক'লে যে অৰণ্যখনলৈ ফেৰীৰে যাব লাগিব আৰু তেতিয়া কোনো এখনো ফেৰি নাপালো। মনত বৰকৈ বেজাৰ লাগিল। মোৰ বেজাৰ দেখি অ'টৰালাজনে ক'লে যে তেওঁ হেনো 'অৰণ্য মানৱ'জনৰ ঘৰখন চিনি পায়। মইয়ো দেৰি নকৰি তেওঁক তালৈ লৈ যাব ক'লো। যিহেতু বৰ্তমান তেখেত ব্ৰহ্মপুত্ৰৰ পাৰতে বাস কৰে। তেখেতৰ ঘৰলৈ আগবাঢ়ি যোৱাৰ লগে লগে নিজৰ ওপৰত অসমীয়া চিনাকি দিবলৈ লাজ লাগিব ধৰিলে যিহেতু এনে এক বিৰল ব্যক্তিত্বৰ অধিকাৰী মানুহজনৰ ঘৰলৈ যোৱা বাটপথ ইমান জৰাজীৰ্ণ বুলি কল্পনা কৰা নাছিলো। অৱশেষত তেখেতৰ পদুলি মুখত অ'টোখন ৰ'ল। পদুলিমুখত কোনো বেচৰকাৰী অনুষ্ঠানে আৰি থোৱা নামৰ ফলক দেখিলো। তাত লিখা আছিল "অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েং" (ইংৰাজীত লিখা)।

তেখেতৰ ছাংঘৰৰ তলত এগৰাকী ভদ্ৰ মহিলায়ে তাঁত

বই আছিল। পদ্মশ্ৰী যাদৱ পায়েঙৰ পৰিবাৰ। তেখেতে ঘৰৰ ভিতৰত বহিবলৈ দিলে। তেতিয়া 'অৰণ্য মানৱ'জন ঘৰত নাছিল। মনটো পুনৰ বেয়া লাগিব লওঁতে কাণত তেখেতৰ পৰিবাৰে 'ফোন'ত কোৱা শুনিলো "আপুনি ক'ত আছে? ঘৰত আলহি আহিছে" ... এইষাৰ বাক্য শুনি আমি আবেগিক হৈ পৰিলো। কিয়নো চৰকাৰী খণ্ডৰ লগত বা অইন বহুতো ক্ষেত্ৰৰ লগত জড়িত নাম নোহোৱা কিছুমানেও আজিকালি আগতীয়া অনুমতি অবিহনে লগ নকৰে আৰু আমি আছিলো বিশ্ববিখ্যাত এজন ব্যক্তিৰ ঘৰত। তাৰ পিছত লাহে লাহে তেখেতৰ পৰিবাৰে পায়েঙদেৱে লাভ কৰা পুৰস্কাৰ সমূহ দেখুৱাবলৈ ধৰিলে। এনেতে এটা পদক হাতত উঠালো আৰু ভালকৈ চাই দেখিলো অশোক স্তম্ভ খোদিত সেই পদকটি হ'ল ৰাষ্ট্ৰপতিয়ে নিজ হাতে পিন্ধোৱা 'পদ্মশ্ৰী'ৰ পদক। এনেকুৱা এটা পদক চুই যেন মোৰ গাটো শিঁহৰি উঠিল। তাৰ মাজতে এটা কথা ক'বই লাগিব যিটো কথাই মোক আমনি দিছিল সেইটো হ'ল আমাৰ জাতিভেদ প্ৰথাৰ কাৰণে পায়েঙদেৱৰ পত্নীয়ে আমাৰ লগত একে শাৰীত বহিবলৈ কুণ্ঠাবোধ কৰিছিল। ধিক্ এই জাতিভেদ প্ৰথা আৰু ইয়াত বিশ্বাসীসকল। কিছুসময় পিছত এখন ছাইকেল লৈ পদ্মশ্ৰী যাদৱ পায়েং আহিল যিটো দেখি আৰু আঁচৰিত হ'লো কিয়নো এনে দৃশ্য ভাৰতবৰ্ষত বিৰল। তাৰ পিছত তেখেতৰ লগত কথা হ'লো। একেলগে বহি 'চাহ-ভুজিয়া' খালো; কিবা সপোন যেন লাগিছিল। বহু কথাৰ মাজত তেওঁ কৈছিল যে শিক্ষাৰ্থীসকলেই দেশৰ ভৱিষ্যত । গতিকে পিছলৈ যদি যাওঁ পাৰিলে শিক্ষাৰ্থী লগত নিব কৈছিল। ময়ো কথা দিলো। তাৰ পিছত তেওঁ বিদায় মাগি যাত্ৰা মেলিলে অৰণ্য বুলি তেওঁৰ নাওখনেৰে। পিন্ধনত আছিল এটা চোলা, এখনি মিচিং সম্প্ৰদায়ৰ গামোচা আৰু হাতত এখনি দা'।

তেওঁক লগ পোৱাৰ আনন্দ বুকুত বান্ধি আৰু আগলৈ তেওঁৰ অৰণ্য দৰ্শন কৰাৰ হেঁপাহ বুকুত বান্ধি আমি ঢাপলি মেলিলো গুৱাহাটীলৈ বুলি।

তেওঁ শিক্ষাৰ্থীৰ প্ৰতি ৰখা বিশ্বাসক সন্মান জনাই ভাবিলো যে আগন্তুক ঠাণ্ডাৰ বন্ধত তেখেতৰ অৰণ্যলৈ কিছু শিক্ষাৰ্থী লৈ ক্ষেত্ৰ ভিত্তিক অধ্যয়ন কৰিব লাগিব। মোৰ এটা সৌভাগ্য যে মই এখন মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক লগতে এটা বেচৰকাৰী সামাজিক অনুষ্ঠানৰ প্ৰতিষ্ঠাপক সভাপতি। 'অসমীয়াই কাম নকৰে' বুলি প্ৰায়ে শুনা কথাবাৰিয়ে মোক বৰকৈ আমনি দিছিল যিহেতু মইয়ো এজন অসমীয়া আৰু মই কামত অৱহেলা নকৰো। অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত



সেয়েহে এক অনুষ্ঠানে জন্ম লাভ কৰিছিল যাৰ উদ্দেশ্য হ'ল - "অসমীয়াক অসমখন পৰিচিত কৰি দিয়া যাতে বাহিৰলৈ গৈ ভালদৰে অসমখনক প্ৰতিনিধিত্ব কৰিব পাৰে আৰু কাম কৰা অসমীয়াসকলক এক লগ কৰি দেশৰ হেৰুৱাবলৈ ধৰা অস্তিত্ব অক্ষুন্ন ৰাখে।" ক্ষেত্ৰভিত্তিক অধ্যয়নত যিহেতু এটা অনুষ্ঠানৰ প্ৰয়োজন গতিকে আমি আমাৰ অনুষ্ঠানৰ জৰিয়তে এই অধ্যয়নৰ নেতৃত্ব ললো আৰু মই কৰ্মৰত দিশপুৰ মহাবিদ্যালয়ত থকা শিক্ষাৰ্থী তথা সদস্যাখিনিক কথাটো অৱগত কৰালো। তাৰে মাজৰ বহুতে নিজৰ মত প্ৰকাশ কৰিও বিভিন্ন অসুবিধাৰ বাবে যাব নোৱাৰিলে আৰু অৱশেষত মুঠ এঘাৰজন সদস্য ওলালো ক্ষেত্ৰভিত্তিক অধ্যয়নলৈ। সম্পূৰ্ণ কালছোৱা আছিল ২৪ ডিচেম্বৰ, ২০১৬ ৰ পৰা ২৭ ডিচেম্বৰ, ২০১৬ লৈ।

২৪ ডিচেম্বৰ, ২০১৬ ৰ ৰাতিপুৱা ৮ বজাত আমাৰ যাত্ৰা আৰম্ভ হয় খানাপানাৰ পৰা যোৰহাট অভিমুখে। যোৰহাট পাওঁ বিয়লি ২ বজাত। তাৰ পৰা নিমাটিঘাটলৈ গ'লো আৰু তাৰ পৰা ফেৰীৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ কমলাবাৰীত নামিলো আৰু ৰাতিটো মাজুলীৰ ফুটুকী গাঁৱৰ এখন 'ৰিজৰ্ট'ত কটোৱাৰ পিছত ২৫ ডিচেম্বৰ তাৰিখে আমি আউনিআটী, কমলাবাৰী, দক্ষিণপাট, গড়মূৰ, চামুগুৰি আদিকে ধৰি কিছু সত্ৰ ভ্ৰমণ কৰো আৰু নিশাটি মাজুলীতে কটোৱাৰ পিছত পিছদিনা অৰ্থাৎ ২৬ ডিচেম্বৰৰ ৰাতিপুৱা ৮ বজাৰ ফেৰীৰে কমলাবাৰীৰ পৰা নিমাটিঘাট অভিমুখে যাত্ৰা কৰো। ১০ মান বজাত নিমাটিঘাট পাওঁ আৰু তাতেই লঘু আহাৰ গ্ৰহণ কৰি 'টেম্প'ৰে কোকিলামুখলৈ গতি কৰো।





কোকিলামুখ পালো! তাৰ এজন স্থানীয় ব্যক্তিয়ে (দলৈ দা) আমাক পথ প্ৰদৰ্শন কৰি আগুৱাই লৈ যায় সেই বিখ্যাত মানৱ সৃষ্ট অৰণ্যখনিলৈ। যাৰ নাম "মলাই কাঁঠনি"। 'মলাই' হ'ল পদ্মশ্ৰী যাদৱ পায়েঙৰ স্থানীয় নাম আৰু সেই নামেৰেই অৰণ্যখন জনাজাত। ব্ৰহ্মপুত্ৰ পাৰ হৈ ৩ কি.মি. মান খোজ কাঢ়ি আমি উপস্থিত হৈছিলো পায়েঙদেৱৰ খুঁটিত। তাত তেওঁক লগ পাই আমি নথৈ আনন্দিত হৈছিলো আৰু পলম নকৰি মত বিনিময় আৰম্ভ কৰিলো। তাৰ লগে লগে তেখেতৰ লগতে আমি গতি কৰিলো অৰণ্যখনিৰ মাজেৰে। তেওঁ কোৱা প্ৰতিটো শব্দই এক নতুন জ্ঞান তথা উৎসাহ প্ৰদান কৰিছিল। তেওঁৰ এটা উক্তিয়ে মনত চাপ বহুৱাই গ'ল- "যিয়েই প্ৰকৃতিক ভাল পাব শিকিব সিয়ে এই পৃথিৱীক ভাল পাব শিকিব; যিয়ে পৃথিৱীক ভাল পাব শিকিব সিয়ে সমগ্ৰ প্ৰাণীজগতক ভাল পাব শিকিব।"

যাত্ৰাৰ অন্তত আমি স্মৃতি স্বৰূপে কিছু মুহূৰ্ত কেমেৰাত বন্দী কৰি তেখেতৰ সৃষ্টি, কথা আৰু আদৰ্শক সুঁৱৰি যোৰহাটলৈ ঢাপলি মেলিলো আৰু নিশাটি যোৰহাট চহৰৰ এখন 'হোটেল'ত কটাই পিছদিনাখন ৰাতিপুৱা ঘৰমুৱা হ'লো। এই শুভতনি যাত্ৰাত আমাৰ প্ৰতিজনৰেই এক উপলব্ধি হৈছিল যেন এই যাত্ৰাই আমাক এক নতুন পথৰ পিনে আগুৱাই যাবলৈ অনুপ্ৰাণিত কৰিলে। এনে এক বিৰল অভিজ্ঞতা প্ৰদানৰ বাবে আমি 'অভ্যুথানম্ - দ্য ৰাইজিং'ৰ সমূহ সদস্য তেওঁৰ ওচৰত কৃতজ্ঞ হৈ থাকিম আৰু তেওঁৰ প্ৰকৃতি প্ৰেম বিশ্বজনীন কৰাৰ বাবে দৃঢ়তাৰে আগবাঢ়িম।

অৱশেষত পায়েং দেৱৰ লগত জড়িত কিছু তথ্যৰাজিৰে এই লিখনিৰ সমাপ্তি কৰিব ওলাইছো। যিয়ে বহুতৰে মনত এক নতুন চিন্তাৰ সঞ্চাৰ কৰিব বুলি মই লগতে 'অভ্যুথানম্' পৰিয়াল আশাবাদী।

পদ্মশ্ৰী যাদৱ পায়েঙৰ-

- ২৩ বছৰৰ অবিৰত বৃক্ষ ৰোপণত প্ৰাণ পাই উঠা একক মানৱ সৃষ্ট অভয়াৰণ্য 'মলাই কাঁঠনি'।
- 'মলাই কাঁঠনি' আমেৰিকাৰ 'চেণ্ট্ৰেল পাৰ্ক'তকৈও ডাঙৰ।
- "অৰণ্য মানৱ" উপাধি লাভ কৰে ২০১২ চনত।
- পদ্মশ্ৰী উপাধি লাভ কৰে ২০১৫ চনত।
- অৰণ্য খনত ১০০ ৰ ওপৰত হাতীৰ জাক তথা ৫ টা



ঢেকীয়াপটীয়া বাঘ আছে। লগতে হৰিণা আৰু অন্যান্য জীৱ জন্তু।
- ৩ টা গড় (পিছত সুৰক্ষাৰ স্বাৰ্থত কাজিৰঙালৈ প্ৰেৰণ কৰা হয়)।
- বিভিন্ন দেশ বিদেশৰ অনুষ্ঠানত মুখ্য বক্তা হিচাপে নিমন্ত্ৰিত।
- টাইৱানত নিমন্ত্ৰণ কালছোৱাত তেখেতৰ জীৱনৰ ওপৰত চীন দেশে গ্ৰন্থ প্ৰকাশ আৰু উন্মোচন কৰে।
- পায়েং দেৱৰ ওপৰত ফ্ৰান্স দেশৰ দুজন যুৱকে নিৰ্মাণ কৰি উলিওৱা তথ্য চিত্ৰই 'কান্ চলচিত্ৰ মহোৎসৱ'ত বিভিন্ন শাখাত চাৰিটাকৈ পুৰস্কাৰ লাভ কৰে।
- ২০১৫ চনৰ ৰিঅ' অলিম্পিকৰ আৰম্ভণি অনুষ্ঠানত প্ৰথম ২ মিনিট তেখেতৰ কৰ্মৰাজি সম্প্ৰচাৰিত হয়।
- এনে এক বিশ্ববিখ্যাত ব্যক্তি বহুতো অসমীয়া তথা ভাৰতবাসীৰ বাবে অজ্ঞাত।

অৱশেষত তেখেতৰ কথাৰে সামৰণি মাৰিব ওলাইছো। পায়েং দায়ে আমাক কৈছিল আন বহুতক কোৱাৰ দৰে-

"গছৰ কাৰণেই মোৰ চিনাকি। জীয়াই থকা পৰ্যন্ত গছেই কম আৰু..."।

*"পৰাধীন মানুহৰ মান ক'ত? খণ্ডাল জনৰ সুখ ক'ত?"*
— চাণক্য

# সামাজিক বিকাশত মহিলা শিক্ষাৰ ভূমিকা

সীমা বৰ্মণ
ষষ্ঠ ষাণ্মাসিক (শিক্ষা বিভাগ)

> সু-শিক্ষাই মানুহক পশুত্বৰ পৰা দেৱত্বৰ শাৰীলৈ উত্তীৰ্ণ কৰে। অন্ধৰ লাখুটি স্বৰূপ শিক্ষা সেয়ে পুৰুষ নাৰী নিৰ্বিশেষে সকলোৰে বাবে ই অতি আৱশ্যকীয়।

বিকাশ হৈছে অবিৰাম আৰু অবিচ্ছিন্ন ভাৱে সংঘটিত হোৱা এক গঠন প্ৰক্ৰিয়া। ব্যক্তিয়ে নিজে ধৰিব আৰু ক'ব নোৱাৰাকৈয়ে এনে প্ৰক্ৰিয়া সংঘটিত হয়। জীৱই পৰিৱেশত কৰা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ পৰিণতিয়েই হৈছে বিকাশ।

বিকাশ শব্দৰ অৰ্থ বহল আৰু গুণগতভাৱে অৰ্থসূচক। পৰিৱেশৰ এক সামূহিক আৰু গুণগত প্ৰভাৱ আমাৰ দৈহিক বৃদ্ধিত পৰে আৰু ইয়াৰ ফলত দেহ-মানসিক বিকাশ সম্ভৱ হৈ উঠে। ব্যক্তিয়ে দৈহিক আৰু জৈৱিক অস্তিত্বৰে জন্মগ্ৰহণ কৰে। এই অস্তিত্বৰ ওপৰত পৰিৱেশৰ অনুকূল প্ৰতিকূল ভাৱে এক নিশ্চিত প্ৰভাৱ পৰে। এই প্ৰভাৱে ব্যক্তিৰ বিকাশ সম্ভৱ কৰি তোলে। পৰিৱেশত আমাৰ জৈৱিক অস্তিত্বৰে কৰা প্ৰতিক্ৰিয়াৰ পৰিণতি স্বৰূপেই বিকাশ লাভ হৈ উঠে। এই বিকাশ দৈহিক মানসিক, আৱেগিক আৰু সামাজিক দিশত সংঘটিত হয়। সেয়েহে বিকাশ হৈছে এক সামগ্ৰিক ৰূপত সাধিত হোৱা পৰিবৰ্তনীয় পৰিস্থিতি। এই বিকাশ প্ৰক্ৰিয়া ব্যক্তি এজনৰ সমগ্ৰ জীৱন জুৰি গুণগত ৰূপত চলি থাকে।

মনোবিজ্ঞানী এলিজাবেথ বি. হাৰল'কে (Elizabeth B. Hurlock) কৈছে, "বিকাশ বুলিলে উন্নয়নশীলভাৱে হোৱা এনানি পৰিবৰ্তনক বুজায়, যি দেহৰ পৈণতা প্ৰাপ্তিৰ আৰু অভিজ্ঞতাৰ ফলস্বৰূপে শৃংখলাবদ্ধ আৰু পূৰ্ব অনুমানমূলকভাৱে সংঘটিত হয়'।"

সামাজিক বিকাশ বা সামাজিকৰণ হৈছে এনে এক প্ৰক্ৰিয়া যিটো শৈশৱ কালৰ পৰা আৰম্ভ কৰা হয় আৰু এই প্ৰক্ৰিয়া এজন ব্যক্তিৰ গোটেই জীৱনজুৰি চলি থাকে। সামাজিক বিকাশ সম্ভৱ হ'বৰ বাবে এজন ব্যক্তিক এক উপযুক্ত সামাজিক পৰিৱেশৰ প্ৰয়োজন হয়। ব্যক্তিসকলৰ সামাজিক দিশৰ বিকাশ হ'বলৈ হ'লে সমাজ লাগিবই। অন্য জীৱ-জন্তুবোৰৰ লগত মানুহ বা ব্যক্তিৰ মিল নাই কাৰণ মানুহে সমাজ পাতি বসবাস কৰে। লগতে সামাজিক পৰিৱেশৰ দ্বাৰা প্ৰভাৱান্বিত হৈ নিজকে বিকাশ কৰাত সহায় কৰে। সামাজিক বিকাশ বা সামাজিকৰণ প্ৰক্ৰিয়াই এজন ব্যক্তিক সামাজিক গুণবোৰ বা দক্ষতাবোৰ আয়ত্বকৰণত বিশেষভাৱে সহায় কৰে। সামাজিক বিকাশৰ জৰিয়তে ব্যক্তিৰ সামাজিক দক্ষতা বৃদ্ধি পায় লগতে তেওঁ ইয়াৰ জৰিয়তে নিজৰ আবেগ সংশোধন কৰি লব পাৰে। সামাজিক বিকাশৰ জৰিয়তে এজন ব্যক্তিয়ে প্ৰয়োজনীয় জ্ঞান আদি আয়ত্ব কৰে। এই জ্ঞানে তেওঁক সমাজত যোগ্য ব্যক্তি হিচাপে চিহ্নিত কৰে আৰু ইয়াৰ দ্বাৰা তেওঁ নিজকে সামাজিক পৰিৱেশত সমাযোজন কৰিবলৈ সমৰ্থ হয় বা সামাজিকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা ব্যক্তিসকল বা সমাজৰ লগত সমাযোজন কৰি খাপ খুৱাই লোৱা হয়।

মানুহ সামাজিক জীৱ। তেওঁলোকে তেওঁলোকৰ প্ৰকৃতি, সাংস্কৃতিক, সামাজিক ধাৰণা আহৰণ কৰে সমাজৰ পৰা আৰু এইদৰে তেওঁলোকে সামাজিক প্ৰক্ৰিয়াত অনুগত হৈ প্ৰকৃতিৰ অন্যান্য জীৱতকৈও শ্ৰেষ্ঠ জীৱ হিচাবে পৰিগণিত হৈ পৰে। সামাজিক বিকাশ বা সামাজিকৰণ প্ৰক্ৰিয়াই তেওঁলোকৰ ব্যক্তিত্বৰ সমতা স্থাপন কৰে, কাৰণ ব্যক্তিত্বৰ মাধ্যমেৰে শিশু সকলে জ্ঞান লাভ কৰে, সমাজৰ প্ৰতি আগ্ৰহান্বিত হয় আৰু আনৰ প্ৰতি দায়িত্ব উপলব্ধি কৰে। সামাজিক প্ৰক্ৰিয়াই তেওঁৰ বিকাশত সহায় কৰাৰ উপৰিও সামাজিক অনুভূতি, সামাজিক সমন্বয় স্থাপন কৰাৰ জ্ঞান লাভ কৰে। সামাজিক বিকাশ অবিহনে আমি এজন ব্যক্তিক সুস্থ ব্যক্তিৰ অধিকাৰী আখ্যা দিব নোৱাৰো। ব্যক্তিয়ে সমাজৰ অন্যান্য লোকৰ আৰু পৰিস্থিতিৰ লগত সুস্থ ভাৱে সামাজিক সম্বন্ধ স্থাপন আৰু এই দিশত পৈণতা লাভ কৰণৰ কাৰ্যকেই চমুকৈ সামাজিক বিকাশ লাভ কৰা বুলি ক'ব পাৰি। সামাজিক বিকাশ হৈছে ব্যাপক অৰ্থৰ এবিধ শিক্ষা আৰু অভিজ্ঞতা যাৰ দ্বাৰা ব্যক্তিয়ে সমাজৰ বিভিন্ন ব্যক্তি আৰু





পৰিস্থিতিৰ প্ৰতি উপযুক্তভাৱে প্ৰতিক্ৰিয়া কৰি নিজকে সুস্থভাৱে সমাযোজন কৰি ল'ব পাৰে। এই সমাযোজন প্ৰক্ৰিয়া এজন ব্যক্তিৰ পৰাই আৰম্ভ হয়।

বিখ্যাত শিক্ষাবিদ মেকেইভাৰে সামাজিকৰণৰ সংজ্ঞা প্ৰদান কৰি এনেদৰে কৈছে- যে "সামাজিককৰণ এনে এটা প্ৰক্ৰিয়া যাৰ জৰিয়তে সামাজিক জীৱই পৰস্পৰে পৰস্পৰৰ লগত, অধিক ব্যাপক আৰু গভীৰ সম্বন্ধ স্থাপন কৰে, যাৰ জৰিয়তে তেওঁলোকৰ মাজৰ বান্ধোন আৰু নিৰ্ভৰশীলতা বৃদ্ধি পায় যাৰ জৰিয়তে আনৰ প্ৰতি দায়বদ্ধতা আৰু দায়িত্ববোধ গঢ়ি উঠে, যাৰ জৰিয়তে তেওঁলোকৰ নিজৰ আৰু ব্যক্তিৰ প্ৰতি অধিক সচেতন হয় আৰু যাৰ সহায়ত ঘনিষ্ঠ আৰু দূৰ সম্পৰ্কৰ এক যুটীয়া গাঠনি গঢ় লৈ উঠে।"

শিক্ষাই মনৰ অজ্ঞানতা দূৰ কৰি বৌদ্ধিক দিগন্ত মুকলি কৰে। জগতৰ সৰ্বতোপ্ৰকাৰে মংগলৰ বাবে নিজকে যোগ্যবান কৰি তোলাৰ একমাত্ৰ মাধ্যম হ'ল শিক্ষা। সু-শিক্ষাই মানুহক পশুত্বৰ পৰা দেৱত্বৰ শাৰীলৈ উত্তীৰ্ণ কৰে। অন্ধৰ লাখুটি স্বৰূপ শিক্ষা সেয়ে পুৰুষ নাৰী নিৰ্বিশেষে সকলোৰে বাবে অতি আৱশ্যকীয়।

নেপোলিয়ন বোনাপাৰ্টে কৈছিল- "Give me some good mothers, I shall give you a good nation" এই কথাষাৰিৰ জৰিয়তে বৰ্তমান সমাজত নাৰী এগৰাকীৰ গুৰুত্ব কিমান তাক অনুমান কৰিব পাৰি। পুৰুষ আৰু মহিলাক লৈয়ে এখন সমাজৰ সৃষ্টি হয়। পুৰুষৰ সৈতে মহিলাসকলৰ শিক্ষা, শক্তি, সামাজিক অৱস্থান (Status) আদি সমানেই উন্নত নহ'লে সেইখন সমাজ শিক্ষা, স্বাস্থ্য আৰু আৰ্থিক দিশত অনুন্নত হৈ থাকিবলৈ বাধ্য। সমাজ এখন পৰিবৰ্তনৰ ক্ষেত্ৰত নাইবা ঘৰ এখন সুশৃংখল কৰাৰ ক্ষেত্ৰত নাৰী এগৰাকীৰ ভূমিকা অপৰিসীম। শিক্ষিত নাৰী আৰু পুৰুষৰ উমৈহতীয়া প্ৰচেষ্টাতহে একোটি সুস্থ পৰিয়াল পৰিয়ালৰ পৰা সমাজ, সমাজৰ পৰা দেশ গঠন হোৱাটো সম্ভৱ। এখন দেশৰ নাৰীসকল শিক্ষিতা হলেহে দেশৰ সৰ্বাঙ্গীন উন্নতি হ'ব। কিয়নো এগৰাকী নাৰী মাতৃ হোৱাৰ লগতে সন্তানৰ প্ৰথম শিক্ষাদাত্ৰীও। মাতৃগৰকী শিক্ষিতা নহ'লে সন্তানক সুপথেৰে পৰিচালনা কৰিবলৈ অসমৰ্থ হ'ব। নাৰীয়ে পৰিয়ালৰ সকলোৰে বাবে পুষ্টিকৰ পৰিৱেশ সৃষ্টি কৰা, আওপুৰণি কু-সংস্কাৰৰ পৰা মুক্ত হোৱা, ৰোগৰ প্ৰতিষেধক ব্যৱস্থা লোৱা শিশুক স্বাস্থ্য সম্বন্ধে শিক্ষা দিয়াৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। তদুপৰি নিয়মীয়াকৈ শিশুক বিদ্যালয়লৈ পঠোৱা, পুষ্টিকৰ আহাৰ যোগান ধৰা, ঘৰৰ অনুশীলনৰ বাবে প্ৰয়োজনীয় সা-সুবিধা প্ৰদান কৰা এই সকলো কাম এগৰাকী দায়িত্বশীল মাতৃৰ দ্বাৰাহে নিয়াৰিকৈ কৰা সম্ভৱ। সেয়েহে মহিলাসকল শিক্ষিত হ'লেহে শিশুসকল শিক্ষিত হ'ব আৰু তেতিয়াহে দেশৰ পৰা নিৰক্ষৰতা দূৰ হ'ব।

সমাজৰ বিকাশৰ ক্ষেত্ৰত মহিলাসকলৰ ভূমিকা অপৰিসীম। কিন্তু ভাৰতবৰ্ষ তথা অসমৰ গ্ৰামাঞ্চল আৰু অনুন্নত অঞ্চলত এতিয়াও নাৰী শিক্ষাৰ প্ৰয়োজনীয়তা, গুৰুত্ব উপলব্ধ হোৱা নাই। নাৰী শিক্ষাৰ জাগৰণ অবিহনে সমাজ তথা দেশৰ প্ৰগতি অসম্ভৱ। আজিৰ কন্যা কাইলৈ দেশৰ ভৱিষ্যৎ প্ৰজন্মৰ জননী। অন্ধ বিশ্বাস, আওপুৰণি কু-সংস্কাৰৰ পৰা পৰিয়ালৰ সকলো সদস্যক মুক্ত কৰা, পৰিৱেশ সচেতনতা আদি সমাজৰ ইতিবাচক দিশবোৰ এগৰাকী শিক্ষিতা মহিলা তথা গৃহিণীয়েহে পৰিচালনা কৰিব পাৰে। বৰ্তমান অত্যাধুনিক সমাজ ব্যৱস্থাত এতিয়াও মহিলাৰ বিৰুদ্ধে বাল্য বিবাহৰ দৰে কু-প্ৰথা, যৌতুক প্ৰথা, পৰ্দাপ্ৰথা, ডাইনী সজাই হত্যা কৰা, শিশু কন্যা ভ্ৰূণ হত্যা আদি বিভিন্ন কু-সংস্কাৰৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। কাৰণ সমাজ খন শিক্ষিত বা শিক্ষাৰ পোহৰেৰে আলোকিত হৈছে যদিও এতিয়াও স্ত্ৰী-শিক্ষাৰ প্ৰতি উদাসীনতা আৰু অতীতদৰ্শী মনোভাব দেখা যায়। গতিকে সমাজৰ পৰা এই সমূহ কু-সংস্কাৰ দূৰ কৰিবলৈ হ'লে মহিলা সকলক শিক্ষিত কৰিব লাগিব। নাৰী সকলৰ স্ব আৰ্জিত শিক্ষাৰ জৰিয়তে মহিলা সকলে দেশৰ অৰ্থনৈতিক ৰাজনৈতিক শিল্প বাণিজ্য আদি দিশত মনোনিৱেশ কৰিলে অৰ্থনৈতিক স্থিতি সবল হোৱাৰ লগতে সমাজৰো স্থিতি সবল হোৱাৰ লগতে সমাজৰো উন্নতি হ'ব অৰ্থাৎ নাৰী শিক্ষাৰ প্ৰসাৰেহে সমাজলৈ পৰিবৰ্তন আনিব।

স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰুৱে কৈছিল, "এজন ল'ৰাক শিক্ষা দিয়া মানে এজন পুৰুষক শিক্ষিত কৰি তোলা, কিন্তু এজনী ছোৱালীক শিক্ষা দিয়া মানে এটা পৰিয়ালক শিক্ষিত কৰি তোলা।"

সহায়ক গ্ৰন্থ ঃ
১। দাস ড° পাৰুল তালুকদাৰ, ড° বীণপাণি, দাস বিনীতা, দেৱী বিনীতা, মলাকাৰ বিমল ঃ উদীয়মান শিক্ষা প্ৰবাহ, সূৰ্য্য প্ৰকাশ, গুৱাহাটী-১
২। বৰুৱা, যতীন ঃ শিক্ষা, অৰুণ প্ৰকাশন, গুৱাহাটী-১
৩। ডেকা, ড° বীৰেন্দ্ৰ ঃ শিক্ষা সমাজ বিজ্ঞান, অশোক বুক ষ্টল, পানবজাৰ, গুৱাহাটী-১

# উত্তৰ গুৱাহাটীৰ ঐতিহ্যমণ্ডিত দেৱালয় সমূহ

জয়িতা দাস
পঞ্চম যান্মাসিক (অসমীয়া)

উত্তৰ গুৱাহাটীখন গুৱাহাটীৰ দক্ষিণে অৱস্থিত। উত্তৰ গুৱাহাটীখন বেছিকৈ মঠ মন্দিৰেৰে জনাজাত। ঐতিহ্যমণ্ডিত দেৱালয়ৰ ভিতৰত মণিকৰ্ণেশ্বৰ দেৱালয়, অশ্বক্রান্ত দেৱালয়, দীৰ্ঘেশ্বৰী দেৱালয় আৰু ৰুদ্রেশ্বৰ দেৱালয় এই চাৰিখন দেৱালয় উত্তৰ গুৱাহাটীত অৱস্থিত।

**অশ্বক্রান্ত দেৱালয় ঃ**

অশ্বক্রান্ত দেৱালয় অসম তথা ভাৰতৰ এখন ঐতিহাসিক তীৰ্থস্থান। উত্তৰ গুৱাহাটী নগৰৰ দক্ষিণ পশ্চিমফালে জনাৰ্দন নামৰ পাহাৰখনত দেৱালয়টো অৱস্থিত। গুৱাহাটীৰ পৰা যন্ত্রচালিত নাও বা ফেৰীৰে এই দেৱালয়লৈ অহা যোৱা কৰিব পাৰি। প্রতিদিনে বিভিন্ন তীৰ্থযাত্রী ইয়ালৈ আহে। অশ্বক্রান্ত মন্দিৰত দুটা মন্দিৰ আছে। এটা কূৰ্ম জনাৰ্দন আৰু আনটো অনন্তশায়ী নাৰায়ণ মন্দিৰ। কূৰ্ম জনাৰ্দন মন্দিৰটো দৰ্ভী ৰজাৰ ৰাজত্বকালত আৰু নাৰায়ণ মন্দিৰটো আহোম ৰজা শিৱসিংহৰ দিনতে সজোৱা। দেৱালয়ত জন্মাষ্টমী, অশোকাষ্টমী, দৌলযাত্রা আদি পূৰ্বৰ নীতি অনুসাৰে পালন কৰা হয়। এই দেৱালয়ত অন্নপ্রাসন, চূড়াকৰণ, উপনয়ন, বিবাহ আদি কৰ্মৰাজি কৰা হয়।

অশ্বক্রান্ত দেৱালয়ৰ প্রাকৃতিক পৰিবেশ অতি মনোৰম। দুয়োটা মন্দিৰ শিলেৰে নিৰ্মিত আৰু ভাস্কৰ্যৰ এক অপূৰ্ব নিদৰ্শন। শিলৰ ওপৰত ঘোঁৰাৰ খোজ এতিয়াও দেখিবলৈ পোৱা যায়। পদচিহ্ন হোৱা হেতুকে ইয়াক বিষ্ণুপ্রসাদ বোলে। আনহাতে অনন্তশায়ী মন্দিৰটো পাহাৰৰ ওপৰত অৱস্থিত। আহোমৰজা শিৱসিংহই ১৭৪১-১৭৪৪ চনত এই মন্দিৰটো সজাইছিল। মন্দিৰৰ আশে-পাশে থকা ভাস্কৰ্যৰ নিদৰ্শনবোৰে প্রাক আহোম যুগৰ ইঙ্গিত দিয়ে। অনন্তশায়ী নাৰায়ণ মন্দিৰটো প্রায় ১৫০ ছেঃমি ওখ আৰু এটা ডাঙৰ শিল খোদিত কৰা হেতুকে ভাস্কৰ্যৰ সুন্দৰ নিদৰ্শন।

কাহিনী সম্বন্ধে তিনিটা মত পোৱা যায়। দেৱালয়ৰ বৈশিষ্ট আৰু গুৰুত্ব সম্পৰ্কে যৌগিনীতন্ত্রত উল্লেখ আছে। প্রাগজ্যোতিষপুৰৰ প্রবল প্রতাপী ৰজা নৰকাসুৰৰ অত্যাচাৰৰ পৰা প্রজা ৰ্ক্ষা কৰা হেতুকে দ্বাৰকাধিপতি শ্রীকৃষ্ণ ঘোঁৰাৰ ৰথত আহি নৰকাসুৰৰ লগত যুদ্ধত অৱতীৰ্ণ হৈছিল। ৰথৰ ঘোঁৰ ইয়াত জিৰণি লোৱা হেতুকে ঠাইডোখৰৰ নাম অশ্বক্রান্ত হ'ল।

দ্বিতীয় প্রবাদমতে বিদৰ্ভৰাজ ভীষ্মৰ জীয়ৰী ৰুক্মিণীদেৱীক শ্রীকৃষ্ণই বিয়া কৰাই দ্বাৰকাভিমুখে যাত্রা কৰোতে সেইখন পাহাৰতে ক্ষন্তেক জিৰণি লৈছিল। ৰথৰ ঘোঁৰা ক্লান্ত হৈ জিৰণি লোৱা বাবে অশ্বক্রান্ত হ'ল। শেষত তৃতীয় প্রবাদমতে কুৰুক্ষেত্র যুদ্ধৰ সময়ৰ অভিমন্যুক বধ কৰাৰ উদ্দেশ্য সখা শ্রীকৃষ্ণই বুদ্ধি কৰি অৰ্জুনক পুৰণি কামৰূপ ৰাজ্যৰফালে আনিছিল। বহুদূৰ অহাৰ পাছত ভাগৰ লগাত তেওঁলোকৰ ৰথৰ ঘোঁৰা সেই ঠাইডোখৰতে জিৰণি লৈছিল। সেয়েহে নাম অশ্বক্রান্ত হ'ল।

অশ্বক্রান্ত দেৱালয়ত অশোকাষ্টমী পৰ্ব বিশেষ উলহ- মালহেৰে পালন কৰা হয়। চ'ত মাহৰ শুক্লপক্ষৰ অষ্টমী তিথিত এই পৰ্ব পালন কৰা হয়। সেইদিনা পবিত্র গংগাৰ পানী ব্রহ্মপুত্রত লীন হৈ যায়। যাত্রীসকলে সেইদিনা গয়াতীৰ্থত পিতৃপুৰুষৰ নামত পিণ্ড দান, অস্থিক্ষেপণ আদি কৰিবলৈ আহে। দেৱালয়ৰ আশে পাশে এখন ডাঙৰ মেলা বহে। এই মেলাত বিভিন্ন সামগ্রীৰ বেচা-কিনা কৰা হয়। অগণন মানুহৰ সমাগম ইয়াত পৰিলক্ষিত হয়।

**মণিকৰ্ণেশ্বৰ দেৱালয় ঃ**

প্রাগজ্যোতিষপুৰৰ পঞ্চতীৰ্থ হিচাপে খ্যাত নীলাচল কামাখ্যা, উমাচলৰ উমানন্দ, পূৰ্বদিশত থকা মণিশৈল পাহাৰৰ মণিকৰ্ণেশ্বৰ দেৱালয় উত্তৰ গুৱাহাটীৰ উত্তৰে অৱস্থিত অৰ্থাৎ উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত অৱস্থিত। ইয়াৰ প্রাকৃতিক সৌন্দৰ্য অতি মনোমোহা। ইয়াত প্রতিদিনে অগণন ভক্তৰ ভিৰ পৰিলক্ষিত হয়।

ইটাৰে নিৰ্মিত এই মন্দিৰটো আহোম ৰজা স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ (১৭০১-১৭৬৯ চন)ৰ দিনত ১৭৫৫ চনত তাৰাসদৃশ শিলৰ মূল ভেটিৰ ওপৰত নিৰ্মাণ কৰা হৈছিল। এই শিলৰ ফলি দশম একাদশ শতিকাৰ।

কালিকাপুৰাণ মতে স্বৰ্গ, মৰ্ত্য, পাতালৰ সোণ মণি-মুকুটা আদি লুণ্ঠন কৰি আনি নৰকাসুৰে লোহিত নদীৰ পাৰৰ ঠাইতে পৰ্বতাকাৰে জমা কৰিছিল। এই মণিশৈল পৰ্বততে তেওঁ স্বৰ্গৰ দেৱতা আৰু গন্ধৰ্বসকল বাস কৰা অলকাপুৰীৰ দৰে এখন অনুপম নগৰী স্থাপন কৰিছিল। এই স্থানতে মণিকৰ্ণ নামেৰে এটি সৰোবৰ আছিল যদিও এতিয়া সেইবোৰৰ চিহ্ন নোহোৱা হৈছে। তেতিয়াৰ পৰা এই ভূ-খণ্ডৰ নাম 'মণিকৰ্ণেশ্বৰ' হ'ল বুলি কোৱা হয়। দ্বাপৰ যুগৰ শেষৰ ফালে ভগৱান শ্রীকৃষ্ণই নৰকাসুৰৰ বিৰুদ্ধে অভিযান চলাওঁতে এনে এটা দুৰ্ভেদ্যগড় সুদৰ্শন চক্রৰে ভাঙি নগৰ সোমাবলৈ সক্ষম হোৱা বুলি কথিত আছে।





অন্য এক প্রবাদ মতে শিৱই দক্ষৰ জীয়েক পাৰ্বতীৰ মৃতদেহ লৈ ঘূৰি ফুৰোতে ইয়াত তেওঁৰ কাণৰ ফুলি পৰিছিল বুলি প্রবাদ আছে। এই দেৱালয়ৰ উৎপত্তি সম্পৰ্কে বিভিন্ন মতবাদ পোৱা যায়।

মণিশৈল পৰ্বতৰ মণিকৰ্ণেশ্বৰ দেৱালয়ত উৎসৱ পালন কৰা হয়। এতিয়াও এই জৰাজীৰ্ণ মন্দিৰটোত পূজা-পাতল চলি থাকে। প্রতি বছৰে মদন চতুৰ্দশী তিথিৰ দিনা নাতিদূৰত অৱস্থিত মহামায়া দীৰ্ঘেশ্বৰী দেৱীক ইয়ালৈ অগণন ভক্তই যথাৰীতিৰে সজ্জিত দোলাত কঢ়িয়াই আনি মণিকৰ্ণেশ্বৰ দেৱাদিদেৱ মহাপ্রভু মহাদেৱৰ লগত 'ঐশ্বৰিক বিবাহ' কাৰ্য সম্পন্ন কৰে। তদুপৰি শিৱ ৰাত্রিকে ধৰি কেতবোৰ পূজাৰ আয়োজন কৰা হয় আৰু ৰাত্রিভাগত ভোগৰ আয়োজন কৰা হয়। ভিন্ন ভক্তৰ সমাগম ইয়াত পৰিলক্ষিত হয়। ইয়াত উৎসৱৰ লগতে বিবাহ, অন্নপ্রসন্ন, চূড়াকৰণ আদি বিভিন্ন ধৰ্মীয় কাৰ্য কৰা হয়।

**দীৰ্ঘেশ্বৰী দেৱালয়**

দীৰ্ঘেশ্বৰী দেৱালয়ৰ ভৌগোলিক অৱস্থান অতি মনোমোহা। ইয়াৰ প্রাকৃতিক পৰিবেশ অতি সুন্দৰ, এক শান্তিৰ পৰিৱেশ। বিভিন্ন চৰাই-চিৰিকটিৰ কলকলনি মাতেৰে ঠাইখিনি এক অভূতপূৰ্ব পৰিৱেশ হৈ থাকে। ব্রহ্মপুত্রৰ নদীৰ উত্তৰ দিশে দীৰ্ঘেশ্বৰী দেৱালয় অৱস্থিত।

এই দেৱালয় অৱস্থিত পাহাৰখনৰ নাম 'সীতাচল পাহাৰ'। এই দেৱালয়ৰ আশে-পাশে মানুহৰ জনসমাগম বহুত কম। ইয়াত দেৱালয়লৈ অহা যোৱা কৰিবলৈ যান-বাহনৰ যথেষ্ট সুবিধা আছে। এই দেৱালয়ৰ ওপৰৰ পৰা সমগ্র উত্তৰ গুৱাহাটীখন দেখা পোৱা যায়। এই ঠাইখন হাবি জংঘলেৰে ভৰা এক জয়াল পৰিৱেশ। মাজে মাজে বিভিন্ন জন্তু দেখা পৰিলক্ষিত হয়। এই দেৱালয়ৰ আশে-পাশে থকা মাটিবোৰ আহোম যুগৰ ৰজাসকলৰ আছিল। কিন্তু কালক্রমত এইবোৰ বিভিন্ন মানুহে ব্যক্তিগত ভাৱে সংগ্রহ কৰে। এই দেৱালয়ৰ সৌন্দৰ্য অপাৰ্থিৱ।

এক প্রবাদ মতে মহাবাহু ব্রহ্মপুত্রৰ বুকুত বৰনদী অৰ্থাৎ (মঙ্গলা) তীৰত সীতাচল পৰ্বতত মুনিশ্রেষ্ঠ মাৰ্কণ্ডেয় আশ্রমত মুনিয়ে দেৱী দুৰ্গাক সাধনা কৰি সিদ্ধি লাভ কৰিছিল, ফলত মাৰ্কণ্ডেয় মুনিৰ সাধনাত তুষ্ট হৈ সিদ্ধি লাভ কৰিছিল। সেইবাবে এই দেৱালয় 'দীৰ্ঘেশ্বৰী দেৱালয়' নামে জনা যায়। ১৬৫৭ শকাব্দত আহোম ৰজা শিৱসিংহই মন্দিৰ পুনৰ নিৰ্মাণ কৰিছিল।

অন্য এক প্রবাদমতে ইয়াত দক্ষ ৰজাৰ জীয়েক পাৰ্বতী সতীৰ দক্ষিণ আঠুৰ আচ্ছাদন হৈছিল। দেৱী পুৰাণ যোগিনীতন্ত্রত এই কথাৰ উল্লেখ আছে। দেৱীৰ বাহন হৈছে বাঘ, সেয়েহে দেৱীৰ আন এটা নাম বাঘেশ্বৰী। সেয়েহে এই দেৱালয়ক 'বাঘেশ্বৰী' বুলি জনা যায়। তেওঁৰ এই বাহন তেওঁৰ ইচ্ছা অনুযায়ী মন্দিৰ চৌহদত প্রৱেশ কৰা শুনা যায়।



এই দীৰ্ঘেশ্বৰী দেৱালয়টো এটা জাগ্রত শক্তিপীঠ মন্দিৰ। ইয়াত বহু ভক্তৰ সমাগম হোৱা দেখা যায়। ইয়াত বিভিন্ন উৎসৱ-পাৰ্বন পালন কৰা হয় আৰু দেৱীয়ে কামনা বাসনাৰ সিদ্ধি লাভ কৰে। ইয়াত কালী পূজা, শিৱ পূজা, দুৰ্গা পূজা মনসা পূজা ধুমধামেৰে পালন কৰা হয়, এই মন্দিৰত নৈমিত্তিক ভোগৰ লগতে বহু ভক্তই ইয়াত মাৰ ওচৰত ভোগ ভাতৰ লগতে বলি বিধান দেৱীক প্রদান কৰে। ইয়াৰ উৎসৱ-পাৰ্বণসমূহে বিভিন্ন মানুহৰ সমাগমৰ লগতে এক অন্য পৰিৱেশৰ সৃষ্টি কৰে।

**ৰুদ্রেশ্বৰ দেৱালয় ঃ**

এই দেৱালয়টো মধ্যমখণ্ডত অৱস্থিত। ইয়াত তেনে কোনোধৰণৰ ভাস্কৰ্য শিলালিপি পোৱা নাযায়। ইয়াৰ পৰিৱেশ একেবাৰে শান্ত।

আনহাতে ইয়াৰ বুৎপত্তি সম্পৰ্কে বিভিন্ন মতবাদ পোৱা যায়। প্রবাদমতে স্বৰ্গদেউ প্রমত্ত সিংহই (১৭৪৪-১৭৬১) তেখেতৰ পিতৃ ৰুদ্রসিংহৰ স্মৃতিত ১৭৪৯ চনত এই মন্দিৰটো নিৰ্মাণ কৰিছিল।

স্বৰ্গদেউ ৰুদ্রসিংহই (১৬৯৬-১৭১৪) চনলৈ ইয়াত বাহৰ পাতি থাকোতে মৃত্যু হৈছিল আৰু স্বৰ্গদেউ ৰুদ্রসিংহৰ শৱদেহ শিৱসাগৰৰ চৰাইদেউলৈ নি মৈদাম দিয়া হৈছিল। ইয়াৰ অৰ্থাৎ ৰুদ্রসিংহৰ ইটাখুলি ৰণত আহোতে বসন্ত ৰোগত আক্রান্ত হৈ মৃত্যু হৈছিল। এই স্থান চিৰযুগমীয়া কৰাৰ অৰ্থে এই মন্দিৰ নিৰ্মাণ কৰি পুত্র প্রমত্ত সিংহই শিৱলিংগ উৎসৰ্গিত কৰিছিল। তেতিয়াৰ পৰাই এই দেৱালয়ৰ নাম 'ৰুদ্রেশ্বৰ' নামেৰে জনাজাত।

ৰুদ্রেশ্বৰ দেৱালয় এটা শিৱ মন্দিৰ আৰু ইয়াত শিৱ পূজাকে ধৰি ভোগৰ আয়োজন কৰি উৎসৱ পালন কৰা হয়। ইয়াৰ ওচৰতে এখন পথাৰ আছে য'ত ৰাস মহোৎসৱ পালন কৰা হয়। এই দেৱালয়সমূহত দেশৰ বিভিন্ন ঠাইৰ ভক্তৰ সমাগম হয়। এনে সমাগমে মানুহৰ মাজত সম্প্রীতি আৰু সৌন্দৰ্যৰ ভাব গঢ়ি উঠাত সহায় কৰে। গতিকে ধৰ্মীয় দিশৰ উপৰিও ঐক্য সম্প্রীতি বান্ধোন দৃঢ় কৰাত আৰু অসমৰ স্থাপত্য কলাসমূহৰ ক্ষেত্রত দেৱালয়মূহৰ বিশেষ অৱিহণা আছে।

# অসমীয়া নাটৰ আৰম্ভণি

পাৰ্থ প্ৰতিম হালৈ
পঞ্চম যাণ্মাসিক (হিচাপ বিদ্যা)

> ভ্ৰাম্যমান জন্মৰ লগে-লগে যাত্ৰাদল সমূহৰ জনপ্ৰিয়তা হ্ৰাস পাবলৈ ধৰিলে। কাৰণ ভ্ৰাম্যমাণ থিয়েটাৰ যাত্ৰাভিনয় এক উন্নত আৰু আধুনিক ৰূপ।

অসমীয়া নাটক আৰম্ভ হৈছিল পঞ্চদশ-ষোড়শ শতিকাতে মহাপুৰুষ শংকৰদেৱৰ হাতত। শংকৰদেৱে মানুহৰ মাজত ভক্তি ধৰ্ম প্ৰচাৰৰ অৰ্থে কিছু ৰচনা কৰে। পৰৱৰ্তী সময়ত অংকীয়া নাট ৰূপে পৰিচিত হয়। লগতে অভিনিত কৰিবলৈ আৰম্ভ কৰে। এনেদৰে ঊনবিংশ শতিকালৈ এই নাটৰ ৰচনা আৰু অভিনয় চলি থাকে। পৰৱৰ্তী কালত যেতিয়া বৃটিছে অসমৰ লগতে গোটেই ভাৰতবৰ্ষত আধিপত্য বিস্তাৰ কৰিলে তেতিয়া অংকীয়া নাট সমূহৰ জনপ্ৰিয়তা হ্ৰাস পাবলৈ ধৰিলে। বৃটিছৰ আগমনৰ লগে-লগে অসমীয়া নাটকসমূহো পাশ্চাত্য নাটকৰ আৰ্হিত নিৰ্মাণ হ'ব ধৰিলে আৰু ই এক নতুন যুগৰ সূচনা কৰিলে যাক আধুনিক অসমীয়া নাটক বুলি কোৱা হৈছে। সময়ৰ লগত অসমীয়া সকলে পাশ্চাত্য পদ্ধতিত নাটক ৰচনা কৰিবলৈ ললে। এনদৰে প্ৰায় ডেৰশ বছৰ নাটক ৰচনাৰ পিছত আধুনিক অসমীয়া নাটকত এক নতুন যুগৰ সৃষ্টি হ'ল। এই যুগটোৰ আৰম্ভণী নাটক আছিল ৰাম-নৱমী, কানীয়াৰ কীৰ্ত্তন আদি।

অসমীয়া নাটক পাশ্চাত্য আৰ্হিত নাটক কৰিছিল যদিও ঊনবিংশ শতিকাৰ শেষত হে অসমত মঞ্চ নিৰ্মাণ কৰে। এই শতিকাৰ ভিতৰত অসমৰ বহু ঠাইত ৰংগমঞ্চ নিৰ্মাণ কৰি তোলে।

সময়ৰ সোতত অসমীয়া নাটকত বংগদেশৰ নাট্যধৰ্মী লোক-কলা যাত্ৰাৰ প্ৰভাৱে বিকাশত বাধা দিছিল। যাত্ৰাৰ কম সময়ৰ ভিতৰতে অসমীয়া সমাজৰ মাজত জনপ্ৰিয় হৈ পৰিছিল। এই জনপ্ৰিয়তাই অসমীয়া নাটক ৰচকসকলৰ প্ৰেৰণা নাইকিয়া কৰিছিল। তেতিয়া ৰচকসকলে যাত্ৰাৰ নাটক সমূহ অসমীয়ালৈ অনুবাদ কৰি জনসাধাৰণৰ মাজত তুলি ধৰিছিল। এনেদৰে অসমীয়া নাটকেও বংগদেশৰ যাত্ৰাৰ আৰ্হিত যাত্ৰাদল গঠন কৰিলে। এই যাত্ৰাদল সমূহ এটা সময়ত গৈ জনসাধাৰণৰ অতি জনপ্ৰিয় হৈ পৰিল। এই জনপ্ৰিয়তাই বহুতকে প্ৰেৰিত কৰি বহুতো যাত্ৰা দল গঠন কৰে। এই দলসমূহৰ ভালেসংখ্যক স্বাধীনতাৰ লাভৰ কিছুকাল পাছলৈ বৰ্তি থাকে।

১৯৬৩ চন অসমৰ নাট্য-সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ সময়। এই চনতে জন্ম লাভ কৰে ভ্ৰাম্যমাণ থিয়েটাৰ নাট্যদল। এই ভ্ৰাম্যমান জন্মৰ লগে-লগে যাত্ৰাদল সমূহৰ জনপ্ৰিয়তা হ্ৰাস পাবলৈ ধৰিলে। কাৰণ ভ্ৰাম্যমাণ থিয়েটাৰ যাত্ৰাভিনয় এক উন্নত আৰু আধুনিক ৰূপ। ইয়াত প্ৰ'চনিয়াম মঞ্চৰ লগতে চলচিত্ৰৰ দুই-এটা কৌশল প্ৰয়োগেৰে দৰ্শকক আমোদ দিবলৈ ধৰে। এনেদৰে অসমৰ লগতে ভাৰতত মঞ্চ কলাৰ সোত সলনি হয়। এই ভ্ৰাম্যমান নাটকবোৰ গাওঁ, নগৰ-চহৰ উভয়তে পৰিৱেশন কৰাৰ ফলত সাংস্কৃতিক কৰ্মৰ বিস্তাৰ ঘটাৰ লগতে এক শক্তিশালী গণ মাধ্যমৰ স্থিতি লাভ কৰে।

বৰ্তমান সময়ত ভ্ৰাম্যমান নাটকসমূহে এক বিশেষ সমাদৰ লাভ কৰিছে। ভ্ৰাম্যমান মঞ্চত বৰ্তমান প্ৰতি বছৰে শতাধিক নাটক পৰিৱেশন কৰি আহিছে। ইয়াৰ ফলত বহুতো অভিনেতা-অভিনেত্ৰীৰ জন্মৰ লগতে এচাম নাট্যকাৰবো জন্ম হ'ল। ইয়াৰ ভিতৰত উগ্ৰমেনা, প্ৰফুল্ল বৰা, ভবেন বৰুৱা, মুনীন বৰুৱা, জিতেন শৰ্মা আদিৰ লগতে বহুতো নাট্যকাৰ।






# বহাগ মাহ কেন্দ্ৰিক লোক উৎসৱ ঃ ভঠেলি আৰু সুঁৱেৰি

লিপিকা নাথ
ষষ্ঠ যাণ্মাসিক (অসমীয়া)

> বিশেষকৈ ধৰ্মীয় দিশত আৰু সাংস্কৃতিক দিশত। নৃত্য-বাদ্য, যন্ত্ৰৰ ব্যৱহাৰ, সাজ পোছাক পৰিধান বিষয়ক দিশসমূহৰ কিছু অমিল থাকিলেও ধৰ্মীয় দিশ আৰু সাংস্কৃতিক দিশ প্ৰায় সমতুল্য।

অসমৰ বিভিন্ন অঞ্চলত বহাগ মাহত বিভিন্ন উৎসৱ পালন কৰা পৰিলক্ষিত হয়। উত্তৰ কামৰূপৰ ভঠেলি উৎসৱ, দক্ষিণ কামৰূপৰ সুঁৱেৰি উৎসৱ, মৰিগাঁও অঞ্চলত গোঁসাই উলিওৱা মেলা, দৰং জিলাত দেউল, মঙ্গলদৈ অঞ্চলৰ দেউল, নলবাৰী জিলাৰ চৌ পূজা, বালিকা জগন্নাথৰ নাম, গোৱালপাৰা জিলাৰ বাঁশ পূজা আদি উৎসৱ সমূহ এই ক্ষেত্ৰত বিশেষ উল্লেখযোগ্য।

বহাগ মাহত বিভিন্ন অঞ্চলত পতা উৎসৱসমূহৰ মাজত কিছুমান সাদৃশ্য পৰিলক্ষিত হয় - বিশেষকৈ ধৰ্মীয় দিশত আৰু সাংস্কৃতিক দিশত। নৃত্য-বাদ্য, যন্ত্ৰৰ ব্যৱহাৰ, সাজ-পোছাক পৰিধান বিষয়ক দিশসমূহৰ কিছু অমিল থাকিলেও ধৰ্মীয় দিশ আৰু সাংস্কৃতিক দিশ প্ৰায় সমতুল্য। উত্তৰ কামৰূপ জিলাত পালন কৰা ভঠেলি উৎসৱটিত এডাল ওখ বাঁহক বিভিন্ন ৰঙৰ কাপোৰেৰে মেৰিয়াই উৎসৱ থলীলৈ আনি, এডাল ডাঙৰ গছৰ তলত আওজাই ৰখা হয়, বাঁহডালক পাৰ বুলি ভাবি তাক সেৱা শুশ্ৰূষা কৰা দেখা যায়। অসমৰ কৃষক সমাজে ধৰ্মীয় আৰু লৌকিক দৃষ্টিৰে বাঁহ ডালক পাৰ বুলি ভাবে আৰু এই ধৰ্ম বিশ্বাসেৰে বশৱৰ্তী হৈ সম্ভৱতঃ এই ভঠেলি উৎসৱটি অসমৰ গ্ৰাম্য সংস্কৃতিৰ ই এক অতুলনীয় নিদৰ্শন হৈ পৰিছে।

অসমৰ বিভিন্ন অঞ্চলত পালন কৰা দেউল, সুঁৱেৰি আদি উৎসৱসমূহে বিভিন্ন ধৰ্মীয় দিশক সূচায়। দৰং, মংগলদৈ আদি অঞ্চলত পালন কৰা দেউল উৎসৱটিত ধৰ্মীয় দিশত অধিক গুৰুত্ব দিয়ে। এই উৎসৱটিত এটি দেউল স্থাপন কৰি, বিষ্ণুপূজা অনুষ্ঠিত কৰি ৰাইজে সেৱা শুশ্ৰূষা কৰে। অঞ্চল বিশেষে পালন কৰা লোক উৎসৱ সমূহৰ মাজত আছে এক অপূৰ্ব মিলাপ্ৰীতি।

এই লোক উৎসৱ ভঠেলি আৰু সুঁৱেৰি উৎসৱৰ চমু পৰিচয় দাঙি ধৰা হ'ল-

**উত্তৰ কামৰূপৰ লোক উৎসৱ ঃ ভঠেলি**

উত্তৰ কামৰূপৰ বহাগ মাহত হোৱা অতি উল্লেখযোগ্য উৎসৱ ভঠেলি প্ৰথম বহাগৰ পৰাই একেবাৰে শেষ বহাগলৈ জিলাখনৰ বেলেগ বেলেগ ঠাইত নিৰ্দ্ধাৰিত তাৰিখত অনুষ্ঠিত কৰা হয়। প্ৰত্যেক বহাগৰ ৭ তাৰিখে ৰামদিয়াত, ৩০ তাৰিখে চামতাত যুগ যুগ ধৰি নিৰ্দিষ্ট একোটা তাৰিখতে উদ্‌যাপন হৈ আহিছে।

ভঠেলি উৎসৱৰ প্ৰধান হৈছে বাঁহ। ভঠেলি উৎসৱত ৰাতিপুৱা গাঁৱৰ ৰাইজে গা পা ধুই দুডাল জাতি বাঁহ মূৰাৰ সৈতে উভালি আনে। দুয়োডাল বাঁহ পানীৰে ধুৱাই গুৱিৰ পৰা আগলৈ ৰং-বিৰঙৰ কাপোৰেৰে মেৰোৱা হয়। বাঁহ দুডালত শেষৰফালে ফুলৰ মালা আঁৰি দিয়া হয়। দীঘল বাঁহডালক নাম দিয়া হয় মতা পাৰ আৰু চুটি বাঁহডালক নাম দিয়া হয় মাইকী পাৰ। গাঁৱৰ ৰাইজে নিৰ্দিষ্ট ঠাইৰ পৰা শঙ্খ, ঘণ্টা, ডবা, বৰকাঁহ, তাল-খোল আদি বজাই এই পাৰযোৰ আনি আগবেলাৰ ভিতৰতে ভঠেলি খোলাত পাৰে। উল্লেখযোগ্য যে মতা পাৰটোক ওখকৈ আৰু মাইকী পাৰটোক চাপৰকৈ পতা হয়। যিখন গাঁৱত ভঠেলি পতা হয় সেইখন গাঁৱতেই মতা পাৰ প্ৰতিষ্ঠা কৰি ওচৰত কোনোবা অঞ্চলৰ পৰা কইনা পাৰ অনা হয়। সাধাৰণতে ডাঙৰ গছৰ গুৰিত গাত খান্দি অনুষ্ঠানিকভাৱে বাঁহ দুডাল পোতে। অঞ্চল বিশেষে নামঘৰ, থান, সত্ৰ আদিৰ ওচৰতে থকা ডাঙৰ গছৰ তলত বাঁহ দুডালক আওজাই থোৱাও দেখা যায়। আবেলি সময়ত গাঁৱৰ ৰাইজে পৰম্পৰাগত সাজপাৰ পৰিধান কৰি মানুহৰ চোতালত উপস্থিত হৈ পাৰ দুডাল কান্ধতে লৈ প্ৰতিঘৰে ঘৰে যায়। ঘৰৰ গৃহস্থই পাৰ দুডালক সেৱা কৰে। গোটেই গাঁওখন ফুৰোৱা হোৱাৰ পিছত নিৰ্দিষ্ট স্থানত পাৰ দুডাল উত্তোলন কৰে। ভঠেলি

অনুষ্ঠানত পাৰ সাজনৰ বাহিৰে এটি ভঠেলি ঘৰ সজা দেখা যায়। এই ঘৰ কলপাতেৰে সাজে। ঘৰটোৰ নাম হ'ল - ভঠেলি ঘৰ। এই ঘৰটোৰ ভিতৰতে বিভিন্ন ধৰণৰ খোৱা বস্তু, পইচা আদি থোৱাটো পৰম্পৰাগত নিয়ম। ভঠেলি অনুষ্ঠিত কৰা ঠাইত মেলা বহাটো এটি উল্লেখযোগ্য দিশ। ভঠেলিৰ মেলাত নানা ধৰণৰ মিঠাই, পাপৰ, বাদাম, বাতাচা আদিৰ লগতে বিভিন্ন সস্তীয়া অলংকাৰ পাতি, মাটিৰ মূৰ্তি, বাঁহৰ সঁজুলি আদি ওলায়। ভঠেলি উৎসৱটি শেষ কৰে ভঠেলি ঘৰটি ভাঙি। এই ভঠেলি ঘৰটো ভঙাৰ লগে লগে ভঠেলি উৎসৱটিৰ সামৰণি হয়। ভঠেলি উৎসৱৰ দিনা গধুলি দুজনালোকে হাতত কাঠ-বাঁহ, যাঠি, জেং আদি লৈ ভঠেলি ঘৰটোৰ ভিতৰলৈ যায়। এটা দলে ঘৰটো ভাঙিবলৈ যায় আৰু আনটোৱে এই কাৰ্যত বাধা প্ৰদান কৰে। এই কাৰ্যৰ সময়ত দুয়োটা দলৰ মাজত মিছা কাজিয়া কৰাও দেখা যায়। অৱশেষত ঘৰটো ভাঙিবলৈ অহা দলটোৱে ঘৰটোত থকা বিভিন্ন খোৱাবস্তু আৰু পইচাপাতি লৈ যায়। এনেকৈয়ে ভঠেলি উৎসৱৰ সামৰণি হয়।

**দক্ষিণ কামৰূপৰ লোক উৎসৱ : সুঁৱেৰি**

অসমত প্ৰচলিত লোক উৎসৱসমূহৰ ভিতৰত দক্ষিণ কামৰূপী লোক উৎসৱ সুঁৱেৰি অন্যতম। উৎসৱটি সৃষ্টি হৈছিল সোঁৱৰণি পৰ্ব হিচাপে। এই সোঁৱৰণি হৈছে ভাৰতীয় সংস্কৃতিৰ প্ৰতীক শ্ৰীকৃষ্ণই তেওঁৰ ল'ৰালি কালত গকুলত কৰা আনন্দ, ক্ৰীড়া, কৌতুক আদিৰ সোঁৱৰণ। পিছলৈ এই সোঁৱৰণি পৰ্বটিয়ে জনসাধাৰণৰ মাজত আনন্দৰ উৎসৱৰূপে পৰিগণিত হ'ল।

বহাগ মাহৰ নিৰ্দিষ্ট একো একোটা পূণ্য তিথিত দক্ষিণ কামৰূপৰ একো একোটা অঞ্চলত প্ৰতিবছৰে সুঁৱেৰি উৎসৱটি উদ্‌যাপিত হৈ আহিছে। সুঁৱেৰি উৎৱসত অঞ্চলটোৰ কোনো নিৰ্দিষ্ট নামঘৰ, মন্দিৰ প্ৰাঙ্গণ আদি সুন্দৰকৈ সজাই সেই অঞ্চলত পূজিত দেৱ দেৱীৰ মূৰ্তিসমূহ ভক্তিসহকাৰে ফুল-তুলসী, গাখীৰ পানীৰে ধুৱাই সজাই-পৰাই চাকি, ধূপ জ্বলাই যথাস্থানত নিৰ্দিষ্ট বেদীত স্থাপন কৰে। এই উৎসৱটিত মানুহে ব্যক্তিগতভাৱে শৰাই আগবঢ়োৱা নিয়ম প্ৰচলিত আছে। লোকসকলে বিশ্বাস কৰে যে তেনে কৰিলে মানুহে যিবোৰ আশা কৰে সেই ফল লাভ কৰে।

সুঁৱেৰি উৎসৱটিৰ মূল হৈছে সোঁৱৰণি পৰ্বমূলক শিশু কৃষ্ণৰ আৰু গোপিনীসকলৰ জীৱন্ত আৰু আকৰ্ষণীয় দধিমথন নৃত্য। দধিমথন কাৰ্যত দহগৰাকী কুমাৰী ছোৱালীয়ে অংশগ্ৰহণ কৰে আৰু এই ছোৱালীকেইজনীয়ে সুঁৱেৰি উৎসৱৰ আগদিনাৰ পৰাই উপবাসে থাকে। অতি ভক্তি ভাৱেৰে এই উৎসৱত অংশগ্ৰহণ কৰে। এই ছোৱালী কেইজনীক ব্ৰজধাম গোপিনী সদৃশ জ্ঞান কৰে। গোপিনীসকলৰ দধিমথন কাৰ্যৰ লগত শিশু কৃষ্ণ আৰু নন্দ যশোদাৰ লীলা কৌতুক সমূহো অভিনয় কৰা হয়।

দধিমথন নৃত্যৰ পিছত অতি আকৰ্ষণীয়ভাৱে বাৰজন সৰু সৰু ল'ৰাক বাল গোপাল সাজি উলিওৱা হয়। সেই বাল গোপাল কেইজনক লৈ ঢোল, খোল, তাল-ৰবকাঁহ আদি বজাই শোভাযাত্ৰা কৰি সুঁৱেৰি থলীলৈ আদৰি আনি নিৰ্দিষ্ট স্থানত বহুৱাই পূজা-অৰ্চনা কৰা হয়। সুঁৱেৰি উৎসৱটিত হানাঘোঁৱা আৰু পাৰ বাঁহ নৃত্যৰ প্ৰদৰ্শন সাধাৰণতে বকো, গোলাঘাট আদি অঞ্চল বিশেষত উদ্‌যাপিত হয়। সুঁৱেৰি উৎসৱটিত উপাস্য দেৱতাসকলক সন্তুষ্ট কৰিবৰ বাবে উক্ত নৃত্য প্ৰদৰ্শন কৰা হয়।

কামৰূপৰ কিছু অঞ্চলত বহাগ মাহত উদযাপিত হোৱা উৎসৱসমূহ হৈছে মেলামুখী। সুঁৱেৰি উৎসৱটোত বিভিন্ন দোকান-পোহাৰৰ আগমন ঘটে। দূৰ-দূৰণিৰ পৰা এই উৎসৱটি চাবলৈ মানুহৰ আগমন ঘটে। এই উৎসৱটিয়ে মানুহৰ মনত এক বুজাব নোৱাৰা আনন্দৰ সৃষ্টি কৰিছে আৰু তাৰ বাবে উৎসৱটি হৈ পৰিছে জাতীয় উৎসৱ স্বৰূপ।



"মাতৃ হৃদয়খনেই সন্তানৰ বাবে শ্ৰেণীকোঠা।"

— হেনৰী বাৰ্ড





# পৰিৱেশ বিজ্ঞানৰ ভূমিকা

মধুমিতা তুমুং
ষষ্ঠ যান্মাসিক (শিক্ষা বিভাগ)

সাধাৰণতে পৰিৱেশ বুলি ক'লে আমাৰ চাৰিওফালে আগুৰি থকা জৈৱিক আৰু অজৈৱিক পদাৰ্থসমূহৰ মাজত থকা পাৰস্পৰিক সম্বন্ধকে কোৱা হয়। বায়ু, পানী, মাটি, গছ-গছনি, মানুহ, জীৱ-জন্তু আদিৰ দ্বাৰা সৃষ্টি হোৱা অৱস্থাকে পৰিৱেশ বুলি ক'ব পাৰি। জীৱসমূহৰ বৃদ্ধি আৰু বিকাশক প্ৰভাৱিত কৰা বাহ্যিক কাৰক সমূহকো একেলগে পৰিৱেশ বুলি ক'ব পাৰি।

**বায়ুমণ্ডলত অজন স্তৰত বিন্ধাৰ সৃষ্টি হৈছে আৰু ইয়াৰ ফলত সূৰ্যৰ ৰশ্মি পোনপতিয়াকৈ পৃথিৱীলৈ আহি উষ্ণতাৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাইছে।**

পৰিৱেশৰ ইংৰাজী প্ৰতিশব্দ Environment শব্দটো ফ্ৰাচী ভাষাৰ 'Environer' শব্দৰ পৰা আহিছে। ইয়াৰ অৰ্থ হৈছে- 'To Surround' অৰ্থাৎ 'আগুৰি থকা'। এনে দৃষ্টিকোণৰ পৰা পৰিৱেশৰ অৰ্থ হৈছে আমাৰ চাৰিওফালৰ এটা নিৰ্দিষ্ট স্থান আৰু সময়ত কিছুমান জৈৱিক আৰু অজৈৱিক উপাদানেৰে আগুৰি থকা এক পৰিস্থিতি।

ডগলাচ আৰু হলেণ্ডৰ মতে, 'পৰিৱেশ এটা শব্দ য'ত সামগ্ৰীক ভাৱে সকলো বাহ্যিক শক্তি, প্ৰভাৱ আৰু অৱস্থাই জীৱিত প্ৰাণীৰ জীৱন, প্ৰকৃতি, আচৰণ, বৃদ্ধি বিকাশ আৰু পৰিপক্কতাৰ ওপৰত প্ৰভাৱ পেলায়।

বৰ্তমান জনসংখ্যাৰ বিস্ফোৰণে পৰিৱেশত বিভিন্ন অনাকাংক্ষিত সমস্যাৰ সৃষ্টি কৰিছে। মানুহৰ বিভিন্ন কাৰ্যকলাপ সমূহৰ দ্বাৰা পৰিৱেশত কিছুমান সমস্যাৰ সৃষ্টি হৈছে। বৰ্তমান জনসংখ্যাৰ বিস্ফোৰণ ঘটাৰ ফলত মানুহবোৰৰ প্ৰয়োজনো বেছি হৈ পৰিছে। গতিকে মানুহবোৰে বাসস্থান সাজিবলৈ আৰু বাস কৰিবলৈ পাহাৰৰ মাটি কাটি, গছ-গছনিবোৰো কাটি ঘৰ সাজিবলৈ লৈছে। যাৰ প্ৰভাৱ পৰিৱেশৰ ওপৰত পৰিছে। বৰ্ধিত সংখ্যক জনসংখ্যাৰ বাবে পৰিৱেশত নানান সমস্যাই দেখা দিছে। মাটি প্ৰদূষণ, বায়ু প্ৰদূষণ, পানী প্ৰদূষণ, শব্দ প্ৰদূষণ ইত্যাদি।

বৰ্তমান পৃথিৱীত মানুহৰ সংখ্যা বৃদ্ধি পোৱা বাবে পৰিৱেশত প্ৰদূষণৰ মাত্ৰা বাঢ়িছে। মানুহবোৰে পেলনীয়া জাঁৱৰ-জোঁথৰবোৰ ডাষ্টবিন ব্যৱহাৰ নকৰি যথে-মথে পেলাবলৈ লৈছে যাৰ ফলত মাটি প্ৰদূষণ হৈছে। মানুহবোৰে নিজৰ স্বাৰ্থৰ বাবে হাবি-বননিৰ গছ-গছনিবোৰ কাটি তহিলং কৰিছে। যাৰ প্ৰভাৱ পৰিৱেশৰ ওপৰত পৰিছে। বায়ুমণ্ডলত অজন স্তৰত বিন্ধাৰ সৃষ্টি হৈছে আৰু ইয়াৰ ফলত সূৰ্যৰ ৰশ্মি পোনপতিয়াকৈ পৃথিৱীলৈ আহি উষ্ণতাৰ পৰিমাণ যথেষ্ট বৃদ্ধি পাইছে। আনহাতে কাৰ্বন-ডাই-অক্সাইডৰ লগতে অন্যান্য সেউজগৃহ গেছ সমূহ অভাৱনীয় হাৰত বৃদ্ধি পাইছে আৰু ইয়াৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধি পাইছে, যাৰ ফলত বহুতো সমস্যাৰ উদ্ভৱ হৈছে।

পৰিৱেশৰ সমস্যাক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি- প্ৰাকৃতিক কাৰণ আৰু মানৱসৃষ্ট কাৰণ।

ভূমিকম্প, আগ্নেয়গিৰি, অতিপাত বৰষুণ, খৰাং, ছুনামী, ধুমুহা, ভূমিস্খলন আদি হৈছে প্ৰাকৃতিক সমস্যা।

আনহাতে জনসংখ্যা বৃদ্ধি পৰিৱেশ প্ৰদূষণ, প্ৰাকৃতিক সম্পদ, লুণ্ঠন ইত্যাদি হৈছে মানৱসৃষ্ট পৰিৱেশীয় সমস্যা।

আদিম যুগত মানুহৰ সংখ্যা কম হোৱা বাবে তেওঁলোকৰ জীৱন ধাৰণৰ বাবে প্ৰয়োজন হোৱা উপাদানসমূহো প্ৰকৃতি ৰাজ্যৰ পৰা সংগ্ৰহ কৰিছিল। কিন্তু বৰ্তমান পৃথিৱীৰ জনসংখ্যা বৃদ্ধিৰ লগে লগে ইয়াৰ প্ৰভাৱ পৰিৱেশৰ ওপৰত পৰিবলৈ ধৰিলে, যি পৰিৱেশত হেঁচাৰ সৃষ্টি কৰিছে। ১৮৫০ খ্ৰীষ্টাব্দত পৃথিৱীৰ জনসংখ্যা আছিল ১ বিলিয়ন। ১৯৭৫ চনত জনসংখ্যা ৪ বিলিয়ন, ১৯৮৭ চনত ৫ বিলিয়ন হয় আৰু বৰ্তমান পৃথিৱীৰ জনসংখ্যা বৃদ্ধি পায় ৬.৬ বিলিয়ন হৈছেগৈ।

বৰ্তমান যুগত বিশ্বত আটাইতকৈ ভয়াবহ সমস্যা হৈছে পৰিৱেশ প্ৰদূষণ। এই প্ৰদূষণৰ সমস্যা এদিনতে উদ্ভৱ হোৱা

সমস্যা নহয়। পৰিস্থিতি তন্ত্ৰত পৰা বিসংগতিয়ে পৰিৱেশ প্ৰদূষণৰ সমস্যাই সমগ্ৰ বিশ্বকে আচ্ছন্ন কৰিছে। বৰ্দ্ধিত সংখ্যক জনসংখ্যাই হৈছে পৰিৱেশৰ ধ্বংসৰ মূল কাৰণ।

মানুহবোৰে নিজ স্বাৰ্থ পূৰণৰ বাবে পৰিৱেশৰ ওপৰত অন্যায় কৰি আহিছে। তেওঁলোকে নিজৰ স্বাৰ্থৰ বাবে প্ৰাকৃতিক সম্পদ সমূহৰ লুণ্ঠন কৰিছে। প্ৰকৃতিৰ আপুৰুগীয়া সম্পদ, খনিজ আৰু বনজ সম্পদ নোহোৱা কৰিব ধৰিছে। হাবিৰ কাঠ, বাঁহ, নল-খাগৰি, বিৰিণা আদি যথে-মথে কটাৰ ফলত পৰিৱেশত বিৰূপ প্ৰভাৱ পৰিছে। যাৰ ফলত নানান সমস্যাৰ সৃষ্টি হৈছে।

মানৱজাতিয়ে অত্যন্ত বিলাসী জীৱন ধাৰাৰ মনোভাৱেৰে প্ৰাকৃতিক সম্পদসমূহৰ ওপৰত বিচাৰহীনভাৱে শোষণ কৰি আহিছে। প্ৰকৃতিৰ মূল্যবান সম্পদসমূহক নিৰ্দয়ভাৱে ধ্বংস কৰি আহিছে। গতিকে পৰিৱেশ ৰক্ষা আৰু ইয়াৰ অৱনতি ৰোধ কৰিবৰ কাৰণে জনসাধাৰণক সজাগতাৰ সৃষ্টি কৰাটো অত্যন্ত প্ৰয়োজনীয়। চৰকাৰে পৰিৱেশ সুৰক্ষা বিষয়ক বিধি কিছুমান ৰূপায়ণ কৰিলেই সমস্যাসমূহৰ সমাধান কৰিব নোৱাৰি, যদিহে এই ক্ষেত্ৰত জনসাধাৰণে সহযোগিতা প্ৰদান নকৰে। পৰিৱেশ সম্পৰ্কে জনসাধাৰণক সজাগ কৰিবৰ বাবে ৫ জুন তাৰিখটো বিশ্ব পৰিৱেশ দিৱস হিচাপে পালন কৰি আহিছে। এই পৰিৱেশ সম্পৰ্কীয় সমস্যা সমূহৰ পৰা সমাধান পাবলৈ হ'লে জনসাধাৰণক পৰিৱেশগত ভাৱে শিক্ষিত কৰিব লাগিব। পৰিৱেশ সম্পৰ্কীয় সজাগতাৰ বাবে পৰিৱেশ শিক্ষাই কিছুমান কাৰ্য উল্লেখ কৰিছে। সেই সমূহ হ'ল-

১। জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকৰ বাবে পৰিৱেশ শিক্ষাৰ সুবিধা প্ৰদান কৰা।

২। জনসাধাৰণৰ মনত নতুন জ্ঞান কৌশল, ধাৰণা আৰু ৰুচিবোধৰ বিকাশ সাধন কৰা।

৩। প্ৰকৃতিৰ প্ৰতি সহানুভূতিশীল আচৰণ, চৰকাৰী আইন-কানুন, প্ৰকল্প আঁচনি আদিৰ প্ৰতিও এনে শিক্ষাৰ দ্বাৰা প্ৰদান কৰিব পাৰি।

প্ৰাকৃতিক সম্পদসমূহ সংৰক্ষণ আৰু পৰিৱেশ সুৰক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সজাগতা সৃষ্টি কৰিবলৈ ৰাজ্য চৰকাৰসমূহে প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ গঠন কৰিছে।

ওপৰত কৰা আলোচনাৰ পৰা ক'ব পাৰি যে পৰিৱেশৰ বিভিন্ন সমস্যা সমূহৰ ফলত ব্যক্তিৰ স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পৰিছে। যাৰ ফলত ব্যক্তিৰ বেমাৰ আজাৰ বাঢ়িছে। পৰিৱেশ সুস্থ আৰু উপযুক্ত হ'লেহে ব্যক্তিসকল সুস্থ আৰু সবল হ'ব পাৰিব। যদিহে পৰিৱেশ অনুপযুক্ত আৰু অস্বাস্থ্যকৰ হয় তেন্তে সেই পৰিৱেশৰ ব্যক্তিবো স্বাস্থ্যৰ ক্ষতি হোৱাটো দেখিবলৈ পোৱা যায়। গতিকে ক'ব পাৰি যে পৰিৱেশ যদিহে সুন্দৰ আৰু উপযুক্ত হৈ তেতিয়াহে পৰিৱেশৰ ব্যক্তিসকল সুস্থ আৰু স্বাস্থ্যৱান আৰু নিৰোগী হৈ থাকিব পাৰিব। অন্যহাতে যদিহে পৰিৱেশত কু-প্ৰভাৱ পৰে তেন্তে পৰিৱেশত বাস কৰা লোকসকল কলেৰা, ডায়েৰীয়া, মেলেৰীয়া, জণ্ডিছ, চালৰ ৰোগ ইত্যাদি বেমাৰ আজাৰত ভূগিব। যদিহে মানুহবোৰে এই বেমাৰ আজাৰৰ পৰা মুক্ত হ'ব বিচাৰে তেন্তে তেওঁলোকে পৰিৱেশ উন্নত কৰিব লাগিব। যাৰ বাবে তেওঁলোকে প্ৰথমে প্ৰদূষণ নাইকিয়া কৰিব লাগিব। তেতিয়াহে পৰিৱেশ উন্নত আৰু সুস্থ হ'ব। লগতে বহুতো বেমাৰ আজাৰৰ পৰাও মুক্ত হ'ব পাৰিব।

মানুহৰ স্বাস্থ্যৰ ওপৰত গুৰুত্ব দিয়ে চৰকাৰে জনসাধাৰণৰ বাবে এখন সন্মিলন গঠন কৰে। যাক "বিশ্ব স্বাস্থ্য সন্মিলন" বা "WHO" বুলি জনা যায়।.

বৰ্তমান সময়ৰ পৰিৱেশৰ সমস্যা আৰু ইয়াৰ উৎস, ইয়াৰ প্ৰতিকাৰৰ উপায় সমূহ জানিবলৈ এই অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। মানুহৰ জীৱন-যাপনৰ লগত পৰিৱেশৰ সম্পৰ্ক ওতঃপ্ৰোতভাৱে জড়িত। ব্যক্তিৰ জীৱন-যাপনৰ লগত পৰিৱেশৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰাটো অতি প্ৰয়োজনীয়। বৰ্তমানৰ পৰিৱেশৰ মূল সমস্যা সমূহৰ অধ্যয়ন আৰু মানুহৰ স্বাস্থ্যৰ ওপৰত ইয়াৰ প্ৰভাৱসমূহৰ অধ্যয়ন কৰাৰ ক্ষেত্ৰত এই অধ্যয়নটোৰ প্ৰয়োজনীয়তা আছে। ব্যক্তিসকলৰ মাজত পৰিৱেশৰ সমস্যা সমূহৰ বিষয়ে সজাগতা অনাৰ লগতে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰৰ ভূমিকা আৰু সমাজৰ লোকসকলৰ ভূমিকাৰ বিষয়ে অধ্যয়ন কৰাটো প্ৰয়োজন। চৰকাৰক সমাজৰ পৰিৱেশ সম্পৰ্কীয় সমস্যাসমূহৰ বিষয়ে অৱগত কৰা হৈছে নে নাই এই সম্পৰ্কে অধ্যয়ন কৰাটো প্ৰয়োজন।

**সহায়ক গ্ৰন্থ ঃ**

১। বৈশ্য, ড° দীনেশ ঃ পৰিৱেশ অধ্যয়ন
২। জৈন, মনোজ ঃ পৰিৱেশ বিজ্ঞান
৩। দাস (শৰ্মা), ড° ঝুনু আৰু দাস, ড° পাৰুল ঃ পৰিৱেশ আৰু জনসংখ্যা শিক্ষা





# দৰঙত পালন কৰা গীত-নৃত্যানুষ্ঠান

অঞ্জুৱাৰা আহমেদ
পঞ্চম ষান্মাসিক, (অসমীয়া বিভাগ)

দৰং জিলাৰ পূবফালে শোণিতপুৰ, পশ্চিমত কামৰূপ, উত্তৰত ওদালগুৰি আৰু দক্ষিণত মৰিগাঁও জিলা অৱস্থিত। পূৰ্বতে ওদালগুৰি জিলাও দৰঙৰ অন্তৰ্ভুক্ত আছিল আৰু সেই সময়ত দৰং জিলা 'দৰং দেশ' নামেৰে পৰিচিত আছিল। এই দৰং দেশেই আকৌ ১৬১৪ খ্ৰীষ্টাব্দত কোঁচৰজা বলিনাৰায়ণৰ ৰাজত্বকালত দৰং ৰাজ্যৰূপে প্ৰতিষ্ঠিত হয়।

**কোঁচবিহাৰৰ পৰা নৰনাৰায়ণপুৰলৈ এটা আলি বন্ধাইছিল। এই আলিটো বৰ্তমান গোহাঁই কমল আলি নামে জনা যায়।**

পূৰ্বৰ দৰং দেশত ভূঞাসকলে ৰাজত্ব কৰিছিল। কিন্তু কোনো লোকৰ মতে কিছু কিছু অঞ্চলত কছাৰী আৰু ভূটীয়াসকলেও নিজৰ আধিপত্য চলাইছিল। কছাৰী, ভূটীয়া আৰু ভূঞাসকলে 'দৰং দেশ'ত আধিপত্য চলাই থকাৰ সময়তে সোণকোষ নদীৰ পশ্চিম ফালে কোঁচৰজা বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণ আৰু পূব দিশত আহোমসকলে ৰাজত্ব কৰিছিল। দৰং দেশত সেইসময়ত ভূটীয়া আৰু আহোমসকলে বহুবাৰ আক্ৰমণ কৰিছিল। তেওঁলোকৰ অত্যাচাৰ সহ্যি নোৱাৰি মহাৰাজ নৰনাৰায়ণৰ ভায়েক গোহাঁইকমলে কোঁচবিহাৰৰ পৰা নৰনাৰায়ণপুৰলৈ এটা আলি বন্ধাইছিল। এই আলিটো বৰ্তমান গোহাঁই কমল আলি নামে জনা যায়।

এই দৰং ৰাজ্য বহুতো জাতি-জনজাতিৰ লোকেৰে ভৰপুৰ। সেয়ে অঞ্চলত বিভিন্ন ধৰ্মাৱলম্বী লোকৰ মাজত একতা দেখিবলৈ পোৱা যায়। আজিও সকলো ধৰ্মাৱলম্বীৰ লোকে একলগ হৈ উৎসৱ অনুষ্ঠানত যোগ দিয়া দেখা যায়।

দৰঙত পালন কৰা গীত-নৃত্যানুষ্ঠান সমূহৰ বিষয়ে চমুকৈ এনেদৰে আলোচনা কৰিব পাৰি-

**ব্যাস ওজাপালি ঃ**

ব্যাস ওজাপালি হৈছে দৰং ৰাজ্যৰ এটা কৃষ্টি। ইয়াৰ বৈশিষ্ট্য সুকীয়া। কোঁচৰজাসকলৰ ৰাজত্ব কালত এই ব্যাস ওজাপালিয়ে যথেষ্ট সন্মান লাভ কৰিছিল যদিও প্ৰথম অৱস্থাত এইবোৰ পূজা-পাৰ্বন বা ধৰ্মীয় অনুষ্ঠানতহে গোৱা হৈছিল।

ব্যাস ওজাই ভৰিত পিন্ধা নুপুৰযোৰ, কান্ধত আৰু কঁকালত মেৰোৱাই লোৱা দখনা বা টঙালি, দুই হাতেৰে বজোৱা খুটিতাল আদি ভূটীয়া কৃষ্টিৰ অৱদান। টুপী, জামা, চাপকন চোলা আদি মোগলী পোছাক। বৰ্তমান এইবোৰেই সুকীয়া ঐতিহ্যপূৰ্ণ ব্যাসৰ ওজাপালি সকলৰ সন্মানীয় পোছাক।

ইয়াৰ ওপৰত ভিত্তি কৰি ব্যাস ওজাপালিৰ গীতৰ ওপৰত ভূটীয়া আৰু মোগলসকলৰ প্ৰভাৱ পৰা বুলি পণ্ডিতসকলে ক'ব খোজে। একালত ধৰ্মীয় অনুষ্ঠানত গোৱা এই ব্যাসৰ গীত পৰৱৰ্তী কালত নতুন ৰূপ লৈ কৃষ্টি-সংস্কৃতি ৰূপে প্ৰতিষ্ঠিত হ'ল।

ব্যাস ওজাপালিত এজন ওজা আৰু তিনিৰ পৰা পাঁচজন পালি থাকে। ওজাজনৰ পোছাক আৰু নৃত্যৰ লয়লাসত গাম্ভীৰ্যতা দেখিবলৈ পোৱা যায়। এই ওজাপালিৰ সংগীত পৰিৱেশন শাস্ত্ৰীয় ৰাগ-তালত বন্ধা। সেয়ে এই গীতৰ অনুষ্ঠানত গাম্ভীৰ্যপূৰ্ণ পৰিৱেশৰ সৃষ্টি হয়।

**সুকনান্নী ওজাপালি ঃ**

ব্যাস ওজাপালিৰ দৰে সুকনান্নী ওজপালিও দৰঙৰ এটি সুকীয়া বৈশিষ্ট্যপূৰ্ণ কৃষ্টি। সুকনান্নী ওজাপালি ধৰ্মীয় ভাবাপন্ন যদিও লোকগীতৰ ওচৰ চপা।

সুকনান্নী ওজাপালিত এজন ওজা আৰু চাৰিৰ পৰা ছয়জন পালি থাকে। মংগলদৈ অঞ্চলত বিশেষভাৱে প্ৰচলিত মাৰৈ পূজা বা মনসা পূজাত এই গীত-পদৰ পৰিৱেশন দেখিবলৈ পোৱা যায়। সুকনান্নী ওজাপালিৰ পদবোৰ ধৰ্মীয় ভাবেৰে তালৰ লগত মিলাই গোৱা হয়। ইয়াৰ উপৰি হাতৰ মুদ্ৰাৰ সহায়ত পদবোৰৰ বৰ্ণনা দিয়ে। এই অনুষ্ঠানে মানুহৰ মনত গাম্ভীৰ্যতা আনি দিয়াৰ লগতে ধৰ্মীয় চেতনাও জগাই তোলে। জাতি-ধৰ্ম নিৰ্বিশেষে সকলো মানুহে সুকনান্নী ওজাপালি চোৱা দেখা যায়।

সুকনান্নী ওজাপালিৰ সুৰ, তাল আদি আন সংগীততকৈ সুকীয়া আৰু টান। ইয়াত হাতৰ মুদ্ৰাৰ সহায়ত দেখুওৱা নৃত্য

অতিকৈ মনোৰম। আনুষ্ঠানিকভাৱে পৰিৱেশন কৰা ওজাপালিৰ পোছাকৰ ভিতৰত মূৰত এটা বগা ধুনীয়া পাগুৰী, গাত এটি ধুনীয়া চাপকন চোলা, হাতত এযোৰ দুপতীয়া ৰূপৰ খাৰু, কপালত ৰঙা চন্দনৰ ফোঁট আৰু অন্যান্য মনোৰঞ্জক অলংকাৰ পৰিধান কৰে। ইয়াৰ উপৰি গাত এখন গেৰুৱা চাদৰ মেৰুৱাই লয়। আনহাতে পালি সকলে পালিৰ পোছাক পিন্ধে।



### দেওধনী নৃত্য ঃ

দেওধনী নৃত্য মংগলদৈত প্ৰচলিত মনসা পূজা তথা মাৰৈ পূজাৰ এটা অপৰিহাৰ্য অংগ। সুকনান্নী ওজাপালিৰ দৰে দেওধনী নৃত্যও উক্ত পূজাত নহ'লেই নহয়। দেওধনী নৃত্য বিশেষকৈ বড়ো সকলৰ মাজত প্ৰচলিত। দৰঙী ৰজাসকলে দেওধনী নৃত্যক প্ৰতিষ্ঠা কৰাৰ ওপৰত লক্ষ্য কৰি দৰঙী ৰজাসকলৰ দিনৰ পৰাই এই নৃত্যৰ প্ৰচলন আছে বুলি ভবা হয়। দৰঙৰ ৰজাসকলে শক্তি আহৰণৰ বাবে দুৰ্গা, মনসা আদিক পূজা কৰিছিল আৰু দেওধনী নৃত্যৰো প্ৰচলন কৰিছিল।

জনবিশ্বাস মতে, দেওধনী নৃত্য কৰা তিৰোতা গৰাকীক দেৱতাই লম্ভে আৰু নৃত্য কৰি অচেতন হৈ পৰে। শেষত ওজাই সোধা ভৱিষ্যতৰ কথা কৈ দিয়ে। কোঁচৰজা সকলৰ দিনত বিশেষকৈ দেওধনী নৃত্যই দৰঙত গা কৰি উঠে। দেওধনী নৃত্য কৰা তিৰোতাজনীক দেৱীতুল্য কৰি তেওঁৰ প্ৰতি শ্ৰদ্ধা দেখুওৱা হয়।

দেওধনী নৃত্য কৰা তিৰোতাজনীয়ে সাজপাৰৰ ভিতৰত মহিলাৰ আৱশ্যকীয় সকলো সাজ-পাৰ আৰু অলংকাৰ পৰিধান কৰি দেৱী যেন হৈ পৰে। ইয়াৰ উপৰি কঁকালত এখন ৰঙা কাপোৰৰ টঙালি বান্ধে। দেওধনীৰ নৃত্য আৰু বাদ্যযন্ত্ৰই পৰিৱেশটো গাম্ভীৰ্যপূৰ্ণ কৰি তোলে। বাদ্যযন্ত্ৰৰ ভিতৰত ভোৰতাল আৰু জয়ঢোল অপৰিহাৰ্য। বিশেষকৈ মাৰৈ পূজাত দেওধনী নৃত্য কৰা দেখা যায়। মাৰৈ পূজাত দেওধনীয়ে নৃত্য কৰি অচেতন হৈ পৰে আৰু ওজাই সোধা ভৱিষ্যতৰ অপায়-অমংগলৰ উত্তৰ দিয়ে। অৱশেষত দেওধনীৰ চেতনা আহিলে মাৰৈ পূজা শেষ হয়।

### ঢেপা-ঢুলীয়া ঃ

দৰঙৰ কোঁচৰজা সকলৰ ৰাজত্বকালত গঢ়ি উঠা আন এটা ঐতিহ্যপূৰ্ণ কৃষ্টি হৈছে ঢেপা-ঢুলীয়া। পূৰ্বতে ইয়াত বড়ো-কছাৰী আদিৰ অৱদান লক্ষ্য কৰা গৈছিল। ঢেপা-ঢুলীয়া দৰঙৰ বিশেষকৈ মংগলদৈতেই দেখিবলৈ পোৱা যায়। এসময়ত মংগলদৈৰ সকলোবোৰ উৎসৱ-অনুষ্ঠান, পূজা-পাৰ্বণ আদিত ঢেপা-ঢুলীয়াৰ ব্যৱহাৰ এৰাব নোৱাৰা আছিল।

ঢেপা-ঢুলীয়াৰ দলত সাধাৰণতে দুজন ঢুলীয়া আৰু চাৰিৰ পৰা ছয়জন পৰ্যন্ত তালুৱৈ থাকে। ঢুলীয়া দুজনৰ ভিতৰত ঘাই-ঢুলীয়াজনে দলটো পৰিচালনা কৰে আৰু তেওঁৰ পৰিচালনাত নৃত্য-গীতৰ সমাৱেশ ঘটে। ঢুলীয়াৰ এনে নৃত্য-গীতৰ পৰিৱেশনত এটি সুন্দৰ পৰিৱেশৰ সৃষ্টি হয়। তেওঁলোকৰ ঢোলৰ তালে তালে কৰা নৃত্য অতি মনোৰম নৃত্যৰ সময়ত তেওঁলোকে আঁঠুৰ মূৰলৈ পৰা জামা পিন্ধে। এই জামা বহুৰঙী কাপোৰেৰে বহলভাৱে তৈয়াৰী যাতে নৃত্যৰ সময়ত ই ফুলি উঠে। নৃত্যৰ সময়ত তেওঁলোকে ভোৰতাল ব্যৱহাৰ কৰে। ঢোল, তাল আৰু ঢুলীয়াৰ নৃত্যই উপস্থিত সকলোকে ব্যাকুল কৰি তোলে। ইয়াৰ উপৰি এটা আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। ঢুলীয়াৰ পাৰদৰ্শিতা সুন্দৰভাৱে প্ৰকাশ পায়।

### কালীয়া ঃ

'কালী' মংগলদৈ অঞ্চলৰ এটি সুকীয়া বাদ্যযন্ত্ৰ। এই বাদ্য বজোৱা লোকজনক 'কালীয়া' বোলা হয়। কালীয়া হ'ল মংগলদৈ অঞ্চলৰ আন এটি ঐতিহ্যপূৰ্ণ কৃষ্টি। কালি নামৰ বাদ্যটি পিতলেৰে তৈয়াৰী। বাঁহীৰ ফুটাবোৰৰ দৰে ইয়াৰ গাটো কিছুমান ফুটা দেখিবলৈ পোৱা যায়। বজাবৰ সময়ত ইয়াৰ ফুটাবোৰত আঙুলি বুলাই বজোৱা হয়। কালিৰ সুৰ অতি মনোমোহা আৰু করুণ। অতীতত বিভিন্ন উৎসৱ, বিবাহ অনুষ্ঠান আদিত কালি এৰাব নোৱাৰা বাদ্য আছিল। বিশেষকৈ দৰা-কইনাৰ উদ্দেশ্যে গোৱা বিয়ানামবোৰত কালিৰ প্ৰচলন বেছিকৈ দেখিবলৈ পোৱা গৈছিল।

### ৰৰ ঢুলীয়া ঃ

ঢেপা-ঢুলীয়াৰ দৰে ৰৰঢুলীয়াও এটা দৰঙৰ উল্লেখযোগ্য কৃষ্টি। ৰহাগ মাহত অনুষ্ঠিত হোৱা বিভিন্ন উৎসৱত ৰৰঢুলীয়াৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। ইয়াৰ উপৰি মথেনী উৎসৱ আৰু আন কিছুমান ৰাজহুৱা উৎসৱতো ৰৰঢুলীয়াৰ ব্যৱহাৰ হয়। বিশেষকৈ কোঁচৰজা সকলৰ পৃষ্ঠপোষকতাত ৰৰঢুলীয়াই মূৰ দাঙি উঠিছিল। যিহেতু মংগলদৈত কোঁচৰজাসকলে আধিপত্য চলাইছিল সেয়ে মংগলদৈত ৰৰঢুলীয়াৰ প্ৰচলন বেছিকৈ দেখিবলৈ পোৱা যায়।







ৰৰঢুলীয়াৰ দলত সাধাৰণতে ছয়-সাতজনমানে ঢোল বজায় আৰু লগত চাৰি-পাঁচযোৰমান তাল বজায়। এওঁলোকৰ ভিতৰত এজন চালক থাকে আৰু তেওঁ গোটেই অনুষ্ঠানটো পৰিচালনা কৰে। ঢোলৰ চেৱে-চেৱে তেওঁলোকে কৰা নৃত্য অতি মনোৰম। ইয়াৰ উপৰি ঢুলীয়াবোৰৰ শাৰীৰিক কলা প্ৰদৰ্শনো দেখিবলৈ পোৱা যায়। তাৰ উপৰিও কেতিয়াবা বহুকেইটা ঢোল একেলগে গলত ওলোমাই লৈ নৃত্য কৰা দেখা যায়। আনহাতে এই ৰৰঢুলীয়াবোৰে কেতিয়াবা পুতলা নাচো প্ৰদৰ্শন কৰা দেখা যায়।

### চেওঁ চাপৰি নাম ঃ

চেওঁ চাপৰি নাম হৈছে একপ্ৰকাৰ মহাপুৰুষীয়া নাম। প্ৰাচীন খটৰা সত্ৰতেই চেওঁ চাপৰি নামৰ জন্ম হোৱা বুলি ক'ব খোজে। পোনতে গাঁৱৰ অশিক্ষিত হোজা লোকসকলক বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰিবলৈ ঢোল, তাল, চাপৰিৰে এই নামৰ আয়োজন কৰিছিল। এনেদৰে গোটেই মংগলদৈ অঞ্চলতেই এই নাম জনপ্ৰিয় হৈ পৰে।

চেওঁ চাপৰি নামত ব্যৱহৃত দুবিধ বাদ্য হৈছে- নাগাৰা আৰু ভোৰতাল। ইয়াৰ উপৰি নাম গোৱা দলটোৰ হাতৰ চাপৰ প্ৰধান। চেওঁ চাপৰি নাম গোৱা দলটো 'নামুৱৈ' বুলি জনা যায়। এওঁলোকে সাধাৰণতে ঘোষা, কীৰ্ত্তন, দশম, ভাগৱত, মহাভাৰত, ৰামায়ণ আদি পুথিৰ পৰা নামত গাব পৰাকৈ পদ কাটি উলিয়ায় আৰু নাগাৰাৰ বাদী তাল, চাপৰিৰ চেওঁৰ লগত সংগতি ৰাখি পৰিৱেশন কৰে।

চেওঁ চাপৰি নামত এজন পাঠক থাকে। পাঠকজনে নাম এটি লগাই দিয়ে আৰু তাৰ পিছত চাপৰি মৰা লোককেইজনে তালে তালে নাম ধৰে। ইয়াৰ উপৰি তেওঁলোকে নাগাৰাৰ তালত নৃত্য কৰাও দেখিবলৈ পোৱা যায়। চেওঁ চাপৰি নামত নামুৱৈসকলে নৃত্যৰ সময়ত ধুতি-পাঞ্জাবী পৰিধান কৰে আৰু মূৰত একোটিকৈ পাগুৰি মাৰে।

### থিয় নাম ঃ

থিয় নাম হৈছে চেওঁ চাপৰি নামৰ দৰেই ভগৱানৰ গুণানুকীৰ্ত্তন কৰা নাম। থিয় নাম গোৱাৰ সময়ত সুন্দৰভাৱে থিয় হৈ ভোৰতালৰ সহায়ত পৰিৱেশন কৰা হয়। এওঁলোকৰ ভিতৰত এজন ওজা থাকে আৰু তেওঁ গোটেই দলটোৰ পৰিচালনা কৰে। এই নাম মধুৰ সুৰত গাম্ভীৰ্যতা ৰক্ষা কৰি গোৱা হয়। দৰঙৰ কোঁচৰজাসকলৰ পৃষ্ঠপোষকতাতেই এই নামে মূৰ দাঙি উঠে।

পুৰণি দৰঙৰ লোকসকলক একশৰণ নাম-ধৰ্মত দীক্ষিত কৰিবলৈ চেওঁ চাপৰি নামৰ সৃষ্টি কৰাৰ দৰেই এই থিয় নামৰো সৃষ্টি কৰা হৈছে। এই উদ্দেশ্যৰে খটৰা সত্ৰ স্থাপন কৰি থিয় নামৰ জন্ম দিছিল। গাঁৱৰ হোজা লোকসকলক হৰি নামৰ প্ৰতি আকৃষ্ট কৰিবলৈ তালৰ সহায়ত নৃত্য কৰি প্ৰথম খটৰা সত্ৰত থিয় নামৰ প্ৰদৰ্শন হৈছিল। পিছত দৰঙৰ আন অনুষ্ঠানতো এই নামৰ প্ৰভাৱ পৰা দেখা যায়।

### আই নাম ঃ

দৰঙত প্ৰচলিত আন এটি নাম হৈছে আইনাম। কোনোবা মানুহৰ বেমাৰ হ'লে বা বসন্ত ৰোগে দেখা দিলে ছোৱালী-তিৰোতাসকলে লগ হৈ আই নাম পাতে। বিশেষকৈ সন্ধিয়া সময়তেই আইনাম পতা দেখা যায়। আই নাম হ'ল বসন্ত ৰোগ নিৰাময়ৰ বাবে শীতলা দেৱীৰ আগত কৰা একপ্ৰকাৰৰ স্তুতি।

### বিয়া নাম ঃ

বিয়া নাম মংগলদৈৰ আন এটি সুন্দৰ কৃষ্টি। বিয়াৰ আগদিনা অনুষ্ঠিত হোৱা 'জোৰণ দিয়া'ক মংগলদৈত 'তেলৰ ভাৰ' বুলি কোৱা হয়। এই তেলৰ ভাৰত দৰাঘৰৰ পৰা কইনাঘৰলৈ পাণ-তামোলকে আদি কৰি কাপোৰ আৰু আন বহুতো বস্তু পঠিয়াই দিয়ে। সেইদিনা কইনাক দৰাঘৰৰ পৰা দিয়া কাপোৰ পিন্ধাই তেল দিয়া হয়।

বিয়াৰ দিনাখন ৰাতিপুৱা পানী তুলিবলৈ যোৱাৰ পৰা আৰম্ভ কৰি বিভিন্ন বিয়া নামেৰে পৰিৱেশটো মধুৰ কৰি তোলে। এই বিয়ানামবোৰত তিৰোতা আৰু ছোৱালীবোৰে আগভাগ লয়। ইয়াৰ উপৰি পুৰণি কালত দৰাঘৰৰ মানুহে কইনা আনিবলৈ যাওঁতেও বাটত বিয়ানাম গাইছিল। আনহাতে গোসাঁই পূজাৰ সময়ত আৰু দৰা আগবঢ়োৱাৰ সময়তো বিয়া নাম গোৱা দেখা যায়।

### গোপিনী নাম বা গোপিনী সেৱাৰ গীত ঃ

মংগলদৈৰ আন এটি কৃষ্টি হৈছে গোপিনী নাম বা গোপিনী সেৱাৰ গীত। গাঁৱত হোৱা অপায়-অমংগল, বেমাৰ-আজাৰ আদি দূৰ কৰিবলৈ সাধাৰণতে এই গোপিনী নাম গোৱা হয়। এই নামসমূহ সাধাৰণতে শিৱ-পাৰ্বতী, কৃষ্ণ, ৰামচন্দ্ৰ আদিক উদ্দেশ্য কৰি গোৱা হয়। এই অনুষ্ঠান সাধাৰণতে গাঁৱৰ নাৰীসকলৰ মাজতেই সীমিত। নাৰীসকলে লগ হৈ সমস্বৰে এই নাম ধৰে। গোপিনী নাম ঠাই বিশেষে বছৰৰ যিকোনো সময়ত অনুষ্ঠিত হয়। দৰঙত পৌৰাণিক কালৰ পৰাই এই নামৰ প্ৰচলন আছে বুলি অনুমান কৰা হয়। পৌৰাণিক গ্ৰন্থসমূহৰ পৰাই পদবোৰ বাছি উলিয়াই গোপিনী নাম গোৱা হয়।

গোপিনী নাম বা গোপিনী সেৱাৰ গীত প্ৰসংগত গোৱা

দেৱ-দেৱী বিষয়ক গীতসমূহ ক্ৰমে- (ক) শিৱ-পাৰ্বতীৰ গীত, (খ) শ্ৰীকৃষ্ণৰ গীত, (গ) জগন্নাথৰ গীত, (ঘ) ৰামচন্দ্ৰৰ গীত আদি।

**চেৰা-ঢেক ঃ**

চেৰা-ঢেকবোৰো মংগলদৈৰ সুকীয়া কৃষ্টিৰ অন্তৰ্গত। চেৰা-ঢেকৰ সুৰ বিবাহৰ ওজাপালিৰ সুৰৰ লগত মিল দেখা যায়। 'ঢেক' শব্দৰ অৰ্থ কোনো মাত-কথাৰ সুৰ দীঘলীয়াকৈ টানি গোৱা ৰাগিনীক বুজায়। 'চেৰা' শব্দই এটাৰ পৰা আন এটালৈ গতি কৰা বা চলি যোৱাকে বুজায়। চেৰা-ঢেকৰ সুৰ শুনিবলৈ অতিকৈ মধুৰ। চেৰা-ঢেকবোৰ মুছলমান সম্প্ৰদায়ৰ ধৰ্মীয় কথাৰ লগত মিলে। এই চেৰা-ঢেকবোৰ বিশেষকৈ ধৰ্ম প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰা হৈছিল। এইবোৰ বিবিধ পৌৰাণিক গ্ৰন্থৰ আলমত ৰচিত।

**মংগলদৈয়া লোক-গীত (ভকতীয়া গীত) ঃ**

মংগলদৈয়া লোক-গীত বা ভকতীয়া গীত হৈছে দৰঙৰ এটি লোক-সংস্কৃতি। এই ভকতীয়া গীতবোৰক 'দেহবিচাৰৰ গীত' বুলিও জনা যায়। মংগলদৈৰ এই ভকতীয়া গীতৰ স্থান সুকীয়া। ভকত সকলৰ মাজত বেছি জনপ্ৰিয় বাবেই এই গীতক ভকতীয়া গীত বুলিও কোৱা হয়। তাৰ উপৰিও দেহ তত্ত্বৰ কথা বৰ্ণনা কৰা বাবে ইয়াক দেহ বিচাৰৰ গীত বুলি কোৱা হয়। এই গীতবোৰত সাধাৰণতে টোকাৰী, দোতোৰা, খুঞ্জৰী আদি ব্যৱহাৰ কৰা হয়।

শৃংখলাবদ্ধ ভকতীয়া গীত দৰঙৰ অতি জনপ্ৰিয়। ভকতীয়া গীতৰ বিষয়বস্তু হৈছে গুৰুৰ গুণ-কীৰ্ত্তন, কৃষ্ণৰ মহিমা আদি বৰ্ণোৱা। ভকতীয়া গীতবোৰ সমূহীয়াকৈ গোৱা হয় যদিও কিছুমানে গাইগুটীয়াকৈও গোৱা দেখা যায়।

**নাঙেলী গীত ঃ**

বিহু গীতৰ দৰেই নাঙেলী গীতো হৈছো যৌন আবেদনময়ী গীত। গাঁৱলীয়া চহা ডেকাবোৰৰ মাজত এইবোৰ বিশেষকৈ প্ৰচলিত। এই নাঙেলী গীতবোৰ মুকলি পথাৰত মুক্তমনে গোৱা হৈছিল। এই নাঙেলী গীতবোৰ কোনো লিখিত ৰূপত পোৱা নাযায়। এইবোৰ মুখে-মুখে প্ৰচলিত হৈ অহা গীত। এই নাঙেলী গীতবোৰত ঘাইকৈ মংগলদৈৰ দক্ষিণ অঞ্চলৰ কথিত ভাষাৰ শব্দ গাঁথনিহে পোৱা যায়। নাঙেলী গীতবোৰ বৰ্তমান লুপ্তপ্ৰায়। নাঙেলী গীতবোৰক বিহুগীতৰ লগত তুলনা কৰিব পাৰি যদিও ইয়াৰ সুৰ বিহুগীততকৈ পৃথক।

**খুলীয়া ভাওনা ঃ**

খুলীয়া ভাওনা হৈছে মংগলদৈ অঞ্চলৰ আন এটি আকৰ্ষণীয় কৃষ্টি। মহাপুৰুষ শংকৰদেৱ আৰু তেওঁৰ শিষ্য মাধৱদেৱেই পোনপ্ৰথমে অসমত ভাওনাৰ প্ৰচলন কৰিছিল। মহাপুৰুষ দুজনাই বৈষ্ণৱ ধৰ্মৰ প্ৰতি মানুহক আকৃষ্ট কৰিবলৈ ভাওনাৰ প্ৰচলন কৰিছিল। তেনেদৰেই 'খুলীয়া ভাওনা'ৰো আবিষ্কাৰ হ'ল। খুলীয়া ভাওনা পৌৰাণিক অসমীয়া পদ্য-ছন্দত ৰচিত। এইবোৰ নৃত্যৰ তালে তালে কৰা ভাওনাৰ সুকীয়া কৃষ্টি। কিছুমানৰ মতে খটৰা সত্ৰই খুলীয়া ভাওনাৰ জন্মস্থান। কিন্তু এই খুলীয়া ভাওনা ক'ৰ পৰা কেনেদৰে আহিল কোনোৱে সম্পূৰ্ণকৈ ক'ব নোৱাৰে। খুলীয়া ভাওনাৰ ওপৰত ব্যাস ওজাপালিৰ সুৰৰ ধ্বনি শুনা যায়। খুলীয়া ভাওনাৰ গীতবোৰ খোলৰ চেওত গোৱা হয়। খুলীয়া ভাওনাৰ মূল ভাৱৰীয়া জনক 'ওজা' বুলি কোৱা হয়। ওজাজনে ভাওনাৰ আঁত ধৰি দিয়ে আৰু বাকীবোৰে খোলৰ সহায়ত ব্যক্ত কৰি যায়।

খুলীয়া ভাওনাৰ ওজাজনে মূৰত কিৰিটি, গাত গলৰ পৰা ভৰিলৈ বৈ পৰা দীঘল চোলা পৰিধান কৰে আৰু গলত বিভিন্ন মণি-মুকুতাৰ মালা পৰিধান কৰে। আনহাতে খুলীয়াসকলে ধুতি আৰু পাঞ্জাবী পৰিধান কৰে আৰু মূৰত পাগুৰী মাৰে। খুলীয়া ভাওনাত খোলৰ চেওতেই গোটেই নাটকৰ অনুষ্ঠানটো গাম্ভীৰ্যপূৰ্ণ হৈ উঠে। খুলীয়া ভাওনাত প্ৰথমে খুলীয়াৰ দলটোৱে আনুষ্ঠানিকভাৱে প্ৰৱেশ কৰে। তাৰ পিছত ওজা জনে নৃত্য কৰি কৰি সভাত প্ৰৱেশ কৰে। ইয়াৰ পিছত ওজাজনে স্তুতি আৰম্ভ কৰে আৰু এটি বন্দনা গীতেৰে ভাওনাৰ আৰম্ভ কৰি ভাৱৰীয়া সকলৰ প্ৰৱেশ, প্ৰস্থান আদি সুন্দৰভাৱে দৰ্শকৰ আগত প্ৰদৰ্শন কৰায়। নাটকৰ শেষত এটি কৃষ্ণ বন্দনা কৰি ভাওনাৰ সামৰণি মৰা হয়। ইয়াৰ উপৰি ভাৱৰীয়াসকলে ভাওনাৰ সময়ত হোৱা দোষ-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি কৃষ্ণৰ চৰণত নিবেদন কৰে।

**সহায়ক গ্ৰন্থ ঃ**


১। চহৰীয়া, কনকচন্দ্ৰ ঃ দৰঙী লোক-সাহিত্যৰ ৰূপৰেখা, অসম প্ৰকাশন পৰিষদ, প্ৰথম প্ৰকাশ, ২০০৭

২। বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ অসমৰ লোক-সংস্কৃতি, বীণা লাইব্ৰেৰী, দ্বাদশ প্ৰকাশ, ২০১৫

৩। বৰুৱা, ৰজনীকান্ত ঃ দৰঙী কলা-কৃষ্টিৰ চমু কথা, ছিপাঝাৰ, দৰং (অসম), প্ৰথম প্ৰকাশ, ১৯৮৩

৪। শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোক-সংস্কৃতিৰ আভাস, পাণবজাৰ, পঞ্চম প্ৰকাশ, ২০১১

৫। শৰ্মা, বিজয় কুমাৰ ঃ দৰং জিলাৰ উৎসৱ অনুষ্ঠানৰ অধ্যয়ন, চন্দ্ৰ প্ৰকাশ, প্ৰথম প্ৰকাশ, ২০০৫






# পৰিৱেশ বিজ্ঞান ঃ এক নৈতিক দৃষ্টিভংগীৰে


বন্দিতা বড়ো

ষষ্ঠ যাণ্মাসিক (দৰ্শন)


"হে পৃথিৱী, তোমাৰ পুণ্যদান আমাক ঘূৰাই দিয়া,
ঘূৰাই দিয়া মাটিৰ গভীৰৰ পৰা উঠি অহা গুৰুতাৰ শিখৰ।
ঘূৰি যাব খোজো অস্তিত্বৰ উষা লগ্নলৈ
য'ত পাঠ ল'ম নতুন প্ৰত্যাবৰ্তনৰ
প্ৰকৃতিৰ মাজলৈ ঘূৰি আহিম, জীৱ বা জড় হৈ।"

পাবলো নেৰুদা

বৰ্তমান বিশ্বৰ আটাইতকৈ অধিক চৰ্চিত তথা আলোচিত বিষয়সমূহৰ ভিতৰত এক অন্যতম বিষয় হৈছে- "পৰিৱেশ" (Environment)। পৰিৱেশ হ'ল আমাৰ চৌপাশৰ অৱস্থা অৰ্থাৎ জীৱ আৰু জড় আটাইখিনি মিলিয়ে পৰিৱেশ। পৰিৱেশ বুলিলে আমি জীৱ-জগত আৰু উদ্ভিদ জগতৰ কেউফালে বিৰাজ কৰা পৰিস্থিতি বা অৱস্থাকে বুজা যায়। পৰিৱেশ ভৌতিক বা অজৈৱ (Physical or nonliving - abiotic) আৰু জৈৱ (Living - biotic) দুয়োটা দিশেই সামৰি লয়। পৰিৱেশ বুলিলে বায়ুমণ্ডল, ভূমণ্ডলকে ধৰি জীৱ আৰু উদ্ভিদৰ মূল উপাদান হিচাপে গণ্য কৰা হয়। অৰ্থাৎ পৰিৱেশে সামগ্ৰিকভাৱে বায়ু, পানী আৰু মাটি আৰু ইহঁতৰ মাজত থকা আন্তঃসম্পৰ্কৰ উপৰিও মানুহ আৰু জীৱৰ স'তে থকা সম্পৰ্কক বুজা যায়।

পৰিৱেশ হ'ল সকলো জীৱ আৰু সকলো বিষয়ৰ উৎস। বিশেষকৈ উন্নয়নশীল দেশৰ লোকে পৰিৱেশীয় প্ৰভাৱৰ কথা বাৰুকৈয়ে উপলব্ধি কৰিব পাৰে। কাৰণ তেওঁলোকৰ দৈনন্দিন জীৱন নিৰ্বাহৰ বাবে লগা বিষয়বোৰৰ সিংহভাগ স্থানীয় পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। কোনো এক অঞ্চলত বৃষ্টিপাতৰ পৰিবৰ্তন, ব্যৱসায়িক ভিত্তিত ব্যাপক ৰূপত মাছ ধৰা কাৰ্য, কাঠৰ আচবাবৰ লগত জড়িত ব্যৱসায়ৰ সম্প্ৰসাৰণ ইত্যাদিয়ে একোটা অঞ্চলত স্থানীয়ভাৱে বাস কৰা প্ৰকৃতি নিৰ্ভৰশীল লোকসকলৰ জীৱন নিৰ্বাহত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়। সম্প্ৰীতি পৰিৱেশ ধাৰণাটো কেৱল পৰিয়াল এটাৰ চৌপাশ বা কোনো এটা অঞ্চলৰ স্থানীয় প্ৰাকৃতিক, আৰ্থসামাজিক পৰিসৰতে আবদ্ধ হৈ থকা নাই; ই এই ধৰাৰ জল, স্থল আৰু বায়ুমণ্ডল সমস্তকে সামৰি লৈছে। সেয়েহে ইয়াৰ অধ্যয়ন পৰিসৰ ঘৰুৱাভাৱে শীতলীকৰণ যন্ত্ৰ ব্যৱহাৰ বা পলিথিনৰ জোলোঙা ব্যৱহাৰৰ পৰা আৰম্ভ কৰি গোলকীয় তাপমাত্ৰা বৃদ্ধি বা অ'জন স্তৰৰ সুৰুঙা ওলোৱা পৰিঘটনালৈকে বিস্তৃত।

পৃথিৱীৰ মানুহে পৃথিৱীৰ উপগ্ৰহ চন্দ্ৰ পিঠিত ভৰি দিছে। মহাকাশ বিজ্ঞানীয়ে চন্দ্ৰপৃষ্ঠত খোজ কাঢ়ি চন্দ্ৰ পৰিৱেশ সম্পৰ্কে বৰ্ণনা দিছে। চন্দ্ৰৰ পিঠিত যি পৰিৱেশ তাত উশাহ ল'ব পৰাকৈ বায়ুমণ্ডল নাই। পানী নাই। পৃথিৱীৰ উপৰিভাগত যিদৰে মাটি আছে, চন্দ্ৰ পৃষ্ঠত তেনেকুৱা মাটি নাই, তাৰ ঠাইত নিষ্প্ৰাণ শিল, ধূলি আছে। চন্দ্ৰ পৃষ্ঠৰ এই বৰ্ণনাও এক পৰিৱেশৰেই বৰ্ণনা চন্দ্ৰ পৰিৱেশ হ'ল জীৱহীন বা অজৈৱ।

পৃথিৱীৰ পৰিৱেশ হ'ল জীৱৰে ভৰা। জীৱ বেষ্টিত পৰিৱেশক 'জৈৱিক পৰিৱেশ' বোলা হয়।

**দাৰ্শনিক দৃষ্টিত পৰিৱেশ ঃ**

দৰ্শন হৈছে সমগ্ৰ জগত আৰু জীৱন সম্পৰ্কে সামগ্ৰিকভাৱে এক প্ৰণালীবদ্ধ অধ্যয়ন। দৰ্শন বুলিলে আমি সত্যৰ দৰ্শন নাইবা জ্ঞানৰ প্ৰতি স্পৃহাক বুজো। তাৰোপৰি দৰ্শন হৈছে জীৱন আৰু অভিজ্ঞতাৰ সমালোচনা। মানৱ জীৱন আৰু অভিজ্ঞতাৰ এনে কোনো দিশ নাই যি দৰ্শনত আলোচিত নহয়। দৰ্শনে প্ৰায় সকলো বিষয়কে সামৰি লয়।

পৰিৱেশ হৈছে আমাৰ চাৰিওফালে আগুৰি থকা বায়ু, পানী, মাটি গছ-গছনি, জীৱ-জন্তু, দোকান-পোহাৰ, বজাৰ-সমাবোহ আদি সকলো আমাৰ পৃথিৱীত বৰ্তি থাকিবলৈ সৃষ্টি হোৱা সামগ্ৰিক অৱস্থা। পৰিৱেশ অবিহনে কোনো জীৱাই থাকিব নোৱাৰে।

বৰ্তমান পৰিৱেশ অধ্যয়ন বহুতো নতুন নতুন বিষয়ৰ লগত জড়িত হৈ পৰিছে। সেয়ে ইয়াক বহুতো বিষয় (Multidisciplinary subject) হিচাপে পৰিগণিত কৰি তোলা হৈছে। সেই বিষয়সমূহৰ ভিতৰত দৰ্শনো এক প্ৰকাৰ উল্লেখযোগ্য বিষয়। দৰ্শন আৰু পৰিৱেশৰ মাজতো এক সম্পৰ্ক আছে।

কোনো এক বিষয় পদ্ধতিগতভাৱে চিন্তা-চৰ্চা কৰি যুক্তিসম্মত সিদ্ধান্ত গ্ৰহণৰ লগত দৰ্শনশাস্ত্ৰ জড়িত। গতিকে দৰ্শনে পৰিৱেশৰ ওপৰত এক পদ্ধতিগত অধ্যয়ন চলোৱাত সহায় কৰে। দৰ্শন ভিত্তিক পৰিৱেশ অধ্যয়ন হ'ল এক সুস্থ চিন্তাৰ ফল, ই হুকুমতে ভাবি উপনীত হোৱাৰ সিদ্ধান্তৰ সমষ্টি নহয়। দৰ্শন ভিত্তিক পৰিৱেশ অধ্যয়নহে এখন সমাজৰ বাবে দূৰদৃষ্টিসম্পন্ন হ'ব পাৰে।

তাৰোপৰি দাৰ্শনিক চিন্তা চৰ্চাৰ সূত্ৰপাত হয় প্ৰকৃতিৰ পৰাই। দৰ্শনৰ সাধাৰণ ধাৰণাৰ লগত প্ৰকৃতিৰ গভীৰ সম্পৰ্ক আছে। প্ৰকৃতিৰ লগত দৰ্শনৰ যোগসূত্ৰ নিবিড়। প্ৰকৃতি দৰ্শন হৈছে প্ৰকৃতি সম্পৰ্কীয় দাৰ্শনিক আলোচনা বিষয় যিয়ে প্ৰাকৃতিক এক বাস্তৱ সত্তা হিচাপে জ্ঞান কৰি ইয়াৰ মূল্যৰ বিষয়ে আলোচনা কৰা লগতে প্ৰকৃতিৰ বাস্তৱ তথ্যসমূহৰ অনুসন্ধান কৰে। প্ৰকৃতি সম্পৰ্কে মানুহৰ ভাৱ-অনুভূতি অথবা উপলব্ধি আৰু প্ৰকৃতিৰ লগত মানুহৰ ঘনিষ্ঠ যোগসমূহৰ সকলো দিশৰ বিষয়ে প্ৰকৃতি দৰ্শনে প্ৰণালীবদ্ধভাৱে আলোচনা কৰে।

প্ৰকৃতি দৰ্শনে প্ৰকৃতিৰ নিজস্ব স্বভাৱ, বিশেষত্ব আৰু মানুহৰ প্ৰতি প্ৰকৃতিৰ উদাৰ আচৰণৰ বিষয়ে পুংখানুপুংখৰূপে বিচাৰ বিশ্লেষণৰ প্ৰচেষ্টা চলায়। বৰ্তমান কালত দৰ্শনৰ সাধাৰণ ব্যাখ্যা হৈছে মানুহ আৰু পৃথিৱীৰ ঘনিষ্ঠ যোগসূত্ৰৰ বিষয়ে অধ্যয়ন। পৃথিৱীত মানুহৰ স্থান, কাৰ্যকলাপ বিকাশৰ বিভিন্ন অৱস্থা আৰু মানুহৰ ভৱিষ্যত জীৱনৰ নানা সমস্যা সম্পৰ্কে দৰ্শনে তাত্ত্বিক বিচাৰ বিশ্লেষণ আগবঢ়ায়।

গতিকে, প্ৰকৃতি দৰ্শনৰ মূল কাম হৈছে মানুহ আৰু প্ৰকৃতিৰ মাজত থকা বন্ধুত্ব সুলভ যোগসূত্ৰৰ ধ্যান ধাৰণা শক্তিশালী কৰি তোলা। প্ৰকৃতিৰ দৰ্শনৰ মূল কাম হৈছে প্ৰকৃতিৰ প্ৰতি বিবেকবান আচৰণ প্ৰদৰ্শনৰ বাবে মানুহক প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰা।

দৰ্শনৰ এক গুৰুত্বপূৰ্ণ বিভাগ হ'ল নীতিশাস্ত্ৰ। নৈতিক দৃষ্টিকোণৰ পৰা পৰিৱেশৰ অধ্যয়নৰ এক নতুন আৰু প্ৰয়োজনীয় দিশ দাৰ্শনিক যুক্তিৰে পৰিৱেশৰ নৈতিক দিশ সমূহ পৰ্যালোচনা কৰিব পাৰিলে সমাজত ইয়ে পৰিৱেশ সংৰক্ষণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। এই সম্পৰ্কে দুই ধৰণৰ যুক্তি দেখিবলৈ পোৱা যায়- প্ৰাচ্যৰ আধ্যাত্মিকতা জড়িত পৰিৱেশ সম্পৰ্কীয় দাৰ্শনিক দৃষ্টিভংগী; আনহাতে, পাশ্চাত্য দৰ্শনৰ তাত্ত্বিক যুক্তিৰ পৰিৱেশ সম্পৰ্কীয় দাৰ্শনিক দৃষ্টিভংগী।

পৰিৱেশ হৈছে এক বহল বিষয়। এই পৰিৱেশক বিভিন্ন দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰিব পৰা যায়। তলত উল্লেখ কৰা হৈছে কিছুমান দৃষ্টিকোণ বা দৃষ্টিভংগী যাৰ দ্বাৰা পৰিৱেশক ব্যাখ্যা কৰিব পাৰি।

**মানৱকেন্দ্ৰিক ঃ**

পৃথিৱীৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ জীৱ হৈছে, মানৱ বা মানুহ। মানুহ হৈছে এক প্ৰকৃতিৰ অংশবিশেষ। পৰিৱেশৰ এটি অংগ হিচাপে মানুহে পৰিৱেশৰ সৈতে সমিলমিলেৰে জীৱন ধাৰণ কৰে। জাতি-ধৰ্ম, ৰীতি-নীতি, অৰ্থনীতি, জীৱিকাৰ উপায়, যাতায়ত পৰিবহন, বাসগৃহ নিৰ্মাণ, শিক্ষা-সংস্কৃতি, প্ৰশাসন, সমাজ, বেহা-বেপাৰ আদি বিভিন্ন কাৰকেৰে মানুহে নিজৰ বাবে এক পৰিৱেশৰ সৃষ্টি কৰিছে, সেয়া হ'ল 'মানৱ সৃষ্ট পৰিৱেশ'। মানুহে নিজা বুদ্ধি কৌশল খটুৱাই প্ৰাকৃতিক পৰিৱেশ প্ৰদত্ত সুবিধাসমূহৰ পৰা নিজৰ প্ৰয়োজনীয় পানী, তাপ, বতাহ, ইন্ধন, খাদ্য, পোচাক ইত্যাদি সংগ্ৰহ কৰি লয়। মানুহৰ প্ৰয়োজনীয় সকলো প্ৰকৃতিৰ পৰাই সংগ্ৰহ কৰে। মানুহৰ প্ৰয়োজনীয়তা বাঢ়ি যোৱাৰ লগে লগে প্ৰকৃতিৰ ওপৰত মানুহৰ কাৰ্যও বাঢ়ি গৈছে।

অতীতকালৰে পৰা মানুহে প্ৰাকৃতিক পৰিৱেশত থাকি বাস কৰিছিল তথা কৰি আহিছে। মানুহ আৰু পৰিৱেশৰ মাজত ওতঃপ্ৰোত সম্বন্ধ আছে। মানুহেই হ'ল পৃথিৱীৰ প্ৰতিপত্তিশালী জীৱ। মানুহে বিভিন্ন কৰ্মৰে পৰিৱেশৰ যথেষ্ট পৰিৱৰ্তন সাধিছে। কিছু ক্ষেত্ৰত এই পৰিৱৰ্তন সমূহ ইমান গভীৰ যে আমি এনে পৰিৱৰ্তনক মানৱসৃষ্ট বা কৃত্ৰিম পৰিস্থিতি তন্ত্ৰ বুলি কওঁ। পৃথিৱীৰ বিভিন্ন ঠাইত বিভিন্ন পৰিৱেশত মানুহে বাস কৰে। যিয়ে যি ঠাইত বাস কৰে, সেই ঠাইৰ পৰিৱেশৰ সৈতে নিজকে অভ্যস্ত কৰি লয়। গতিকে, এটা পৰিৱেশৰ মানুহৰ জীৱন ধাৰণ পদ্ধতি আন এটা পৰিৱেশৰ সৈতে নিমিলে। উদাহৰণস্বৰূপে, মৰুভূমি জগতত বা অঞ্চলত থকা লোকৰ সাজ-পোচাক বৰফাবৃত মেৰু অঞ্চলত থকা এস্কিম'সকলতকৈ বেলেগ; থকা ঘৰ, খোৱা-বোৱা পদ্ধতি আদিও ভিন্ন। মানৱ জীৱনৰ মৌলিক প্ৰয়োজনীয়তা পূৰণৰ বাহিৰে মানুহে উন্নত আৰু সময়োপযোগী জীৱন-যাপনৰ বাবে প্ৰকৃতিৰ ৰাজ্যৰ সম্পদৰাজি আহৰণ কৰে।

পৰিৱেশ বিজ্ঞানীৰ মতে মানুহে নিজৰ সুবিধা অনুযায়ী গঢ়ি তোলে পৰিৱেশ, য'ত থাকে সকলো মানুহ, মন, সমাজ, আশা-আকাংক্ষা ইত্যাদি। পৰিৱেশ বিজ্ঞানৰ আনুষ্ঠানিক জ্ঞান নথকা সময়তো পৰম্পৰাগত কৃষিজীৱি সমাজত পৰিৱেশ মিত্ৰ বহুতো কাম-কাজ মানুহে কৰি গৈছিল, তেতিয়া সাধাৰণ মানুহবোৰ অশিক্ষিত আছিল যদিও পৰম্পৰাগত বিধি-বিধান শাস্ত্ৰৰ আভা বা গুৰুৰ আজ্ঞা পালন কৰিছিল; অথচ তেওঁলোকে শাস্ত্ৰ পঢ়িবও নাজানিছিল। আমাৰ সমাজত প্ৰচলিত এনে কিছুমান কৰ্ম হৈছে,

ক) বেলগছৰ তলত চাকি দিয়া।
খ) সিজু গছ, তুলসী গছৰ তলত চাকি জ্বলোৱা
গ) সাপ মাৰিব নাপায়






ঘ) মেকুৰী মাৰিব নাপায়
ঙ) বহাগ বিহুত গৰু গা ধুৱা আৰু পূজা কৰা ইত্যাদি

এনে ধৰণৰ লোকবিশ্বাস অসমৰ অঞ্চলে অঞ্চলে বহুত আছে আৰু এইবোৰৰ ভিত্তিত কৰা বহুতো কাম-কাজ প্ৰত্যক্ষ বা পৰোক্ষভাৱে পৰিৱেশ ৰক্ষা কৰাত সহায় কৰে। বিয়া-সবাহ, পূজা-পাৰ্বণ, বিহু উৎসৱ আৰু বিভিন্ন লোক উৎসৱত নানা প্ৰকাৰৰ ফুল, তুলসী, উদ্ভিদ, জীৱ-জন্তু আদি ওতঃপ্ৰোতভাৱে জড়িত। এইবোৰ কাৰ্যৰ দ্বাৰা মানুহৰ অজানিতে পৰিৱেশ সুৰক্ষিত হয়; প্ৰাণী আৰু উদ্ভিদৰ যথাযথ আদৰ কৰাৰ প্ৰৱণতাও মানুহৰ মাজত স্বাভাৱিকতে আহি যায়। মানৱ হৈছে প্ৰকৃতিৰ দাস। আমি মানুহবোৰ দবাচলতে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। আমি প্ৰকৃতিৰ বিনিময়ত জীয়াই আছো। প্ৰকৃতিয়ে আমাক খাদ্যৰ যোগান ধৰে, প্ৰকৃতিৰ বাবদ আমি অক্সিজেন লাভ কৰো। প্ৰকৃতিৰ পৰা পোৱা বস্তুসমূহৰ পৰা আমি নিজৰ বাসগৃহ সাজি লওঁ। প্ৰকৃতিয়ে আমাক অৰ্থাৎ মানুহক বহুতো দান-বৰগুণি আগবঢ়ায়। এই মানৱ জাতিটোৱে প্ৰাচীন কালৰে পৰা প্ৰকৃতিৰাজ্যত বাস কৰি আহিছে আৰু মানৱ জাতিটোৱে নিজকে বিভিন্ন পৰিৱেশত খাপ খুৱাই থাকিব বিচাৰে তথা সেই পৰিৱেশত পৰিৱেশৰ সৈতে মিলি যাবলৈ চেষ্টা কৰে।

বৰ্তমান মানুহৰ দ্বাৰা সৃষ্ট বৃহৎ সমস্যা হ'ল, জনসংখ্যা বৃদ্ধি। জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহে অৰ্থ, বস্ত্ৰ, অন্ন, বাসস্থানৰ খাটিৰত চৌপাশৰ পৰিৱেশ বিনষ্ট কৰিছে। বায়ু, পানী, মাটি, গেটা-আবৰ্জনা আদিৰ প্ৰদূষণ, গছ-গছনি, মানুহ, জীৱ-জন্তু তথা সমস্ত জীৱকুলৰ বাবে সংশয়ৰ কাৰণ হৈ পৰিছে। ৰাষ্ট্ৰ সংঘকে আদি কৰি বিশ্বস্তৰীয় সংস্থাসমূহেও এই সম্পৰ্কে ইয়াৰ কাৰণ আৰু ফলাফল সম্পৰ্কে বিস্তৃত প্ৰতিবেদন দাঙি ধৰিছে।

**প্ৰকৃতিকেন্দ্ৰিক**

প্ৰকৃতি শব্দৰ অভিধানিক অৰ্থ হ'ল এক পাৰ্থিৱ জগত যিয়ে গ্ৰহ, নক্ষত্ৰ, জীৱ-জন্তু, প্ৰাকৃতিক দৃশ্যৰাজি, অন্যান্য প্ৰাকৃতিক ঘটনা যিবোৰ মানুহৰ দ্বাৰা সৃষ্ট নহয়, এই সকলোবোৰ সামৰি লয়। আন এক অৰ্থত প্ৰকৃতি হৈছে মানুহৰ জন্মগত স্বভাৱ বা গুণ। প্ৰকৃতিৰ আচৰণ নিয়মীয়া আৰু একৰূপী, প্ৰকৃতি ৰাজ্যত খাম-খেয়ালি আৰু বিশৃংখলতা নাই। প্ৰকৃতিৰ বিভিন্ন ধৰণৰ বস্তুসমূহৰ মূল স্বভাৱৰ ক্ষেত্ৰত প্ৰকৃতি একৰূপ। অৰ্থাৎ ইয়াৰ অৰ্থ হ'ল, এটা শ্ৰেণীত অন্তৰ্গত সকলো ব্যক্তি বা বস্তুৰেই কিছুমান মৌলিক বা অত্যাৱশ্যকীয় গুণ থাকে। এই গুণ বিলাকেই এটা ব্যক্তি বা বস্তুৰ স্বভাৱ বা ধৰ্ম প্ৰকাশ কৰে।

**তাত্ত্বিক দৃষ্টিকোণৰ পৰা পৰিৱেশ (তাত্ত্বিক কেন্দ্ৰিক)**

পৰিৱেশক মুখ্যত দুটা দৃষ্টিকোণৰ পৰা পৰ্যালোচনা কৰিব পাৰি-

ক) তাত্ত্বিক আৰু
খ) ব্যৱহাৰিক

বহুতো দাৰ্শনিকৰ মতে পৰিৱেশৰ এক তাত্ত্বিক মূল্য আছে। তেওঁলোকৰ মতে পৰিৱেশত অন্তৰ্জাত মূল্য নিহিত থাকে। বিশেষকৈ, Kolston আৰু Patridge য়ে পৰিৱেশৰ এক অন্তৰ্জাত মূল্য থকা বুলি তেওঁলোকৰ বিভিন্ন লিখনিত যুক্তিৰে সৈতে দাঙি ধৰিব বিচাৰিছে। কিন্তু আন কিছুমানৰ মতে প্ৰকৃতিৰ অকল ব্যৱহাৰিক মূল্যহে আছে। কাৰণ, তেওঁলোকৰ মতে অন্তৰ্নিহিত মূল্য নিজে নিজেই মূল্যবান। তাৰবাবে আন কোনোৱে তেনে বস্তু বা বিষয়ৰ মূল্য নিৰ্ধাৰণ কৰিব নোৱাৰে।

**জ্ঞানকেন্দ্ৰিক**

বহুতো দাৰ্শনিকৰ মতে প্ৰকৃতি জ্ঞানৰ ভঁৰাল। অৰ্থাৎ প্ৰকৃতিক যিমান পাৰি ব্যৱহাৰ কৰি তাৰ পৰা জ্ঞান আহৰণ কৰিব পাৰো। এই যুক্তিটো মানৱকেন্দ্ৰিক অন্তৰ্ভুক্ত হ'লেও ইয়াৰ এক সুকীয়া বৈশিষ্ট্য আছে। জ্ঞানকেন্দ্ৰিক যুক্তিৰ সমৰ্থনকাৰী সকলে যুক্তিপূৰ্ণভাৱে প্ৰকৃতিৰ পৰা জ্ঞান আহৰণৰ কথা উল্লেখ কৰে।

**নৈতিক দৃষ্টিকোণৰ পৰা পৰিৱেশ**

নীতিশাস্ত্ৰ বা নৈতিকতা দৰ্শনৰ এটা ভাগ। নীতিশাস্ত্ৰ হৈছে মানুহৰ ৰীতি-নীতি, প্ৰথা বা অভ্যাস সম্পৰ্কীয় বিজ্ঞান। অৰ্থাৎ নীতিশাস্ত্ৰ হৈছে সমাজবদ্ধ মানুহৰ ঐচ্ছিক ক্ৰিয়া বা আচৰণৰ এক আদৰ্শনিষ্ঠ বিজ্ঞান। নীতিশাস্ত্ৰ তথা নৈতিকতা নীতি বা প্ৰমূল্যৰ ওপৰত নিৰ্ভৰশীল। কোনো এটা নীতি হ'ল এটা মতভাৱনা বা প্ৰমূল্য যাৰ সহায়ত আমি কোনো এটা কাৰ্য ভাল নে বেয়া, কোনো এটা কাম কৰা উচিত নে অনুচিত তাক নিৰ্ধাৰণ কৰা হয়। এই নীতি-নিয়মসমূহ সালসলনি হৈ থাকে; আৰু ই দেশ, জাতি, ধৰ্ম আদিৰ বিভিন্নতাৰ ওপৰত নিৰ্ভৰশীল।

অতীতৰ পৰাই প্ৰকৃতিৰ সকলো কামেই কিছুমান নিৰ্দিষ্ট নিয়ম-নীতিৰ মাজেদি চলি আহিছে আৰু অতীতত প্ৰকৃতিয়েই সকলোকে পৰিচালনা কৰি আহিছিল। মানুহো প্ৰকৃতিৰে অংশ। অতীজত মানুহো প্ৰকৃতিৰ দাস আছিল। কিন্তু সময়ৰ বিৱৰ্তনৰ লগে লগে মানুহৰো ক্ৰমবিকাশ ঘটিল আৰু সকলো জীৱৰ মাজত শ্ৰেষ্ঠ হিচাপে প্ৰতিপন্ন হ'ল। ফলত মানুহে নিজৰ বিচাৰ বুদ্ধিৰে প্ৰকৃতিকো কিছুমান ক্ষেত্ৰত পৰিচালনা কৰিব পৰা হ'ল। লাহে লাহে প্ৰকৃতিৰ নিয়মবো পৰিৱৰ্তন ঘটিল। কিন্তু তাৰ ফলত পৰিৱেশত কিছুমান বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'বলৈ ধৰিলে। গতিকে, মানুহৰ এই ক্ষেত্ৰত চিন্তা-চৰ্চাৰ প্ৰয়োজন হ'ল আৰু পৰিৱেশীয় নীতিকথা এটা বিচাৰ্য বিষয় হিচাপে পৰিগণিত হ'ল।

পৰিৱেশীয় নীতিকথা দুটা দিশৰ পৰা বিবেচনা কৰা হ'ল। সেয়া হৈছে,

(ক) ব্যক্তিকেন্দ্ৰিক

(খ) পৰিৱেশ কেন্দ্ৰিক

ব্যক্তিকেন্দ্ৰিক দিশত যাইকে মানুহৰ ব্যক্তিগত লাভালাভৰ ওপৰত গুৰুত্ব দিয়া হয়। ব্যক্তিকেন্দ্ৰিক পৰিৱেশীয় নীতিকথাই পৰিৱেশৰ ওপৰত প্ৰভূত্ব বিস্তাৰ কৰি মানুহেই সকলো জীৱৰ ভিতৰত শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব বিছাৰে। ই সম্ভৱ নহয় যাইকে প্ৰয়োগিক প্ৰযুক্তিৰ সহায়েৰে কৰিব পৰা আৰ্থিক উন্নয়নৰ জৰিয়তে। এনে নীতিত পৰিৱেশৰ ওপৰত পৰা প্ৰভাৱ অথবা ক্ষতিক কোনো গুৰুত্ব দিয়া নহয়। ব্যক্তিকেন্দ্ৰিক পৰিৱেশীয় নীতি সাধাৰণতে উদ্যোগিক সমাজত আৰু আধুনিক সমাজত দেখা যায়। এনে সামাজিক নীতিত মানুহেই পৃথিৱীৰ আটাইতকৈ শক্তিশালী বুলি গণ্য কৰা হয় আৰু সেইবাবে পৰিৱেশৰ আন অংগসমূহৰ ক্ষতিক প্ৰাধান্য নিদিয়ে। বেছিভাগ উদ্যোগিক সমাজে মানৱ সম্বন্ধীয় ধাৰণাৰ ওপৰত বিশ্বাস কৰে। এই ধাৰণা মতে প্ৰকৃতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰজাতি হ'ল- মানুহ, আৰু পৃথিৱীত সম্পদৰ অপৰিসীম ভাণ্ডাৰ আছে। সেয়ে মানুহৰ সফলতা আৰু সুস্থ অৰ্থনীতি নিৰ্ভৰ কৰে কেনেদৰে মানুহে প্ৰাকৃতিক সম্পদসমূহ আহৰণ কৰি অৰ্থনৈতিক উন্নতিৰ লগতে পৰিৱেশৰ অৱস্থাৰো উন্নতি কৰে তাৰ ওপৰত। সেয়ে মানুহে প্ৰাকৃতিক সম্পদসমূহৰ অধিক আহৰণ কৰি পৰিৱেশত প্ৰদূষণ সৃষ্টি কৰিছে। ব্যক্তিকেন্দ্ৰিক পৰিৱেশীয় নীতিয়ে প্ৰকৃতিৰ পৰা যিমানেই সম্পদক আহৰণ কৰি আৰ্থিকভাৱে লাভালাভ হয় তাকেই মানুহৰ কৃতকাৰ্যতা হিচাবে গণ্য কৰে। অৰ্থনৈতিক উন্নতিয়েই সুস্থ পৰিৱেশ সৃষ্টি কৰাত অৰিহণা যোগাব বুলি এই নীতিয়ে মতপোষণ কৰে।

পৰিৱেশকেন্দ্ৰিক ভাবধাৰাত মানুহো প্ৰকৃতিৰ এক অংগ হিচাপে বিবেচনা কৰি সকলো জীৱৰে লগত সহবাস কৰাত গুৰুত্ব দিয়ে। এই নীতি অনুসৰি মানুহৰ কাৰ্যকলাপে যাতে কোনো পৰিস্থিতিতে পৰিৱেশৰ অনিষ্ট নহয় তাৰ প্ৰতি লক্ষ্য ৰাখে। পৰিৱেশীয় নীতিকথাই আমাক আমাৰ ভাবধাৰা তথা বিশ্বাসসমূহ কাৰ্যৰ মাজেদি প্ৰতিফলিত কৰাত আৰু ভাল-বেয়া বিচাৰ কৰি এটা সিদ্ধান্তত উপনীত হোৱাত সহায় কৰে।

পৰিৱেশীয় নীতিৰ সপক্ষে মানি চলিবলগীয়া কিছুমান ব্যৱস্থা, যাৰ ব্যৱস্থাসমূহে মানুহৰ ভৱিষ্যত সুৰক্ষাৰ লগতে পৰিৱেশৰ সুৰক্ষাতো সহায় কৰিব তথা পৰিৱেশ সংকটৰ পৰা ৰক্ষা পাবলৈ আমি পৰিৱেশ সম্বন্ধীয় কিছুমান নীতি মানি চলিব লাগিব যাৰ ফলত উন্নত পৰিৱেশ আৰু উজ্জ্বল ভৱিষ্যতৰ কামনা কৰিব পাৰো।

ক) প্ৰকৃতিৰ প্ৰতি প্ৰেম আৰু শ্ৰম

খ) সকলো জীৱৰে প্ৰতি কৃতজ্ঞ হোৱা, যাৰ বাবে জীৱই খাদ্য, বস্ত্ৰ লগতে বাসস্থানৰ সুবিধা পাইছে।

গ) সকলোৱে ভবা উচিত যে প্ৰকৃতি প্ৰদত্ত যিকোনো বস্তুৱেই ধ্বংস কৰাৰ অধিকাৰ কাৰো নাই।

ঘ) প্ৰাকৃতিক সম্পদ আহৰণ কম পৰিমাণত হোৱাটো উচিত যাতে সকলোৱে এই সম্পদ ভোগ কৰিব পাৰে.

ঙ) পৰিৱেশৰ ক্ষতি কৰিব পৰা কামৰ পৰা বিৰত থকা আৰু পৃথিৱীখনক আৱৰ্জনাৰ স্থল হিচাবে গণ্য নকৰা। কিয়নো এনে কাৰ্যই ভৱিষ্যত নিজৰেই বিপদ মাতি আনিব।

চ) জনসংখ্যা নিয়ন্ত্ৰণ কৰা, যাতে পৃথিৱীৰ সুখ সম্পদসমূহ সকলোৱে ভোগ কৰিব পাৰে।

ছ) ভৱিষ্যত প্ৰজন্মই পৰিস্কাৰ আৰু নিৰাপদ পৰিৱেশত জীয়াই থকাৰ অধিকাৰৰ পৰা বঞ্চিত হ'ব নালাগে।

পৰিৱেশীয় নৈতিকতাই প্ৰকৃতি পৰিৱেশৰ সৈতে মানুহৰ নীতিশাস্ত্ৰ সম্বন্ধিত সম্পৰ্ক বুজায়। এই নীতি বিলাকে মানুহৰ পৰিৱেশৰ সম্বন্ধে থাকিব লগা দায়িত্ব, কৰ্তব্য মানৱ জাতিৰ প্ৰয়োজনীয়তা আৰু মনোযোগ ইত্যাদিৰ বিষয়ে ধ্যান ধাৰণা দিয়ে। দুটা প্ৰয়োজনীয়তাৰ ভিতৰত কোনটো বেছি প্ৰয়োজন তাক এই নীতিৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয়। এই ধৰণৰ নীতি সম্বন্ধীয় প্ৰশ্নৰ সমাধান বিচৰাৰ প্ৰয়াসেই গোলকীয় পৰিৱেশ ৰক্ষাৰ বিভিন্ন নৈতিক ধাৰণা বা সূত্ৰ সৃষ্টি হৈছে। অগ্ৰণী পৰিৱেশবিদ 'গিফৰ্ডৰ মতে পৰিৱেশ সংৰক্ষণৰ মূল উদ্দেশ্য হ'ল "আটাইতকৈ বেছি সংখ্যকৰ বাবে আটাইতকৈ বেছি সময়ৰ বাবে আটাইতকৈ ভাল উৎপন্ন কৰাই পৰিৱেশীয় উপাদান সমূহৰ ব্যৱহাৰ কৰা"।

বিজ্ঞানৰ বিকাশৰ লগে লগে মানুহৰ ধাৰণা আছিল যে গোটেই পৃথিৱীখনৰ প্ৰাকৃতিক ঐশ্বৰ্যখিনি মাত্ৰ মানুহৰ ব্যৱহাৰৰ কাৰণেহে সৃষ্টি হৈছে। কিন্তু বৰ্তমান বিজ্ঞানৰ অধিক অগ্ৰগতিৰ ফলত মানৱ জাতিয়ে বুজি পাইছে যে পৃথিৱীৰ সকলো জীৱই ইটোৰ লগত সিটো এটা এৰাব নোৱাৰা সম্বন্ধৰে বান্ধ খাই আছে। এই ধৰণৰ সম্বন্ধই এটা পৰিৱেশীয় ভাৰসাম্য ৰক্ষা কৰি আহিছে। সেয়ে বৰ্তমানৰ মানুহে মানৱ কেন্দ্ৰীক দৃষ্টিভংগী ত্যাগ কৰি জীৱকেন্দ্ৰিক (Biocentric) দৃষ্টিভংগী গ্ৰহণ কৰিছে। এই ধৰণৰ দৃষ্টিভংগীৰে Paul Paylor নামৰ পৰিৱেশবিদজনে তেওঁৰ 'Respect to Native'নামৰ গ্ৰন্থখনত চাৰিটা মূল মত প্ৰকাশ কৰে। সেই মত সমূহ হ'ল-

ক) মানুহ পৃথিৱীৰ আন জীৱসমূহৰ দৰেই এবিধ জীৱ।

খ) মানুহ আৰু আন প্ৰজাতিসমূহ পৰস্পৰ নিৰ্ভৰশীল।

গ) সকলো জীৱই অতুলনীয়।

ঘ) মানৱজাতি জন্মগত ভাৱে আন জীৱতকৈ উচ্চ খাপৰ নহয়।





এই উল্লেখ কৰা নীতিসমূহ আমি যদি সম্পূৰ্ণৰূপে পালন কৰিবলৈ যাওঁ তেতিয়া আমি চিকাৰ কৰা, মাছ মৰা, গছ-গছনি কটা ইত্যাদি সকলো বন্ধ কৰিব লাগিব আৰু সকলো মানুহ নিৰামিষভোজী হ'ব লাগিব। কিন্তু মানুহো যিহেতু প্ৰকৃতিৰে এটা অংগ আৰু মানুহো খাদ্য শৃংখলৰ এটা অভিন্ন অংশ, গতিকে মানুহো প্ৰাকৃতিক পৰিৱেশৰ পৰাই খাদ্য শৃংখলৰ জৰিয়তেই আহাৰ সংগ্ৰহ কৰিব লাগিব। C. B. Jeryanএ কৈছে যে, মানুহ যিহেতু পৃথিৱীৰ আটাইতকৈ বুদ্ধিমান, উন্নত মগজুৰ প্ৰাণী সেয়েহে ই পৰিৱেশকে নিজৰ সুবিধা মতে পৰিচালনা কৰাৰ প্ৰৱণতা থকাটো স্বভাৱিক। মানুহৰ এই বুদ্ধিমত্তা প্ৰাকৃতিক ভাৱেই সৃষ্টি হোৱা। গতিকে মানুহে নিজৰ বিচাৰ বুদ্ধিৰে পৃথিৱীখনৰ পৰিচালিত কৰি অধিক উন্নত কৰাৰ থল আছে কিন্তু ই সম্ভৱ হ'ব যদিহে মানুহে নিজকে প্ৰকৃতিৰ ভিতৰৰ অংগ বুলি ভাৱে। পবিত্ৰ বেদ আৰু উপনিষদত প্ৰকৃতি আৰু পৰিৱেশৰ মূল্যৰ বিষয়ে উল্লেখ আছে। উদাহৰণ স্বৰূপে, "সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ড আৰু ইয়াৰ সকলো জীৱ ঈশ্বৰৰ সৃষ্টি। সেয়ে কোনো প্ৰজাতিয়ে আনটো প্ৰজাতিৰ অধিকাৰ আৰু সুবিধাত আঘাত কৰিব নালাগে"- ঈষোপনিষদ। সেয়ে পৰিৱেশৰ নীতি অনুসৰি মানুহে প্ৰকৃতিৰ এটা অংগ হিচাপে বাস কৰিব শিকিব লাগে যাতে সকলো প্ৰজাতিয়ে জীৱন নিৰ্বাহ কৰিব পাৰে।

প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰোঁতে সঘনাই আমি কিছুমান দোমোজাৰ সন্মুখীন হ'বলগীয়া হয়। উদাহৰণ স্বৰূপে জনসংখ্যা বৃদ্ধিৰ ফলত হোৱা খাদ্য নাটনিৰ ঘাটি পূৰাবলৈ যদি বনাঞ্চল সমূহ ধ্বংস কৰি খেতি পথাৰলৈ পৰিণত কৰা হয় তেন্তে পৰিৱেশ ধ্বংস হ'ব। আৰু যদি এই ধৰণৰ অনুমতি দিয়া নহয় তেতিয়া খাবলৈ নেপাই মানুহ মৰিব পাৰে। এই বিষয়ে পৰিৱেশবিদ সকলে অধ্যয়ন কৰি মত প্ৰকাশ কৰিছে যে, যদি এনেদৰে খাদ্যৰ নাটনি পূৰাবলৈ যথে-মথে বনাঞ্চল ধ্বংস কৰিবলৈ দিয়া হয় তেতিয়া মানুহে অনতিপলমে পৃথিৱীৰ বৃহৎ বনাঞ্চল সমূহ নিজৰ আৰ্থিক লাভৰ বাবে ধ্বংস কৰি মৰুভূমিত পৰিণত কৰিব আৰু তেতিয়া খাদ্যৰ অভাৱত বেছি মানুহ মৃত্যুৰ সন্মুখীন হ'ব বা নিজৰ ভিতৰতে সংঘাত হৈ মানৱ জাতি পৃথিৱীৰ পৰা নোহোৱা হৈ যোৱাৰ সম্ভাৱনাও আছে। পৃথিৱীৰ বিভিন্ন প্ৰাণীবিলাকৰ বিৱৰ্তনৰ ধাৰা লক্ষ্য কৰি আমি এনে বহুত প্ৰাণী পৃথিৱীৰ বুকুৰ পৰা নিচিহ্ন হোৱাৰ উদাহৰণ পাওঁ। গতিকে, মানুহে নিজৰ উন্নত বিচাৰ বুদ্ধিৰে প্ৰাকৃতিক পৰিৱেশক ধ্বংসৰ পৰা ৰক্ষা কৰি ডাইন'চৰ আদি উন্নত প্ৰাণী ধ্বংস হোৱাৰ পৰা শিক্ষা গ্ৰহণ কৰি নিজৰ ভৱিষ্যত ৰক্ষাৰ বাবেই পৃথিৱীৰ বিশাল পৰিস্থিতিতন্ত্ৰ সন্তুলন ৰক্ষা কৰি চলা উচিত।

ভাৰতীয় দাৰ্শনিকসকলে যুক্তি দৰ্শাইছিল যে, বুদ্ধিদীপ্ত প্ৰাণী হিচাবে পৰিৱেশ সংৰক্ষণ কৰাতো মানুহৰ মৌলিক কৰ্তব্য হোৱা উচিত। তেওঁলোকৰ মতে যদিহে পৰিৱেশৰ লগত বন্ধুত্বপূৰ্ণ সহৱস্থান কৰা হয়, তেনেহ'লে প্ৰকৃতিয়ে সকলোকে সন্তুষ্ট কৰিব পাৰে। পৌৰাণিক যুগৰ পৰা চলি অহা বহুতো ৰীতি-নীতি আজিও সমাজত প্ৰচলন হৈ আহিছে। চৰকাৰী তথা বেচৰকাৰী সংস্থাসমূহ আগবাঢ়ি আহি নীতিগত দিশৰ আধাৰত অকুশলী কাৰ্যসমূহ বন্ধ কৰাৰ উদ্যোগ ল'ব লাগিব। চৰকাৰেও উপযুক্ত আঁচনিৰ ৰূপায়ণ কৰি পৰিৱেশ ধ্বংস কৰিব পৰা কাৰকসমূহ নিৰ্মূল কৰিবলৈ আগবাঢ়ি আহিব লাগিব।


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। ঠাকুৰীয়া, সিংহ, চাউদ, শৰ্মা ঃ পৰিৱেশ অধ্যয়ন - অসমী প্ৰকাশনী, বঙাইগাঁও, অসম-৭৮৩৩৮০, অক্টোবৰ, ২০০৪

২। ডেকা, প্ৰাঞ্জল সেন ঃ স্মৃতিগ্ৰন্থ, 'পৰিৱেশ প্ৰদূষণ আৰু আমি এটি চমু খতিয়ান" অৰিওম অফচেট এণ্ড ইমেজিং চিষ্টেম, বাজগড়, গুৱাহাটী, ২০০৯

৩। দাস, যুথিকা, শৰ্মা মাইনা ঃ তৰ্কবিজ্ঞান আৰু দৰ্শন, অসম বুক ডিপো, পাণবজাৰ, গুৱাহাটী-১, আগষ্ট, ২০১১

৪। দাস বৰুৱা, ড' ভাস্বতী ঃ একাডেমিয়া, "পৰিৱেশীয় অধ্যয়ণ আৰু সমাজত ইয়াৰ প্ৰভাৱ - এক ক্ষেত্ৰভিত্তিক অধ্যয়ন", গিৰিজা প্ৰিন্টাৰ্চ এণ্ড পাব্লিচাৰ্চ, দিশপুৰ, গুৱাহাটী-৫, আগষ্ট, ২০১৫

৫। দাস, শশীমোহন ঃ Environment, sustuinble Development, Preservation and some Ethical Issues with referrence to Guwahati city of Assam

৬। দত্ত ড' প্ৰসন্ন কুমাৰ, আহমেদ ৰফিক, চলিহা চুস্মিত ঃ পৰিৱেশ অধ্যয়ণ, ইউনিকা প্ৰকাশন, যোৰহাট, অসম, চেপ্তেম্বৰ, ২০০৪

৭। বৰদলৈ, দত্ত ড' নৱনীতা, বৰদলৈ ড' তপন চন্দ্ৰ ঃ পৰিৱেশ অধ্যয়ন, বাণী মন্দিৰ, হেদায়েৎপুৰ, গুৱাহাটী-৩, ২০০৯

৮। বৈশ্য, ড' দীনেশ ঃ পৰিৱেশ অধ্যয়ন, অশোক বুক ষ্টল, পাণবজাৰ, গুৱাহাটী-১, আগষ্ট

# ৰিঅ' অলিম্পিক- ২০১৬ ত ভাৰতৰ ভূমিকা

দেবজিত কলিতা
তৃতীয় ষাণ্মাসিক
বাণিজ্য শাখা

২০১৬ বৰ্ষৰ ৫ আগষ্টৰ পৰা ২১ আগষ্টলৈ ব্ৰাজিলৰ ৰিঅ' দি জেনেৰিঅ'ত অনুষ্ঠিত হোৱা ৩১ তম গ্ৰীষ্মকালীন অলিম্পিকত প্ৰতিবাৰৰ দৰে এইবাৰো ভাৰতবৰ্ষই অংশগ্ৰহণ কৰিছিল। ১৯২০ চনৰ পৰাই ভাৰতৰ খেলুৱৈসকলে প্ৰতিবাৰে অলিম্পিকত অংশগ্ৰহণ কৰি আহিছে। কিন্তু ভাৰতে কাৰ্যকৰী ভাবে ১৯৯৩ চনত পেৰিছত অনুষ্ঠিত হোৱা অলিম্পিকত প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰিছিল।

আজিলৈ অনুষ্ঠিত হোৱা অলিম্পিকৰ ইতিহাসত আমি ভুমুকিয়াই চালে দেখিবলৈ পোৱা যাব যে ২০১২ চনত অনুষ্ঠিত হোৱা অলিম্পিকতকৈ ২০১৬ চনত ৩৪ জন বেছি অৰ্থাৎ ১১৭ জন খেলুৱৈ পঠিওৱা হৈছিল। ইয়াৰ আগত ২০১২ চনৰ অলিম্পিকত কেৱল ৮৩ জন খেলুৱৈয়েহে অংশগ্ৰহণ কৰিছিল। এই বছৰৰ অলিম্পিকতেই ভাৰতৰ বাবে এক বিশেষ অভিলেখ। ২০১৬ ৰিঅ' অলিম্পিকত পদক লাভ কৰা খেলুৱৈৰ চিনাকী তলত দাঙি ধৰা হ'ল-

### পি. ভি সিন্ধু



পুচাৰ্লা ভেনকট্ সিন্ধু (জন্ম ৫ জুলাই, ১৯৯৫) হৈছে ভাৰতৰ এগৰাকী সুখ্যাত বেডমিণ্টন খেলুৱৈ। ২০১৬ চনত অনুষ্ঠিত গ্ৰীষ্মকালীন অলিম্পিকত ভাৰতবৰ্ষৰ বাবে ৰূপৰ পদক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা হৈছে পি.ভি সিন্ধু।

২০১২ চনৰ ছেপ্তেম্বৰ মাহত, ১৭ বছৰ বয়সতে তেওঁ (BWF) বিশ্বৰ স্থানপ্ৰাপ্ত ২০ টা স্থানৰ এটা স্থান দখল কৰি আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ হিচাপে স্বীকৃতি লাভ কৰে। ২০১৩ চনৰ বেডমিণ্টন বিশ্ব চেম্পিয়নশ্বিপত একক মহিলা প্ৰতিযোগিতাত পদক অৰ্জন কৰা ভাৰতৰ প্ৰথমগৰাকী মহিলা হ'ল পি. ভি. সিন্ধু। ২০১৫ চনৰ মাৰ্চ মাহত এই কম বয়সীয়া খেলুৱৈ গৰাকীয়ে সন্মানীয় পদ্মশ্ৰী বঁটা লাভ কৰিবলৈ সক্ষম হয়। ২০১৬ বৰ্ষৰ অলিম্পিকতেই সিন্ধুৱে প্ৰথম ভাৰতীয় বেডমিণ্টন খেলুৱৈ হিচাপে অলিম্পিকৰ বেডমিণ্টন খেলৰ চূড়ান্ত পৰ্যায়লৈ গৈ পোৱাৰ অভিলেখ স্থাপন কৰে।

### সাক্ষী মালিক



২০১৬ বৰ্ষত ভাৰতৰ বাবে সন্মান কঢ়িওৱা মল্ল যোদ্ধা গৰাকীয়ে হৈছে সাক্ষী মালিক। এই বৰ্ষৰ গ্ৰীষ্মকালীন অলিম্পিকত তেওঁ ৫৮ কিলোগ্ৰাম বিভাগত ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। ইয়াৰ জৰিয়তে তেওঁ অলিম্পিকত পদক লাভ কৰা প্ৰথম ভাৰতীয় মহিলা মল্লযোদ্ধাৰ লগতে ভাৰতৰ পৰা চতুৰ্থ মহিলা হোৱাৰো সন্মান লাভ কৰে।

অলিম্পিকৰ পূৰ্বে, ২০১৪ চনত গ্লাচগোত অনুষ্ঠিত হোৱা কমনৱেলথ্ গেমছত ৰূপৰ পদকৰ লগতে ২০১৫ চনত দোহাৰ এছিয়ান ৰেছলিং চেম্পিয়নচিপত ব্ৰঞ্জৰ পদক বুটলিবলৈও সক্ষম হৈছিল।

> "চিগাৰেটৰ এটা মুৰত জুই, আৰু আনটো মুৰত এজন মূৰ্খ থাকে।"
> — জৰ্জ বাৰ্ণাড শ্ব।





# হাজোৰ তীৰ্থক্ষেত্ৰ ঃ এটি আলোচনা

বীণা বেগম
চতুৰ্থ ষাণ্মাসিক (অসমীয়া)

হাজো এখন প্ৰাচীন প্ৰসিদ্ধ ঠাই। পুৰাণৰ যুগৰ পৰা আজিলৈ হাজো অঞ্চল তীৰ্থভূমিৰূপে খ্যাত। ১৫৮১ চনৰ পৰা ১৬০৩ চনলৈ হাজোৱে এখন ৰাজ্যৰ মৰ্যাদা লাভ কৰিছিল। এই ৰাজ্যখনৰ নাম আছিল 'কোঁচ হাজো' আৰু এই ৰাজ্যৰ ৰজা আছিল কোঁচ ৰজা ৰঘুদেৱ নাৰায়ণ। ১৬১৩ চনত 'কোঁচ হাজো মোগলৰ দখললৈ যায়। হাজো এখন ঐতিহাসিক পুৰণি ঠাই। প্ৰাচীন যুগৰ পৰা আজিলৈ হাজো এখন তীৰ্থভূমি ৰূপে পৰিচিত। ইয়াৰ তীৰ্থস্থানসমূহে অসম তথা ভাৰতবৰ্ষত অতীত গৌৰৱ ঘোষণা কৰি আহিছে। লগতে তীৰ্থভূমিয়ে যুগে যুগে ৰজা আৰু ধৰ্মগুৰুসকলৰ প্ৰাধান্য লাভ কৰি আহিছে। কোৱা হয় যে বুদ্ধ অৱতাৰৰ পিছত হাজো বৌদ্ধ ধৰ্মাৱলম্বীসকলৰ মহান আশ্ৰম আছিল। মোগলে অসম আক্ৰমণ কৰাৰ সময়ত হাজোত ৰাজধানী পাতি চৈয়দ আবুবকৰ নামৰ এজন শাসনকৰ্তা ৰাখিছিল। ইয়াত হিন্দু, মুছলমান আৰু বৌদ্ধ এই তিনি সম্প্ৰদায়ৰ মিলনভূমিৰূপে জনা গৈছিল আৰু ইয়াৰ বাবে হাজোক ত্ৰিবেণীসংগম বুলিও কোৱা হৈছিল। আজিও হাজোক হিন্দু মুছলমানৰ সংহতি ক্ষেত্ৰ বুলি সকলোৱে জানে।

হাজো অঞ্চলৰ পাহাৰে ভৈয়ামে সিঁচৰিত হৈ থকা প্ৰতিটো শিলে অতীতৰ বুৰঞ্জীৰ কথা সকিয়ায়। হাজোত হয়গ্ৰীৱ মাধৱ, কেদাৰ, কামেশ্বৰ, কমলেশ্বৰ আৰু গণেশ মন্দিৰ আছে। এই পাঁচোটা মন্দিৰ পঞ্চতীৰ্থ বুলি জনাজাত। এই ভূমিত বৰাহগোঁহাই থান, দুমুখীয়গোঁসাইৰ থান, কপিলা মুণিৰ আশ্ৰম চৈতন্যঘোপা, শালবৃক্ষ, ভীমৰ চৰিয়া আদি বহু তীৰ্থ আছে। পোৱা মক্কা মুছলমানসকলৰ পবিত্ৰ তীৰ্থস্থান। তলত কেইখনমান তীৰ্থৰ পৰিচয় দাঙি ধৰা হ'ল-

### হয়গ্ৰীৱ মাধৱ মন্দিৰ ঃ

হাজো পঞ্চতীৰ্থৰ ভিতৰত আমি হয়গ্ৰীৱ মাধৱ মন্দিৰ নামটো প্ৰথমতে পাওঁ। হয়গ্ৰীৱ মাধৱ মন্দিৰৰ স্থানত বহু আগতে বৌদ্ধৰ স্থান আছিল। সময়ৰ পৰিবৰ্তনত এই তীৰ্থ বা বৌদ্ধৰ স্থান নুই হৈ পৰিল। পিছত এই মন্দিৰ নৰনাৰায়ণ নামৰ ৰজাই চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱক চাব দিয়ে আৰু ১৫৮৩ চনত ৰঘুদেৱে



মাধৱ মন্দিৰ নিৰ্মাণ কৰিছে বুলি মন্দিৰত থকা এখন বেৰত প্ৰমাণ আছে। শুনিব পোৱা যায় যে, ৰঘুদেৱে চিকাৰ কৰি ঘূৰি ফুৰোঁতে মণিকূট পাহাৰত ভগ্ন মন্দিৰ এটা দেখিছিল আৰু শ্ৰীধৰ নামৰ কাৰিকৰৰ সহযোগত মন্দিৰটো পুনৰ নিৰ্মাণ কৰে আৰু কণ্ঠ ভূষণ নামৰ মানুহ এজনক মন্দিৰৰ পূজাৰী হিচাপে ৰাখিছিল। সেইমতে মন্দিৰৰ সেৱা পূজা যাতে ভালদৰে ঠিক সময়ত হয় তাৰ বাবে মন্দিৰৰ নামত বহু মাটি দান কৰিছিল।

হয়গ্ৰীৱ মাধৱ হৈছে বিষ্ণুৰ মূৰ্তি। হয়গ্ৰীৱ মাধৱ শব্দৰ ব্যাখ্যা এনেধৰণৰ- 'হয়' মানে ঘোঁৰা, 'গ্ৰীৱ' মানে ডিঙি বা গ'ল, 'মা' মানে লক্ষ্মী, 'ধৱ' মানে স্বামী। যি লক্ষ্মী স্বামীৰ লগত ঘোঁৰাৰ দৰে তেঁৱে হয়গ্ৰীৱ মাধৱ ভগৱান বিষ্ণুৰে এটা অৱতাৰ। হাজোৰ মণিকূট পাহাৰৰ প্ৰায় তিনিশ ফুট ওপৰত এই ভুবন বিখ্যাত মন্দিৰ অৱস্থিত। মন্দিৰৰ বেদীত পাঁচটা বিগ্ৰহ আছে। তেওঁলোকক এনেধৰণে চিনাক্ত কৰা হয় - বুঢ়া মাধৱ, হয়গ্ৰীৱ বা দ্বিতীয় মাধৱ, চলন্তা মাধৱ বা কানায়া বাসুদেৱ আৰু গৰুড়পক্ষী। তেওঁলোকৰ অৱস্থান এনে ধৰণৰ - সোঁমাজত বুঢ়া মাধৱ (বিষ্ণু ৰূপত), তেওঁৰ বাওঁফালে হয়গ্ৰীৱ বা দ্বিতীয় মাধৱ, দ্বিতীয় মাধৱৰ বাওঁফালে গৰুড়পক্ষী। বুঢ়া মাধৱৰ সোঁহাতে গোবিন্দ মাধৱ বা চলন্তা মাধৱ, চলন্তা মাধৱৰ সোঁফালে বাসুদেৱ। বুঢ়া মাধৱ বগা কাপোৰ আৰু তুলসীৰ জাল মালাৰে আবৃত কৰি ৰখা হয়। মূৰ্তিটোক মেৰিয়াই ৰখা এই কাপোৰৰ

দৈৰ্ঘ প্ৰায় বাৰ হাত। ভক্তসকলে নিজৰ কামনা সিদ্ধিৰ বাবে মাধৱলৈ এই কাপোৰ আৰু মালা দান কৰে। মূৰ্তি কেইটাৰ আগত অখণ্ড প্ৰদীপ জ্বলি থাকে। তাত দিনে নিশা একোগছ চাকিত পাঁচ পোৱা তেল পোৱা হয়।

হয়গ্ৰীৱ মাধৱ মন্দিৰৰ উত্তৰফালে নৰসিংহৰ শিলৰ মূৰ্তি আছে। মূল মন্দিৰৰ ভিতৰত দ্বাৰপাল হনুমানৰো মূৰ্তি আছে। মাধৱ মন্দিৰৰ মঠৰ বাহিৰত আৰু বহুতো মূৰ্তি আছে আৰু সেইবোৰৰ নামসমূহ হ'ল - বৰাহ, কুম্ভী, ঘটোৎকচ, মহাদেৱ, দুৰ্বাসা, ধ্ৰুৱ, প্ৰহ্লাদ, শৰ্মিষ্ঠা, সূৰ্য, ভীম, হিৰিম্বা, ৰাম, লক্ষ্মণ, ৰাৱণ, সীতা, অগ্নিদেৱতা, পৰশুৰাম, কুণ্ডলিকা, বাসুদেৱ, ইন্দ্ৰ, ধনকুবেৰ, বিশ্বকৰ্মা, যমদূত, কালী, বালি, লক্ষ্মণ, সীতা, বিষ্ণু, সৰস্বতী, আদি। মন্দিৰৰ লগতে আকৌ সন্যাসীৰো ঘৰ আছে। ঘৰৰ ওচৰতে এজোপা গছো আছে আৰু এই গছজোপাৰ বয়স প্ৰায় পাঁচশ বছৰ বুলি অনুমান কৰা হয়। মন্দিৰৰ কাষত এটা পুখুৰীও আছে আৰু তাক মাধৱ পুখুৰী নামে জনা যায়। পুখুৰীটো প্ৰায় চৈধ্য বিঘা মাটি আছে। পুখুৰীটোত প্ৰকাণ্ড প্ৰকাণ্ড ৰৌ মাছ, কাছ আছে আৰু এইবোৰেই তীৰ্থযাত্ৰীসকলৰ আকৰ্ষণীয় বস্তু। লগতে অসমৰ আপুৰুগীয়া সম্পদ এশিঙীয়া গঁড় যাক ইটাৰে গঢ়া আছে।

মাধৱ মন্দিৰৰ পূবফালে পৱিত্ৰ লক্ষ্মী দেৱীৰ মন্দিৰ আছে। পূজাৰীসকলৰ মতে লক্ষ্মী মন্দিৰত নাৰায়ণ আছে সেইকাৰণে মহিলাসকলক স্পৰ্শ কৰিব নিদিয়ে। লক্ষ্মী মন্দিৰত বগা ফুল, হালধীয়া ফুল আৰু চাউল-ধানৰ মালা দিয়া হয় আৰু সদায় হোম দিয়ে। তীৰ্থযাত্ৰীসকলক হোম আৰু সেন্দুৰৰ ফোট দিয়ে।

মাধৱ মন্দিৰত প্ৰতিদিনে পূজা হয়। পুৱাৰ ভাগত জাগৰণ, শংখ ধ্বনিৰে পূজা আৰম্ভ কৰে। দুপৰীয়া ভাগত ডবা কাঁহ, শংখ, ঘণ্টা বজায় আৰু লগতে ভোগ লয়। সন্ধিয়া চাকি বন্তি জ্বলায়। তাৰ পিছত মাধৱ পাঠ আৰু বিষ্ণু নাম গায়। এই নিয়ম পূজা-অৰ্চনা পূৰ্বকালৰ পৰা আজিলৈ মাধৱ মন্দিৰত চলি আহিছে।

মাধৱ মন্দিৰত এটা উৎসৱ আছে আৰু সেইটো হ'ল - বুলবুলি চৰাইৰ যুঁজ আৰু এই উৎসৱ মাঘ মাহৰ প্ৰথম বিহুৰ দিনা আয়োজন কৰে। এই উৎসৱত তীৰ্থযাত্ৰীসকলৰ শ' শ' ভিৰ দেখা যায়।

**কেদাৰ মন্দিৰ ঃ**

হাজো পঞ্চতীৰ্থৰ ভিতৰত দ্বিতীয় স্থানত কেদাৰ মন্দিৰ আছে। কেদাৰ মন্দিৰ মদনাচল নামৰ পাহাৰত অৱস্থিত। কেদাৰ এখন প্ৰাচীন শিৱপীঠ। কেদাৰ মন্দিৰ নিৰ্মাণ সম্পৰ্কে বহু কথা শুনা যায়। সেই সময়ত শালস্তম্ভ বংশী আৰু পাল বংশী ৰজাসকলে ৰাজত্ব কৰিছিল। তেওঁলোক শিৱ ধৰ্মী আছিল আৰু শিৱক দেৱতা বুলি পূজা কৰিছিল। ১৭৫১ খ্ৰীষ্টাব্দৰ পৰা ১৭৬৯ খ্ৰীষ্টাব্দৰ ভিতৰত ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত কেদাৰ মন্দিৰ পুনৰ নিৰ্মাণ কৰা হয় বুলি জনা যায়। তাৰ পিছত আন আন ৰজাই মন্দিৰটোৰ পৃষ্ঠপোষকতা কৰিছে। ১৭৮৩ খ্ৰীষ্টাব্দত গৌৰীনাথ সিংহই মন্দিৰৰ নামত বহুতো ৰূপৰ চোঁৱাৰ আৰু মাটিবাৰী দান কৰিছিল। কিন্তু আমি ক'ব খোজো যে, কেদাৰ মন্দিৰৰ মঠৰ শিল বহুত মোটা হয়। সেইফালৰ পৰা চালে কেদাৰ মন্দিৰ বহুত পুৰণি মন্দিৰ বুলি আমাৰ সকলোৰে অনুমান। আনফালে বহুলোকে কেদাৰ মন্দিৰক কামাখ্যা যুগৰ মন্দিৰ বুলিও কয়।

কেদাৰ মন্দিৰৰ মূল বিগ্ৰহটো এটা শিৱ লিংগ। লিংগটোত শিৱ আৰু পাৰ্বতীক দেখা যায়। শিৱৰ বাওঁফালে পাৰ্বতী। শিৱৰ তিনিটা চকু, পাছফালে জঁট। জঁটৰ মাজত গংগা। সৰ্প, ডম্বৰু, শংখ, ঘণ্টাই শিৱক সুশোভিত কৰিছে। কেদাৰৰ মূল মঠটো চালে একেবাৰে চাই থাকিব মন যায়। মঠটো উত্তৰ ভাৰতৰ শিখৰ শৈলীৰ লগত তুলনা কৰা হয়। মঠটো আমলক আৰু চক্ৰৰে আবৰা। চক্ৰৰ ওপৰভাগত ত্ৰিশূল আছে। হয়গ্ৰীৱ মাধৱ মন্দিৰৰ বাহিৰত দেৱ-দেৱীৰ মূৰ্তি আছে কিন্তু কেদাৰ মন্দিৰৰ বাহিৰত তেনেকুৱা মূৰ্তি নাই। অকল দক্ষিণত এটা গণেশৰ মূৰ্তি আছে। কেদাৰ মন্দিৰৰ পূৰ্বত বৰ শালগছ আৰু কেদাৰ পুখুৰী আছে। দক্ষিণফালে শ্ৰীশ্ৰীজয়দুৰ্গা দেৱালয়, পশ্চিমত ভীমৰ চৰিয়া, নেতাই ধুবুনী ঘাট আদি আছে। মন্দিৰত প্ৰৱেশ কৰাৰ আগতে পুখুৰীত হাত-মুখ ধুব লাগে। শুনামতে পুখুৰীটোৰ তলি শিলেৰে পোতা আছে।

বিশেষকৈ পশ্চিমফালে শিলেৰে বনোৱা ৰাস্তা আছে আৰু সেইফালে যাত্ৰীসকলে অহা-যোৱা কৰে আৰু শিলৰ ৰাস্তাত কিছুমান চিহ্নও দেখা যায়। তাৰে এটা শিলৰ গদা অঁকা আছে আৰু ইয়াক ভীমৰ গদা বোলে। ওচৰতে আন এটা শিলত পঞ্চ-পাণ্ডৱৰ খোজৰ চিন আছে মানুহে ইয়াক সেৱা কৰে।

কেদাৰ মন্দিৰত সদায় নিয়মিত পূজা হয়। ৰাতিপুৱা পূজাৰ পিছত ভোগ লয়, সন্ধিয়া আৰতি। আৰতিৰ সময়ত শিৱক উদ্দেশ্যে ভাং, পিঠা বা পায়স আদি আগবঢ়ায়। কেদাৰ মন্দিৰত নৃত্য-গীতৰ প্ৰচলন থকাৰ প্ৰমাণ আছে বুলি কোৱা হয়। নটী নাচ বা দেৱদাসী নৃত্য কেদাৰ মন্দিৰৰ অন্যতম কেন্দ্ৰ আছিল বুলি জনা যায়। কিন্তু নৃত্যৰ লগত সংগীত পৰিৱেশন কৰা হোৱা নাছিল। কেদাৰ মন্দিৰৰ পূজাৰ আন এটা সামগ্ৰী হ'ল খাহী ছাগলী। এই ছাগলীৰ ডিঙি মোচাৰি বধ কৰি পূজাৰ ভাগত লগোৱা হয়।

কেদাৰৰ প্ৰিয় হ'ল বেলপাত। কেদাৰ মন্দিৰৰ প্ৰিয় অনুষ্ঠান শিৱৰাত্ৰি মেলা। মাঘী পূৰ্ণিমাৰ পিছৰটো কৃষ্ণ চতুৰ্দশী তিথিত এই উৎসৱ পালন কৰা হয়। সেইদিনা নিশা শ শ ভক্তৰ সমাগম হয়। গাখীৰ, বেলপাত আৰু ডাঙৰ উপচাৰেৰে শিৱক পূজা কৰা হয়। ইয়াৰ বাহিৰেও কেদাৰ মন্দিৰত চ'ত মাহৰ কৃষ্ণ ত্ৰয়োদশীত মদন চৈতালী উৎসৱ আৰু মদনভঞ্জী পালন কৰা হয়। জানিব পৰা মতে কেদাৰ মন্দিৰত দুৰ্গাপূজাও পতা হয়। হিন্দু সমাজৰ বিশ্বাস যে, কেদাৰক পূজিলে শিৱলোক পোৱা যায়।

**কমলেশ্বৰ মন্দিৰ ঃ**

হাজো পঞ্চতীৰ্থৰ তৃতীয়তে কমলেশ্বৰ মন্দিৰৰ নামটো আছে। তীৰ্থৰ ক্ষেত্ৰত হাজোৰ কমলেশ্বৰ মন্দিৰো এটা। কমলেশ্বৰ মন্দিৰৰ দেৱালয়খন ইমান অচিনাক্তকৰ যে বহুত লোকে এই তীৰ্থ ক'ত নেজানে। ই মদনাচল পাহৰতে অৱস্থিত। কমলেশ্বৰ মন্দিৰৰ ঠাই খণ্ড সমতল। পূবফালে ওখ পৰ্বতমালা, উত্তৰফালে পাহাৰৰ থিয় গড়া আৰু উত্তৰতে কেদাৰ পুখুৰীও আছে।

শুনামতে পুৰণি কামৰূপৰ ধ্বংসপ্ৰাপ্ত প্ৰায়বোৰ মঠ-মন্দিৰ শিৱ সিংহ ৰজা আৰু তেওঁৰ পিচৰ ৰজাসকলে নিৰ্মাণ কৰি উলিয়াইছে। শিৱ সিংহৰ পিছত প্ৰমত্ত সিংহ, লক্ষ্মী সিংহ, ৰাজেশ্বৰ সিংহ অনেকে এই মঠ-মন্দিৰৰ পৃষ্ঠপোষকতা কৰিছিল আৰু ৰক্ষণাবেক্ষণ দিছিল। সেই সময়ছোৱাতে কমলেশ্বৰত শিৱবেদীৰ থাপনা আছিল আৰু বৰ্তমানেও আছে। এই দেৱালয়ৰ গৃহ বেদী শিৱ সিংহ ৰজাৰ দিনৰ বুলি হাজোৰ লোকসকলে কয়।

কমলেশ্বৰ মন্দিৰটো কেদাৰ যুগৰ মন্দিৰ বুলি কোৱা হয়। ইয়াত কোনো মঠ নাই ই এটা সাধাৰণ, সৰু ঘৰত এই মন্দিৰটো আছে। হয়গ্ৰীৱ মাধৱ, কেদাৰ মন্দিৰৰ দৰে কমলেশ্বৰতো মঠ আৰু পুৰণি দেৱালয় আছে। লগতে পুৰণি চলন্ত বিগ্ৰহ থকাৰো কথা পোৱা গৈছে। বিগ্ৰহটো হ'ল শিৱপীঠ এই শিৱপীঠটো প্ৰায় এক ফুটমান ওখ হ'ব। ইয়াক বহুলোকে স্বয়ম্ভু বুলিও কয়। ইয়াত সদায় নিয়মিত পূজা-পাতল চলে। কেদাৰৰ পূজাৰীয়ে ইয়াৰ স্নান আৰু পূজা-অৰ্চনা শেষ কৰা দেখা যায়। ইয়াত ভোগ-ভাত নচলে। তাৰে বিনিময়ত কেদাৰত কমলেশ্বৰৰ নামত এভাগ ভোগ আগবঢ়ায়। ইয়াক আমিষ ভোগ বুলি কোৱা হয়। অনুষ্ঠানৰ ভিতৰত কমলেশ্বৰত শিৱৰাত্ৰি পালন কৰা হয়। সেইদিনা শিৱৰ উদ্দেশ্যে গাখীৰ আৰু বেলপাত আগবঢ়োৱা হয়।

হাজোৰ অন্যান্য তীৰ্থৰ দৰে কমলেশ্বৰ মন্দিৰত এচাম ভূটীয়াসকলে আন্তৰিকতাৰে পূজা কৰে। কিছুমান ভূটীয়ালোকে আকৌ তেওঁলোকৰ হাতৰ এটা আঙুলিত কাপোৰ মেৰিয়াই কাপোৰখনত ঘিউ বা তেল লগাই তাত জুই জ্বলাই ঈশ্বৰক তেওঁলোকৰ প্ৰণাম জনায় বুলি শুনিবলৈ পাওঁ।

**কামেশ্বৰ মন্দিৰ ঃ**

কামেশ্বৰ মন্দিৰ হাজো পঞ্চতীৰ্থৰ অন্যতম। হাজো শুৱালকুছি পথতে কামেশ্বৰ পাহাৰত ইয়াৰ দেৱালয় দেখা যায়। এটা সময়ত এই পীঠ মদন কামদেৱৰ উপাসনাৰ কেন্দ্ৰ আছিল বুলি সকলোৰে অনুমান। কোনো কোনোৱে আকৌ পাৰ্বতী আৰু কাৰ্ত্তিকৰ এটা কাহিনীৰ জৰিয়তে এই মন্দিৰৰ দেৱালয়ৰ লগত মিলাব বিচাৰিছে। সময় বাগৰি অহাৰ পিছত ওঠৰশ শতিকাৰ মাজভাগত প্ৰমত্ত সিংহ ৰজাই পুনৰ নতুনকৈ মন্দিৰ বনোৱা বুলি জনা যায়। নতুনকৈ মন্দিৰ প্ৰতিষ্ঠা কৰাত ইয়াত শিৱলিংগৰ থাপনা কৰা বুলি অনুমান হয়। কিন্তু ১৮৯৭ চনত এক ভূমিকম্পই পুনৰ এই মন্দিৰৰ ক্ষতিসাধন কৰে। বৰ্তমান কামেশ্বৰ মন্দিৰ পুনৰ নতুনকৈ নিৰ্মাণ কৰা হৈছে।

ইয়াত শিৱ লিংগ আৰু পঞ্চানন দশভূজা মূৰ্ত্তি আছে। ৰঙা কাপোৰ আৰু ফুলৰমালাৰে সজাই দশভূজা মূৰ্তিক চলন্তৰূপত নগৰ ভ্ৰমণলৈ নিয়া হয়। মদন ত্ৰয়োদশী আৰু শিৱৰাত্ৰি ইয়াৰ প্ৰধান উৎসৱ। ইয়াত আমিষ ভোগ লোৱা হয়। খাহি ছাগলীৰ মাংস ভোগত লগোৱা হয়। বৰ্তমান এই দেৱালয় স্থানৰ কোনো সংৰক্ষণ নোহোৱাত ইয়াৰ বহুতো প্ৰাচীন সম্পদ চিহ্ন নাশ হোৱা দেখা যায়।

**গণেশ মন্দিৰ ঃ**

গণেশ মন্দিৰ পঞ্চতীৰ্থৰ শেষ মন্দিৰ। এই মন্দিৰ হাজো শুৱালকুছি যোৱা পথৰ গাতে লগা। গণেশ মন্দিৰক দেৱভৱন বুলি আখ্যা দিয়া হয়। বেউলাই কেকোৰা সাগৰেৰে ভেলত লক্ষীন্দৰক লৈ দেৱভূমি হাজোত উপস্থিত হৈছিল। ইয়াতে নেতাই ধুবুনীৰ সহায়ত বেউলাই মৃত লক্ষীন্দৰক মহাদেৱৰ সহায়ত জীৱন লাভ কৰিবলৈ সক্ষম হয়। গণেশ মন্দিৰৰ চ'ৰাঘৰতে দেৱতাসকলে মিলিত হোৱা বুলি কোৱা হয়। এই কাৰণতে গণেশক দেৱভৱন বুলি কোৱা হয়।

১৭৪৪ খৃষ্টাব্দত ৰজা প্ৰমত্ত সিংহই এই মন্দিৰ সজোৱা বুলি মন্দিৰৰ এক শিলালিপিৰ পৰা জনা গৈছে। গণেশৰ মূৰ্তিটো এটা বৃহৎ শিলৰ। এই শিলটো দীঘলে ত্ৰিশফুট, ওখ পোন্ধৰ ফুট আৰু বহলে প্ৰায় ওঠৰ ফুট বুলিব পাৰি। শিলটো চালে ধৰা

পৰে যে শিলটো গুই থকা এটা হাতীৰ ছবি যেন। উত্তৰৰ ফালে হাতীটোৰ শুৰডাল। এই হাতীৰ শুৰডালতে বনোৱা হৈছে গণেশ বিগ্ৰহ। এনেতো আমি বহুত গণেশ মূৰ্তি দেখিছোঁ, কিন্তু হাজোৰ গণেশৰ ৰূপ সঁচাকৈ আপুৰুগীয়া আৰু মনোমোহা।

একাদশী আৰু সংক্ৰান্তিত গণেশ মন্দিৰত মহোৎসৱ যাত্ৰা অনুষ্ঠিত হয়। এই মন্দিৰৰ ভোগ নিৰামিষ। মন্দিৰত জগমোহন গৃহ, চ'ৰাঘৰ, ভোগঘৰো আছে, কিন্তু সংৰক্ষণ আৰু উন্নয়নৰ অভাৱত বৰ্তমান এই সকলোবোৰ নোহোৱা হৈ পৰা দেখা গৈছে।

**পোৱামক্কা ঃ**

হাজো পোৱামক্কা গৰুড়াচল পাহাৰৰ ওপৰত অৱস্থিত। পোৱামক্কা হয়গ্ৰীৱ মাধৱ মন্দিৰৰ পূৱত আৰু কেদাৰ মন্দিৰৰ উত্তৰ-পশ্চিমত। এই পাহাৰ বগোৱা কষ্টকৰ। মক্কা দৰ্শন কৰিলে মুছলমানসকলৰ যিদৰে পূণ্য হয় বুলি কোৱা হয়, ঠিক সেইদৰে হাজোৰ পোৱামক্কা দৰ্শন কৰিলেও মক্কা দৰ্শনৰ চাৰিভাগৰ এভাগ পূণ্য অৰ্জন হয় বুলি কোৱা হয়। সেয়ে ভাৰতৰ মুছলমান সম্প্ৰদায়ৰ ই এখন পৱিত্ৰ তীৰ্থক্ষেত্ৰ ৰূপে পৰিগণিত হৈ আহিছে। হিন্দু-মুছলমানৰ মহা মিলনৰ মহাপূণ্য তীৰ্থস্থানখনেই হ'ল হাজোৰ পোৱামক্কা।

পোৱামক্কাৰ কাহিনী গিয়াচুদ্দিন আউলিয়া নামৰ এগৰাকী ধৰ্মপ্ৰাণ লোকৰ। হাজোত থকা সমাধিবিলাকৰ ভিতৰত গিয়াচুদ্দিন উইলিয়াৰ সমাধিটো মুখ্য বুলি জনা যায়। পোৱামক্কাত কালুদেৱান, ছাহ জামাল, ছাহ গফুৰ, ছাহ বুজৰুগ আদিৰ সমাধিক্ষেত্ৰ সংৰক্ষিত আছে। আউলিয়াসকলে ইছলাম ধৰ্মৰ প্ৰচাৰৰ বাবে গোটেই পৃথিৱীত ঘুৰে। গিয়াচুদ্দিন আউলিয়াৰ জন্ম ১১৯৩ খৃষ্টাব্দত ইৰাণত তাব্ৰিজ নগৰত হৈছিল। ইছলাম ধৰ্ম প্ৰচাৰৰ বাবে ভাৰতলৈ অহা সত্তৰজন আউলিয়াৰ ভিতৰত তেঁৱো এজন। অসমলৈ আহোঁতে তেওঁৰ লগত হজৰত জামাল, হজৰত ছাহ গফুৰ, হজৰত ছাহ বুজৰুগ এই তিনিজন সংগীও আহিছিল। তেওঁৰ যত্নতে অসমৰ নানা ঠাইত বহুতো মছজিদ প্ৰতিষ্ঠা হয়। গিয়াচুদ্দিন এজন সাত্বিক মুছলমান আছিল আৰু তেওঁৰ ইহলীলা সম্বৰণৰ পিছত হাজোৰ গৰুড়াচল পাহাৰত সমাধিস্থ কৰা হৈছিল।

পোৱামক্কাত সদায় নিয়মিত ইছলাম ধৰ্মৰ প্ৰথা অনুযায়ী দোৱা বা প্ৰাৰ্থনা কৰা হয়। খাদিমে দৰ্গাহৰ ভিতৰত থকা গিয়াচুদ্দিন আউলিয়াৰ ৰৌজা শ্বৰিফ (সমাধিক্ষেত্ৰ)ত গিলাপ দিয়ে। কোৰআনী পালাই দৰ্গাহত দৈনন্দিন কোৰান পাঠ কৰে। মোল্লা পালাই দৰ্শনাৰ্থীসকলে দৰ্গাহলৈ অনা কুকুৰা চৰাই আদি জবেহ কৰে আৰু ৰান্ধনিয়ে দৰগাহলৈ অনা চিন্নী (ভোগ) ৰান্ধে। নিশা হ'লে সমাধিৰ সন্মুখত দ্বীপ জ্বলোৱা হয়। তাৰ উপৰিও নিশা ভাগত সমাধিটো কাপোৰেৰে ঢাকি ৰাখে।

পোৱামক্কাত গোটেই বছৰ ভক্তসকলৰ আগমন হয়। বিশেষকৈ মাঘ, ফাগুন, চ'ত, আৰু বহাগ মাহত দৰ্শনাৰ্থীৰ ভিৰ বেছি। 'উৰুচ মোবাৰক' পোৱামক্কাৰ প্ৰধান উৎসৱ। মাঘ মাহৰ প্ৰথম দিনটোৰ পৰা উৰুচ চলে। মাঘ মাহৰ পূৰ্ণিমা তিথিত পূৰ্ণ উৰুচ পালিত হয়। এই সময়ছোৱাত বহু দূৰ-দূৰণিৰ পৰা পোৱামক্কালৈ দৰ্শনাৰ্থীৰ আগমন ঘটে।

পোৱামক্কা পৰিচালনাৰ বাবে থকা সেৱাইতৰ ভিতৰত কোৰআনী ফকিৰ, মোল্লা-কাদিম পালা, ৰান্ধনি-বাৰনি আদিয়ে প্ৰধান। পৰিচালনাৰ ক্ষেত্ৰত খাদিমজন সৰ্বোচ্চ বিষয়া। ১৯৫৯ চনৰ পৰা পোৱামক্কাৰ সকলো সম্পত্তি চৰকাৰে সংগ্ৰহ কৰে আৰু তীৰ্থলৈ বছৰেকীয়া অনুদান আগবঢ়ায় ইয়াৰ সেৱা-পূজাৰ বাবে।

হাজো অঞ্চল ইতিহাসেৰে ভৰপুৰ। ইয়াৰ প্ৰতিটো শিলে বুৰঞ্জী কয় আৰু প্ৰতি ডোখৰ মাটিয়ে কাহিনী কয়। অতীতৰ পৰা আজিলৈ হাজো হিন্দু, মুছলমান আৰু বৌদ্ধ মিলনভূমিৰূপে পৰিচিত আৰু সেয়ে এই ঠাইখনক ধৰ্মৰ ত্ৰিবেণী সংগমৰূপেও অভিহিত কৰা হৈছে। হাজো অঞ্চলৰ ইতিহাস এই পৰ্যন্ত উদ্ধাৰ আৰু বিজ্ঞানসন্মত চিন্তা-চৰ্চা হৈছে বুলি ক'ব নোৱাৰি। অঞ্চলটোৰ বহু ইতিহাস ইতিমধ্যে কালৰ বুকুত বিলীন হৈ গৈছে।

আধুনিক যুগত হাজোৰ সকলোবোৰ সংস্কৃতি আৰু পৰম্পৰা সময়ৰ গতিশীলতাৰ লগত পৰিবৰ্তনৰ দিশত গতি কৰিলেও সকলো নীতি-নিয়ম এতিয়াও নিয়াৰিকৈ প্ৰচলিত হয়।

সময়ৰ গতিশীলতাই যাতে এই পৰম্পৰা আৰু ঐতিহ্যক হানি নকৰে তাৰ বাবে সকলো লোকে বা সেই অঞ্চলৰ ৰাইজে এই ঐতিহ্য বজাই ৰাখিবলৈ যত্ন কৰাৰ লগতে নতুন প্ৰজন্মক ইয়াৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ চেষ্টা কৰিব লাগে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। কলিতা, সমীন ঃ হাজো অঞ্চলৰ ইতিহাস, ব্ৰহ্মপুত্ৰ লেজাৰ প্ৰিণ্ট, পাণবজাৰ, গুৱাহাটী-১, প্ৰথম প্ৰকাশ - ফেব্ৰুৱাৰী, ১৯৯৯ চন, দ্বিতীয় প্ৰকাশ - জুলাই, ২০০৭ চন

২। ক্ষেত্ৰ অধ্যয়নৰ ভিত্তিত লেখাটো যুগুত কৰা হৈছে।







# আত্মহনন ঃ

## যুৱপ্ৰজন্মৰ বাবে এক সামাজিক ব্যাধি

ৰাজা ঠাকুৰীয়া
পঞ্চম ষাণ্মাসিক (ইংৰাজী বিভাগ)

**'ব্ৰেকিং নিউজ' 'লাইভ এক্সক্লুছিভ'**
**কৰি বাৰে বাৰে দেখুওৱাৰ**
**কিবা সন্তোষজনক কাৰণ আছেনে?**
**কোনোৱা কাপুৰুষৰ বুৰ্বকামি-কাপুৰুষালি**
**এখন সুস্থ সমাজত আলোড়ন**
**সৃষ্টিকাৰী 'ব্ৰেকিং নিউজ' হ'ব**
**পাৰে জানো?**

আত্মহনন কোনে কৰে? আত্মবিশ্বাস জীৱন দৰ্শনৰ যাৰ অভাৱ। জীৱনটোৱেই যাৰ বাবে এটা "ছুইছাইড নোট"। যিয়ে পাহৰি যায় নিজৰ কৰ্তব্য, পৃথিৱীলৈ অহাৰ কাৰণ আৰু নিজৰ যোগ্যতা নিৰূপণত ব্যৰ্থ হৈ সমাজৰ দিনলিপিত লিখি থৈ যায়, "ধিক মোৰ কপাল, হায় মোৰ জীৱন'!

তেওঁলোক চাগে কিছু পৰিমাণে যান্ত্ৰিক। পাহৰি যায় যে অপ্ৰাপ্তিৰ বিষাদক সাময়িকভাৱে আঁতৰাই পঠিয়াবলৈ প্ৰকৃতি আছে, নদী, পাহাৰ, সুনীল আকাশ আৰু চৰাই-চিৰিকতি আছে। হয়তো প্ৰাপ্তিহীনতাই তেওঁলোকক জীৱন্মৃতত পৰিণত কৰে, যিয়ে নৈৰ কুলু-কুলুবোৰ, কহুৱাবোৰ, চৰাইৰ কাকলিত নেওঁচা দি ঘৰৰ চিলিং ফেনখনতেই শেষ আশ্ৰয় লয়। তেওঁলোকে বোধকৰো নপঢ়ে ব্ৰাৰ্টাণ্ড ৰাচেলৰ লিখনি, উপলব্ধি নকৰে ডেল কাৰ্ণেগী, হোমেন বৰগোহাঞিৰ জীৱন দৰ্শনৰ চিন্তাবোৰ। কি পঢ়ে তেওঁলোকে? লাগতিয়াল পাঠ্য পুথিবোৰ? তাততো জীৱনৰ প্ৰতি মোহভংগ হোৱাৰ কোনো কথা নাথাকে। তথাপি?

প্ৰায়েই শুনা যায় অভিভাৱক তথা পিতৃ-মাতৃৰ উচ্চাকাংক্ষা, অত্যাধিক মানসিক হেঁচাই কেতিয়াবা সন্তানক চূড়ান্ত সিদ্ধান্ত ল'বলৈ বাধ্য কৰায়। কিন্তু এই কথাবোৰ কিমান যুক্তি সঙ্গত? তাত সন্দেহৰ অৱকাশ ৰৈ যায়। আচলতে এই কথাবোৰ যুক্তিসঙ্গত হোৱাটো দূৰৰে কথা, যুক্তিহীন মানসিকতাৰ এক অপূৰ্ব নিদৰ্শন। এগৰাকী কৃষকে জানো বিচাৰিব তেওঁৰ সন্তান খেতিয়ক হোৱাটো, হাড়ক মাটি কৰি কৰা শ্ৰমৰ উচিত মূল্য নেপাই মানসিক ভাৰসাম্য হেৰুওৱাটো? গতিকে তেওঁ সন্তানক পঢ়িবলৈ ক'বই, নপঢ়িলে গালি-গালাজ পাৰিবই, সুখে সন্তোষে থাকক, মানুহৰ দৰে থাকক। ইয়াত পিতৃ-মাতৃৰ উচ্চাভিলাষৰ আধৰুৱা সপোন সন্তানৰ জৰিয়তে পূৰোৱাৰ দৰে নিকৃষ্ট প্ৰসঙ্গ উত্থাপিত হোৱাৰ কোনো মূল্য, অকাট্য যুক্তি আছেনে?

হয়তো কোনো অভিভাৱকে বিচাৰে তেওঁলোকৰ সন্তান ডাক্তৰ হওক, ইঞ্জিনীয়াৰ হওঁক নাইবা কোনো উচ্চ-পদস্থ বিষয়া হওঁক তেওঁলোকে কিছু জোৰো কৰিব পাৰে। কিন্তু এগৰাকী অভিভাৱকে কেতিয়াও নিবিচাৰে যে সন্তানেই তেওঁলোকৰ পৰিচয় হওঁক, তেওঁলোকে মাথো সন্তানক এটি ভাল ৰূপত চাব বিচাৰে। গতিকে ফলাফল বেয়া হ'লে তেওঁলোকে ভৰ্ৎসনাও কৰিব পাৰে কিন্তু ইও খন্তেকীয়া। অভিভাৱকে নিজ সন্তানক পুনৰাই যুঁজত অৱতীৰ্ণ হোৱাৰ সুযোগো দিয়ে, ক'বলৈ গ'লে 'চেকেণ্ড চান্স'। মই নিজেই এই ধৰণৰ অভিজ্ঞতা লাভ কৰিছো। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৮০% নম্বৰ লাভ কৰি বিজ্ঞান শাখাত নামভৰ্তি কৰিছিলোঁ। কিন্তু হায়াৰ চেকেণ্ডাৰী পৰীক্ষাত পালো মাথো ৫৬%, দ্বিতীয় বিভাগ। কিন্তু মোৰ মা-দেউতাই মোক পুনৰাই পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ অনুপ্ৰাণিত কৰিছে।

তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। কিন্তু কিছুমান অকৃতজ্ঞ আছে, যিয়ে সেই সুযোগ গ্ৰহণ নকৰি দেৱসম পিতৃ-মাতৃক উপলুণ্ঠা কৰে, কন্দুৱাই থৈ আঁতৰি যায়, আত্মহত্যা কৰে।

মই ভাবো, সকলো পিতৃ-মাতৃ একেই; সন্তানৰ ভাল হোৱা চাব খোজে, সুখ স্বাচ্ছন্দত থকাটো বিচাৰে। তথাপি দুই এজন অবিবেচকৰ বাবে কিয় অপদস্থ হ'ব লগা হয় সন্তানৰ প্ৰতি থকা পিতৃ-মাতৃৰ মৰম দায়িত্বশীলতা? কিয় দোষাৰোপ কৰা হয় পিতৃ-মাতৃ বা অভিভাৱকক? কিয় বাবে বাৰে কোৱা হয় অভিভাৱকৰ উচ্চাকাংক্ষা, অত্যাধিক মানসিক চাপ, আধৰুৱা সপোন পূৰোৱাৰ অভিলাষে সন্তানক আত্মহনণ কৰিবলৈ বাধ্য কৰায়? তথাকথিত সমাজৰ হিত চিন্তাকাৰী (?) পাৰত গজা লেখক (বুদ্ধিজীৱী?) সকলেই হেঁচি হেঁচি আমাৰ মুখত সুমুৱাই দিয়া নাইনে এনে বিষ বাষ্প? এনেবোৰেই আজিৰ ল'ৰা-ছোৱালীক আবেগিক (ছেন্টিমেন্টেল) কৰি তুলিছে। ফলত সামান্য কথাতে পিতৃ-মাতৃ তথা আনৰ মৰমৰ এনাজৰীৰ মোহ পাহৰি জীৱনটোক ফু-মাৰি বতাহত উৰুৱাই দিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। সময় সলনি হয়। কিন্তু আমাৰ চিন্তাধাৰা সলনি নহয় কিয়? কিয় বাবে বাৰে উজুটি খাওঁ সত্য নিৰূপণত?

আৰু সংবাদ মাধ্যম! কাৰোবাৰ আত্মহননৰ খবৰ 'ব্ৰেকিং নিউজ' 'লাইভ এক্সক্লুছিভ' কৰি বাৰে বাৰে দেখুওঁৱাৰ কিবা সন্তোষজনক কাৰণ আছেনে? কোনোবা কাপুৰুষৰ বুৰ্বকামি-কাপুৰুষালি এখন সুস্থ সমাজত আলোড়ন সৃষ্টিকাৰী 'ব্ৰেকিং নিউজ' হ'ব পাৰে জানো? ব্ৰেকিং আৰু সাধাৰণ বাতৰিৰ পাৰ্থক্য নিৰূপণত অসমৰ্থ হয় গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যম। ইয়েই বিৰূপ প্ৰভাৱ পেলায় সমাজত, পৰোক্ষভাৱে প্ৰৰোচিত কৰে আত্মহনন মানসিকতাক আৰু কোনোবাই অকালতে নিজৰ জীৱন চাকিটি নিজেই নুমুৱাই দিয়ে। আত্মহননৰ খবৰ 'ব্ৰেকিং নিউজ' কৰি সমাজত 'পেনিক' সৃষ্টি কৰাৰ কিবা প্ৰয়োজন আছেনে?

আত্মহননৰ প্ৰাসঙ্গিক আন এক প্ৰধান বস্তু (?) হৈছে 'ছুইচাইদ নোট' বা আত্মহত্যাকাৰীৰ টোকা। কিন্তু এইবোৰ বিচাৰি পঢ়ি চোৱাৰ যুক্তি প্ৰাসঙ্গিক বুলি মনে নধৰে। ই মাথো আত্মহত্যাকাৰীয়ে নিজকে আনৰ আগত হেয় প্ৰতিপন্ন কৰাৰ আন এক সফল প্ৰয়াস। কিয়নো নিজে নিজৰ প্ৰাণ লৈ সমস্ত দোষ আনৰ ওপৰত জাপি দিয়াটো কোনো সু-মানসিকতাৰ পৰিচায়ক হ'ব নোৱাৰে। আহত্মহননকাৰীয়ে নিজৰতো প্ৰাণ লয়েই, লগতে অইন এজনৰো জীৱনৰ আনন্দকণ কাঢ়ি নিয়ে। এক কথাত অপৰাধী।

আত্মহত্যা কৰাবোৰে কিয় এবাৰলৈও উপলব্ধি নকৰে জীৱনটোৰ মূল্য? জীৱনটো ইমানেই সুলভ নে? সুযোগ বাৰে বাৰে নাহিলেও, জীৱনে দ্বিতীয় সুযোগ এটা সদায় দিয়ে "life always gives a second chance since everybody deserves it."

সকলো সমস্যাৰে সমাধান আছে, থাকিবই লাগিব। কিয়নো সমাধান থকা বাবেইটো সমস্যাৰ সৃষ্টি হয়। জীৱন কেতিয়াও নিমিলা অংক হ'ব নোৱাৰে, তাৰো সমাধান আছে। মাথো কণ্টকাকীৰ্ণ পথ। কিন্তু কাঁইটে এবাৰ-দুবাৰ বিন্ধিলেই আমি আশাহত হ'ব লাগেনে? হেম বৰুৱাই তাহানিতেই কৈছিল "আশা আছে বাবেইতো পৃথিৱীখন ধুনীয়া"। আশাহত হৈ সমাধানৰ পথ এৰি পলায়ন কৰিলে পৰিব জানো সমস্যাৰ অন্ত? আত্মহত্যাও পলায়নৰে নামান্তৰ মাথো। ই কাপুৰুষালি, চূড়ান্ত বুৰ্বকামি।

আত্মহত্যা কোনো সমস্যাৰে সমাধান হ'ব নোৱাৰে। বৰং ই সমস্যাৰ সৃষ্টিহে কৰে। একেই চিন্তা ধাৰাৰে আন কাৰোবাক একেখন নাৱৰে যাত্ৰী কৰি লৈ যায়; কাপুৰুষালিৰ ৰ'দ অস্তিত্ববিহীন আকাশত টিমিক টামাককৈ জ্বলি থাকে।

আত্মহত্যাও আজিৰ সমাজত এখোপ এখোপকৈ উঠি অহা কুসংস্কৃতি তথা মহামাৰী স্বৰূপ। কলিতে উঘালিব নোৱাৰিলে এদিন গোজেই গজালি হ'ব। তেন্তে উপায়? আত্মহত্যাকাৰীয়ে উপলব্ধি কৰিব লাগিব জীৱনৰ মূল্য, তেওঁলোকৰ স্থিতি। ভাবিব পাৰিব লাগিব যে পৃথিৱীত, সমাজত তেওঁলোকৰো প্ৰয়োজন আছে। ইয়াৰ বাবেকোনো 'কাউন্সেলিঙ'ৰ প্ৰয়োজন নাই, প্ৰয়োজন মাথো আত্মোপলব্ধিৰ, প্ৰয়োজন এটি দৃঢ় মনৰ। কিয়নো "মেলিলে মন যোঁৱাৰ ছুটি, বান্ধিলে মন শিলৰ খুটি"।

সৰুতে পঢ়িছিলো "একেবাৰে নোৱাৰিলে এশবাৰে কৰা" হৃদয়ঙ্গম কৰিছিলো, ফলো পাইছো। কিন্তু আত্মহত্যাকাৰীয়ে পাহৰি যায়, সকলো। পৰিৱৰ্তিত সময়ৰ লগে লগে তেওঁলোকৰ বাবে মৃত্যুও চাগে হৈ পৰে এক বিলাসিতা। 'মৃত্যু বিলাসিতা'-হায় আত্মহত্যাকাৰী! ধিক তোমাৰ জীৱন।

> "চিগাৰেটৰ এটা মূৰত জুই আৰু আনটো মূৰত এজন মূৰ্খ থাকে।"
> — জৰ্জ বাৰ্ণাড শ্ব।





# অসম ৰাজ্যিক চিৰিয়াখানা

হীৰকজ্যোতি কলিতা
প্ৰথম ষাণ্মাসিক (অসমীয়া)

অসম ৰাজ্যিক চিৰিয়াখানা তথা উদ্ভিদ উদ্যান উত্তৰ পূৱ ভাৰতৰ সৰ্ববৃহৎ চিৰিয়াখানা। গুৱাহাটীৰ জাপৰিগোগত এই চিৰিয়াখানখন অৱস্থিত। ১৯৫৭ চনত এই চিৰিয়াখানখন প্ৰতিষ্ঠা কৰা হৈছিল যদিও ১৯৫৮ চনৰ পৰাহে দৰ্শকৰ বাবে মুকলি কৰি দিয়া হয়। প্ৰায় ৪৩২ একৰ (১৭৫ হেক্টৰ) পৰ্যন্ত ইয়াৰ মাটিকালি বিস্তৃত। ইয়াত প্ৰায় ৮৭৫ বিধ জীৱ-জন্তু সংগৃহীত কৰি ৰখা হৈছে। তাৰ ভিতৰত ১১৩ টা প্ৰজাতিৰ বিভিন্ন জন্তু আৰু চৰাই ইয়াত দেখিবলৈ পোৱা যায়।

১৯৫৭ চন গুৱাহাটীত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাৰ অন্তত এই চিৰিয়াখানা প্ৰতিষ্ঠাৰ সিদ্ধান্ত লোৱা হৈছিল। ৰাজ্যিক চিৰিয়াখানাৰ ভিতৰ চ'ৰাত এটা সংগ্ৰহালয় আৰু উদ্ভিদ উদ্যান এখনো প্ৰতিষ্ঠা কৰা হয়। সেই অনুসৰিয়েই ৰাজ্যিক চিৰিয়াখানাৰ নামটো অসম ৰাজ্যিক চিৰিয়াখানা তথা উদ্ভিদ উদ্যান হয়।

চিৰিয়াখানাত উপলব্ধ কিছুসংখ্যক জন্তু হ'ল- এশিঙীয়া গড়, বাঘ, জিৰাফ, সোণালী বান্দৰ, সিংহ, ভালুক, হৰিণা, হাতী ইত্যাদি। ইয়াৰ লগতে ভাটো, ময়ুৰ, ৰাজহাঁহ আদি চৰাই আৰু সাপ, ঘৰিয়াল আদি সৰীসৃপ দেখিবলৈ পোৱা যায়। ইয়ালৈ বছৰি প্ৰায় ৪ লাখতকৈও অধিক দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটে। প্ৰতি বছৰে ১ ৰ পৰা ৭ অক্টোবৰলৈ ইয়াত বন্যপ্ৰাণী সপ্তাহ অনুষ্ঠিত কৰা হয়।

(ক্ষেত্ৰ ভিত্তিক অধ্যয়নৰ জৰিয়তে তথ্যসমূহ দাঙি ধৰা হৈছে।)

# অসমীয়া সকলৰ সাজপাৰ

সত্যম্ চৌধুৰী
দ্বিতীয় ষাণ্মাসিক (হিচাপ বিদ্যা)

পৃথিৱীৰ সকলো জাতিৰে নিজস্ব বৈশিষ্ট্যসম্পন্ন সাজপাৰ থকাৰ দৰে অসমীয়া জাতিৰো নিজা সাজ-পাৰ আছে। সাজ-পাৰৰ জৰিয়তে এটা জাতিৰ সৌন্দৰ্যবোধ, অৰ্থনৈতিক অৱস্থা, ভৌগোলিক অৱস্থান প্ৰভৃতি সুন্দৰভাৱে প্ৰকাশ পায়। কালিকা পুৰাণত আছে অসমীয়া সাজ-পাৰক বস্ত্ৰ অথবা আচ্ছাদন বোলা হৈছিল। অসমীয়া পুৰুষে ধুতি, এণ্ডাচোলা, গোমচেঙৰ চোলা, চাটনৰ চোলা, নৰা-চোলা, বুকু চোলা, মিৰ্জাই চোলা আৰু মোগলাই চোলা, চেলেং, চুৰিয়া, টঙালি, পাগ, জামা, হাঁচতি পৰিধান কৰিছিল।

অসমীয়া তিৰোতাই আঁচুৱলীয়া ৰিহা, আচলে-পাৰিয়ে গুণাকটা ৰিহা, কেছবন্ধ ৰিহা, গাৰিয়লী ৰিহা, গুণাকটা ৰিহা, দহি অলীয়া ৰিহা, কাৰ্চিপৰ বনকৰা মেখেলা, কিংখাপৰ মেখেলা, গুণাকটা মেখেলা, গোমচেঙৰ মেখেলা, চাটনৰ মেখেলা, নৰা-মেখেলা, বুটাবন্ধা মেখেলা, মুগাৰ মেখেলা, মেজাংকৰী মেখেলা আদি পৰিধান কৰে। উৎসৱ আৰু পূজা-পাৰ্বণ উপলক্ষে অসমীয়া পুৰুষ-তিৰোতাই নতুন সাজ-পাৰ পৰিধান কৰিছিল।

# মাজুলী ঃ অসমৰ সত্ৰীয়া সংস্কৃতিৰ ভঁৰাল

অৰবিন্দ বৰা
প্ৰথম ষাণ্মাসিক (অৰ্থনীতি বিভাগ)




**আউনীআটী, কমলাবাৰী, গড়মূৰ আদিকে ধৰি মাজুলীত তিনি কুৰিৰো অধিক সত্ৰ অৱস্থিত। এই সত্ৰসমূহত আধ্যাত্মিক উপাসনাৰ উপৰি নিৰবিচ্ছিন্নভাৱে চলি থকা কলা-সংস্কৃতিৰ চৰ্চাই মাজুলীক স্বকীয় ৰূপত প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰত মাজুলীৰ অৱদান**

মাজুলী অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ মাজত থকা এটা বৃহৎ নদীদ্বীপ আৰু অসমৰ নৱগঠিত জিলা। ২৭ জুন ২০১৬ চনত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই মাজুলীক জিলা ঘোষণা কৰাত মাজুলী ভাৰতৰ প্ৰথমখন নদীদ্বীপ জিলা হৈ পৰিল। অসমৰ মানচিত্ৰত মাজুলীয়ে প্ৰাকৃতিকভাৱে এক বৈশিষ্ট্যপূৰ্ণ স্থান দখল কৰিছে। মাজুলী পূৰ্বতে যোৰহাট জিলাৰ এটা মহকুমা আছিল। শংকৰদেৱ, মাধৱদেৱৰ মিলনভূমি, সত্ৰীয়া সংস্কৃতি তথা বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰ এটকা মহত্তৰ স্থানৰূপে খ্যাত মাজুলী পৃথিৱীৰ আটাইতকৈ বেছি জনবসতিপূৰ্ণ নদীদ্বীপ।

মাজুলীয়ে নদীদ্বীপৰ আকাৰ লোৱাৰ আগতেই দিহিং আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ ঠাইখণ্ডক মজালি বা মাজালি বোলা হৈছিল। 'মাজুলী' নামৰ উৎপত্তিৰ দিশৰ পৰা সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাদেৱে সন্ধি ভাঙি দেখুৱাইছে যে 'মা' + 'জুলী' = মাজুলী হৈছে। য'ত মা = লক্ষ্মী আৰু জুলী = জোলোঙা / ভঁৰাল। এসময়ত শস্যে-মৎস্যে নদন-বদন অৱস্থা হোৱাৰ বাবেই মাজুলীক লক্ষ্মীৰ ভঁৰাল বুলি অভিহিত কৰা যেন ধাৰণা হয়। নকুল চন্দ্ৰ ভূঞাই বাৰভূঞাৰ চমু বুৰঞ্জীত স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনতেই উপদ্বীপ মাজুলীয়ে নদীদ্বীপৰ আকাৰ লয় বুলি উল্লেখ কৰিছে। ড° জে.পি, বেডে অষ্টাদশ শতিকাত মাজুলী শব্দটো ব্যৱহাৰ কৰিছিল। ইয়াৰ দীঘ ২৫০ আৰু প্ৰস্থ ৬০ ব্ৰিটিছ মাইল বুলি বেডে উল্লেখ কৰিছে। তথ্য মতে ১৯০১ খ্ৰীষ্টাব্দত মাজুলীৰ আয়তন আছিল ৪৮৫ বৰ্গমাইল।

মাজুলী ২৬°৪৮ ৰ পৰা ২৭°১২ উত্তৰ আৰু ৯৩°৩৯ দ্ৰাঘিমাংশত অৱস্থিত। অসমৰ যোৰহাট জিলাৰ উত্তৰ দিশত মাজুলী অৱস্থিত। মাজুলীৰ আকাৰ এটা শিলিখাৰ দৰে। ইয়াৰ উত্তৰ দিশত লক্ষীমপুৰ জিলা আৰু ধেমাজি, দক্ষিণে যোৰহাট, পূবে শিৱসাগৰ আৰু পশ্চিমে গোলাঘাট আৰু শোণিতপুৰ জিলা অৱস্থিত। ব্ৰহ্মপুত্ৰৰ গৰা-খহনীয়াই মাজুলীৰ নদী কাষৰীয়া ঠাইবোৰৰ বহুতো গাওঁ নদীৰ বুকুত বিলীন কৰি পাশ্বৰ্বৰ্তী অঞ্চলত সৰু-বৰ চাপৰিৰ সৃষ্টি কৰি আহিছে। এইদৰে ১৯০১ চনৰ ১২০০ বৰ্গ কিলোমিটাৰ মাজুলীৰ মূল ভূ-খণ্ডৰ প্ৰায় ৮০০ বৰ্গ কিলোমিটাৰ সংকুচিত হৈছে। বৰ্তমান এই ভূখণ্ডত প্ৰায় ২০ খন গাওঁ পঞ্চায়তৰ অন্তৰ্গত ২৫০ খন গাওঁ আছে। বৰ্তমানৰ মাজুলী জিলাৰ প্ৰশাসনিক সদৰ গড়মুৰ আৰু শৈক্ষিক আৰু বাণিজ্যিক সদৰ হৈছে কমলাবাৰী।

মাজুলীৰ জলবায়ু বুলিলে মৌচুমী জলবায়ু বুলিয়ে কোৱা যায়। জলবায়ু বিজ্ঞানৰ ফালৰ পৰা মাজুলীৰ জলবায়ু উপক্ৰান্তিয় মৌচুমী জলবায়ু বোলা হয়। ঋতু অনুযায়ী উত্তাপ পৰিবৰ্তন হোৱাৰ ফলত চাপৰ সাল-সলনি হৈ এই মৌচুমী বায়ু প্ৰবাহৰ সৃষ্টি হয়। মাজুলীৰ জলবায়ু সাধাৰণতে গৰম আৰু সেমেকা। গড়কাপ্তানি বিভাগৰ বহিঃ মাজুলীৰ লগত যাতায়তৰ বাবে জল পথেই একমাত্ৰ উপায় আছিল যদিও বৰ্তমান লক্ষীমপুৰ জিলাক সংযোগ কৰি স্থলপথৰ ব্যৱস্থা গঢ় দিয়া হৈছে। জলপথৰ যোগাযোগৰ একমাত্ৰ ব্যৱস্থা হৈছে যন্ত্ৰচালিত নাওঁ-জাহাজ। শিক্ষাৰ ক্ষেত্ৰত মাজুলীবাসী অধিক আগবঢ়া। এই ভূমিত শিক্ষাৰ ক্ষেত্ৰত প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিকৰ উপৰিও ৫ খন মহাবিদ্যালয় আৰু এখন কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠান আৰু এখন প্ৰাথমিক শিক্ষা প্ৰশিক্ষণ কেন্দ্ৰকে ধৰি বহুতো শিক্ষানুষ্ঠান আছে। শিক্ষাৰ লগতে সাহিত্য, সাংস্কৃতিক আৰু খেল জগতলৈয়ো মাজুলীয়ে বিশেষ বৰঙণি আগবঢ়াই আহিছে। শেহতীয়াভাৱে অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই মাজুলী জিলাত এখন সাংস্কৃতিক মহাবিদ্যালয় স্থাপন কৰাৰ কথাও ঘোষণা কৰিছে।

সত্ৰসমূহ মাজুলীৰ বিশেষ আকৰ্ষণ। পঞ্চদশ শতিকাতে মহাপুৰুষ শংকৰদেৱে ধুৱাহাট বেলগুৰিত প্ৰথম সত্ৰ প্ৰতিষ্ঠা কৰি অসমীয়া সংস্কৃতি তথা ভক্তিধৰ্মক সুকীয়া মাত্ৰা প্ৰদান কৰিছিল। আউনীআটী, কমলাবাৰী, গড়মূৰ আদিকে ধৰি মাজুলীত তিনি কুৰিৰো অধিক সত্ৰ অৱস্থিত। এই সত্ৰসমূহত আধ্যাত্মিক উপাসনাৰ উপৰি নিৰবিচ্ছিন্নভাৱে চলি থকা কলা-সংস্কৃতিৰ চৰ্চাই মাজুলীক স্বকীয় ৰূপত প্ৰতিষ্ঠিত কৰাৰ ক্ষেত্ৰত মাজুলীৰ অৱদান উল্লেখনীয়। মাজুলী উদ্যোগবিহীন প্ৰদূষণমুক্ত কৃষি প্ৰধান অঞ্চল। কৃষিৰ উপৰিও দৈনন্দিন জীৱিকা নিৰ্বাহৰ উপায় স্বৰূপে মাজুলীৰ অৰ্থ-সামাজিক বিকাশত পশুপালন, মীন পালন আৰু কুটীৰ শিল্প আদিয়েও অতি গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে। শালমৰাৰ মৃৎ শিল্প আৰু চামগুৰি সত্ৰৰ মুখাশিল্পই এক সুকীয়া স্থান দখল কৰিছে।

মাজুলীৰ বৰ্তমান জনসংখ্যা ডেৰ লাখৰো অধিক। মাজুলীৰ জনগাঁঠনি মিশ্ৰিত। ইয়াত বিভিন্ন জাতি-জনজাতিৰ লোকে বাস কৰে। মিছিং জনজাতিৰ সংখ্যা গৰিষ্ঠতা থাকিলেও যথেষ্ঠ সংখ্যক অনুসুচিত জাতি, সোণোৱাল কছাৰী আৰু দেউৰী সম্প্ৰদায়ৰ জনজাতিৰ লগতে আৰু কিছু সংখ্যক বঙালী হিন্দু আৰু নেপালী সম্প্ৰদায়ৰ লোকে বাস কৰে। ঋতুৰ ভিন্নতাত প্ৰাকৃতিক সৌন্দৰ্যয়ো ভিন ভিন বেশেৰে মনোমোহা ৰূপত ভুমুকি মৰা মাজুলী বিশেষকৈ শৰৎ কালত দেশী-বিদেশী পৰ্যটকেৰে ভৰি পৰে। মাজুলীৰ অন্যতম প্ৰধান উৎসৱ হৈছে 'ৰাস-পালনাম'। উৎসৱমূখৰ পৰিবেশৰ লগতে বিভিন্ন প্ৰজাতিৰ পৰিভ্ৰমী চৰাইৰ সহাৱস্থান শৰৎ কালত মাজুলীৰ এটা পৰিচিত দৃশ্য। সৰিয়হ ফুলাৰ সময়ত হালধীয়া হৈ পৰা পথাৰ আৰু কঁহুৱা ফুলাৰ বতৰত শুকুলা হৈ পৰা চৰ-চাপৰিবোৰৰ নৈসৰ্গিক দৃশ্য মাজুলীবাসীৰ বাবে অতি চিনাকী দৃশ্য। ই মাজুলীৰ এক বিশেষ বৈশিষ্ট্য।

এনেহেন মাছে-গাখীৰে উভৈনদী লক্ষ্মীৰ ভঁৰাল স্বৰূপ মাজুলীৰ ভোগৰ কাহিনী আজি সাধুকথা যেন লগাৰ উপক্ৰম হৈছে। তথাপি তুলনামূলকভাৱে অসূয়া, অশান্তি অবিহনে কম পৰিশ্ৰমেৰে মাজুলীবাসীৰ জীৱিকা নিৰ্বাহৰ পথ এতিয়াও প্ৰশস্ত হৈ আছে। সেয়েহে মাজুলী আজিও ভোগালী। বিভিন্ন সাংস্কৃতিক ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃতি পোৱাৰ পথত আগবঢ়া মাজুলী অবিহনে অসমৰ সাংস্কৃতিক পৰিচয় যে অসম্পূৰ্ণ এই কথা অনস্বীকাৰ্য। অসমৰ বিশিষ্ট গীতিকাৰ, সুৰকাৰ তথা অসমীয়াৰ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গে মাজুলীৰ প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰি গভীৰ ভাষাৰে মাজুলীৰ সকলো দৃশ্যপত গীতৰ মাজেৰে দাঙি ধৰিছে। গায়কজনৰ 'মাজুলীত এজনী ছোৱালীয়ে দুখ পালে' শীৰ্ষক গীতটি অসমীয়াই অতি আগ্ৰহেৰে আদৰি লয় আৰু মাজুলীক আগতে নজনা জনৰো দৃষ্টি আকৰ্ষণ কৰে। কিন্তু বৰ্তমান প্ৰজন্মই মাজুলীৰ এই বিচিত্ৰ সংস্কৃতিৰ বিষয়ে অৱগত নহয় আৰু জানিব বিচৰা দেখা নাযায়। এইখন মাজুলীৰে গৰাখহনীয়া প্ৰতিৰোধৰ স্থায়ী ব্যৱস্থাৰ লগতে জিলাখনৰ আন্তঃগাঠনি উন্নয়নৰ বাবে সংশ্লিষ্ট কতৃপক্ষই ফলপ্ৰসূ পদক্ষেপ লোৱাৰ অধিক পলম কৰি থাকিলে অসমৰ মানচিত্ৰত মাজুলীৰ মূল ভূ-খণ্ডৰ পৰিবৰ্তে সৰু সৰু চাপৰিৰ সৃষ্টিয়ে ঠাই পাব। এই লেখাৰ জৰিয়তে নিজে এজন যুৱ প্ৰজন্মৰ লোক হিচাপে আমাৰ অনুৰোধ যে যিসকল লোক তথা বিশেষকৈ আমাৰ যুৱ প্ৰজন্মই মাজুলীৰ মহত্বৰ বিষয়ে অৱগত নহয়, তেওঁলোকে এজন অসমীয়া হিচাপে মাজুলীৰ অসমীয়া সংস্কৃতিত অৱদান সম্পৰ্কে জানিবলৈ চেষ্টা কৰে যেন। অৱশেষত, সাংস্কৃতিক, আধ্যাত্মিক, প্ৰাকৃতিক আটাইবোৰ দিশত চহকী মাজুলীৰ আতিথ্য গ্ৰহণ কৰি জীৱনটো ধন্য কৰাৰ সুবিধাকণ লও আহক।

সহায়ক গ্ৰন্থ ঃ "আউনীআটী সত্ৰ সৰ্দসন", আউনীআটী উচ্চ মাধ্যমিক বিদ্যালয় (মাজুলী)ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ আধাৰত ৰচিত গ্ৰন্থ

# আমাৰ সমাজ আৰু আমি

পৰীখা কলিতা
প্ৰথম ষান্মাসিক (অসমীয়া বিভাগ)

সাহিত্য সমাজৰ দাপোন, জাতিৰ নাড়ী নক্ষত্ৰ স্বৰূপ। সাহিত্যৰেই প্ৰকাশ পায় ভাষা সংস্কৃতি, ধ্যান-ধাৰণা, ৰীতি-নীতি, চিন্তা-ভাৱনা তথা জাতীয়তাৰ সকলোখিনি। আমাৰ সমাজতো বহুতো পাঠক-পাঠিকাৰ ধাৰণা হ'ল যে কেইটিমান কবিতা বা এগাল গল্প, চুটি গল্পই হ'ল সাহিত্য। প্ৰকৃতাৰ্থত কিন্তু এইটো সত্য নহয়। নাটক, কবিতা, উপন্যাস, ৰস-ৰচনা, গল্প, কৌতুক, ব্যংগ ৰচনা, সমালোচনা, প্ৰবন্ধকেই আদি কৰি সভ্যতা-সংস্কৃতি, নৃত্য-গীত, কৃষি পদ্ধতি, সাজ-পাৰ, খাদ্য সম্ভাৰ, বিশ্বাস-অন্ধবিশ্বাস আদি কৰি জীৱনৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটোৱেই সাহিত্য। সামাজিক উন্নতিৰ বাবে শিক্ষাৰ প্ৰয়োজনীয়তা অসীম, কিন্তু সাহিত্য অবিহনে যে শিক্ষা অসম্পূৰ্ণ, এই কথা আজিৰ নৱ প্ৰজন্মই উপলব্ধি কৰিব পৰা নাই।

সমাজ পৰিবৰ্তনশীল। এই পৰিবৰ্তিত সমাজত আধুনিকতাৰ দৌৰত ভাগ লৈ আমি যাতে আমাৰ সংস্কৃতি আৰু জাতীয় চেতনা পাহৰি নাযাওঁ সেয়া লক্ষনীয় বিষয়। সময়ৰ লগত খোজ মিলাই আধুনিকতাৰ সৈতে তাল মিলাই চলাটো নিতান্তই প্ৰয়োজনীয়। কিন্তু এইবোৰৰ মাজত আমি নিজকে পাহৰি যোৱা নাইতো? এই কথাখিনি মই মোৰ অভিজ্ঞতা কিছুমানৰ পৰা অনুভৱ কৰিছোঁ। সেই অভিজ্ঞতাৰ বিষয়ে তলত অকণমান লিখিলো।

এদিন মই মোৰ বান্ধৱী কেইজনীৰ সৈতে আমাৰ ক্লাছ শেষ হোৱাৰ পাছত ঘৰলৈ বাছত উঠিলো। বাছত বিহুগীত এটা বাজি আছিল। বাছৰ 'ছাউণ্ড চিষ্টেম' ত বিহুগীত এটা বাজি আছিল। তাকে শুনি লগৰ এজনীয়ে ক'লে, 'আজিকালি সকলোৱে মোবাইলত, ঘৰত ৰক্ সংগীত বাজি থাকে। তাতে আকৌ বাটে-ঘাটে বিহু শুনিবলৈ আমনিয়ে লাগে।' আন এজনীয়ে মাত লগালে- "অ'তো। মইয়ো বিহুগীত

> 'আজিকালি সকলোৱে মোবাইলত, ঘৰত ৰক্ সংগীত বাজি থাকে। তাতে আকৌ বাটে-ঘাটে বিহু শুনিবলৈ আমনিয়ে লাগে।'

শুনি 'ব'ৰ' পাও।" কথাটো শুনি দুয়োজনীলৈ ভীষণ খং উঠিল। বিহুগীত শুনি বেয়া পোৱাতকৈ ডাঙৰ কথা হৈছে তাক অপমান কৰাটো। কোনোবাই বিহু শুনি ভাল নাপাব পাৰে, কিন্তু তাক অপমান কৰাৰ অধিকাৰ কাৰো নাই আৰু বাছত তেনে কথা কোৱা উচিত নহয়। কিয়নো বাছত বহি থকা উঠি অহা নতুন চামৰ কাণত এই কথা পৰিলে সিহঁতৰ মনতো সেই একে ধাৰণাৰ বীজ মেলিব পাৰে। এইখিনিতে আৰু দুটি ঘটনাৰ পাতনি মেলিব বিচাৰিছো। এদিন কেইজনমান বন্ধু-বান্ধৱীৰ সৈতে কলেজ কেন্টিনত কথা পাতি থাকোঁতে কথা প্ৰসংগত হোমেন বৰগোহাঞিৰ কথা ওলাল। লগৰ এজনীয়ে সুধিলে, "কোন হোমেন বৰগোহাঞি?' মই আচৰিত হৈ সুধিলো, 'তুমি হোমেন বৰগোহাঞিৰ নাম শুনা নাই? ' এজন অসমীয়া শিক্ষিত ল'ৰা বা ছোৱালীয়ে যদি অসমতেই থাকি হোমেন বৰগোহাঞিৰ নাম শুনা নাই তাতোকৈ পৰিতাপৰ বিষয় জানো কিবা হ'ব পাৰে? আমি যদি সাহিত্যিকসকলৰ অসমীয়া সাহিত্যলৈ যোগোৱা বৰঙণিবোৰ পাহৰি যাওঁ, আমি জানো নিজকে অসমীয়া হিচাপে চিনাকি দিব পাৰিম? আন এদিন কলেজত ক্লাছ অফ থকাত কেইজনমান বন্ধু-বান্ধৱীৰ সৈতে এনে বহি আছিলো। মই জুবিন গাৰ্গৰ অসমীয়া গান এটা মোবাইলতে বজালো। লগৰ এজনে ক'লে, এই মদাপীটোৰ গান বন্ধ কৰ। মই এটা ইংলিছ গান বজাই আছো। কথাষাৰ শুনি মই নিজে ৰব লাজ পালো। জুবিনদাক সি মদাপী বুলি কয়। কিন্তু ইংলিছ বা হিন্দীগান বজাই আছে সেইটো তাৰ ভুল নহয়? জুবিন গাৰ্গৰ দৰে বিখ্যাত কণ্ঠশিল্পীক সিঁহতে ঠাট্টা - মস্কৰা কৰি অসমীয়া সংস্কৃতি ধ্বংস কৰা নাইনে? আমাৰ কাৰণে কিমান সৌভাগ্যৰ কথা যে ইমান ডাঙৰ এজন কণ্ঠশিল্পী হোৱাৰ পিছতো বলীউড বা হলীউডলৈ গুচি যোৱা নাই একমাত্ৰ অসমীয়া সমাজৰ







> কণ্ঠশিল্পীক সিঁহতে ঠাট্টা - মস্কৰা কৰি অসমীয়া সংস্কৃতি ধ্বংস কৰা নাইনে?

সংস্কৃতি বজাই ৰাখিবৰ বাবে। আজি যুৱ-প্ৰজন্মই কেৱল সেই সংগীতসমূহক সঠিক মৰ্যাদা দিব লাগে। ভূপেনদাই কৈ গৈছে-

"আমি অসমীয়া নহওঁ দুখীয়া
বুলি সান্ত্বনা লভিলে নহ'ব
আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব।"........

আজিৰ অভিভাৱকসকলে নিজৰ সন্তানক অসমীয়া মাধ্যমত নপঢ়াই কেৱল ইংৰাজী শিক্ষা দিয়াতহে গুৰুত্ব দিয়ে। ইংৰাজী শিকাটো মই ভুল বুলি ক'ব খোজা নাই। মোৰ প্ৰশ্নটো এয়ে যে নিজৰ মাতৃভাষাটোৰ প্ৰতি ইমান অৱহেলা কিয়? তেওঁলোকে পাহৰিছে যে বেলেগৰ সংস্কৃতিৰ পিছত দৌৰি নিজৰ সংস্কৃতিয়েই পাহৰি গৈছে। আধুনিক সমাজৰ অহেতুক প্ৰতিযোগিতাত গুৰুত্ব দি আমি নিজৰ ভাষা আৰু সংস্কৃতিৰ প্ৰতি অৱহেলা কৰা নাইতো? তাৰোপৰি একৈশ শতিকাৰ নৱ প্ৰজন্মৰ মাজৰ বহুতেই মাদকদ্ৰব্যৰ প্ৰতি আকৃষ্ট হোৱা দেখা যায়। ইয়াৰ ফলত সৃষ্টি হ'ব ছিন্নমূল এক নতুন প্ৰজন্ম। সমাজ অশান্তিৰে ভৰি পৰিব, মানৱীয় মূল্যবোধৰ স্খলন ঘটিব, সৃষ্টি হ'ব হিংসাৰ আৰু তাৰ পৰাই সৃষ্টি হ'ব সন্ত্ৰাস। এনে হ'লে এদিন হয়তো হেৰাই যাব অসমীয়া জাতিৰ সুকীয়া অস্তিত্ব। এখন সমাজ, এটা জাতিক সুৰক্ষিত কৰাৰ কাৰণে প্ৰয়োজন এক সুস্থ সক্ষম বিজ্ঞান সন্মত পৰিবেশৰ। ওপৰোক্ত কথাবোৰ আমাৰ সচেতন ব্যক্তিসকলে উপলব্ধি কৰি আমাৰ উঠি অহা প্ৰজন্মক সঠিক দিশত পৰিচালিত কৰিব পাৰিলে আমাৰ স্বকীয় ভাষা সংস্কৃতি জীয়াই থাকিব।

# যুৱসমাজৰ শৃংখলাবোধ

চুমী কলিতা
চতুৰ্থ ষান্মাসিক (বাণিজ্য শাখা)

বৰ্তমান শৃংখলাবোধৰ অভাৱ গোটেই বিশ্বতে পৰিলক্ষিত হৈছে। বিশ্বৰ বিভিন্ন দেশৰ যুৱসমাজৰ মাজতো ইয়াৰ অভাৱে দেখা দিছে।

কোনো যুৱ প্ৰজন্মই স্ব-ইচ্ছাই উচ্ছৃংখল আচৰণ প্ৰদৰ্শন নকৰে। ইয়াৰ আঁৰত কিছুমান আনুষংগিক বিষয় জড়িত হৈ থাকে। ইয়াৰ বাবে পোনপটীয়াকৈ যুৱসমাজক দোষাৰোপ কৰিব নোৱাৰি। যুৱসমাজ বিপথে যোৱাৰ মূল কাৰণ ক'বলৈ গ'লে পৰিয়াল আৰু সমাজৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ দিশটোক আঙুলিয়াব পাৰি। বৰ্তমান যুৱ উচ্ছৃংখলতাই বৌদ্ধিক সমাজত এক আলোড়নৰ সৃষ্টি কৰিছে। সমাজৰ এনে এডোখৰ ঠাই নাই য'ত যুৱ উচ্ছৃংখলতাই প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। ৰেগিং, ইভটিজিং আদি হৈছে ইয়াৰ এক অন্যান্য উদাহৰণ।

শৃংখলাবোধ হৈছে জীৱনৰ এক ছন্দ। ইয়াৰ লগতেই জড়িত হৈ থাকে জীৱনৰ সাফল্যতাৰ দিশসমূহ। নিয়ম-শৃংখলাৰ ব্যতিক্ৰম ঘটিলে গোটেই জীৱন ধ্বংসৰ গৰাহত সোমাই যাব। সেইবাবে যুৱসমাজে ছাত্ৰজীৱনৰ পৰাই শৃংখলাবোধৰ অনুশীলন কৰা উচিত।

যুৱ প্ৰজন্ম শৃংখলাবদ্ধ হ'বলৈ হ'লে প্ৰথমে নিজে বিবেকৰ দ্বাৰা পৰিচালিত হ'ব লাগিব। দ্বিতীয়তে পিতৃ-মাতৃ আৰু সমাজৰ বুদ্ধিজীৱিসকলেও এই ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব। যুৱসমাজ শৃংখলাবদ্ধ আৰু দায়বদ্ধ হ'লেহে দেশ আৰু সমাজখন উন্নতিৰ দিশে ধাৱমান হ'ব।

# নলবাৰী হৰি মন্দিৰৰ ৰাস মহোৎসৱৰ ইতিহাস

অনামিকা দাস
পঞ্চম ষাণ্মাসিক, (অসমীয়া বিভাগ)

**ভগৱান শ্ৰীকৃষ্ণৰ মহিমা বৰ্ণনা কৰা
মৃন্ময় মূৰ্ত্তিৰে উপস্থাপন কৰি
সৃষ্টি কৰা ৰাস-মহোৎসৱ
নলবাৰীত আৰম্ভ হৈছিল
আজিৰ পৰা আশী বছৰ আগতে**

ঐতিহ্যমণ্ডিত নলবাৰীৰ হৰি মন্দিৰ নিৰ্মিত হৈছিল ১৯৪৩ চনত। ইয়াৰ প্ৰাংগণত তিনিটা মন্দিৰ আছে- বিষ্ণুমন্দিৰ, শিৱ মন্দিৰ, দক্ষিণা কালী মন্দিৰ। এই মন্দিৰ জনাজাত ৰাস মহোৎসৱৰ বাবে। নলবাৰীৰ ৰাস-মহোৎসৱৰ এক সুদীৰ্ঘ পৰম্পৰা তথা বৈশিষ্ট্য আছে। ৰাস-মহোৎসৱ ১৯৩৩ চনৰপৰা ১৯৪৫ চনলৈ উদ্‌যাপিত হৈছিল। নলবাৰী চহৰৰ পুৰণি হাটখোলাত (বৰ্তমান পুৰণি হাটখোলাৰ চিন চাব নাই) যি গৰাকী ব্যক্তিৰ উদ্যোগত ৰাসোৎসৱৰ শুভাৰম্ভ হৈছিল। তেওঁ আছিল তদানীন্তন নলবাৰীৰ গড়কাপ্তানী বিভাগৰ অভাৰচিয়াৰ নাম অমৰকুণ্ডু। ১৯৪৫ চনলৈ হাটখোলাৰ অস্থায়ী মণ্ডপত তিনিদিনীয়া কাৰ্যসূচীৰ ৰাসোৎসৱ অনুষ্ঠিত হৈছিল। ১৯৪৫ চনত ৰাসোৎসৱৰ স্থান সলনি কৰি হৰি মন্দিৰলৈ অনা হয়। তেতিয়াৰ পৰা এই উৎসৱটোৱে নতুন স্থায়িত্ব লাভ কৰে। ১৯৭০ চন মানৰ পৰা এই উৎসৱটো উদ্‌যাপন কৰা পৰম্পৰালৈ পৰিণত হৈছে।

হৰিমন্দিৰ প্ৰতিষ্ঠা কৰাৰ কালৰ পৰা নিতৌ নিয়মিতভাৱে ভাগৱত পাঠ, নিত্য প্ৰসঙ্গ, প্ৰতি সপ্তাহৰ বৃহস্পতিবাৰে নিশা নাম প্ৰসংগ আয়তীৰ নাম-কীৰ্ত্তন, শ্ৰীবিষ্ণু মন্দিৰত দৈনিক পূজা অৰ্চনা চলি থাকে। ইয়াৰোপৰি মন্দিৰত পৰম্পৰাগতভাৱে শ্ৰীশ্ৰী দুৰ্গা পূজা, শ্ৰীশ্ৰী লক্ষ্মীপূজা, শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞ, শিৱৰাত্ৰি পূজা, শ্ৰীমন্ত শংকৰদেৱৰ তিথি ইত্যাদি পালন কৰা হয়।

বৰ্তমান ৰাইজে হৰি মন্দিৰত বিবাহ, অন্নপ্ৰসন্ন, চূড়াকৰণ ইত্যাদি মাংগলিক কাৰ্য সম্পন্ন কৰা দেখা যায়। হৰি মন্দিৰ সমিতিয়ে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মঙ্গলৰ বাবে সমাজসেৱা মূলক কেইবাটাও আঁচনি গ্ৰহণ কৰিছে। বৰ্তমান বিনামূলীয়া চকু চিকিৎসা শিবিৰ আয়োজন কৰি চকুৰ অস্ত্ৰোপ্ৰচাৰৰ ব্যৱস্থা কৰাৰ উপৰিও ৰোগীসকলক বিনামূলীয়াকৈ ঔষধপাতি আৰু চছ্‌মা যোগান ধৰে। এনেদৰে হৰি মন্দিৰৰ কমিটিয়ে সামাজিক সেৱা কাৰ্যত ব্ৰতী হৈ আহিছে।

শ্ৰীশ্ৰী হৰি মন্দিৰ বৰ্তমান উত্তৰ-পূব ভাৰতৰ এখন অন্যতম ঐতিহ্যমণ্ডিত সনাতন ধৰ্ম সংস্কৃতিৰ স্থান হিচাপে পৰিগণিত হৈছে। ৰাস-মহোৎসৱৰ সময়ত অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ পৰা ৰাস যাত্ৰীৰ আগমন ঘটে। এই মহোৎসৱ উপলক্ষে ভ্ৰাম্যমান থিয়েটাৰ, বিভিন্ন সামগ্ৰীৰ দোকান, বিভিন্ন ধৰণৰ মৃন্ময় মূৰ্তি ইত্যাদি অতি আমোদজনক হৈ পৰে। শ্ৰীশ্ৰী হৰি মন্দিৰৰ অতিথিশালাৰ দ্বিতীয় মহলাত ৰাইজৰ সুবিধাৰ্থে আহল-বহল বিবাহ ভৱনৰ ব্যৱস্থা আছে। এই বিবাহ ভৱনত বাথৰুম, শৌচাগাৰ সংলগ্ন চাৰিটা কোঠা আৰু ৰান্ধনি ঘৰ, খোৱা ঘৰৰ সুন্দৰ ব্যৱস্থা আছে।

ভগৱান শ্ৰীকৃষ্ণৰ মহিমা বৰ্ণনা কৰা মৃন্ময় মূৰ্ত্তিৰে উপস্থাপন কৰি সৃষ্টি কৰা ৰাস-মহোৎসৱ নলবাৰীত আৰম্ভ হৈছিল আজিৰ পৰা আশী বছৰ আগতে অৰ্থাৎ ১৯৩৩ চনত। নলবাৰী চহৰৰ বুকুত কেইবাগৰাকীমান ব্যক্তিয়ে অতি চালুকীয়াভাৱে আৰম্ভ কৰিছিল এই উৎসৱ। পি ডব্লিউ ডিৰ ইঞ্জিনীয়াৰ স্বৰ্গীয় অমৰ





কুণ্ডুৰ বাসভৱনত ১৯৩১ চনৰ কোনোবা মাহত মিলিত হৈছিল নৰেন বসু, দণ্ডিৰাম মহাজন, অনু মহৰি, কাতিৰাম ডেকা, কীৰ্তিৰাম ঠিকাদাৰকে আদি কৰি কেইবাগৰাকীমান ধৰ্মপ্ৰাণ লোক। এওঁলোকৰ আলোচনাত ঠাই পাইছিল ৰাসপূজা অনুষ্ঠিত কৰাৰ। সময়ৰ অভাৱতে তেওঁলোকে কোনো ধৰণৰ অনুষ্ঠান পাতিব নোৱাৰিলে যদিও পৰৱৰ্তী বছৰটোত নলবাৰী পুৰণা হাটখোলাত পূজাভাগৰ আয়োজন কৰিছিল। যাৰ প্ৰতি আকৰ্ষিত হৈ ১৯৩৩ চনত পদ্ধতিগতভাৱে ৰাসপূজা অনুষ্ঠিত কৰিবলৈ কেইবাগৰাকীয়ো ব্যক্তি আগবাঢ়ি আহে। ব্যক্তিসকলে ৰাধা-কৃষ্ণৰ যুগল মূৰ্তিৰ লগতে ঋষিৰ মূৰ্তি আৰু এটা সংকীৰ্ত্তনৰ দলৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰি ৰাসপূজাক ৰাজহুৱাভাৱে মুকলি কৰি দিয়ে। বঙালী ভদ্ৰলোক অমৰ কুণ্ডু আৰু নৰেন বসু ৰাসোৎসৱৰ পৰিচালনাৰ ক্ষেত্ৰত প্ৰধান সহায়ক আছিল। তদানীন্তন নলবাৰীৰ স্থায়ী বাসিন্দা গদামল্ল বৰুৱা, ৰাতিৰাম ডেকা, দণ্ডীৰাম দাস প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট লোকেও উৎসৱটি সফল কৰি তোলাত সহায় সহযোগিতা আগবঢ়াই ১৯৪৫ চনলৈকে হাটখোলাৰ অস্থায়ী মণ্ডপত তিনিদিনীয়াকৈ ৰাসোৎসৱ উদযাপন কৰা হৈছিল আৰু দাঁতিকাষৰীয়া গ্ৰাম্যাঞ্চলৰ লোকসকলে পৰম উৎসাহেৰে আহি উৎসৱটো উপভোগ কৰিছিল। সেইসময়ত উৎসৱৰ দিন কেইটাত অহৰ্নিশে ওজাপালি, ঢুলীয়াৰ ভাও আদিৰ লগতে যাত্ৰাভিনয় প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছিল। পকা মিঠৈ, তামোল-পাণ, পেঁপা, পুতলা-বেলুন আদি শিশুৰ খেল-ধেমালিৰ নানান সামগ্ৰীৰ দোকান-পোহাৰ আদি আছিল উৎসৱৰ অন্যতম আকৰ্ষণ। ৰাইজৰ দান-বৰঙণিৰে আৰম্ভ কৰা নলবাৰী পুৰণা হাটখোলাত বাঁহ বন গছৰ পাত আৰু কলৰ দোনাৰে নিৰ্মিত চালি ঘৰত মূৰ্ত্তি স্থাপন কৰি আৰম্ভ হৈছিল নলবাৰীৰ ৰাস-মহোৎসৱ। লাহে লাহে বছৰ বাগৰি মূৰ্ত্তিৰ সংখ্যা আৰু ভক্তৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিলে। অৱশেষত ১৯৪৬ চনত এই ৰাসোৎসৱ হৰি মন্দিৰলৈ স্থানান্তৰ হয়। ৫৮৪ নং দাগৰ বৰ্তমান হৰিমন্দিৰস্থিত এই ঠাই টুকুৰাই সেইসময়ৰ ছাব ডেপুটি কালেক্টৰ কৃষ্ণৰাম মেধিৰ সহযোগত কেইবাগৰাকীমান ব্যক্তিৰ নিৰলস প্ৰচেষ্টাত ৰাইজৰ নামত হস্তান্তৰ কৰা হয়। তেতিয়াৰ পৰাই বৰ্তমানলৈকে নলবাৰী ৰাস-মহোৎসৱ উদ্‌যাপিত হৈ আহিছে। ১৯৪৭ চনৰ পৰৱৰ্তী সময়ত পূজামণ্ডপ আৰু তাৰ চৌদিশে শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ মৃৎময় মূৰ্তিবোৰ জাক-জমকতাৰে সজোৱাৰ ব্যৱস্থা কৰা হয়। তদুপৰি ৰামায়ণ, মহাভাৰত, পুৰাণৰ ঘটনা আৰু চৰিত্ৰৰ আধাৰত নানান মৃৎ মূৰ্তি সজোৱাই হৰি মন্দিৰৰ প্ৰাংগণত চৌপাশে নিয়াৰিকৈ সজাই থোৱাৰ দিহা কৰা হয়। বিজুলীবাতিৰ সংযোজনে ৰাসোৎসৱক দান কৰে এক নান্দনিক গৰিমা। বছৰ বাগৰাৰ লগে লগে উৎসৱটিৰ প্ৰসাৰতা ঘটিবলৈ ধৰে, দোকান-পোহাৰৰ সংখ্যা বৃদ্ধি পাবলৈ আৰম্ভ কৰিলে। ওজাপালি, বিভিন্ন নাট্যাভিনয় প্ৰদৰ্শন হ'বলৈ ধৰিলে। সময় আগবাঢ়ি অহাৰ লগে লগে এই উৎসৱটোৱে দূৰ-দূৰণিৰ লোককো আকৰ্ষণ কৰিবলৈ লয়। ফলস্বৰূপে পূৰ্বৰ তিনিদিনীয়াৰ সলনি উৎসৱটি পাঁচ-সাতদিনীয়াকৈ উদ্‌যাপন কৰিবলৈ লোৱা হয়। ১৯৭০ চন মানৰ পৰা উৎসৱটোৰ উদ্বোধনী অনুষ্ঠানটোত গুৰুত্ব দিয়া হৈছে আৰু অসমৰ বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা ইয়াৰ উদ্বোধন কৰাটো এক পৰম্পৰালৈ পৰিণত হয়। সিদিনা সন্ধিয়া উৎসৱস্থলী জনসমুদ্ৰলৈ ৰূপান্তৰ হয়।

১৯৮০ চন মানৰ পৰা ৰাস উপলক্ষে চাৰি-পাঁচটা দিন ভ্ৰাম্যমান নাট্যদলে নলবাৰীত অভিনয় প্ৰদৰ্শন কৰিবলৈ পৰম আগ্ৰহেৰে উপস্থিত হয়। নলবাৰীৰ ৰাস-মহোৎসৱৰ কেন্দ্ৰবিন্দু হৈ পৰিছে ভ্ৰাম্যমান নাট্যদল। নাট্যাভিনয়ৰ ক্ষেত্ৰত দলসমূহৰ মাজত এক প্ৰতিযোগিতা চলে। কহিনুৰ, আৱাহন, বৰদৈচিলা, হেঙুল, ভাগ্যদেৱী, শৰাইঘাট, শংকৰদেৱ আদি ভালেসংখ্যক ভ্ৰাম্যমান নাট্যদল নলবাৰী ৰাসোৎসৱত অভিনয় প্ৰদৰ্শন কৰি খ্যাতি অৰ্জন কৰিছে। তদুপৰি যাদু-চাৰ্কাচ দল আদিও আছে। এসময়ৰ তিনিদিনীয়া ৰাস মহোৎসৱৰ আজি তেৰদিনীয়া মহোৎসৱলৈ ৰূপান্তৰিত হ'ল। আৰম্ভণিৰ দিনাৰ পৰা শেষ দিনটোলৈ অগণন লোকৰ সমাগম ঘটে। শাৰদীয় পূৰ্ণিমাৰ দিনৰে পৰা তেৰ দিন ধৰি ৰাস-মহোৎসৱৰ জীৱন্ত দৃশ্য যি এবাৰ নিজ চকুৰে দেখিছে তাক কাহানিও পাহৰিব নোৱাৰে।

*"পৰৰ দুখ পতিয়াবলৈ শিকা, নিজৰ দুখ উৰলি যাব। পৰৰ দুখ পতিয়াবলৈ গাঁঠিৰ ধন ভাঙিব নালাগে। তোমাৰ এশ টকা লোকচান হৈছে, হেজাৰ টকা লোকচান হোৱা জনৰ কথা কেৱল মনতে বিজনি কৰিবা। তোমাৰ এজন পুতেৰ মৰিছে, নিৰ্বংশ হোৱাজনৰ কথা ভাবা তোমাৰ ভাবা, তোমাৰ এশৰ দুখ পাতলিব। শোক লঘু হ'ব।"*

— দেশভক্ত তৰুণৰাম ফুকন।

# শিক্ষামূলক ভ্ৰমণ শ্বিলং-চেৰাপুঞ্জীলৈ

সুভাষ দাস
পঞ্চম ষান্মাসিক (দৰ্শন বিভাগ)



উত্তৰ পূব ভাৰত প্ৰাকৃতিক সৌন্দৰ্যৰ বাবে চিৰ পৰিচিত। নানা আপুৰুগীয়া প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ। উত্তৰ পূবৰ অন্যতম পৰ্যটন কেন্দ্ৰ হ'ল শ্বিলং। প্ৰাচীন বৰ অসমৰ ৰাজধানীয়েই আছিল শ্বিলং। প্ৰকৃতিৰ অপূৰ্ব সৃষ্টি হ'ল শ্বিলং।

ড° ভূপেন হাজৰিকাদেৱৰ কালজয়ী গীতৰ মাজৰ অন্যতম এটা আছিল - "শ্বিলঙৰে মনালিছা লিং ডোং।" যি গীতে মানুহৰ মনত শ্বিলং খন ওচৰৰ পৰা চোৱাৰ হেঁপাহ জগাই তোলে। আমি দিশপুৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক শশী মোহন দাস ছাৰৰ লগত ৫/১১/২০১৬ তাৰিখে ২৫ জনীয়া ছাত্ৰ-ছাত্ৰীৰ গোটে শ্বিলং চেৰাপুঞ্জী অভিমুখে ৰাওনা হৈছিলো। মেঘৰ আচ্ছাদন ফালি আমাৰ গাড়ীয়ে গন্তব্যস্থলৰ দিশে যাত্ৰা কৰিছিল। ৰাতিপুৱাৰ সুৰুযৰ উদয়ৰ সময়ত পাহৰীয়া স্থলবোৰৰ ভ্ৰমণে এক নতুন অনুভূতিৰ সঞ্চাৰ কৰিছিল। প্ৰায় ৮-৩০ মান বজাত আমি বৰাপানীত উপস্থিত হৈছিলো। মেঘে আবৰা পাহাৰৰ মাজত বৰাপানী হ্ৰদৰ ঢৌৰ বতাহে আমাক আপ্লুত কৰি তুলিছিল।

বৰাপানীত কিছু সময় ৰৈ আমি তাৰ পিছত 'Elephant fall'ত উপস্থিত হৈছিলো। বিশেষকৈ তাত পাহাৰৰ মাজৰ পৰা কুলুকুলুকৈ নামি অহা জলপ্ৰপাতে ঠাণ্ডা অনুভৱ কৰিবলৈ বাধ্য কৰাইছিল আৰু তাত নিগৰি থকা পানীৰ সৌন্দৰ্য্যই আমাক অতিকৈ মুগ্ধ কৰি পেলাইছিল। প্ৰকৃতিৰ মোহনীয় ৰূপত আমি নিজকে পাহৰি পেলাইছিলো। তাৰ উল্লেখনীয় বিষয়বস্তু আছিল তাত বসবাস কৰা মানুহৰ জীৱন পদ্ধতি। তেওঁলোকৰ লগত মত বিনিময় কৰি বুজিছিলো তেওঁলোকে ব্যৱসায়-বাণিজ্যৰ লগত জড়িত। তেওঁলোকৰ সহজ-সৰল স্বভাৱ সুলভ মনোভাৱে আমাক মুগ্ধ কৰিছিল। প্ৰায় ১২-১০ মান বজাত আমি চেৰাপুঞ্জীত উপস্থিত হৈছিলো। তাত থকা বিখ্যাত গুহাটো আমি দৰ্শন কৰিবলৈ সুবিধা পাইছিলো। শিলেৰে আবৰা গুহাটোৰ ভিতৰত আমি আটাইবোৰে সোমাই দৰ্শন কৰিছিলো। সেয়াও আছিল সঁচাকৈ এটি অতি মিঠা অনুভৱ। তাৰ পিছত আমি আটাইবোৰে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিছিলো। তাৰ বতৰ, জলবায়ুৱে আমাক শীতৰ মধুৰ অনুভৱ দিছিল। চিপচিপিয়া বৰষুণৰ মাজেৰে আমি আটাইবোৰে আকৌ আমাৰ যাত্ৰা আৰম্ভ কৰিছিলো 'Shillong Peak' অভিমুখে। কিন্তু দুৰ্ভাগ্যবশতঃ আমি তাত উপস্থিত হোৱাৰ আগেয়েই 'Shillong Peak'ৰ গেট বন্ধ কৰিছিল। তথাপিও আমাৰ ভাৰতীয় বায়ু সেনা বাহিনীৰ উত্তৰ পূব শাখাৰ মুখ্য কাৰ্যালয়টো দেখাৰ সৌভাগ্য হৈছিল। তাৰ পিছত লাহে লাহে ধৰিত্ৰীৰ বুকুলৈ অন্ধকাৰ নামি আহিছিল। তেতিয়া প্ৰায় ৪-৪৫ মান বাজি গৈছিল। আৰু আমিও আমাৰ ভ্ৰমণৰ সুমধুৰ অভিজ্ঞতা বুকুত লৈ গুৱাহাটী অভিমুখে যাত্ৰা কৰিছিলো। প্ৰায় ৮ মান বজাত আমি আহি মহাবিদ্যালয় চৌহদত উপস্থিত হৈছিলো।

সঁচাকৈয়ে এই ভ্ৰমণ আৰু শ্বিলঙৰ সেই মিঠা অনুভৱবোৰ আমাৰ আটাইবোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এটি মধুৰ স্মৃতি হৈ ৰ'ব।





# শিক্ষামূলক ভ্ৰমণ ঃ বৰপেটালৈ

প্ৰথম আৰু তৃতীয় ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰী বৃন্দ
অসমীয়া বিভাগ

**বৃহত্তৰ বৰপেটাৰ সমাজ সত্ৰকেন্দ্ৰীক। বৰপেটীয়াৰ মাত কথাৰ পৰা ইয়াৰ ধৰ্ম, লোকাচাৰ-সংস্কৃতি, পৰম্পৰলৈকে এক সুকীয়া বৈশিষ্ট্য আছে।**

সঁচাকৈ ভ্ৰমণৰ আনন্দই সুকীয়া। ভ্ৰমণ হৈছে এক কিতাপ অধ্যয়নৰ দৰে। আমি যিমানেই কিতাপ অধ্যয়ন কৰো আমাৰ সিমানেই জ্ঞানৰ ভঁৰাল টনকিয়াল হয়। ঠিক তেনেকৈ যিমানেই আমি ভ্ৰমণ কৰো নিতৌ ন ন কথা শিকিব পাৰো আৰু নতুন অভিজ্ঞতা হয়।

আমাৰ দিশপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ফালৰ পৰা ২৬-১০-২০১৬ ইং তাৰিখে এটা শিক্ষামূলক ভ্ৰমণ উলিওৱা হ'ল। বৰপেটাস্থিত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ সত্ৰসমূহ পৰিদৰ্শন কৰিবলৈ মুঠ ৭০ জন ছাত্ৰ-ছাত্ৰীৰ লগতে ৫ গৰাকী শিক্ষক-শিক্ষয়িত্ৰি ক্ৰমে ড° জয়জ্যোতি গোস্বামী, ড° ৰীণা চৌধুৰী, ড° মালবিকা ভট্টাচাৰ্য, অজিতপ্ৰসাদ শৰ্মা আৰু বুবুল তালুকদাৰৰ সৈতে বৰপেটালৈ এক সুন্দৰ যাত্ৰা আৰম্ভ কৰিলো। ৰাতিপুৱা প্ৰায় ৮ মান বজাত সকলো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল আহি মহাবিদ্যালয়ত উপস্থিত হ'ল। ৮-৩০ বজাত যাত্ৰা আৰম্ভ কৰা হ'ল। ১০.০০ বজাত ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰিবৰ বাবে হাজোত চন্দ্ৰমা হোটেলত সকলোকে লৈ যোৱা হ'ল। আহাৰ গ্ৰহণ কৰি দুপৰীয়া ১২.৪৫ বজাত বৰপেটা জিলাত প্ৰৱেশ কৰি ২০ মিনিট সময় ডি.চি মহোদয়ৰ আৱৰ্ত ভৱনত সকলোকে জিৰণি লবলৈ দিলে আৰু কিছু লঘু আহাৰৰো ব্যৱস্থা কৰিলে। ডি.চি মহোদয়ৰ আৱৰ্ত ভৱনত আহাৰ গ্ৰহণ কৰাৰ পিছত আমি পুনৰ যাত্ৰা আৰম্ভ কৰিলো। প্ৰায় ১.৩০ মান বজাত আমি বৰপেটা সত্ৰত উপস্থিত হ'লো। সকলোৱে প্ৰৱেশ দুৱাৰত থিয় হৈ তাৰ সৌন্দৰ্য উপভোগ কৰিলো। প্ৰৱেশ দুৱাৰ বহি সকলোৱে প্ৰথমে দুৱাৰৰ সেৱা লৈ ভিতৰলৈ গমন কৰিলো। ভিতৰৰ সন্মুখত এজোপা কেলিকদম গছ দেখিবলৈ পালো। মূল দুৱাৰত লগ পোৱা আইতা তিনি গৰাকীৰ পৰা আশিস লৈ আমি সত্ৰৰ পৰিৱেশ দৰ্শনত বিলীন হৈ পৰিলো। সত্ৰৰ চাৰিওফালে পৰিদৰ্শন কৰি সত্ৰখনৰ বিষয়ে কিছু বিশেষ কথা জানিবলৈ সক্ষম হ'লো। আমি লাভ কৰা তথ্যৰ কিছু বিৱৰণ তলত উল্লেখ কৰা হ'ল-

অসমৰ সত্ৰসমূহৰ ভিতৰত বৰপেটা সত্ৰ শংকৰীয়া ধৰ্মৰ অন্যতম সত্ৰ। 'বৰপেটা'ৰ পুৰণি নাম 'তাঁতীকুছি'। পুৰণি বৰপেটা অৰ্থাৎ তাঁতীকুছিত সুদক্ষ তাঁতীসকলৰ বসতি আৰু কৰ্মস্থানৰ বাবেই এই ঠাইখন তাঁতীকুছি নামেৰে পৰিচিত আছিল। চৰিত পুথিসমূহত বৰপেটা নামটোৱে প্ৰথমে প্ৰাধান্য পায়। বৰপেটা নামটো আদিতে 'বৰ পাট' বা 'বৰ পাটা' নামেৰে জনাজাত আছিল। বৰপেটা নামৰ উৎপত্তি সম্পৰ্কে কোনো বিশেষ সমল পোৱা নাযায় যদিও দুই তিনিটা কিংবদন্তি প্ৰচলিত আছে। শ্ৰীমন্ত শংকৰদেৱৰ আশিস লৈ মাধৱদেৱে একশৰণ ধৰ্মৰ 'পাটা' বা সিংহাসন তাঁতীকুছিত স্থাপন কৰিছিল। সেই হেতুকে ঠাইখিনি 'মুখ্য' বা 'বৰ' ঠাইত পৰিণত হৈছিল। সেই 'বৰ' আৰু 'পাটা' শব্দ দুটা মিলি 'বৰপাটা' বা 'বৰপেটা'ৰ উৎপত্তি হয় বুলি কোৱা হয়।

পূৰ্বতে বৰপেটাৰ ভূ-খণ্ড বৰলুইতৰ মাজত আছিল বুলি কোৱা হয়। মাজৰ ঠাইক বুজাবলৈ 'পেট' শব্দটো ব্যৱহাৰ কৰা হয়। সেয়েহে বৰলুইতৰ 'বৰ আৰু লুইতৰ মাজৰ ঠাই 'পট'ৰ পৰা বৰপাট' বা 'বৰপেটা' শব্দৰ উৎপত্তি হয় বুলি বহুতৰে ধাৰণা।

আমাৰ মনত ধাৰণা হোৱাৰ লগে লগে যদি কোনো ঠাইৰ কথা মনলৈ আহে, তেন্তে সেইয়া হৈছে বৰপেটা জিলা। আন ঠাইবোৰতকৈ বৰপেটা জিলাখন সত্ৰীয়া সংস্কৃতিৰ ফালৰ পৰা আগবঢ়া। বৃহত্তৰ বৰপেটাৰ সমাজ সত্ৰকেন্দ্ৰীক। বৰপেটীয়াৰ মাত কথাৰ পৰা ইয়াৰ ধৰ্ম, লোকাচাৰ-সংস্কৃতি, পৰম্পৰলৈকে এক সুকীয়া বৈশিষ্ট আছে। বৰপেটা জিলাত থকা সত্ৰসমূহৰ ভিতৰত বৰপেটা সত্ৰ অন্যতম।

বৰপেটা সত্ৰ ঃ

অসমৰ পুৰণি আৰু ঐতিহ্য পূৰ্ণ ঐতিহাসিক সত্ৰসমূহৰ ভিতৰত বৰপেটা জিলাৰ এই সত্ৰ উল্লেখযোগ্য। বৰপেটা সত্ৰ মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ মিলনভূমি। এই সত্ৰখন পঞ্চদশ শতিকাত মহাপুৰুষ মাধৱদেৱে স্থাপন কৰিছিল। এই সত্ৰতে গুৰুয়ে বৈষ্ণৱ ধৰ্ম-চৰ্চা আৰু সম্প্ৰসাৰণৰ লগতে নৃত্যগীত, ভাওনা আদিতো মনোনিৱেশ কৰিছিল। এই সত্ৰৰ কীৰ্তন ঘৰতো অসমৰ বৈষ্ণৱ সত্ৰৰ ভিতৰতেই সুবিশাল। এই কীৰ্তন ঘৰটো প্ৰায় ২৬,২০০ বৰ্গফুটৰ। নৃত্য-গীত চৰ্চাৰ বাবে মাধৱদেৱে নিৰ্মাণ কৰা বৰিয়াল গৃহটো দুৰ্ভাগ্যবশতঃ ভস্মিভূত



হৈছিল যদিও মাধৱদেৱৰ শিষ্য মথুৰা আতাই নতুনকৈ কীৰ্তন ঘৰতো নিৰ্মাণ কৰে। সত্ৰৰ আন এক আকৰ্ষণ হ'ল সত্ৰৰ ভাজ ঘৰটো। কীৰ্তন ঘৰৰ পূৱ দিশে থকা ভাজ ঘৰটোত কোঁচৰজা ৰঘুদেৱে দান কৰা শিলত খোদিত কলিয়া ঠাকুৰৰ মূৰ্তিত নিতৌ পূজা-অৰ্চনা কৰা হয়। কীৰ্তন ঘৰৰ পশ্চিমে ইটাৰে নিৰ্মিত মঠত নামঘোষা স্থাপন কৰা আছে। সত্ৰৰ মঠৰ সন্মুখভাগত এটা পাটনাদ সংৰক্ষিত কৰি ৰখাৰ লগতে মাধৱ গুৰু আৰু মথুৰা দাস আতাৰ ভেটিত স্মৃতি চিহ্ন হিচাপে সত্ৰ দুটা টিনৰ ঘৰ আজিও বিদ্যমান। এই সত্ৰ প্ৰৱেশদ্বাৰ চকুত লগা। সত্ৰখনত উলহ মালহেৰে প্ৰতি বছৰে দৌল উৎসৱ পালন কৰা হয়। সত্ৰৰ কীৰ্তন ঘৰত মহিলা প্ৰৱেশত বাধা আৰোপ কৰা হয়। এই সত্ৰত নানান ধৰণৰ ধৰ্মীয় অনুষ্ঠান, কীৰ্তন, পালনাম, মহাপুৰুষৰ জন্মোৎসৱ, থিয়নাম, সুৰেৰি, মহাপুৰুষৰ তিথি আদি পালন কৰা হয়।

বৰপেটা সত্ৰৰ পৰিবেশ তথা ঐতিহ্যই সঁচাকৈ আমাক এক বিৰল আমোদ প্ৰদান কৰাৰ লগতে বহুতো নজনা কথা জনাত সহায় কৰিলে। আমি সত্ৰখনৰ বিষয়ে বহুতো তথ্য লাভ কৰিলো। বৰপেটা সত্ৰ দৰ্শনৰ পিছত আমি বৰপেটা জিলাৰে আন এখন ঐতিহাসিক সত্ৰ, পাটবাউসী সত্ৰলৈ বাওনা হ'লো। আমি প্ৰায় ৩.০০ বজাত পাটবাসী সত্ৰত উপস্থিত হলোগৈ। সত্ৰপাই আমি ইয়াৰ চাৰিওকাষ পৰিদৰ্শন কৰাৰ লগতে সত্ৰখনৰ বিষয়ে কিছু তথ্য সংগ্ৰহ কৰিলোঁ। আমাৰ তথ্যৰ ভিত্তিত পাটবাউসী সত্ৰৰ এক বিৱৰণ তলত দাঙি ধৰা হ'ল।

পাটবাউসী সত্ৰ ঃ

পাটবাউসী সত্ৰ বৰপেটা জিলাৰ সত্ৰসমূহৰ ভিতৰত এখন লেখত লবলগীয়া সত্ৰ। মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি গুৰুসকলৰ মিলনভূমিৰূপে পৰিচিত এই সত্ৰ। পাটবাউসী সত্ৰ অতি প্ৰসিদ্ধ আৰু শংকৰ গুৰুজনাৰ প্ৰধান সত্ৰ। শংকৰদেৱ কমাৰকুছিত এবছৰ কাল থাকি কমাৰকুছি এৰি এই ঠাইলৈ আহে। এই ঠাইখনক পূৰ্বতে বৰলচোং বা বৰলজাৰ বুলিছিল। বৰলজাৰৰ ঠিক পূবদি প্ৰসিদ্ধ ধনুখন্দ জান প্ৰবাহিত। ধনুখন্দ জানৰ পূব পাৰৰ ঠাই খিনিক ব্যাসপুৰ বা ব্যাসপৰা বুলিছিল। এই ঠাইখিনি তেতিয়াৰ বাউসী পৰগণাৰ অন্তৰ্গত।

শংকৰদেৱে যেতিয়া কমাৰকুছি এৰাৰ সিদ্ধান্ত ললে তেতিয়া তেৰাই এই অঞ্চলৰে দামোদৰ সত্ৰ আৰু বগাদৈলৈ নামৰ দুজন লোকক বসতিৰ বাবে মাটিৰ কথা ক'লে। তেওঁলোকৰ খেতি খোলা নোহোৱা হাবিয়নি ঠাই এডোখৰ আছিল। হাবি জংঘলৰ বাবে মাটিডোখৰ চহাবও নোৱাৰিছিল। সেইবাবে তেওঁলোকে মাটিডোখৰ গুৰুজনাক দিলে। সেই ঠাইখিনিক আগতে বৰলজাৰ বুলিছিল। তাত বহুতো বগলীৰ বাহ আছিল। ভকতসকল সমন্বিতে গুৰুজনে কমাৰকুছি এৰি আহি হৰিধ্বনি কৰাত বগলীবোৰ গুচি যায় আৰু গুৰুজনে তাত হৰিগৃহ নিৰ্মাণ কৰি থাকিবলৈ লয়।

ধনুখন্দা জানটো ওচৰেৰে ন-খন্দা নৈখনৰ এটি সুঁতি। 'সৰুবিল'ৰ মুখেই হ'ল এই জানটোৰ আৰম্ভণি আৰু বিলৰ মুখেই হ'ল এই জানটোৰ ন-খন্দা নৈৰ লগত পুনৰ মিলন। বাস্তৱ দিশৰ পৰা চালে জানটোৰ আকৃতি ধনু এখনৰ নিচিনা আৰু ন-খন্দা নৈখন ধনুখনৰ গুণডালৰ দৰে দেখা যায়। সেইবাবেই এই জানটোৰ নাম ধনুখন্দা জান।

বাউসী পৰগণাৰ সঠিক সীমা কোৱা টান যদিও ইয়াৰ পশ্চিম সীমাটো ন-খন্দা নৈলৈকে ক'ব পাৰি। কিন্তু পূবৰ পিনে পৰগণা, চেঙা, বহৰিলৈ বিস্তৃত। এই বিস্তীৰ্ণ অঞ্চলতো সাধাৰণতে বৰ দ'। সেইবাবে এই অঞ্চলতো আগতে মানুহে বাও-তলি বা বাওখেতি প্ৰদান ঠাই বুলিছিল। ব্ৰহ্মপুত্ৰ মথাউৰি হোৱাৰ পলত এতিয়া এই অঞ্চলৰ কৃষিকৰ্ম সম্পৰ্কত কিছু পৰিবৰ্তন ঘটিছে।

পাটবাউসী সত্ৰত কালিন্দী আইৰ গৃহটি দেখাৰ সৌভাগ্য







ঘটিছিল। আমি লাভ কৰা তথ্যমতে শংকৰ গুৰুজনাৰ মৃত্যুৰ কিছুদিন পিছত মাধৱদেৱে সুন্দৰদিয়াৰ পৰা গুৰু পত্নীৰ পৰিয়ালৰ খবৰ বাতৰি লোৱাৰ কাৰণে শ্ৰীৰাম আতাক পাটবাউসীলৈ পঠালে। শ্ৰীৰাম আতা নাহি গুৰু পত্নীৰ পৰিয়ালৰ খবৰ বাতৰি লৈ যাবলৈ ওলাল। তেনেতে গুৰু পত্নীয়ে ক'লে- "শ্ৰীৰাম তুমি মাধৱক ক'বা, ঘৰটো ভাঙি যাবলৈ ধৰা বাবে থকাৰ অনুপযোগী হৈ পৰিছে। তেও যেন এটা ব্যৱস্থা কৰে।" শ্ৰীৰাম আতাই সুন্দৰদিয়াত গৈ মাধৱদেৱক কথাটো ক'লে। কথাতো শুনি মাধৱদেৱ চিন্তাত পৰিল। এনেতে তাঁতীকুছিৰ পৰা বুঢ়াআতা গৈ উপস্থিত হ'ল। মাধৱ গুৰুক চিন্তাত থকা দেখি কাৰণ সুধিলত মাধৱদেৱে বুঢ়া আতাক ক'লে -"চিন্তা নকৰিবা বাপ্পো। সকলো হৈ যাব।" এই বুলি কৈ পাটবাউসীলৈ গৈ ভকতৰ পৰা খেৰ-বাঁহ-বেত যোগাৰ কৰি দুই চাৰিদিনৰ ভিতৰতে ঘৰটো ভালদৰে মেৰামতি কৰাই গুৰুক জনালেগৈ। কথাতো শুনি গুৰু জনাই সন্তোষ পালে।

ওপৰত বৰ্ণনা কৰা কথাখিনি পাটবাউসীৰ ভকত এগৰাকীয়ে আমি সকলোৰে বুজি পোৱাকৈ বিৱৰণ দিছিল। তাৰ পিছত তেওঁ আমাক পাই গোসাঁনীৰ পাট'কুৱাৰ কিছু কথা আমাক জানিবলৈ দিছিল।

শ্ৰীৰাম আতা পুনৰ এবাৰ পাটবাউসীলৈ আহি পাই গোসাঁনীৰ পৰিয়ালৰ খবৰ বাতৰি ললে, তেতিয়া পাই গোসাঁনীয়ে ক'লে- "বোপা শ্ৰীৰাম, তুমি মাধৱক ক'বা, মোৰ পানীৰ বৰ কষ্ট হৈছে। ধনুকন্দাৰ পানী শুকাই গৈছে। যি অলপ পানী আছে তাতো সিপাৰৰ মানুহখিনিয়ে মাছ মাৰি পানীখিনি ঘোলা কৰাৰ লগতে অসুচি মাইকী মানুহেও তাত গা-ধোৱে। গতিকে মাধৱক ক'বা মোৰ বাবে যেন সোনকালে পানীৰ ব্যৱস্থা কৰে।" শ্ৰীৰাম আতাই গৈ মাধৱ গুৰুক এই বাতৰি জনোৱাত পিচদিনা পুৱাই মাধৱদেৱে ভৱানীপুৰৰ জনৈক দলৈৰ ঘৰলৈ গৈ আই গোসাঁনীৰ পানীৰ অভাৱৰ কথা কোৱাৰ লগতে এটা পাটকুৱাৰ বাবে পাটৰ কথাও ক'লে। দলৈয়েও পাট দিব পৰা হ'ব বুলি পাটখিনি পাটবাউসীলৈ নিয়াৰ বাবে গোপালক ক'বলৈ ক'লে। গোপালক লগ ধৰি মাধৱগুৰুয়ে কোৱাত তেওঁ নাৱেৰে পাটখিনি নি দিবলৈ সন্মতি প্ৰকাশ কৰিলে। কথামতে কাম হ'ল। কুৱাৰ পাট যেতিয়া পাটবাউসীৰ ধনুখুন্দা ঘাট পালে বুঢ়া আতাই সমস্ত যা-যোগাৰ ঠিক ঠাক কৰি কুমাৰ আদি মাতি আনি কুৱা খন্দাৰ ব্যৱস্থা কৰিলে। বতাহ বৰষুণ বা বাতি বেলি যাতে কুৱাৰ পৰা পানী অনাত অসুবিধাৰ সৃষ্টি নহয়, তাৰ বাবে আই গোসাঁনীৰ গৃহৰ পিৰালীতে কুৱাতো বহুওৱা হ'ল। এই ক্ষেত্ৰত বুঢ়া আতাই ভৱানীপুৰৰ পৰা কুমাৰো আনিছিল। এই কুৱাটো কিবা কাৰণত ভূগৰ্ভলৈ সোমাই গৈছিল যদিও ০৪-০৯-৮৮ তাৰিখে হোৱা এটা বৰভূইকঁপত পুনৰ কুৱাতো উপৰলৈ ওলাই আছে।

পাটবাউসী সত্ৰখনত আমি মহাপুৰুষজনাৰ পদচিহ্নও দেখিবলৈ পাইছিলোঁ। তেওঁৰ পদচিহ্ন ১০ ইঞ্চি দীঘল আছিল বুলি সত্ৰৰ সত্ৰাধিকাৰজনে আমাক জানিবলৈ দিয়ে। ইয়াৰ উপৰিও কালিন্দী আইৰ শোৱা বিচনাখন সংৰক্ষণ কৰি থোৱা আমি দেখিবলৈ পাওঁ। ধেনুখন্দা নদীৰ সিটোপাৰে ১৬৬৯ শকত স্বৰ্গদেউ প্ৰমত্ত সিংহই নিৰ্মাণ কৰি দিয়া মঠখনো দেখিবলৈ পাইছিলো। তাৰ পিছত আমি পাটবাউসী সত্ৰৰ সংগ্ৰাহলয়ত প্ৰৱেশ কৰিলো। সংগ্ৰহালয়টোত মহাপুৰুষজনাৰ লগতে সেই সময়ৰ বহুতো বয়বস্তু সংৰক্ষিত কৰি ৰখা আছে। মহাপুৰুষজনাই নিজহাতে লিখা 'পাৰিজাত হৰণ নাট', 'নিমিনৱসিদ্ধ সংবাদ', 'কালিয় দমন নাট' আদি সাঁচিপাতসমূহ সংগ্ৰহালয়তো সুন্দৰভাৱে সংৰক্ষণ কৰি ৰখা হৈছে।

পাটবাউসী সত্ৰ দৰ্শন কৰি আমি সকলোৱে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ বাবে ৪.৩০ মান বজাত বৰপেটাস্থিত 'মাধুৰ্য হোটেল'লৈ গলো। আহাৰ গ্ৰহণ কৰাৰ পাছত মহাপুৰুষ মাধৱদেৱৰ সুন্দৰীদিয়া সত্ৰ দৰ্শন কৰিবলৈ সময়ৰ অভাৱ হোৱা হেতুকে বাহিৰৰ পৰা সত্ৰখনিলৈ বুলি সেৱা জনাই আমি পুনৰ গুৱাহাটীলৈ উভতনি যাত্ৰা আৰম্ভ কৰিলো। উভতনি সময়ত আমি সকলো ছাত্ৰ-ছাত্ৰীয়ে অনেক আনন্দ ফূৰ্তি কৰিলো। সন্ধিয়া প্ৰায় ৬-৩০ মান বজাত আমি হাজোৰ 'চন্দ্ৰমা হোটেল'ত কিছু লঘু আহাৰ গ্ৰহণ কৰি পুনৰ ঘৰমুৱা হ'লো। এনেদৰে আনন্দ উল্লাহৰ মাজেৰে আহি আহি আমি ৮.৩০ মান বজাত আমাৰ দিশপুৰ মহাবিদ্যালয় চৌহদত উপস্থিত হলোহি। তাৰ পৰা সকলোৱে নিজ নিজ ঘৰলৈ গ'লো। সঁচাকৈ সেই দিনটো আমাৰ সকলোৰে বাবে চিৰস্মৰণীয় হৈ ৰব। আশা কৰো সেই স্মৃতিসমূহ মনত পেলাবলৈ আমি আকৌ এদিন বৰপেটালৈ যাম।

# হেঙেৰাবাৰীৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী মা বাঘেশ্বৰী দেৱীৰ থান

তৃষ্ণা তালুকদাৰ
প্ৰথম ষাণ্মাসিক (অসমীয়া)



দিশপুৰৰ পৰা নাতিদূৰত অৰ্থাৎ হেঙেৰাবাৰী হাউচিং ক'লনিৰ পৰা ১ (এক) কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰি সৰু মটৰীয়া অঞ্চলত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী মা বাঘেশ্বৰী দেৱীৰ থান অৱস্থিত। ইতিহাস প্ৰসিদ্ধ এই থানখনৰ বিষয়ে জানিবলৈ আমি ব্যগ্ৰ হৈ পৰিছিলো। এদিন হঠাতে আমি গৈ গধুলি সময়ত এই থানখনত উপস্থিত হৈছিলো। তাতে লগ পাইছিলো পুৰোহিতৰ লগতে বয়োজ্যেষ্ঠ ব্যক্তি তথা থানখনৰ পৰিচালনা সমিতিৰ সভাপতি মাননীয় শ্ৰীযুত খগেন্দ্ৰ নাথ বড়োদেৱক। আমি যেতিয়া উপস্থিত হৈছিলো তেতিয়া থানখনত শংখ, ডবা, তাল আদিৰ শব্দই আমাক মোহিত কৰাৰ লগতে ধূপ-ধুনা-চাকিৰ পোহৰে আলোকিত কৰি থানখনৰ পৰিৱেশটো অতি সুন্দৰ কৰি তুলিছিল। ইয়াৰ পিছত আমি দেৱীৰ পৰা আশীৰ্বাদ লৈ এই থানখনৰ ইতিবৃত্তৰ বিষয়ে সভাপতি মহোদয়ৰ পৰা কিছু তথ্য সংগ্ৰহ কৰাৰ প্ৰয়াস কৰিছিলো। তেখেতৰ কৰ্মবাস্তৱতাৰ মাজেৰে আমাক থানখনৰ বিষয়ে কিছু আভাস বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত দাঙি ধৰিছিল।

লোকপ্ৰবাদ অনুসৰি এদিনাখন ঠাইখিনিত এজন ভক্তই বাঘৰ ওপৰত দেৱীক স্থিত হোৱা দেখা পাইছিল। দেৱীয়ে আসন হিচাপে বাঘৰ ওপৰত বহিছিল আৰু সেয়ে এই থানখনক বাঘেশ্বৰী নামেৰে নামাকৰণ কৰিছিল।

বৰ্তমান থানখন য'ত অৱস্থিত হৈ আছে তাত এসময়ত জনজাতীয় লোকে বাস কৰিছিল। এই থানখন নিৰ্মাণৰ ক্ষেত্ৰত গিৰিজানন্দ চৌধুৰীয়ে ২ (দুই) বিঘা মাটি দান হিচাপে আগবঢ়াইছিল। প্ৰথমতে থানখনৰ ঠাইখিনি ওখ পাহাৰেৰে আবৃত হৈ আছিল। তাৰ মাজতে দুডাল চম্পাফুলৰ গছ আছিল আৰু এই গছ দুডাল বৰ্তমানো বিৰাজমান হৈ আছে। ইয়াৰ লগতে এডাল আঁহতৰ গছো দেখা পোৱা যায়। গছ দুডালৰ তলতে এটা শিৱলিংগ আৰু কুণ্ডৰ ভিতৰত দুটা পুৰণি শিলাখণ্ড আছিল। সেই শিলাখণ্ডক মানুহে দেৱী বুলি পূজা অৰ্চনা কৰিছিল। ইয়াৰ পিছত ঠাইখিনিৰ পাহাৰ কাটি সমান কৰি বহুতো ভক্তৰ দান বৰঙণিৰ দ্বাৰা শ্ৰীশ্ৰী মাঁ বাঘেশ্বৰী দেৱীৰ থানক এক নতুনত্ব প্ৰদান কৰি ২০০২ চনত প্ৰতিষ্ঠা কৰা হয়। থানখনত শিলাখণ্ড থকাৰ ওপৰিও এটা শিৱলিংগ, সোঁফালে গণেশ মূৰ্তি, শনিবাবাৰ মূৰ্তি, কৃষ্ণৰ মূৰ্তি, নন্দি মহাৰাজৰ মূৰ্তি আৰু বাওঁফালে পিতলৰ শিৱবাবাৰ মূৰ্তি, হনুমানৰ লগতে বলোৰামৰ মূৰ্তি বিৰাজমান।

এইখিনিতে উল্লেখ কৰিব খুজিছো যে এই থানখনৰ চৌহদত ভোজন গৃহ এটাও আছে। ইয়াত দেৱীৰ ওচৰত ভক্তগণে মানস কৰি বলি বিধান দিয়াৰ ব্যৱস্থা আছে। ইয়াত নৱৰাত্ৰি উৎসৱ পালন কৰাৰ লগতে অষ্টমী তিথিৰ দিনা কুমাৰী পূজা পালন কৰা হয়।

অতি দুৰ্ভাগ্যৰ বিষয় যে মন্দিৰৰ মাটি যদিও ২ (দুই) বিঘা আছিল ভূমি বেদখলৰ বাবে ইয়াৰ ভূমিৰ কালি বৰ্তমান ১ (এক) বিঘা, ২ (দুই) কঠা, ১০ (দহ) লেচা থকা বুলি জানিবলৈ দিয়ে।





# টাৱাঙৰ ৰাষ্ট্ৰীয় যুৱ প্ৰকল্প শিবিৰত

বিশ্বজিত কলিতা
পঞ্চম ষাণ্মাসিক (হিচাপ বিদ্যা)
মুনমুন বৰুৱা
তৃতীয় ষাণ্মাসিক, (শিক্ষা বিভাগ)
জিণ্টু হালৈ
পঞ্চম ষাণ্মাসিক, বাণিজ্য

টাৱাঙৰ ৰাষ্ট্ৰীয় যুৱ প্ৰকল্প শিবিৰ (National Youth Project Camp) ৰ লগতে টাৱাঙৰ আকৰ্ষণীয় প্ৰাকৃতিক পৰিৱেশৰ এক অনন্য অভিজ্ঞতা লাভ কৰাৰ সুযোগ আহিছিল বিগত অক্টোবৰ মাহত।

মানুহৰ মনটোক জানো কেতিয়াবা বান্ধি ৰাখিব পাৰি? সময়ৰ সোঁতত আগবাঢ়ি গৈ থাকিলেও মানুহৰ মনৰ আকাংক্ষা, কিবা এটা পোৱাৰ যি হেঁপাহ তাক সহজে দমাই ৰাখিব নোৱাৰি। ২০১৬ চনৰ জুলাই মাহত হোৱা ৰাষ্ট্ৰীয় যুৱ প্ৰকল্প (National Youth Project, Itanagar, Arunachal Pradesh) ত অংশগ্ৰহণ কৰাৰ পিছত আমাৰ মনত এটা আকাংক্ষা থাকি গৈছিল অৰুণাচল প্ৰদেশলৈ গৈয়ো নিচেই ওচৰত থকা টাৱাঙলৈ যাব নোৱাৰিলো। আমি পণ কৰিছিলো জীৱনত এবাৰলৈ হ'লেও টাৱাঙৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশ দৰ্শন কৰিবলৈ যামেই। তাৰ পিছত আমি ঘৰ আহি পোৱাৰ পিছত চেপ্তেম্বৰ মাহত খবৰ লাভ কৰিলো অক্টোবৰৰ ১১ ৰ পৰা ১৬ লৈ টাৱাঙত পুনৰ Camp হ'ব আৰু দিশপুৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা (National Service Scheme) ৰ সেৱক-সেৱিকা হিচাপে আমাক (মুনমুন বৰুৱা, বিশ্বজিত কলিতা আৰু জিণ্টু হালৈ) উক্ত ৭ দিনীয়া Campটোৰ বাবে নিৰ্বাচিত কৰা হ'ল। আমি নিজকে সৌভাগ্যবান বুলি ভাবিলো আৰু মানুহে মনত যদি কিবা এটা আশা লৈ কৰ্ম কৰি গৈ থাকে, তেওঁৰ আশা পূৰণ হোৱাত ভগৱানে এদিন হ'লেও এদিন সহায় কৰিবই।

National Youth Project ৰ Camp সমূহত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে আহি অংশগ্ৰহণ কৰে আৰু ইয়াত প্ৰতিখন ৰাজ্যৰ সাংস্কৃতিক কাৰ্যসূচীৰ লগতে তেওঁলোকৰ ভাৱ বিনিময়ৰ কাৰ্যসূচীও ৰখা হয় আৰু ছাত্ৰ-ছাত্ৰীসকলে কেনেদৰে জ্ঞানৰ পোহৰেৰে আলোকিত হৈ নিজকে সু-নাগৰিক হিচাপে গঢ় দি মাতৃভূমিৰ লগতে সমগ্ৰ জীৱকুলৰ লগতে উদ্ভিদ জগতৰ মংগলৰ বাবে কাম কৰি যাব পাৰে তাৰো শিক্ষা দিয়া হয়।

এতিয়া আৰম্ভ কৰো আমাৰ ভ্ৰমণৰ বিষয়ে। আমি আমাৰ যাত্ৰা আৰম্ভ কৰো ৯-১০-২০১৬ তাৰিখে। আমাৰ ট্ৰেইন আছিল গুৱাহাটীৰ পৰা ৰঙাপাৰালৈ সন্ধিয়া ৯.২০ মিনিটত। তাৰ পিছত আমি ১২.৩০ মিনিটত ৰঙাপাৰাত উপস্থিত হওঁ। আমাৰ এই ৩ ঘণ্টাৰ যাত্ৰাত আমাৰ সংগী হয় উত্তৰাঞ্চলৰ সন্দীপ পাৰাৰ আৰু তেওঁৰ দুজন বন্ধু, তেওঁলোক বয়সত যথেষ্ট পৰিমাণে জ্যেষ্ঠ। তেওঁলোকে আগতে বহুতো Camp কৰিছিল যদিও National Youth Project ৰ Camp তেওঁলোকৰ বাবে প্ৰথম। তেওঁলোকে আমাক Camp ৰ লগতে অসমৰ বিষয়ে সুধি ব্যতিব্যস্ত কৰি ৰাখিছিল যদিও আমি বিনাদ্বিধাই তেওঁলোকৰ উত্তৰ সমূহ দি গৈছিলো। আমি কথা পাতি-পাতি ৰঙাপাৰা ষ্টেচন কেতিয়া গৈ পালো গমকে নাপালো। ৰঙাপাৰা ষ্টেচনত আমাৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় ৫০০ জন ছাত্ৰ-ছাত্ৰীক আদৰিবলৈ কেম্পৰ বিষয়াসকল ৰৈ



আছিল। তেওঁলোকে আমাক বাহ্বেৰে টাৱাঙলৈ বুলি লৈ গ'ল। আমি লাহে লাহে ভালুকপুং পাৰ হৈ অৰুণাচল প্ৰদেশত প্ৰৱেশ কৰিলো। অৰুণাচল প্ৰদেশৰ পাহাৰীয়া একা-বেঁকা পথৰ লগতে ৰাস্তাৰ পৰা তললৈ বুলি দেখা ভাৰতৰ মাজৰ মনোমোহা দৃশ্যই আমাৰ চকু থিৰেৰে থাকিবলৈ দিয়া নাছিল, মুখেৰে মাথোন এটা শব্দই উলাইছিল 'WOW'। পাহাৰীয়া পথেৰে যাত্ৰা কৰি থকাৰ সময়ত ১০ তাৰিখে ৰাতি প্ৰায় ৯.০০ মান বজাত দুৰ্গম পাহাৰীয়া ৰাস্তাৰ মাজত আমাৰ গাড়ীখন বেয়া হয় আৰু আমাৰ লগতে একেখন বাছতে থকা দিল্লী, গুজৰাট, বিহাৰ আৰু মিজোৰামৰ প্ৰায় ৩০ জন Campers সেই দুৰ্গম পাহাৰীয়া এলেকাৰ মাজত আবদ্ধ হৈ থাকিবলগীয়া হয়। নিশা হোৱাৰ বাবে Driver জনে গেৰেজ বিচাৰি আগলৈ নগ'ল আৰু আমাক নিশাটো বাছৰ ভিতৰতে কটোৱাৰ বিষয়ে জনালে। আমি বিধিৰ বিধান বুলি নিশাটো তেনেকৈ কটালো। ৰাতিপুৱা হোৱাৰ লগে লগে ড্ৰাইভাৰজনে গেৰেজ বিচাৰি ওলাই গ'ল আৰু আমি বাছৰ পৰা নামি পাহাৰৰ মাজৰ সুৰ্যোদয়ৰ এক আকৰ্ষণীয় সৌন্দৰ্য উপভোগ কৰিবলৈ পালো। আমি ওচৰতে থকা নিজৰাৰ পানীৰে মুখ-হাত ধুলো, আমাৰ লগত থকা খোৱা বস্তু শেষ হোৱাত আৰু ওচৰত হোটেল নথকাত আমি বিপাঙত পৰিলো, ভোকো লাগিছিল। তেতিয়া গাড়ীৰ ওপৰত থকা শাক-পাচলিৰ বস্তাৰ ওপৰত আমাৰ চকু পৰিল তাত আছিল কেৱল বন্ধাকবি আৰু অমিতা। আমি উপাই নেপাই কেঁচা অমিতাকে খালো, আমাক দেখি বেলেগ ৰাজ্যৰ Campers বোৰেও আমাকো দিয়া আমাকো দিয়া কৰিবলৈ ধৰিলে। উক্ত ঘটনাটিৰ পিছৰ পৰা আমাৰ মাজৰ বন্ধুত্বও গঢ়ি হ'ল। লগতে পৰিস্থিতিয়ে আমাক শিকালে যিকোনো বিপদ-আপদত ধৈৰ্য নেহেৰুৱাই তাৰ মোকাবিলা কৰিবলৈ। দিনৰ ২ বজাত আমাৰ গাড়ীখন ঠিক হোৱাত আমাৰ যাত্ৰা পুনৰ আৰম্ভ হ'ল যদিও সন্ধিয়া ৬ বজাত ছেলা নামৰ ঠাইখিনি পাৰ হৈ (অৰুণাচলৰ উচ্চতম ১৬,০০০ বৰ্গ ফুট উচ্চতা) এখনি সৰু গাঁৱৰ মাজত আমাৰ গাড়ীখন পুনৰ বেয়া হ'ল। এইবাৰ আমি বেছি চিন্তিত নহ'লো কিয়নো এইবাৰ আমাৰ ওচৰতে এখন সৰু দোকান আছিল। আমি ৰাতিটো সেই অৰুণাচলী দোকানীজনৰ ঘৰৰ জুহালত জুই পোৱাই কটালো। তেওঁলোক অত্যন্ত সহজ-সৰল আৰু অত্যন্ত অতিথি পৰায়ণ আছিল। আমাৰ মৰ্মবেদনা উপলব্ধি কৰিব পাৰি তেওঁলোকে আমাৰ বাবে মেগী বনাই দিছিল। আমি তাৰ পৰা কোনোমতে Mobile Network পাই কেম্পৰ বিষয়ববীয়াক জনোৱাত তেওঁলোকে আমাৰ বাবে ১০ খন চুমো গাড়ী পঠিয়াই দিছিল আৰু নিশা প্ৰায় ১০ মান বজাত পুনৰাই আমাৰ যাত্ৰা আৰম্ভ হ'ল কেম্পলৈ বুলি। আমি পুৱতি নিশা প্ৰায় ৪ মান বজাত আমাৰ গন্তব্য স্থানত উপস্থিত হ'লো। আমাৰ বাবে টাৱাং জিলাৰ লুমলা নামৰ গাঁৱত থকা আৱৰ্ত্ত ভৱনত থকা-খোৱাৰ সমূহ ব্যৱস্থা কৰা হৈছিল।

কেম্পৰ সেইকেই দিন আমি অসমক প্ৰতিনিধিত্ব কৰা দল হিচাপে বিভিন্ন ধৰণৰ কাৰ্যসূচীসমূহত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰো আৰু তাত গৈ কিছুমান বিশেষ ব্যক্তিৰ সান্নিধ্য পাই নিজকে ধন্য মানিলো। বিশেষকৈ অৰুণাচল প্ৰদেশৰ জ্যেষ্ঠ সাংবাদিক প্ৰদীপ কুমাৰ বেহেৰা, তেখেতে প্ৰতিটো ক্ষণতে আমাৰ খবৰ লৈ আছিল। লগতে National Youth Project ৰ Director ড° এচ. এন চুব্বাৰাও (ভাইজী) ডাঙৰীয়া, NYP, Arunachal Pradeshৰ সভাপতি হৰি বিশ্বাস ডাঙৰীয়া, NYP, Assamৰ সভাপতি দীপামনি গোস্বামী বাইদেউ। তেখেতসকলৰ মৰম চেনেহে আমাৰ যাত্ৰাকালত পোৱা কষ্টক সম্পূৰ্ণৰূপে পাহৰাই দিছিল। Campৰ তৰফৰ পৰা ১৬ তাৰিখে টাৱাঙৰ বিভিন্ন ঠাই ফুৰাবলৈ লৈ যোৱা হয় P.T.S.O লেক, টাৱাঙ ৱাৰ মেম'ৰিয়েল (ভাৰত-চীন যুদ্ধৰ স্মৃতি সৌধ), টাৱাঙৰ বৌদ্ধ মন্দিৰ (Tawang Monastery) যিটো এছিয়াৰ দ্বিতীয় বৃহত্তম বৌদ্ধ মন্দিৰ । লগতে আমাক গাঁও কিছুমানতো গাঁৱলীয়া মানুহৰ সৈতে অন্তৰংগ আলাপৰ বাবে লৈ গৈছিল।

কেম্পৰ অভিজ্ঞতাই আমাক জীৱনৰ প্ৰতিটো পৰিস্থিতি কেনেকৈ মোকাবিলা কৰিব লাগে তাৰ বিষয়ে বিশেষভাৱে জ্ঞান দিলে। এই সুন্দৰ অভিজ্ঞতাৰ আঁৰত থকা আমাৰ মহাবিদ্যালয়ৰ অধ্যাপিকা লগতে National Service Scheme, Dispur College ৰ Programme Officer Dr. Sunita Agarwalla বাইদেউৰ অৰিহণা সৰ্বাধিক। তেখেতে আমাক দিশপুৰ মহাবিদ্যালয়ৰ লগতে অসমক প্ৰতিনিধিত্ব কৰাৰ সুযোগ প্ৰদান কৰি গৌৰাৱান্বিত কৰিলে। শেষত আমাৰ ফালৰ পৰা তেখেতলৈ আন্তৰিক ধন্যবাদ থাকিল।

> *"দেশৰ অগণন শ্ৰমজীৱী মানুহৰ মুক্তিৰ সাহিত্যই হ'ল প্ৰগতিশীল কলা সাহিত্য।"*
> — লেনিন।







# *টিহুৰ প্ৰসিদ্ধ মাখিবাহা সভা মহোৎসৱ*

অংকিতা তালুকদাৰ
পঞ্চম যান্মাসিক, (অসমীয়া বিভাগ)

নলবাৰী জিলাৰ টিহু মহকুমাৰ অন্তৰ্গত মাখিবাহা অঞ্চল আৰু মাখিবাহা সভা মহোৎসৱখনে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ যুগ-যুগ ধৰি বৌদ্ধিক আৰু সংস্কৃতিৰ কেন্দ্ৰস্থল হৈ পৰিছে।

টিহুৰ মাখিবাহা সভা মহোৎসৱ ঃ

মাখিবাহা অঞ্চলৰ মিশ্ৰিত সমাজৰ বিভিন্ন গুণৰাশিৰ সান্নিধ্যত সংহতিৰ এক নিদৰ্শন - এই মাখিবাহা সভা মহোৎসৱ। বৰ্তমান এই মহোৎসৱখনে ধৰ্মীয় দিশ অতিক্ৰম কৰি শৈক্ষিক, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশকো সামৰিবলৈ সক্ষম হৈছে। মাখিবাহা গ্ৰামোন্নয়ন সমিতিয়ে এই সভাৰ পৰিচালনা আৰু দায়িত্ব বহন কৰিছে। মাখিবাহা সভা মহোৎসৱ সমগ্ৰ মাখিবাহা অঞ্চলৰ প্ৰাণ স্বৰূপ। মাখিবাহা গাঁও শিক্ষা, সংস্কৃতি, সাহিত্যৰ ফালেদি অসমৰ এখন চিনাকি গাঁও। মাখিবাহা সভা মহোৎসৱখনে মাখিবাহাৰ বিশেষ পৰিচয় দাঙি ধৰে। ইতিহাস মৰ্মে মাখিবাহা গাঁৱৰ প্ৰখ্যাত চৌধুৰী পৰিয়ালৰ প্ৰয়াত লক্ষ্মীনাৰায়ণ চৌধুৰীৰ মৃত্যু তিথিত তেওঁৰ পুত্ৰ প্ৰয়াত গৌৰী নাৰায়ণ চৌধুৰীয়ে আনুমানিক ১৮৪০ খ্ৰীষ্টাব্দত আৰম্ভ কৰা তিনিদিনীয়া সভা ১৯৩৫ খ্ৰীষ্টাব্দলৈকে তেওঁলোকৰ পৰিয়ালে পৰিচালনা কৰে। পাছত ১৯৩৫ খ্ৰীষ্টাব্দত ইয়াৰ দায়িত্ব চৌধুৰী পাৰা চুবুৰীয়ে গ্ৰহণ কৰি পাঁচদিনীয়া উৎসৱ হিচাপে ১৯৪৭ খ্ৰীষ্টাব্দলৈ চলায়। শেষত ইয়াৰ প্ৰসাৰ বৃদ্ধিৰ লগে লগে ১৯৪৮ খ্ৰীষ্টাব্দৰ পৰা মাখিবাহা সভা পৰিচালনা সমিতিয়ে আৰু পৰৱৰ্তী সময়ত মাখিবাহা গ্ৰামোন্নয়ন সমিতিয়ে দায়িত্ব গ্ৰহণ কৰে। সাত দিনীয়া সভা মহোৎসৱ হিচাপে এই সভা তেওঁলোকে আজি পৰ্যন্ত সুকলমে চলাই নিছে।

মাখিবাহা সভা মহোৎসৱৰ শুভ উদ্দেশ্য হ'ল সমগ্ৰ মাখিবাহাৰ অঞ্চলৰ উন্নতি আৰু বিকাশ। মাখিবাহা হ'ল শিক্ষা, সংস্কৃতিৰে ভৰা এখন সুকীয়া অঞ্চল। সুদীৰ্ঘ ছশ বছৰীয়া

**নৱ প্ৰজন্মই নজনা আৰু**
**লাহে লাহে পাহৰণিৰ গৰ্ভলৈ যোৱা**
**অসমৰ কিছুমান বিশেষ উৎসৱ**
**অনুষ্ঠান যেনে- ঢুলীয়া, ভাউৰা, ওজাপালি,**
**নাগাৰা নাম, বাৰ নাম,**
**খুলীয়া ভাওনা, যাত্ৰাপাৰ্টী,**
**পাপেট থিয়েটাৰ,**
**পুতলা নাচ আদি**
**বিশেষভাৱে উল্লেখযোগ্য।**

ইতিহাসেৰে সমৃদ্ধ এই গাঁওখনৰ মাজত বিভিন্ন সপোন, আশা লুকাই আছে। মাখিবাহা বাসী ৰাইজৰ বাবে মাখিবাহা সভা মহোৎসৱখনে এক বৃহৎ উদ্দেশ্য দাঙি ধৰে। এখন সভাৰ মাজেৰে এটা জাতি, অঞ্চল এটাৰ ঐক্যৰ গাঁথনি মজবুত হয়। সভা এখনৰ বিভিন্ন উদ্দেশ্য থাকিব পাৰে। যিহেতু এই সভাখন যুগ যুগ ধৰি বৰ্তি আছে। সেয়েহে মাখিবাহা সভাখনৰ এক সুকীয়া বৈশিষ্ট আছে। মাখিবাহা সভাৰ আচল উদ্দেশ্য হ'ল - অসমৰ বিভিন্ন অঞ্চলৰ লোকক ঐক্যৰ গাঁথনিৰে বান্ধি পোলোৱা। আমি জানো অসম এখন ভিন্ন জাতি, জনজাতিৰ দেশ। সেয়েহে অসমীয়া জাতিটোৰ লগতে যিমানবোৰ জাতি আছে যেনে- বড়ো, তিৱা, গাৰো, মিচিং, কাৰ্বি, সোণোৱাল, কছাৰী ইত্যাদি সকলো জাতিৰ লোকক একগোট কৰাই সাহিত্য আৰু সংস্কৃতিৰ পথাৰখন উজ্বলাই তুলি বিশ্বৰ দৰবাৰত এক বিশেষ চিনাকি

প্ৰদান কৰা। তাৰোপৰি বৰ্তমান যুগত নৱ প্ৰজন্মই নজনা আৰু লাহে লাহে পাহৰণিৰ গৰ্ভলৈ যোৱা অসমৰ কিছুমান বিশেষ উৎসৱ অনুষ্ঠান যেনে- ঢুলীয়া, ভাউৰা, ওজাপালি, নাগাৰা নাম, বাৰ নাম, খুলীয়া ভাওনা, যাত্ৰাপাৰ্টী, পাপেট থিয়েটাৰ, পুতলা নাচ আদি বিশেষভাৱে উল্লেখযোগ্য। এই সকলোবোৰ অনুষ্ঠান আমাৰ সংস্কৃতিৰ উৎস যদিও বৰ্তমান যুগত এই উৎসৱ সমূহ কিছু পাহৰাৰ নিচিনা পৰিলক্ষিত হৈছে। সভা এখনৰ উদ্দেশ্য- সংস্কৃতি বা সাহিত্যৰ ভিতৰতে সীমিত নাথাকে। সভা এখনত আমি বিভিন্ন বস্তু দেখিবলৈ পাওঁ। দোকান-পোহাৰ, বজাৰ-সমাৰ, মনোৰঞ্জনদায়ক অনুষ্ঠান যেনে- চাৰ্কাছ, থিয়েটাৰ, মেলা বা মিনাবজাৰ। এই সকলোবোৰে অৰ্থনৈতিক দিশটো টনকিয়াল কৰে। অৰ্থাৎ এখন দেশৰ বা অঞ্চলৰ উৎকৰ্ষ সাধনত বিশেষ সহায় কৰে। এই সভাৰ এক বিশেষ আকৰ্ষণ অসমৰ বিভিন্ন ঠাইৰ পৰা অহা দোকান-পোহাৰ আদি। মাখিবাহা সভা মহোৎসৱত পতা বৃহৎ পথাৰখনত বিভিন্ন নানাৰঙী দোকান-বজাৰ দেখা যায়। সৰু পাণ দোকান এখনৰ পৰা আদি কৰি ফাৰ্ণিচাৰৰ দোকানলৈ বিস্তৃত ইয়াৰ পৰিসৰ। এই সভাত অসমৰ বিভিন্ন অঞ্চলৰ লোকৰ ভিৰ পৰিলক্ষিত হয়। বিশেষকৈ সৰু ল'ৰা-ছোৱালীৰ বাবে মিনাবজাৰখনৰ যন্ত্ৰচালিত জাহাজ, গাড়ী, চকৰি আদি আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে। তাৰোপৰি ডাঙৰৰ বাবে কাপোৰৰ দোকান, বাঁহ-বেতৰ দোকান, কাঁহ-পিতলৰ দোকান, ফাৰ্ণিচাৰৰ দোকান আদিৰ ভিৰ পৰিলক্ষিত হয়। এই দোকানবোৰত তিৰোতাৰ বাবে বিশেষভাৱে মেখেলা-চাদৰ, শাৰী, চুৰিদাৰ, সৰুৰ বাবে ফ্ৰকৰ উপৰিও আধুনিক যুগত পৰিধান কৰা আটকধুনীয়া সাজ-পাৰ (মডাৰ্ণ ড্ৰেচ) আদিৰ লগতে বিভিন্ন ঠাইৰ পৰা অহা বাঁহ-বেতৰ বস্তু দেখিবলৈ পোৱা যায়। ইয়াৰোপৰি লটাৰী প্ৰতিযোগিতাও পতা হয়। এই সকলোবোৰে সভাখনৰ অৰ্থনীতিৰ দিশটো সুকীয়া আৰু টনকিয়াল কৰাত যথেষ্টখিনি সহায় কৰে। কিন্তু সংস্কৃতিৰ দিশটো চাব গ'লে আমি বিভিন্ন বস্তু এই সভাখনৰ মাজেৰে আনিব পাৰো। এই সভাখনে এনেকুৱা এটা নানা ৰঙৰ পৰিৱেশ সৃষ্টি কৰে। সভাখনত সংস্কৃতিৰ পথাৰখন চালে তাত ভাওনা, ওজাপালি, দায়নাপালি, পপেট থিয়েটাৰ, বৰনাম, যজ্ঞ, থিয়নাম, আইনাম, যাত্ৰাপাৰ্টী আৰু বিশেষভাৱে ক'বলৈ গ লে ঢুলীয়াসকলে সভাখনৰ সংস্কৃতিৰে টনকিয়াল কৰি তোলয়। মাখিবাহা গ্ৰামোন্নয়ন সমিতিৰ সুপৰিকল্পিত কাৰ্যসূচীৰে সকলো অনুষ্ঠআন সুকলমে পৰিচালিত হয়। প্ৰত্যেক দিনতে বেলেগ বেলেগ অনুষ্ঠানেৰে গোটেই সভাখন জাকত-জিলিকা হৈ উঠে। ভাগৱত পাঠ আৰু নাম কীৰ্ত্তনেৰে সভাৰ প্ৰথম দিনতো আৰম্ভ হৈ বন্তি প্ৰজ্বলন, ভাষণ, বিভিন্ন অনুষ্ঠান, প্ৰতিযোগিতা, নাগাৰা নাম আদি হোৱা দেখা যায়। বিভিন্ন-কাৰ্যসূচীৰে এই সাপ্তাহিক সভাখন সুকলমে শেষ হয়।

মাখিবাহা অঞ্চলত বিভিন্ন বৈশিষ্ট্য পূৰ্ণ সমূহীয়া ধৰ্মীয় উৎসৱ প্ৰচলিত হৈ আছে যদিও আন বহুতো উৎসৱ কালৰ বুকুত লীন গৈছে, যিবোৰৰ তথ্য দিব পৰা ব্যক্তি সমাজত জীয়াই থকা নাই। এনে আন কিছুমান ধৰ্মীয় উৎসৱ আকৌ ব্যক্তিগত ভাৱে পৰিয়ালৰ দ্বাৰা অনুষ্ঠিত হয় যিবিলাকৰ ধৰ্মীয় বিশ্বাস অতি প্ৰবল। তেনেকুৱা উৎসৱৰ ভিতৰত প্ৰধানকৈ, পৰিয়ালত বসন্ত ৰোগ বা আইয়ে দেখা দিলে মহিলা সকলে ধূপ-ধূনা, নৈবেদ্য বগা ফুলেৰে শীতলাক দোষ মৰিষণ কৰি সন্তুষ্ট হ'বলৈ স্তুতি কৰি নাম গায়। গ্ৰাম্য লোক বিশ্বাস অনুসৰি শিশুৰ পয়ালগা, অস্বাভাৱিক ক্ৰন্দন, শুকাই-ক্ষীণাই যোৱা কুমাৰী ছোৱালী, তিৰোতসকলে ৰোগীৰ চোতালত দুপৰীয়া আসন পাতি প্ৰথানুযায়ী পূজা-পাতলৰে অপেস্বৰী নাম প্ৰসংগ কৰে। ই এটা স্ত্ৰী প্ৰধান-ধৰ্মীয়-কৃত্য। কোনো পৰিয়ালত আকস্মিক বিপদ অপায়-অমংগল, কুমাৰী ছোৱালীয়ে দৰা পোৱাৰ আশা নাইবা কোনো তিৰোতাৰ সন্তান জন্ম হয়ে মৰি থাকিলে দুপৰীয়া চোতালত সুবচনী পূজা অনুষ্ঠিত কৰা হয়। আকৌ পৰিয়ালৰ অপায় অমংগল নাশি সমৃদ্ধিৰ বাবে প্ৰভু সত্যনাৰায়ণ পূজা প্ৰাৰ্থনা প্ৰচলন আছে। এনেবোৰ বিবিধ উৎসৱৰ প্ৰচলন দেখা যায়। কিন্তু এইবোৰ একো একোতা লোক বিশ্বাসতহে সোমায় পৰা দেখা যায়। আচল অৰ্থত মাখিবাহাৰ কৃষ্টি-সংস্কৃতিৰ প্ৰধান উৎসবোৰ- ঢুলীয়া, কালীয়া, ভাওনা, নাম-কীৰ্ত্তন, যাত্ৰাপাৰ্টী আদিৰ চমকেৰেহে ফুটি উঠে। ভাইৰা, কামৰূপীয়া ঢুলীয়া, খুলীয়া ভাওনা বা বায়নৰ দল, নাগাৰা নাম, থিয় নাম, বহা নাম আদিৰে এই সভাৰ সুকলমে চলে।

"কৰ্মত অধিকাৰ আছে কিন্তু
কৰ্মফলত কোনো অধিকাৰ নাই।"
— গীতা







# আব্ৰাহাম লিংকনৰ বিখ্যাত চিঠিখন

সংগ্ৰাহক - প্ৰিয়াংকু কুমাৰ গগৈ
ষষ্ঠ যান্মাসিক, (বাণিজ্য শাখা)

আব্ৰাহাম লিংকন আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ ষষ্ঠদশ ৰাষ্ট্ৰপতি। তেওঁৰ জন্ম হৈছিল ১৮০৯ চনত আৰু মৃত্যু হৈছিল ১৮৬৫ চনত। তেওঁৰেই আমেৰিকা যুক্তৰাষ্ট্ৰত দাস প্ৰথাৰ বিলোপ সাধন কৰিছিল। এগৰাকী মহান ৰাষ্ট্ৰপতি হোৱাৰ উপৰি লিংকন আছিল এগৰাকী মহান পিতৃ। তেওঁৰ ডাঙৰ ল'ৰাটো যেতিয়া পাঠশালাত পঢ়িবলৈ ভৰ্তি হ'ল তেতিয়া তেওঁ ল'ৰাটোৰ শিক্ষকজনলৈ এখন চিঠি লিখিছিল, যিখনত তেওঁৰ উচ্চ নৈতিক আদৰ্শৰ কথা প্ৰকাশ পাইছে। লিখা-পঢ়া শিকোৱাৰ উপৰি আৰু কি-কি শিকোৱা উচিত সেই উপদেশ দি লিংকনে শিক্ষকজনলৈ লিখিছিল -

'সকলো মানুহেই যে সত্যবাদী আৰু ন্যায়পৰায়ণ নহয় সেই কথা মোৰ ল'ৰাটোৱে জানিব লাগিব, সেই কথা মই জানো। কিন্তু আপুনি মোৰ ল'ৰাটোক এই কথাও জনাব লাগিব যে এই পৃথিৱীত যিমান দগাবাজ আছে সিমান ভাল মানুহো আছে, যিমান স্বাৰ্থপৰ ৰাজনীতিবিদ আছে - ঠিক সিমানেই আছে মানুহৰ সেৱাত নিজকে উছৰ্গা কৰা নেতা।

'আপুনি তাক এই কথা শিকাব লাগিব যে প্ৰত্যেক মানুহৰ এজন যদি শত্ৰু আছে, ঠিক তেনেকৈ তেওঁৰ এজন বন্ধুও আছে। যদি পাৰে, তেন্তে আপুনি তাক আৰু এটা কথা শিকাব। সেই কথাটো তাৰ মনত দলৈকে সোমোৱাই দিবলৈ কিছু সময় লাগিব, সেই কথা মই জানো। কিন্তু আপুনি চেষ্টা নকৰাকৈ নাথাকিব। আপুনি তাক এই শিক্ষা দিব যে হেৰাই পোৱা বা বকচিচ হিচাপে পোৱা পাঁচটা ডলাৰতকৈ নিজে কষ্ট কৰি আৰ্জন কৰা এটা ডলাৰৰ মূল্য বহুত বেছি। আপুনি তাক হেৰুৱাবলৈ আৰু হাৰিবলৈ শিক্ষা দিব, লগতে জয়ৰ আনন্দ উপভোগ কৰিবলৈ শিকাবলৈকো নাপাহৰিব।'

যদি পাৰে, খিয়াল আৰু কূটুটি কপট আদি কু-প্ৰবৃত্তিবোৰৰ পৰা তাৰ মনটোক মুক্ত কৰিবলৈ আপুনি চেষ্টা কৰিব। মানুহৰ মুখত সন্তোষৰ নীৰৱ হাঁহি বিৰিঙি উঠাৰ ৰহস্য কি, সেই কথা আপুনি তাক শিকাব। যদি পাৰে আপুনি তাক কিতাপৰ বিস্ময়ৰ আভাস দিবলৈ চেষ্টা কৰিব। কিন্তু সি যাতে মাজে সময়ে নিৰলে আকাশত উৰি ফুৰা চৰাইবোৰৰ ৰ'দত উমলি ফুৰা মৌ-মাখিবোৰৰ আৰু সেউজীয়া পাহাৰত জকমকাই ফুলি থকা ফুলবোৰৰ অনন্ত ৰহস্যৰ ধ্যান কৰিব পাৰে তাৰ কাৰণেও তাক অলপ সময় দিব।

পঢ়াশালিত তাক এই শিক্ষা দিব যে প্ৰতাৰণা কৰাতকৈ অকৃতকাৰ্য হোৱাটো বেছি সন্মানজনক। যি নিজে যিবোৰ কথা চিন্তা কৰে বা সত্য বুলি ভাবে সেইবোৰক বিশ্বাস কৰিবলৈ তাক শিক্ষা দিব, তাক এই শিক্ষাও দিব যে আন সকলোৱে তাৰ কথা ভুল বুলি ক'লেও সি যেন সহজতে বিচলিত নহয়। ভদ্ৰ মানুহৰ লগত ভদ্ৰ হ'বলৈ আৰু অভদ্ৰৰ প্ৰতি কঠোৰ হ'বলৈ তাক শিক্ষা দিব।

আনৰ প্ৰচাৰত ভোল গৈ জুম বান্ধি চিএৰ বাখৰ কৰা মানুহক অনুসৰণ নকৰিবলৈ আপুনি মোৰ ল'ৰাটোক মনোবল দিব লাগিব। সকলো মানুহৰ কথা মনোযোগ দি শুনিবলৈ আপুনি তাক শিক্ষা দিব, কিন্তু লগতে তাক এই শিক্ষাও দিব যাতে সি শুনা কথাবোৰ সত্যৰ চালনিৰে ভালকৈ চালি জাৰি চাই কেৱল মঙ্গলজনক কথাবোৰহে গ্ৰহণ কৰিব পাৰে।

যদি পাৰে, বিষাদে তাক গ্ৰাস কৰি ধৰাৰ সময়তো তাক হাঁহিবলৈ শিকাব, তাক এই কথাও শিকাব যে কান্দিবলৈ মানুহে লাজ কৰিব নালাগে।

নিন্দুকক নিন্দা কৰিবলৈ আৰু ছলাহী কথাত ভোল নাযাবলৈ তাক শিক্ষা দিব। আটাইতকৈ বেছি দাম দিব খোজাজনক তাৰ শৰীৰৰ আৰু মগজুৰ শক্তি বিক্ৰী কৰিবলৈ তাক শিক্ষা দিব। কিন্তু লগতে তাক এই শিক্ষাও দিব যাতে সি কেতিয়াও তাৰ হৃদয় আৰু আত্মা বিক্ৰী কৰিবলৈ ৰাজী নহয়।

উন্মত্ত জনতাৰ নিন্দাবাদক উপেক্ষা কৰি নিজৰ মতত অটল হৈ থাকিবলৈ আৰু অন্যায়ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আপুনি তাক শিক্ষা দিব। তাক আপুনি মৰম কৰিব, কিন্তু সেইবুলি তাক প্ৰশ্ৰয় নিদিব। এই কথা মনত ৰাখিব যে জুইত লোহা ভালকৈ গলোৱাৰ পিছতহে সি তীখাত পৰিণত হয়। আপুনি তাক এই শিক্ষা দিব যে, ধৈৰ্য নেহেৰুৱাবলৈ সাহস লাগে আৰু সাহসী হ'বলৈ ধৈৰ্য লাগে। নিজকে পৰিপূৰ্ণভাৱে বিশ্বাস কৰিবলৈ আপুনি তাক শিক্ষা দিব, কাৰণ কেৱল তেতিয়াহে সি মানৱজাতিকো পৰিপূৰ্ণভাৱে বিশ্বাস কৰিব পাৰিব।

আপোনাক মই এটা বিৰাট দায়িত্ব দিলো। কিমানখিনি কৰিবলৈ শক্তিয়ে কুলায় সেই কথা আপুনিহে জানিব। আপুনি চেষ্টা কৰিব.............. সিযে ইমান ভাল এটা অকণমানি ল'ৰা, মোৰ পুত্ৰটি।'

# মাদাৰ টেৰেছা

সান্তনা কলিতা
প্ৰথম ষাণ্মাসিক, বাণিজ্য বিভাগ



কলকাতা মহানগৰীৰ চিকিৎসালয় এখনৰ সন্মুখৰ পথৰ দাঁতিত এজনী মুমূৰ্ষু ৰুগ্ন তিৰোতা পৰি আছিল। তাইৰ শৰীৰত হোৱা ঘাঁবোৰ পৰুৱা আৰু নিগনিয়ে অবাধে খাই আছিল। এনেতে সেই বাটেদি পাৰ হৈ যাব খোজা এগৰাকী খ্ৰীষ্টান সন্যাসিনী সেই ঠাইতে ৰৈ গ'ল। বাটৰ কাষত আৱৰ্জনাৰ দৰে পৰি থকা মুমূৰ্ষ মানুহজনী দেখা পাই তেওঁ লৰা-লৰিকৈ চিকিৎসালয়খনলৈ গৈ মানুহজনীক তালৈ নি অকনমান পৰিচাৰ্য্য কৰিবলৈ অনুৰোধ জনালে। কিন্তু চিকিৎসালয় কৰ্তৃপক্ষই সেই দায়িত্ব লবলৈ অস্বীকাৰ কৰিলে। ঠেলাগাড়ী এখনত তুলি নি তেওঁ হাতভগা মানুহজনীক অন্য এখন চিকিৎসালয়লৈ নিলে। কিন্তু কোনো চিকিৎসালয়েই তাইৰ দায়িত্ব লবলৈ সন্মত নহ'ল। উপায়ন্তৰ হৈ সন্যাসিনী গৰাকীয়ে তেওঁ নিজৰ ঘৰলৈকে মানুহজনীক লৈ গ'ল। তাইক মৰম-স্নেহ কৰি অকনমান পৰিচৰ্যা কৰিলে। অলপ সময়ৰ পিছত তেওঁৰ হাততে মানুহজনীৰ মৃত্যু হ'ল। ৰুগ্ন আৰু নিৰাশ্ৰয়ী এই মানুহজনীৰ করুণ মৃত্যুৱে সন্যাসিনী গৰাকীৰ অন্তৰত এনেদৰে ৰেখাপাত কৰিলে যে ইয়াৰ প্ৰভাৱতে তেওঁৰ জীৱনৰ গতিয়েই সলনি হৈ গ'ল। এইটো আছিল ১৯৪৮ চনৰ ঘটনা। সেই সন্যাসিনী গৰাকী আছিল আজিৰ বিশ্বৰ সৰ্বত্ৰ পৰিচিতা শান্তিৰ নোবেল বঁটা বিজয়িনী মাদাৰ টেৰেছা।

১৯১০ চনৰ ২৭ আগষ্টত যুগোশ্লভিয়াৰ স্কোপয়ে নামৰ ঠাইত এটি কৃষক পৰিয়ালত জন্ম লাভ কৰা মাদাৰ টেৰেছাৰ পূৰ্বৰ নাম আছিল এগনেছ গনদজা বোৱছজিয়ু, চমুকৈ এগনেছ। ১৯৩১ চনৰ পিছতহে তেওঁ টেৰেছা নাম গ্ৰহণ কৰে। তেওঁলোকৰ পৰিয়ালত আছিল এটা ল'ৰা আৰু দুজনী ছোৱালী। তেওঁলোক সৰু হৈ থাকোঁতেই দেউতাকৰ মৃত্যু হোৱাত মাকেই পৰিয়ালৰ সকলো দায়িত্ব মূৰ পাতি লব লগা হৈছিল। দেউতাকৰ নাম নিকোলা আৰু মাকৰ নাম আছিল দ্ৰনদা। মানুহৰ প্ৰতি দয়ালু হ'বলৈ, মানুহক ভাল পাবলৈ, মানুহৰ সততাত আস্থা ৰাখিবলৈ আৰু মনত অসৎ চিন্তাক প্ৰশ্ৰয় নিদিবলৈ এগনেছক মাকেই শিকাইছিল। মানুহৰ সেৱাৰ মাজেদি ভগৱানৰ সেৱাত নিজকে অৰ্পণ কৰাৰ মানসিকতাই সৰু কালতে এগনেছৰ মনত গঢ় লৈ উঠিছিল। এই সেৱাৰ পথত বাট বুলিবলৈ ১২ বছৰ বয়সতে তেওঁ নিজৰ মন স্থিৰ কৰিছিল।

বিশ্বশান্তি আৰু আন্তঃৰাষ্ট্ৰীয় বুজাবুজিৰ কাৰণে আগবঢ়োৱা মহান সেৱাৰ স্বীকৃতি হিচাপে মাদাৰ টেৰেছালৈ ১৯৭৯ চনৰ শান্তিৰ নোবেল বঁটা আগবঢ়োৱা হৈছিল। ভাৰত চৰকাৰৰ সৰ্বশ্ৰেষ্ঠ বঁটা। 'ভাৰত ৰত্ন'ৰ উপৰি ইংলেণ্ডৰ ৰাণী এলিজাবেথৰ 'অৰ্ডাৰ অব মেৰিট' তেওঁলৈ আগবঢ়োৱা হৈছে। এই বঁটা লাভ কৰা মাদাৰ টেৰেছা এতিয়া বিশ্বমাতৃ। তেওঁৰ মিছনেৰিজ অব চেৰিটিয়ে যি অভিনৱ সফলতা লাভ কৰিছে তাৰ সমকক্ষ দ্বিতীয়টো নাই।

> *"এখন দেশৰ মাজত অহিংসাৰ সৌৰভ বিলাই দিবলৈ হ'লে সেই দেশৰ জনসাধাৰণৰ মাজত আদিম পুৰাতে অহিংসাৰ বীজ ৰোপণ কৰিব লাগিব আৰু প্ৰতিটো বীজকেই সাৰপানী দি একোজোপা বিৰাট বৃক্ষত পৰিণত কৰিব লাগিব। তেতিয়াহে হ'ব অহিংসাৰ সৌৰভ বিলাই দিয়াৰ প্ৰকৃত সাৰ্থকতা।"*
>
> — মহাত্মাগান্ধী





## দিশপুৰ মহাবিদ্যালয়ৰ বৰ্তমানলৈকে সাধাৰণ সম্পাদক, আলোচনী সম্পাদক আৰু তত্বাৱধায়ক/তত্বাৱধায়িকাৰ নাম

| সাঃ সম্পাদক | বৰ্ষ | আলোচনী সংখ্যা | আলোচনী সম্পাদক | তত্বাৱধায়ক / তত্বাৱধায়িকা |
|---|---|---|---|---|
| মঃ আব্দুল মটলিব | ১৯৮৫-৮৬ | - | - | - |
| স্বৰ্গীয় কৃপা কলিতা | ১৯৮৬-৮৭ | - | - | - |
| শ্ৰী দিগন্ত হাজৰিকা | ১৯৮৭-৮৮ | - | - | - |
| শ্ৰী নিপজ্যোতি ভড়ালী | ১৯৮৮-৮৯ | - | - | - |
| শ্ৰী দিপক কুমাৰ বৈশ্য | ১৯৮৯-৯০ | - | - | - |
| শ্ৰী বীৰেণ কলিতা | ১৯৯০-৯১ | - | - | - |
| শ্ৰী মুকুল মেধী | ১৯৯১-৯২ | - | - | - |
| শ্ৰী হেমন্ত নাথ | ১৯৯২-৯৩ | প্ৰথম সংখ্যা | শ্ৰী তপন কুমাৰ হাজৰিকা | ড° নমিতা ডেকা |
| শ্ৰী বুদ্ধিন ভূঞা | ১৯৯৩-৯৪ | - | - | - |
| মঃ জাকিৰ আলী | ১৯৯৪-৯৫ | দ্বিতীয় সংখ্যা | শ্ৰী কুশল চন্দ্ৰ কলিতা | ড° নমিতা ডেকা |
| - | ১৯৯৫-৯৬ | - | - | - |
| শ্ৰী ভবেন দাস | ১৯৯৬-৯৭ | তৃতীয় সংখ্যা | শ্ৰী দিপক কুমাৰ শৰ্মা | ড° চাৰণ কৌৰ |
| শ্ৰী সুদৰ্শন হাজৰিকা | ১৯৯৭-৯৮ | চতুৰ্থ সংখ্যা | শ্ৰী নৱজিৎ শৰ্মা | ড° নমিতা ডেকা |
| শ্ৰী অৰূপজ্যোতি কলিতা | ১৯৯৮-৯৯ | পঞ্চম সংখ্যা | শ্ৰী নিলোৎপল শৰ্মা | ড° নমিতা ডেকা |
| শ্ৰী ধীৰেণ দাস (ডাঃ) | ১৯৯৯-২০০০ | ষষ্ঠ সংখ্যা | শ্ৰী নগেন হালৈ | ড° নমিতা ডেকা |
| শ্ৰী ৰণোজ কুমাৰ বৰা | ২০০০-০১ | সপ্তম সংখ্যা | শ্ৰী দেৱজিৎ গগৈ | ড° নমিতা ডেকা |
| শ্ৰী উৎপল দাস | ২০০১-০২ | অষ্টম সংখ্যা | শ্ৰী দিপাঙ্কৰ দাস | ড° নমিতা ডেকা |
| শ্ৰী অৰূপ কলিতা | ২০০২-০৩ | নৱম সংখ্যা (ৰূপালী জয়ন্তী সংখ্যা) | শ্ৰী লাচিত হাজৰিকা | ড° জয়জ্যোতি গোস্বামী |
| শ্ৰী গুণজ্যোতি বড়ো | ২০০৩-০৪ | দশম সংখ্যা | শ্ৰী নিউটন হাজৰিকা | ড° ৰাণী ডেকা মুদিয়াৰ |
| - | ২০০৪-০৫ | - | - | - |
| শ্ৰী গুণজ্যোতি বড়ো | ২০০৫-০৬ | একাদশ সংখ্যা | শ্ৰী দুলাল বৰ্মন | ড° নমিতা ডেকা |
| শ্ৰী হেমন্ত বড়ো | ২০০৬-০৭ | দ্বাদশ সংখ্যা | শ্ৰী যোগানন্দ হাজৰিকা | ড° ৰাবী বৰুৱা |
| শ্ৰী চিন্তমণি ৰাজবংশী | ২০০৭-০৮ | ত্ৰয়োদশ সংখ্যা | স্বৰ্গীয় তিলক ৰাজবংশী | ড° ৰীণা চৌধুৰী |
| শ্ৰী ৰাজ কলিতা | ২০০৮-০৯ | চতুদৰ্শ সংখ্যা | শ্ৰী দীপিকা দাস | ড° ৰাবী বৰুৱা |
| শ্ৰী ভাস্কৰজ্যোতি শৰ্মা | ২০০৯-১০ | পঞ্চদশ সংখ্যা | শ্ৰী মৌচুমী বৰকটকী | ড° ৰাবী বৰুৱা |
| শ্ৰী পংকজ বড়ো | ২০১০-১১ | ষষ্ঠদশ সংখ্যা | শ্ৰী প্ৰজ্ঞাশ্ৰী চক্ৰৱৰ্তী | ড° ৰাবী বৰুৱা |
| শ্ৰী টুন্টু আব্দুল মালিক | ২০১১-১২ | সপ্তদশ সংখ্যা | শ্ৰী কাশ্যপ কিশোৰ বৰা | জেবিন আকবৰ |
| শ্ৰী মনোজ ঠাকুৰীয়া | ২০১২-১৩ | অষ্টাদশ সংখ্যা | শ্ৰী বনশ্ৰী দাস | জেবিন আকবৰ |
| শ্ৰী অৰুণজ্যোতি বৰা | ২০১৩-১৪ | উনবিংশ সংখ্যা | শ্ৰী মুনমী বৰকটকী | জেবিন আকবৰ |
| শ্ৰী হিৰকজ্যোতি বৰ্মণ | ২০১৪-১৫ | বিংশ সংখ্যা | শ্ৰী হীৰামণি নাথ | ড° ৰীণা চৌধুৰী |
| শ্ৰী নিশান্ত তালুকদাৰ | ২০১৫-১৬ | একবিংশ সংখ্যা | শ্ৰী বিশ্বজিত কলিতা | ড° ৰীণা চৌধুৰী |

# অন্তৰংগ আলাপ

## চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ সৈতে



সাক্ষাৎকাৰ গ্ৰহণ ঃ
বিশ্বজিত কলিতা, নিশান্ত তালুকদাৰ, সঞ্জীৱ কুমাৰ দাস, সুভাষ দাস, গুঞ্জন দাস
বিশেষ কৃতজ্ঞতা - কুলদীপ শৰ্মা



# চিত্ৰশিল্পী নীলপৱন বৰুৱাৰ সৈতে অন্তৰঙ্গ আলাপ



*চিত্ৰ শিল্পী নীলপৱন বৰুৱাৰ কৰ্মত ৰূপগত, ভাৱগত, শৈলীগত, পৰীক্ষা-নিৰীক্ষাৰ এক ক্ৰমবিৱৰ্তন পৰিলক্ষিত হয়। সত্তৰ দশৰ আত্মবিশ্বাসী শিল্পী যিসকলে অসমৰ কলা সমাজৰ বাবে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল তাৰ ভিতৰত প্ৰসেনজিৎ দুৱৰা, হেমাংগিনী বৰদলৈ, শোভা ব্ৰহ্ম, বেণু মিশ্ৰ, প্ৰণৱ বৰুৱা, কন্দৰ্প শৰ্মা, মাধৱ বৈশ্য, গৌৰী বৰ্মন, পুলক গগৈ আদিৰ লগতে নীলপৱন বৰুৱাও অন্যতম।*

*আমি ছাত্ৰ বন্ধুকেইগৰাকীমানে নীলপৱন বৰুৱা মহাশয়ৰ ঘৰলৈ গৈ এই বিখ্যাত চিত্ৰশিল্পী গৰাকীক লগ পোৱাৰ সৌভাগ্য ঘটিছিল। তাতেই লগ পাইছিলো তেখেতৰ পত্নী শয্যাগত অৱস্থাত থকা অসমৰ কোকিলকণ্ঠী গায়িকা, দীপালী বৰঠাকুৰ বাইদেউক। দুগৰাকী শিল্পীৰ সান্নিধ্য লাভ কৰি আমি অভিভূত হৈ পৰিছিলো। আমাৰ লগত অন্তৰংগ ভাবে আলাপ কৰা বৰুৱা ডাঙৰীয়াৰ একান্ত ব্যক্তিগত বক্তব্যৰাশি তলত দাঙি ধৰাৰ প্ৰয়াস কৰিলোঁ।*

**নীলপৱন বৰুৱাৰ চমু পৰিচয় ঃ**

**জন্ম ঃ** ১৯৩৬ চনত যোৰহাট জিলাৰ টীয়কত

পিতৃ ঃ ধ্বনি কবি প্ৰয়াত বিনন্দচন্দ্ৰ বৰুৱা

মাতৃ ঃ প্ৰয়াত লাৱণ্যপ্ৰভা বৰুৱা

**শিক্ষা আৰু কৰ্মজীৱন ঃ**

প্ৰথম অৱস্থাত নাট্যজগতৰ লগত জড়িত হৈ অভিনয় কৰাৰ লগতে নাটক লেখাৰ উপৰিও সাহিত্য চৰ্চা কৰিছিল। তাৰোপৰি সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ অংশীদাৰ হৈ সমাজৰ বিভিন্ন কাম কৰিছিল।

১৯৬১ চনত কলিকতাৰ শান্তিনিকেতনত কৃষি-অৰ্থনীতি পঢ়িবলৈ যায়। তাত বিখ্যাত শিল্পী মাধৱ বৈশ্যদেৱৰ সান্নিধ্য লাভ কৰি চিত্ৰ-ভাস্কৰ্যৰ প্ৰতি আকৰ্ষিত হয়। যাৰ পৰিপ্ৰেক্ষিতত বিহিত ব্যৱস্থাৰ মাজেৰে বিশ্বভাৰতী, কলা ভৱনত নামভৰ্তি কৰি চিত্ৰ-ভাস্কৰ্যৰ পৃথিৱীত প্ৰবেশ কৰে আৰু কালক্ৰমত যশস্বী চিত্ৰ শিল্পীৰূপে খ্যাত হৈ পৰে।

১৯৭১ চনত শিল্পী নীলপৱন বৰুৱাই সোমনাথ ৰাজেশ্বৰ শৰ্মাৰ সহযোগত অসম চাৰু কলা পৰিষদ প্ৰতিষ্ঠা কৰিছিল। পাছলৈ তেখেতে গুৱাহাটী চৰকাৰী চাৰু-কাৰু কলা মহাবিদ্যালয়ৰ অধ্যাপক হিচাপে কৰ্মৰত হৈ পাছলৈস্বেচ্ছাই অৱসৰ গ্ৰহণ কৰে।

**বৰ্তমানৰ বাসস্থান ঃ** গুৱাহাটী, বেলতলা, সৌৰভনগৰ, ঘৰৰ নং - ৯৬

**আমাৰ প্ৰশ্ন ঃ** আপোনাৰ শৈশৱ আৰু কৈশোৰ কালৰ বিষয়ে আমাক অলপ আভাস দিব নেকি?

**উত্তৰ ঃ** শৈশৱ কালটো খেলা-ধূলা কৰি থাকোতেই গ'ল। দেউতাই মোক ভাইটিৰ তুলনাত ইমান শাসন নকৰিছিল।

জানিছিল মই নিজৰ মতে কাম কৰি ভাল পাইছিলো আৰু তেখেতে বিশ্বাস কৰিছিল মই নিজকে চলাই নিব পাৰিম বুলি। মই সৰুৱে পৰাই ঘূৰি-ফুৰি ভাল পাইছিলো। মন গ'লেই ওলাই যাও।

**আমাৰ প্ৰশ্ন ঃ** সেই সময়ৰ শিক্ষাগ্ৰহণৰ সুবিধা আৰু পৰিৱেশৰ বিষয়ে চমুকৈ জনাব নেকি?

**উত্তৰ ঃ** সুবিধাটো যথেষ্ট পৰিমাণে আছিল। অৱশ্যে সেই সময়ত স্বাধীনতা আন্দোলনৰ পৰিৱেশ আছিল। আমি পঢ়া-শুনাৰ লগে লগে 'আমাৰ ঘৰৰ ওচৰত থকা 'জয় হিন্দ।' সংঘৰ জৰিয়তে সামাজিক, ৰাজনৈতিক কাম-কাজো চলাই গৈছিলো।

**আমাৰ প্ৰশ্ন ঃ** আপোনাৰ চিত্ৰকলাৰ প্ৰতি আকৰ্ষণ ছাত্ৰাৱস্থাৰ পৰাই আৰম্ভ হৈছিল নে? যদি হৈছিল সেই বিষয়ে কিছু কথা ক'ব পাৰিব নেকি?

**উত্তৰ ঃ** মই ছবি অঁকা ২৫ বছৰ মান বয়সৰ পৰা হে আৰম্ভ কৰিছো। আচলতে আমনি লাগি ছবি অঁকাত লাগিলো। মোক কিবা এটা নতুন বস্তুৰ প্ৰয়োজন হ'ল। কিন্তু কি লাগে ভাবি পোৱা নাছিলো। শেষত চিত্ৰ-কলাকেই বাছি ল'লো। আমাৰ ঘৰৰ ওচৰত থকা 'জয় হিন্দ সংঘ'ৰ মাধ্যমেৰে সামাজিক-ৰাজনৈতিক কাম-কাজ কৰি ফুৰিছিলো। শেষত কলকতাৰ শান্তি নিকেতনত পঢ়িবলৈ গৈহে ছবি অঁকাত ধৰিলো।

**আমাৰ প্ৰশ্ন ঃ** আপুনি সেই সময়ৰ কোন কোন বিশিষ্ট শিল্পীৰ সান্নিধ্য লাভ কৰিছিল?

**উত্তৰ ঃ** আচলতে মোৰ বয়স হৈছে কাৰণে নামবোৰ তেনেকৈ মনত নাই যদিও ৰামকিংকৰ বেইজ, নন্দলাল বসু ইত্যাদি বন্ধুৱে যথেষ্ট পৰিমাণে উৎসাহিত কৰিছিল। ৰামকিংকৰ বেইজৰ বিষয়ে এতিয়াও বহুত কথা মনত আছে। ৰামকিংকৰ বেইজে ছবি আঁকে, মূৰ্তি সাজে। কেৱল কৰিহে গৈ থাকে। তেওঁৰ



*নীলপৱন বৰুৱাই চিগাৰেট পেকেটত অংকন কৰা চিত্ৰ*

ছাত্ৰসকলে কি কৰিছে কৰা নাই সম্পূৰ্ণ নোহোৱালৈ লক্ষ্য নকৰে।

**আমাৰ প্ৰশ্ন ঃ** আপোনাৰ জীৱনৰ কোনো বিশেষ ঘটনা এতিয়াও স্মৰণীয় হৈ আছেনে?

**উত্তৰ ঃ** নাই। তেনেকুৱা একো মনত নাই।

**আমাৰ প্ৰশ্ন ঃ** আপোনাৰ শিল্পকলা সম্পৰ্কে ভৱিষ্যৎ পৰিকল্পনা কি?

**উত্তৰ ঃ** পৰিকল্পনা বুলিবলৈ আঁচলতে তেনেকুৱা একো নাই। মই অসমৰ বাবে বহুতো কাম কৰিলো। আঁচলতে কি কি কৰিলো পাহৰিলো। বৰ্তমান মোৰ আশী বছৰ। পৰিকল্পনা কৰিব পৰা শক্তিও নাই মোৰ। যদি ভগৱানে কৃপা কৰে ১২০ বছৰলৈকে জীয়াই থাকিব পাৰো আৰু তেতিয়ালৈ যদি কিবা নতুন চিন্তা আহে কৰিব পাৰো।

**আমাৰ প্ৰশ্ন ঃ** আপুনি নৱ প্ৰজন্মক শিল্পকলা চৰ্চাৰ বাবে কি ক'ব বিচাৰে?

**উত্তৰ ঃ** নৱপ্ৰজন্মক নো কি ক'ম। তেওঁলোকেটো সকলো জানেই। কি বিষয় তেওঁলোকে বাচি ল'ব সেইটো তেওঁলোকৰ নিজৰ নিজৰ ওপৰত কথা। সকলোৰে ভিতৰত কিছুমান বিশেষ প্ৰতিভা লুকাই থাকে। সেই প্ৰতিভাক হৃদয়ংগম কৰি কাৰ্যক্ষেত্ৰত পৰিণত কৰিলে বিশাল কৃতিত্বৰ অধিকাৰী হ'ব পাৰিব।

**আমাৰ প্ৰশ্ন ঃ** কোকিলকণ্ঠী গায়িকা দিপালী বাইদেউক আপোনাৰ সহধৰ্মিনী হিচাপে পোৱাৰ বিষয়ে কিছু ক'ব নেকি?

**উত্তৰ ঃ** মই দিপালী বৰঠাকুৰক আগতে তেনেকৈ ল'গ পোৱা নাছিলো। কেৱল নাম শুনিছিলো, ভাল গীত গাই বুলি শুনিছিলো, মোৰ এজন বন্ধু আছিল অৰ্কেন্দু বৰুৱা। তেওঁ আজি কিছুদিন আগতে ঢুকাল। আগতে মই য'ত আছিলো জেগাখিনি ঠিক পাহৰিলো। তাত বহুত মানুহ গোট খাইছিল। দিপালীহঁতৰ পৰিয়ালৰ মানুহো আহিছিল। তেতিয়া অৰ্কেন্দুৱে দিপালী আজি-কালি ইয়াতে থাকে বুলি ক'লে। তেতিয়া তেৱেঁই মোক কৈছিল "তই দিপালীক বিয়া নকৰাবনো কিয়? মই ক'লো কিয়? মইটো এনেয়ে ঠিকে আছো। পিছত গৈ মান্তি হ'লো।

> *"ত্যাগৰ বেদীত স্বাৰ্থৰ বলি দিব নোৱাৰিলে আদৰ্শৰ মৃত্যু ঘটে।"*
>
> — হেম বৰুৱা








*"খিৰিকীখন খুলি দিয়া, আনন্দ বৈ পৰক*
*দুখৰ মাজেৰে উৰি আহক ৰ'দৰ চিঠি"*

— হীৰেণ ভট্টাচাৰ্য

# কবিতা




আহিনত বৰষুণবোৰ : ৰাজা ঠাকুৰীয়া /৭১
আশা : ধৃতিৰাজ দাস /৭১
নিসংগতাৰ আঁৰে আঁৰে : ইয়াছমিন খান /৭২
এয়াইটো নহয় শেষ বিদায় : দীপজ্যোতি বৰা /৭২
মহান কবি : দ্বীপশিখা শৰ্মা /৭৩
অনুভৱ : জোনালী ডেকা /৭৩
এটি স্মৃতি : পৰীখা কলিতা /৭৩
এমুঠি আশা : ব্ৰজেন শৰ্মা /৭৪
বেদনাৰে ভৰা জীৱন : বন্দনা ডেকা /৭৪
নষ্ট হৃদয়ৰ আক্ষেপ : সঞ্জয় বৈশ্য /৭৫
জীৱন : দীপশিখা শৰ্মা /৭৫
জোনাকৰ পোহৰ : দিপুঞ্জিতা দাস /৭৬
এপাহ তলসৰা শেৱালি : পুনম বৰ্মন /৭৬
আই তুমি অনন্যা : দেৱজিৎ কলিতা /৭৭
মোৰ ভাৰত : বেহেনা আখতাৰা /৭৭
নতুন প্ৰজন্মৰ ডেকা গাভৰু : বৰ্ণালী তালুকদাৰ /৭৮
এটা বৃহৎ শব্দ : পাৰ্থ প্ৰতিম হালৈ /৭৮
সময় : পুষ্পা তালুকদাৰ /৭৯
সময় : হীৰকজ্যোতি কলিতা /৭
প্ৰকৃতি তুমি মহান : অনুস্মিতা পাঠক /৭৯
ভাৰতৰ সন্তান আমি : বন্দনা নাথ /৮০
জাতিৰ পিতা : নিশা বৈশ্য /৮০
সপোন : প্ৰিয়ংকা সৰকাৰ /৮০
দিশপুৰ মহাবিদ্যালয় : সংগীতা বড়ো /৮১
জয়তু দিশপুৰ মহাবিদ্যালয় : নিহাৰ ভৰালী /৮১
মূল্যহীন প্ৰতিশ্ৰুতি : নাজমা চেহ্‌নাজ /৮২
ভুল : ৰকি তালুকদাৰ /৮২
হে সুধাকণ্ঠ : সুৰস্মিতা কাশ্যপ /৮৩
মৰমৰ জুবিন দা : নিশান্ত তালুকদাৰ /৮৩
ভালপোৱাৰ স্মৃতি : সুভাষ গৌতম দাস /৮৪
মৃত্যু : ৰীমা বেগম /৮৪






## আহিনত বৰষুণবোৰ

ৰাজা ঠাকুৰীয়া
পঞ্চম ষান্মাসিক (ইংৰাজী)

আহিনমহীয়া আকাশৰ নীলাবোৰত
কোমলমতীয়া শুকুলা ডাৱৰবোৰে
ঘনে ঘনে ৰূপ সলায়।
কেতিয়াবা শিল্পীৰ তুলিকাত প্ৰাণ পোৱা
পানী যুঁৰলিৰ ঈষৎ লাজুকী আভা
কেতিয়াবা এডোখৰ কহুৱা কপাহ
ব'দালিয়ে য'ত যোৱাৰ পৰত
ছটিয়াই যায় শিৰৰ সেন্দূৰকন

কেতিয়াবা যে ওন্দোলাই আহে সিবোৰ
অজান ক্ষোভত অপাৰ্থিৰ দুখত
ৰাউচি জুৰি কান্দে
নামি আহে শাশ্বত সত্য .... বৰষুণ
পানী বাঢ়ে ... বান আহে
আৰু তাৰেই খামখুমীয়াত খহিব খোজে
এৰাপৰলীয়া সেই নৈৰ পাৰৰ মাটিডৰা

বকুলতলৰ বালিমাহীজাক নীৰৱ দৰ্শক
হৈ ৰয় খহনীয়াৰ

শেৱালিৰ কলিজাত কম্পিত হয়
মসৃণ আবেগ

নিয়ৰে তিয়াই দিয়ে আহিনৰ দলিচাত
পৰি ৰয় দুপাহ শেৱালি

আজিকালি সোৱণশিৰিৰ লাহী কঁকালেদি
সোণোৱালী শব্দবোৰ নাহে ভটিয়াই
সোণোৱাল কছাৰী ৰবাৰ উদৰ চালখনো
নুঠে জিলমিলায়।

পাৰত মাথো ৰূপবিহীন ৰূপোৱালী বালি
এলাগী হৈ পৰা তাত ফুলি ৰয়
দুই এক ভেকুৰি তিতাৰ পুলি।



পুৰণি বাবেইতো বিস্মৃত হয় ৰচকী সময়বোৰ
সেই আপাহতে অতীত হৈ পৰে
সোৱণশিৰিৰ পাহাৰ
আহিনমহীয়া বালিমাহীজাকো...।

## আশা

ধৃতিৰাজ দাস
প্ৰথম ষান্মাসিক (ৰাজনীতি বিভাগ)

মোৰ জীৱনৰ মৰিচিকা ছায়া তুমি
কি দূৰত কি ওচৰত,
বিচাৰিছো তোমাক জীৱন বেলি
নেপালো তোমাক কাষতে এবেলি।
মেঘৰ বিজুলীৰ দৰে আহিছিলা তুমি
খন্তেকীয়া পোহৰ দিবলৈ
আঁতৰি গ'লা তুমি অন্ধকাৰ কৰি।
নিৰাশাৰ অন্ধকাৰৰ মাজত
বিচাৰি ফুৰিছো আশাৰ ৰেঙণি
জ্বলাই ৰাখিছো অন্তৰত
বলিয়া বতাহে নোমাৱ খোজা
তোমাৰ মৰমৰ আশাৰ বন্তি।
কি দিঠকত কি সপোনত
বিচাৰিছো তোমাক জীৱন বেলি।
আশা কৰিছো আহিবা এদিন
হেঙুৱৰা সুবাস লৈ
আশা কৰিছো আহিবা এদিন
নিৰাশাৰ অন্ধকাৰ আঁতৰাবলৈ।



## নিসংগতাৰ আঁৰে আঁৰে

ইয়াছমিন খান
পঞ্চম ষান্মাসিক (বাণিজ্য শাখা)

অন্তৰে সুৱৰায় বহুতো স্মৃতি,
বহুতো আশা আছে
তোমাক জনাবলৈ
তোমাক বুজাবলৈ।
মোৰ অনুভূতিয়ে
তোমাকে বিচাৰে
তোমাকে মনত কৰে
ক'ত বা আছা তুমি,
কেতিয়া আহিবা।
মোৰ অন্তৰৰ দুৱাৰ মুকলিকৈ ৰাখিছো,
কেৱল তোমাৰ বাবে
এবাৰ মাত্ৰ দেখা দিয়া।
তোমাৰ অপেক্ষাতে বৈ আছো মই
অন্তৰে সুৱৰায় বহুতো স্মৃতি,
মোৰ জীৱন সাৰ্থক কৰিবা তুমি
কেৱল মাত্ৰ অপেক্ষা
অপেক্ষা আৰু অপেক্ষা।
বেদনাৰে জীয়াই আছো মই
সুখৰ অন্তৰা পাবলৈ
আহা আহা তুমি!
সপোনত আহা;
দিঠকত কিয় নহয়;
তোমাৰ এক স্পৰ্শ পাবলৈ
বৈ আছো মই।
তুমিয়ে মোৰ জীৱন
মোৰ সকলো
কেৱল তুমি আৰু তুমি!



## এয়াইটো নহয় শেষ বিদায়

দীপজ্যোতি বৰা
পঞ্চম ষান্মাসিক (বাণিজ্য শাখা)



যাওঁগে বন্ধু,
হ'ল যে সময় বিদায় বেলাৰ
ঘৰমুৱা বেলিটিয়েও
এতিয়া তাকেই সূচায়।
শৰতৰ এটি উদাসীন আবেলি,
হ'ব তোমাৰ সতে পুনৰ সাক্ষাৎ।
কাৰণ এয়াইটো নহয়
শেষ বিদায়।
কোনোবা এটি বিবৰ্ণ সন্ধিয়া
নিসংগতাৰ কবলত যেতিয়া,
আওৰাই যাম অতীতৰ
সোণালী ঠিকনা।
সেই ঠিকনাত জিলিকিব
তোমাৰেই নাম।
কাৰণ এয়াইটো নহয়
শেষ বিদায়।





## মহান কবি

(হীৰেণ ভট্টাচাৰ্যৰ সোঁৱৰণত)

দ্বীপশিখা শৰ্মা
প্ৰথম বৰ্ষ, উচ্চতৰ মাধ্যমিক
(কলা শাখা)

হে মহান কবি
আমাক এৰি
গুচি গ'লা তুমি
থৈ গ'লা আমাৰ বাবে
বহুতো বসাল
শব্দ সম্ভাৰ
সকলোৰে হৃদয় স্পৰ্শ কৰা
কবিতা পুথি
হে মহান কবি
তোমাৰ কবিতাৰে
জগাই তুলিছিলা অসমীয়া জাতিক
অসম মাতৃৰ
সুযোগ্য সন্তান তুমি
জনগণৰ মাজত সুগন্ধি
বিলাইছিলা তুমি
জনগণে তোমাক
মৰমতে মাতিছিল হীৰুদা বুলি
হে মহান কবি
আমাৰ মাজত তুমি
সদায় থাকিবা
আকাশৰ তৰা হৈ উজ্বলি।



## এটি স্মৃতি

পৰীখা কলিতা
প্ৰথম ষান্মাসিক (কলা বিভাগ)

হৃদয়ৰ পৰশে পৰশে
বৈ গৈছে এছাটি শীতল মলয়া,
সেই মলয়াৰ ছেৱে ছেৱে
কঁপি উঠিছে এটি স্মৃতিৰ ঢৌ।
সময়ৰ সোঁতত হেৰাই গ'ল
আইৰ সেই মৌ বৰষা মাত
মাথো বৈ গ'ল এটি সু-গভীৰ স্মৃতি
আইৰ লগত কটোৱা সেই
সোণালী দিনবোৰ মনত পৰিলে
দুগালেদি বাগৰি আহে
তপত অশ্ৰুজল।
কেতিয়াবা মনতে ভাব হয়
ভগৱান ইমান নিষ্ঠুৰনে
মোৰ পৰা আঁতৰাই নিলে
কিয় বাৰু আইৰ সেই মৰমী মাতষাৰ।

## অনুভৱ

জোনালী ডেকা
পঞ্চম ষান্মাসিক (বাণিজ্য)

মই অনুভৱ কৰিব পাৰো
আপোনজনক হেৰুৱা বেদনা
যাক আপোন বুলি ভাবো
তেঁৱে যদি আঁতৰি যায়
জীৱন হ'ব মিছা
যাক মেৰুদণ্ড বুলি ভাবো
তেঁৱে আঁতৰি গ'লে
ভাঙিব মেৰুদণ্ড
হেৰাই যাব জীয়াই থকাৰ উদ্দেশ্য
তথাপি জীয়াই থাকিব লাগিব
তেওঁৰ স্মৃতিক চকুপানীৰে
জীপাল কৰি
দুখৰ সাগৰত ডুব নগৈ
সাঁতুৰিব লাগিব
সুখৰ সাগৰ পোৱাৰ আশাত।





# বেদনাৰে ভৰা জীৱন

বন্দনা ডেকা
প্ৰথম যাণ্মাসিক (বি.বি.এ.)

কোনেও জানিব চেষ্টা নকৰে
মোৰ ভগ্নহৃদয়ৰ কথা
বুজিবও চেষ্টা নকৰে
মোৰ মনৰ ব্যৰ্থ বেদনাৰ কথা

কিয় নাই বাৰু
মোৰ জীৱনত সুখ শান্তি?
জীৱনটোক জুমি চালে
দেখা পাওঁ মাথো
দুখেৰে ভৰা
নিশাৰ জোনাক বিহীন অন্ধকাৰ।

সকলোৰে থকাৰ দৰে
মোৰো আছিল বহুতো হেঁপাহ...!

কিন্তু,
কিয় জানো মোৰ আশাবোৰ
ভাঙি শেষ হৈ গ'ল।
এতিয়া মই জীৱনটো অতিবাহিত
কৰিম কেনেকৈ ...?

পাৰিম জানো
সুখ শান্তি বিহীন
নিজৰাত উটি-ভাঁহি যাবলৈ...?



# এমুঠি আশা

ব্ৰজেন শৰ্মা
কৰ্মচাৰী, দিশপুৰ মহাবিদ্যালয়

আইৰ ক্ষুধাতুৰ পেটত
দেউতাৰ উন্মুক্ত দুহাতত
এখন বিশাল শূণ্য আকাশ
যন্ত্ৰণা কাতৰ প্ৰতিটো দিন
বুকুত আছে চটফটাই
মই যে সৰি যাম
শুকান পাতৰ দৰে।
লক্ষ্যহীন দীঘলীয়া যাত্ৰা পথত
মাজে সময়ে থমকি ৰয়
মোৰ পৰিচয়বিহীন সাহসে।
এচুকত নিৰ্বিবাদে চকু থয়
কলিজাৰ কেঁচা কঁপনি
কিজানিবা টেটু ফালি চিঞৰে!!
সপোনক বাস্তৱ কৰাৰ প্ৰয়াসত
এবাৰ ভাগো, এবাৰ গঢ়ো
স্বচ্ছ হৃদয়ৰ কমাৰশালত
দৰিদ্ৰ নামৰ এটি মূল্যহীন শব্দ
দিশপুৰ মহাবিদ্যালয়ৰ প্ৰাঙ্গণত
কৰ্ম ব্যস্ততাৰ স'তে জীৱনৰ এচোৰা
বিলীন হ'ল পুৱটিৰ আৱাহন।
দৃঢ় সঙ্কল্প বুকুৰ সোঁ-মাজত
আছে জীয়াই থকাৰ পণ
নৈৰাশ্য নিমাখিত জৰাজীৰ্ণ হৃদয়
এমুঠি আশাই যেন মূলধন।





# নষ্ট হৃদয়ৰ আক্ষেপ

সঞ্জয় বৈশ্য
প্ৰথম যাণ্মাসিক (কলা শাখা)

আধৰুৱা হৈ যাওঁ তেতিয়া
যেতিয়া তোমাক নেদেখো। তোমাৰ
সেই মৰম লগা হাঁহিটি, যাৰ বাবে মই
ৰৈ থাকো কলেজৰ সেই চুকটোত।
বহি ৰও ঘণ্টাৰ পিছত ঘণ্টা,
তোমাৰ সেই নীলা চকুযুৰি চাবলে।
ফেচ্‌বুক, হোৱাটচএপত ৰৈ অনলাইন থাকো
এটা বিপ্লাইৰ অপেক্ষাত। অসহ্যকৰ সেই সময়খিনি
অপেক্ষিত স্বভাৱ মোৰ নাই যদিও
এতিয়া অপেক্ষাইতো মোৰ একমাত্ৰ আশা ভৰষাৰ থল।
তুমিমোৰ প্ৰথম কাহানিও নাছিলা, কিন্তু
অন্তিম হ'ব পাৰিবা।
পোৱা নোপোৱাৰ আক্ষেপ মোৰ এনেও নাই।
তোমাৰ হাতত হাত থৈ সাত জনমত শপত লবলৈতো সাজু,
কিন্তু তোমাৰ বিয়াত ৰভাৰ তলত ৰাইজৰ
লগত বহি আশীৰ্বাদ দিবলে সাজু নহয়।
প্ৰেমত পৰিছো বুলি মানিছো।
কিন্তু পাগল প্ৰেমিক নহয়।



# জীৱন

দীপশিখা শৰ্মা
দ্বিতীয় বৰ্ষ, উচ্চতৰ মাধ্যমিক (কলা)

কেতিয়াবা দুখ, কেতিয়াবা সুখ
কেতিয়াবা হাঁহি
কেতিয়াবা কান্দোন
আশা, নিৰাশা, হতাশা
পোৱা নোপোৱাৰ বেদনাক লৈ
গঠিত আমাৰ জীৱন।
জীৱনৰ পথ
কাঁইটীয়া বৰ
সফল হ'বলৈ হ'লে
অতিক্ৰম কৰা
এই কাঁইটীয়া পথ।
জীয়াই থাকিবলৈ খুজিলে
এই ধৰাৰ কোলাত
সযতনে কৰি যোৱা
নিজৰ কৰ্ম,
অহিংসাৰে আগুৱাই যোৱা
সদায় থাকা সত্যৰ পথত।
তেতিয়াহে গাব
পাৰিবা জয়গান,
নিজকে প্ৰতিষ্ঠা কৰিব পাৰিবা
এইখনি ধৰাত।



# জোনাকৰ পোহৰ

দিপুজিতা দাস
পঞ্চম ষাণ্মাসিক (বাণিজ্য শাখা)

এয়া যে শৰতৰ
পূৰ্ণিমাৰ ফৰিং-ফুটা
জোনাক বাতি।
স্নিগ্ধ জোনাকৰ পোহৰত
গোটেই পৃথিবীখন
হৈছে উদ্ভাসিত।
কেৱল পোহৰ
ক'তো যে নাই এন্ধাৰৰ
লেখমানো চিন-চাব
আকাশত জোনাক যামিনী
পোহৰত আলোকিত
ধৰিত্ৰীৰ বুকু।
এনেখন জোনাক ৰাতি
আকাশৰ বুকুলৈ চাই
কেতিয়াবা মোৰ মনত
এনে ভাব হয়,
মই যে সৌ জোনবাইৰ
দেশলৈ গৈ
জোনটিক কম,
তুমি আমাৰ মাজত আহি
সদায় পোহৰ বিলাবা।
তোমাৰ পোহৰত
আমাৰ মনবোৰৰ
মাজত থকা
হিংসা, দ্বেষ, অবিশ্বাসৰ
কলিয়া ডাৱৰবোৰ
যেন আঁতৰি যায়।
শান্তিৰ পৃথিবীখনত
আমি যেন দিনবোৰ
শান্তিৰে নিয়াব পাৰো।

# এপাহ তলসৰা শেৱালি

পুনম বৰ্মন
প্ৰথম ষাণ্মাসিক (অসমীয়া)

শৰতৰ এক হুমুনিয়াহ
সিক্ত শৰতৰ অমানিশা ৰাতি
মই যেন এপাহি তলসৰা শেৱালি
পৰি ৰলো নিয়ৰ সনা
দুবৰিৰ দলিছাত
কঁপি উঠিছো, সেমেকিছো,
বিচাৰি ফুৰিছো কাৰোবাৰ সঁহাৰি
কেতিয়া আহিব বাৰু ৰ'দালি
উচুপি উচুপি দুবৰিৰ কোলাত
ফুৰিচো বাগৰি মলয়াৰ সুতত
বহু সময় বাকি এতিয়াও
এটা নতুন পুৱাৰ
আশা নিৰাশাৰ মাজত
হতাশাই আৱৰি ধৰিছে মোক
পামনে সঁহাৰি কাৰোবাৰ...?
বুটলি লবনে কোনোবাই আলফুলে দুহাতেৰে
নে পুৱাৰ আগমনে আনিব নমাই
জীৱনত এক বিষাদ ধুমুহা
অসহায় দুবৰি কোলাত শুই পৰা
শেৱালি পাহক
গছকি যাব নেকি কোনোবাই
সাৰি নিব নেকি বাৰু আৱৰ্জনাৰ ওপৰত
কি যে মোৰ জীৱন
আশাৰ সমাধিৰ সমাপ্তিৰে
কি বা কঢ়িয়াই আনে জীৱনলৈ
মাত্ৰ তাৰেই প্ৰতিক্ষাত
মই যেন এপাহ তলসৰা শেৱালি ...।







# আই তুমি অনন্যা

দেৱজিৎ কলিতা
তৃতীয় ষাণ্মাসিক (হিচাপ বিদ্যা)

আইৰ কোমল হাতত ধৰি
শিকিলো বাট বুলিবলৈ
আয়ে শিকালে ঠুনুকা
মাত মাতিবলৈ
নয়ন খুলিয়ে দেখিলো
এই সুন্দৰ জগত
অতি শুৱনী আইৰেই মুখত।

দুই ওঁঠত হাঁহি বিৰিঙিছিল
মোৰ ওঁঠৰ হাঁহি চাই,
ৰাতি উজাগৰে কান্দিছিল উচুপি
মোৰ জ্বৰৰ দেহত শীতল হাত বুলাই।

আছিলো বহু ভয় কৰি
খোলা নয়ন জুৰিয়ে আঁতৰালে অন্ধকাৰ,
দৌৰি গৈ লুকালো আইৰ আঁচলত
দেখা পালো সমস্ত সংসাৰ।।

আজি যেন আইক ধৰিম সাৱতি
ল'ৰালিৰ দিনলৈ উভতি যাম,
আকৌ এবাৰ আইৰ
মৰমৰ বোপা হৈ এটি মিঠা চুমা পাম।

লাগে যেন সেই দিনবোৰ ঘূৰাই লৈ
আইৰ কোলাত মূৰ থৈ টোপনি যাম,
আয়ে যেন নিচুকাব সুমধুৰ গীত গাই
মোৰ সব দুখ-ভাগৰ পলুৱাম।

নালাগে আজি মোক সৰগৰ দেৱ-দেৱীৰ
আশীৰ্বাদৰ এটি কুশল জীৱন,
আছে তাতোকৈ উত্তম
আশীৰ্বাদ মৰমেৰে ভৰা
আইৰ এযুৰি উজ্জ্বল নয়ন,
এযুৰি উজ্জ্বল নয়ন।



# মোৰ ভাৰত

ৰেহেনা আখতাৰা
প্ৰথম ষাণ্মাসিক (অসমীয়া)

মোৰ ভাৰত অতি মৰমৰ
ইয়াতেই মই জন্ম লৈছো,
ইয়াৰে মানুহ, গছ-গছনি সকলোকে
মই মৰমেৰে আদৰি লৈছো।
ভাৰতক ৰক্ষা কৰি গান্ধীজীয়ে
সকলোকে মুক্ত কৰিছিল।
অহিংসাৰ প্ৰেমৰ বাণী সকলোকে
বিলাই থৈ গৈছিল।
পতাকা উৰুৱাবলৈ যাওঁতে
শ্বহীদ হ'ল কনকলতা
মুকুন্দ কাকতি, ভগত সিং আজিও অমৰ
অমৰ এওঁলোকৰ সাহসিকতা।
এই মোৰ ভাৰতক যাবলৈ
নিদিওঁ বিদেশীৰ হাতলৈ,
সকলো কষ্ট কৰিবলৈ আগবাঢ়িম
মোৰ ভাৰতক ৰক্ষা কৰিবলৈ।

## নতুন প্ৰজন্মৰ ডেকা গাভৰু

বৰ্ণালী তালুকদাৰ
প্ৰথম ষান্মাসিক (অসমীয়া)

হেৰা' নতুন প্ৰজন্মৰ
ডেকা গাভৰু ব'লা
যাওঁ আমি অতীতৰ সেই
সমাজখনৰ ভিতৰলৈ
অনুসৰণ কৰোঁ আমি
মহান ব্যক্তিৰ মহত্ববোৰ
লওঁ আমি তেওঁলোকৰ
মহান আদৰ্শবোৰ বুটলি
হেৰা নতুন প্ৰজন্মৰ
ডেকা গাভৰু, আহাঁ
মহাত্মাৰ মহান আদৰ্শ
অহিংসাৰ নেতৃত্বত
হওঁ আমি থিয়
হিংসাৰ বিৰুদ্ধে
এই অপকৰ্মৰে পৰিপূৰ্ণ
সমাজখনক অকণমান
সূৰুযৰ কিৰণ দিবলৈ।



## এটা বৃহৎ শব্দ

পাৰ্থ প্ৰতিম হাঁলে
পঞ্চম ষান্মাসিক (বাণিজ্য শাখা)

শব্দ
এটা বৃহৎ শব্দ
যি শব্দই পলকতে কৰি গ'ল
সকলো নিঃশেষ।

কৰি গ'ল এখন ধোঁৱাৰ সাগৰ
কৰি গ'ল এখন আকাশলংঘী জুইৰ পাহাৰ
কৰি গ'ল এখন তেজৰ নৈ।

মোৰ চকুত দৃষ্টিমান হৈছিল
ৰাজপথ ঢাক খোৱা ক'ত ক্ষত-বিক্ষত দেহৰ অংশ
আৰু কত আহত-নিহত, আধাপোৰা দেহৰ
চেদেলী ভেদেলী শাৰী।

আৰু দেখিছিলো মানৱদেহ জ্বলি নিঃশেষ হোৱা কলা এভাৰ
আৰু শুনছিলো আহত-নিহতৰ আত্মীয়-স্বজনৰ হিয়া-ভগা কান্দোন।

উঃ বৰ অসহ্যকৰ
মাত্ৰ এটা বৃহৎ শব্দৰ পৰিণতি
আৰু যেন নুশুনে কোনেও
এটা বৃহৎ শব্দ ....।





## সময়

পুষ্পা তালুকদাৰ
প্ৰথম ষান্মাসিক (ইংৰাজী বিভাগ)

সময়তে হয় দিন
সময় মতে কৰিলে কাম
সময়ে নুবুজে কাৰো
ভাল বেয়া হ'ব লগা
পঢ়া-শুনাৰ ফলা-ফল
জানি বুজি নকৰিবা ভুল
ৰুগীয়াৰ মৃত্যুৰ ভয়
ধৰুৱাৰ ঋণৰ ভয়
ধুমুহা বানপানী
সময়েহে জানে

বাটে ঘাটে গৈ থাকোতে
সময়েহে জানে কাৰ
এপলকো নকৰাকৈ
তেতিয়াহে হ'ব আমাৰ
মিতিৰালি পাতো যদি
জিনিব পাৰিম এদিন

সময়তে ৰাতি
নহয় কাৰো কোনো ক্ষতি।
জয় পৰাজয়
সময়তে হয়।
সময়মতে হয়
জ্ঞানী লোকে কয়
সময়েহে জানে
সময়েহে মানে।
উজাগৰ ৰাতি
কাৰ ক'ত দুৰ্গতি।

কাৰ ক'ত মৰণ
শেষ ক'ত চৰণ।
সময় অপচয়
সংসাৰ সুখময়
সময়ৰ লগত
এই সুন্দৰ জগত।



## সময়

হীৰকজ্যোতি কলিতা
পঞ্চম ষান্মাসিক (বাণিজ্য)

একো একোটি পৰ
পাৰ হৈ গৈ আছে, জীৱনৰ
ৰাখিব পৰা নাই ধৰি
প্ৰতি পৰে আছে কিছু
দুখ, সুখ, মৰমৰ অন্তৰংগ

পাৰ হৈ গৈ আছে স্মৃতিবোৰ
যি জীৱনৰ শেষ সময়ছোৱাত
বাৰুকৈয়ে আমনি কৰিব

থিয়াম নিজকে সেই
প্ৰতিটো সময় যি
পাৰ কৰিছিলো;

নিঃস্বাৰ্থ পৃথিৱীৰ
আলহী হৈ।

## প্ৰকৃতি তুমি মহান

অনুস্মিতা পাঠক
তৃতীয় ষান্মাসিক (বাণিজ্য )

প্ৰকৃতি তুমি মহান
মানৱ জাতিৰ তুমিয়েই প্ৰাণ
তোমাৰ সৌন্দৰ্যত মোহ যায় সকলো,
গছ-বন, চৰাই আৰু প্ৰাণী
মানৱ জাতিয়ে তোমাক শান্তি বিহিলেও
আমাক হ'বলৈ দিয়া নাই আলৈ-আথানি
তুমি আমাক নিৰাশ্ৰয় নকৰা কেতিয়াও,
প্ৰকৃতি তুমি সঁচাকৈয়ে মহান
মানৱ জাতিৰ তুমিয়েই প্ৰাণ।
মানুহৰ বোষত বন্দী হ'লেও
তুমিয়েইতো তেওঁলোকক জীৱন দিয়া
প্ৰকৃতি তোমাৰ অন্তৰ মহান
মানৱ জাতিৰ তুমিয়েই প্ৰাণ।

# ভাৰতৰ সন্তান আমি

বন্দনা নাথ
প্ৰথম ষান্মাসিক (অসমীয়া)

ভাৰত মাতৃৰ সন্তান আমি
নাই কোনো সৰু বৰ
কোন হিন্দু, কোন মুছলিম
ভেদভাব নাই এনে ভাৱৰ
ভাৰত মাতৃক ৰক্ষা কৰিম
এয়ে হ'ব আমাৰ মন্ত্ৰ
দেশদ্ৰোহী, জাতিদ্ৰোহীক বিচাৰি উলিয়াম
নিজে কৰি লম শাসন তন্ত্ৰ
গুণী-জ্ঞানীক আদৰ কৰিম
একতাৰ ডোলেৰে সকলোকে বান্ধিম
বিনাশিম শত্ৰুৰ ষড়যন্ত্ৰ
জাতি-ধৰ্মৰ শিপা উঘালিম
ৰাখিম জন্মভূমি
আমাৰ দেশৰ ত্ৰিৰংগ পতাকা
হাজাৰ শ্বহীদৰ ৰক্তৰ দান
স্বাধীন ভাৰতৰ সন্তান আমি
গাওঁ আহা জয় গান।





# সপোন

প্ৰিয়ংকা সৰকাৰ
দ্বিতীয় ষান্মাসিক (কলা )

সপোন যেতিয়া বাস্তৱ হয়
মানুহৰ মনত যোগায় এটি নতুন প্ৰেৰণা
প্ৰেৰণাই মানুহক লৈ যায় বহু দূৰলৈ
য'ত থাকে মানুহৰ এক নিজস্ব পৃথিৱী,
এই পৃথিৱীতেই থাকে মানুহৰ নিজস্ব মন,
স্বকীয়তা।
যাৰ দ্বাৰা মানুহে পায় এক আনন্দৰ উৎস।
এই উৎসৰ পৰাই লভিব পাৰে এক সাধনাৰ বল
যি বলৰ জৰিয়তে মানুহে গঢ়িব পাৰে জীৱন।
এই নতুন জীৱনৰ দ্বাৰাই মানুহেও প্ৰত্যক্ষ কৰে
এক নতুন সুন্দৰতম, সাংস্কৃতিক জীৱনৰ স্বপ্ন।
এই স্বপ্নৰ প্ৰতি মুহূৰ্তই প্ৰতিটো পলেই মাথো কয়
নানা ৰঙী নানা ধৰণৰ এক সপোন, সপোন, সপোন।

# জাতিৰ পিতা

নিশা বৈশ্য
প্ৰথম ষান্মাসিক (অসমীয়া)

মহামানৱ মহাত্মা গান্ধী
তুমি জাতিৰ পিতা
তুমিয়েই আনি দিলা
ভাৰতৰ স্বাধীনতা।

অহিংসা নীতিৰে তুমি
ব্ৰিটিছক খেদিলা,
পৰাধীনতাৰ শিকলি ছিঙি
ভাৰতক মুক্তি দিলা,
কোটি কোটি ভাৰতবাসীক
একতাৰ ডোলেৰে বান্ধিলা।

দেশবাসীৰ বাবে তুমি
জীৱন দান দিলা,
সেয়ে তুমি জাতিৰ পিতা
চিৰ যুগমীয়া।

দুই অক্টোবৰ গান্ধী জয়ন্তীত
তোমাক প্ৰণাম কৰোঁ,
দেশবাসীৰ হৈ মই
চৰণত ধৰোঁ।





# দিশপুৰ মহাবিদ্যালয়

সংগীতা বড়ো
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা)

অতিকে গুৰনি আমাৰ মহাবিদ্যালয়খনি
তাতে পঢ়ি শুনি জীৱন লওঁ গঢ়ি
পৱিত্ৰ আশ্ৰয় যেন
আমাৰ মহাবিদ্যালয় খনি
অতিকে আপোন।
ইয়াতে ৰচিম
আমি সোণালী সপোন।
বন্ধু বান্ধৱীহঁত নকৰিবা
সময়ৰ অপব্যৱহাৰ
নহ'লে হ'ব জীৱনটি তেনেই অসাৰ
কৰিম কৰিম বুলি
নাথাকিবা বৈ
নহ'লে হ'ব সময়ৰ অপচয়
সময় থাকোতেই প্ৰতিজ্ঞাবদ্ধ হোৱা
পঢ়া কোঠালিত আবদ্ধ হোৱা
কাষত আমাৰ জনমভূমি
অতিকে বিশাল আমাৰ মাটি আমাৰ বায়ু
ইমান যে ৰসাল
মুকলি হ'ল অন্ধ চকু আমাৰ
চাৰ-বাইদেউ সকলোৰে
কৰিলে আমাৰ জীৱন পৰিস্কাৰ
অতিকে গুৰনি
আমাৰ মহাবিদ্যালয় খনি।
আছে যে তাত জ্ঞানৰ ভঁৰাল
অমূল্য গ্ৰন্থৰে ভৰি।
জয়তু বিদ্যাৰ মন্দিৰ আমাৰ
জয়তু জননী।



# জয়তু দিশপুৰ মহাবিদ্যালয়

নিহাৰ ভৰালী
দ্বিতীয় বৰ্ষ, উচ্চতৰ মাধ্যমিক (কলা শাখা)

জয়তু দিশপুৰ মহাবিদ্যালয়
জনালো তোমাক সহস্ৰ প্ৰণাম।
আহিলো ঢাপলি মেলি
লও বুলি জ্ঞানৰ উম তোমাৰ কোলাত,
ল'বা জানো আকোৱালি স্নেহেৰে
হে জ্ঞানৰ ভৰাল কিদৰে কৰিম
তোমাৰ বন্দনা,
নাই যে, মোৰ মনত ভাষা
ক'ত সাধনা, ক'ত কামনাৰ
তুমি হ'লা এগছি জ্ঞানৰ পোহৰ লৈ,
জ্বলি উঠিছা আজি ক'ত জনৰ
সুখৰ হাঁহি।
হে জয়তু দিশপুৰ মহাবিদ্যালয়,
আহিছো হাত মেলি তোমাৰ চৰণত
দিবা জানো মোক জ্ঞানৰ দুৱাৰ খুলি।
হে জ্ঞানৰ ভৰাল,
তোমাৰ কৃপাতে ফুলি উঠক
মোৰ মনৰ মাজৰ পদুম কলি
তোমাৰ আলোকেৰে
উজ্জ্বলি উঠক চৌদিশে
জিলিকি থাকক তোমাৰ নাম সকলোতে
জনাও তোমাক নমস্কাৰ
দিশপুৰ মহাবিদ্যালয়
জয় জয়তু।

## মূল্যহীন প্ৰতিশ্ৰুতি

নাজমা চেহনাজ
প্ৰথম ষান্মাসিক (কলা)

নিসংগতাই এতিয়া মোৰ জীৱনৰ লগৰী
এয়া মাথো তোমাৰ বাবে;
যদি ৰাখিবই নোৱাৰা প্ৰতিশ্ৰুতি
তেন্তে কিয় কৈছিলা সংগী হ'বা বুলি?
কিয় জগাইছিলা মোৰ মনত
ভালপোৱাৰ ভাৱ
অকলশৰীয়াই যদি কৰি থৈ যোৱা?
ইমানেই মূল্যহীননে তোমাৰ চকুত
কাৰোবাৰ প্ৰকৃত ভালপোৱা!
অপমানেৰে জৰ্জৰিত কৰিলা তুমি
সেই ভালপোৱাৰ গৰাকীক...।
পাহৰিব পৰা নাই আজিও তোমাক,
সংগোপনে সাঁচি ৰাখিছো
তোমাৰ পৰিচয়
মোৰ হৃদয়ৰ নিভৃত কোণত;
তোমাৰ প্ৰতাৰণাৰ বিনিময়ত
মোৰ ভালপোৱাই দিলে
তোমাৰ সঠিক পৰিচয় যে
তুমি এজন ভণ্ড প্ৰেমিক।





## ভুল

ৰকি তালুকদাৰ
তৃতীয় ষান্মাসিক (অসমীয়া)

মানুহ মাত্ৰেই ভুল
কথাষাৰ মিছা নহয়
ময়ো এজন মানুহ
কোনো অচিন প্ৰাণী নহয়।
প্ৰেমত প্ৰতাৰিত হৈ
নিসংগ আছিলো মই
তুমি আহি দিলা হাঁহি
হৃদয়ত মৰম থৈ।
নহয় মই বেয়া কিন্তু
ভুল হৈ গ'ল,
চঞ্চলতাৰ উৰণিত মন
বিবেকহীন হৈ ৰ'ল।
প্ৰেমত থাকোতেই মই মগ্ন
অন্য এজনীৰ ৰূপত
আপোন কৰাৰ আশাত ললো
সময় কটোৱাৰ শপত।
দুদিনীয়া আনন্দ বিচাৰি
তাইৰ লগত থাকিলো
অনুভৱ হ'ল অতীতক মই
পিছত এৰি আহিলো।
অন্তৰংগ শব্দইও যেন
মাত এষাৰ লগালে
সুখ দেখোন অতীততেই
হৃদয়েও বুজি পালে।
বান্ধৱী আৰু বিবেকেও ক'লে
কৰিলো মই ভুল।
সঁচা প্ৰেমক অৱজ্ঞা কৰি
নুবুজিলো প্ৰেয়সীৰ মূল।
নেখেলো দুখন হৃদয়ৰ লগত খেল
আজি পন ললো
অশ্ৰুপূৰ্ণ হৃদয়েৰে প্ৰেয়সীৰ
ক্ষমাৰ আশা ৰাখিলো।





## হে সুধাকণ্ঠ

সুৰস্মিতা কাশ্যপ
প্ৰথম বৰ্ষ, উচ্চতৰ মাধ্যমিক (বাণিজ্য শাখা)

হে বিশ্ববৰেণ্য সুধাকণ্ঠ
তুমি দুৰ্বাৰ
তুমি সাগৰৰ দৰে বিশাল,
তুমি অবিৰত বিশ্ৰামবিহীন
এজন যাযাবৰ।

তোমাৰ সুৰৰ মূৰ্চ্ছনাত
পাহাৰ, পৰ্বত মুখৰিত কৰি
তুমি বোৱালা গঙ্গাক ভৈয়ামলৈ
হে সুধাকণ্ঠ, শক্তি তোমাৰ
বিশ্বত নাই পাৰাপাৰ।
তুমি ব্ৰহ্মপুত্ৰ, তুমি গঙ্গা, তুমি কাবেৰী
তুমি হ'লা মিচিচিপি
পাহাৰ ভৈয়াম কৰি একাকাৰ,
তুমি সুৰৰ অশ্ৰুধাৰাৰে
মৰুত বোৱালা মৰুদ্যান।

হে সুধাকণ্ঠ, তুমি হঠাৎ নিৰৱে গুচি গ'লা
কোনোবা অজান দেশলৈ
অসম তথা বিশ্ববাসীৰ অশ্ৰু নিগৰাই।

হে সুধাকণ্ঠ, তুমি আকৌ আহিবা
বহাগ আহিলে,
অসমী আইৰ বুকুলৈ
এইয়া যে আমাৰ কামনা তোমালৈ।



## মৰমৰ জুবিন দা

নিশান্ত তালুকদাৰ
তৃতীয় ষান্মাসিক
ইংৰাজী বিভাগ)

হে মোৰ প্ৰাণৰ জুবিন দা
গানৰ পথাৰত শস্য সিঁচিলা তুমি,
সুৰৰ সাগৰত দিঙা মেলিলা
জহি খহি যোৱা সোণৰ পজাতো জীয়ালা
স্বাধীনতা দিয়া বুলি প্ৰতিবাদ কৰিলা
মুখা পিন্ধাবোৰকো ক'লা কিয় পিন্ধা?
তোমাৰ বুকুৰে পাৰ হৈ গ'ল উজনিৰ ৰেল আৰু নামনিৰ ধুমুহা
তোমাৰ মনলৈ ল'ৰালি উভতি আহিল
মায়া অনামিকা জানমণিৰ প্ৰেমত পৰিলা
Baby বুলি লাহেকৈ মাতিলা
I love you বুলিও কলা
দণ্ড কৰা ধুন্দুলি বুলি জোকালা
তোমাৰ মনৰ আকাশত মেঘালীক বিচাৰিলা
আৰু মাজুলিৰ ডেকাজন হৈ হিৰ' হৈ পৰিলা
ৰুমালত বান্ধিলা তোমাৰ কাহিনী
মোৰ মনতো তুমি প্ৰেমৰ নৈ বোৱালা
কিমান কম তোমাৰ কথা ওৰ নপৰে।
তুমিয়েই আমাৰ প্ৰাণ
তোমাৰ মাতত সাৰ পায় সকলোৱে
তুমি সদাই এনেকৈ থাকা তুমি সফল হোৱা।

## ভালপোৱাৰ স্মৃতি

সুভাষ গৌতম দাস
পঞ্চম ষাণ্মাসিক (কলা বিভাগ)

আবেগেৰে ভৰা এই গভীৰ নিশা
কাষত নাই কোনো সহাঁৰি
আছে মাথোন ভালপোৱা
বহুতো স্মৃতি
এবাৰ মাথোন সন্মুখলৈ
আহা আৰু ধূসৰ হোৱা
তোমাৰ স্মৃতিবোৰ সজীৱ কৰিবলৈ
কেতিয়াবা তোমাৰ মন গ'লেও
নালাগে
নিদিবা
নক'বা মোক
"হেই"!
অথবা হাই
যদি দিব খোজা
মোৰ স্মৃতিৰ সমাধিতে দিবা আহি
মাথো এপাহি
"খৰিকাজাই"।



## মৃত্যু

ৰীমা বেগম
প্ৰথম ষাণ্মাসিক (কলা শাখা)

মৃত্যু! মৃত্যু এক বিভীষিকা
নহয় এটি মাত্ৰ শব্দ,
নেৱাৰে কোনেও কালজয়ী মৃত্যুক
পৰাজয় কৰিব।
কেতিয়া মৃত্যুয়ে জীৱনৰ দুৱাৰ ডলিত
সকলোৰে অজ্ঞাতে আহি
ভুমুকি মাৰেহি
তলকিবই নোৱাৰি
পৰমাত্মাই সৃজিছে এই কানন
আৰু সৃজিছে জীৱ শ্ৰেষ্ঠ মানৱ
কিন্তু! কি মানৱ, কি পশু, কি পক্ষী
সকলোৰে সমুখত মৃত্যুৰ তাণ্ডৱ।
চাই চাই হেঁপাহ নপলালেও
কোনোবা ক্ষণত মুদিব লাগিব চকু জুৰি,
যাবগৈ লাগিব অচিন অজান দেশলৈ
চেনেহৰ মাতৃভূমিক এৰি।
লৈছিলো জনম অকলশৰেই
জীৱনৰ আদিম পুৱাত অকলশৰেই মৰণক লম সাৱতি
জীৱনৰ শেষ সন্ধিয়াত।
আমাৰ নশ্বৰদেহ যিদিনাই মিলি যাব মাটিৰ লগত,
সিদিনাই ধূলিসাৎ হ'ব সকলো
ঐশ্বৰ্য-বিভূতি, ধন-দৌলত।
মুদিম এদিন চকু শান্তিৰে
আপোনজনক চাই শেষবাৰলৈ
ভাগৰুৱা শিশুৰ দৰেই
শুই যাম নিদ্ৰাদেৱীৰ কোলাত চিৰকাললৈ।





# গল্প শিতান

*"চুটিগল্প বিশুদ্ধ গীতিধৰ্মী কবিতা এটাৰ দৰে ঃ ই কোনো সমস্যাৰ অৱতাৰণাও নকৰে, সমাধানো নিবিচাৰে! জীৱনৰ পৰিস্থিতি একোটাৰ উপস্থাপন মাথোন ইয়াৰ লক্ষ্য।"*

— ফ্ৰেংক অ'কন্নৰ





# গল্প


অনধিকাৰ প্ৰৱেশ — ড° জয়জ্যোতি গোস্বামী /৮৭
ৰাজপথ — জিৎজ্যোতি শৰ্মা /৯০
অপমান — পাৰ্থ প্ৰতীম চৌধুৰী /৯১
সাগৰিকাৰ প্ৰেম অনুভৱত জয়যুক্ত ক্ৰিকেট খেলুৱৈ — ৰবিতা ৰয় /৯২
নিৰৱ সংগী — হিমাগ্নী গোস্বামী /৯৬
গাঁওৰ পৰা চহৰলৈ — জ্যোতিস্মিতা বড়ো /৯৮
এটি ভুল খোজ — জোনালী ডেকা /৯৯
যৌতুক — পম্পী বৰ্মন /১০০
নীলা খামৰ চিঠি — নিশান্ত তালুকদাৰ /১০১






# অনধিকাৰ প্ৰৱেশ


মূল ঃ ৰবীন্দ্ৰনাথ ঠাকুৰ
অনু ঃ ড° জয়জ্যোতি গোস্বামী
প্ৰাক্তন মূৰব্বী তথা সহযোগী অধ্যাপিকা
অসমীয়া বিভাগ




এদিন ৰাতিপুৱা ৰাস্তাৰ দাঁতিত থিয় হৈ এটা ল'ৰাই আন এটা ল'ৰাৰ লগত এটা ধৰ্মীয় অনুষ্ঠানকলৈ বাজি ৰাখিছিল। মন্দিৰৰ চোতালৰ ফুলনিৰ পৰা ফুল ছিঙি আনিব পাৰিব নে নাই এই বিষয়টো লৈয়ে সিহঁতৰ মাজত তৰ্ক লাগিছিল। এটাই ক'লে 'পাৰিম' আনটোৱে ক'লে "কেতিয়াও নোৱাৰ।"

কথাটো শুনিবলৈ সহজ কিন্তু কৰাটো কিয় সহজ নহয় সেই বৃতান্ত বহলকৈ ক'ব লাগিব।

ইতিমধ্যে পৰলোকগত মাধবচন্দ্ৰ বাচস্পতিৰ বিধবা পত্নী জয়কালী দেৱী ৰাধানাথজীউ মন্দিৰৰ গৰাকী। অধ্যাপক মহাশয়ে টোলত যি তৰ্ক বাচস্পতি উপাধি পাইছিল সেয়া পত্নীৰ ওচৰত কেতিয়াও প্ৰমাণ কৰিব পৰা নাছিল। কোনো কোনো পণ্ডিতৰ মতে তেওঁৰ উপাধিৰ সাৰ্থকতা ঘটিছিল তেওঁৰ পত্নীৰ ক্ষেত্ৰত কাৰণ তৰ্ক আৰু বাক্য সকলোৰে অধিকাৰী আছিল তেওঁৰ পত্নী, তেওঁ স্বামী হিচাপে তাৰ সম্পূৰ্ণ ফল ভোগ কৰিছিল।

সঁচাকথা ক'বলৈ গ'লে জয়কালীয়ে বেছি কথা নকয় কিন্তু প্ৰয়োজনৰ সময়ত এষাৰ কথাৰে নাইবা নীৰৱে থাকি অতি চোকা মুখো তেওঁ বন্ধ কৰি দিব পাৰিছিল।

জয়কালী ওখ-পাখ, পুৰঠ শৰীৰ আৰু জোঙা নাকেৰে এগৰাকী প্ৰখৰ বুদ্ধিৰ নাৰী। তেওঁৰ স্বামীৰ দিনত তেওঁলোকৰ দেৱোত্তৰ সম্পত্তি নষ্ট হোৱাৰ উপক্ৰম হৈছিল। জয়কালীয়ে তেওঁলোকৰ সকলো বাকী বকেয়া আদায় দি, বহুকালৰ বেদখল উচ্ছেদ কৰি সীমা আদি ঠিক ঠাক কৰি সকলো পৰিষ্কাৰ কৰি লৈছিল। তেওঁৰ প্ৰাপ্যৰ পৰা তেওঁক কোনেও অকণমানো বঞ্চিত কৰিব নোৱাৰিছিল।

এই নাৰী গৰাকীৰ স্বভাৱৰ মাজত বহুত পৰিমাণে পুৰুষ সুলভ বৈশিষ্ট্য থকাৰ বাবে তেওঁৰ যথাৰ্থ লগ নাছিল। মাইকীমানুহ বিলাকে তেওঁক ভয় কৰিছিল। পৰনিন্দা, তলখোচৰা সৰু সৰু কথা, অলপ কথাতে কন্দা তেওঁৰ বাবে অসহ্যকৰ কথা আছিল। পুৰুষ সকলেও তেওঁক ভয় কৰিছিল। কাৰণ চুবুৰীবাসী ভদ্ৰলোকসকলৰ এলাহ আলস্যক তেওঁ নীৰৱ ঘৃণা পূৰ্ণ কটাক্ষৰ দৃষ্টিৰে চাইছিল যি দৃষ্টিয়ে তেওঁলোককো ভবাই তুলিছিল।

কাৰোবাক ঘিণ কৰা আৰু ঘৃণা অতি তীক্ষ্ণ ৰূপত প্ৰকাশ কৰাৰ অসাধাৰণ ক্ষমতা এই প্ৰৌঢ়া বিধবা গৰাকীৰ আছিল। তেওঁৰ বিচাৰত যিজন অপৰাধী আছিল তাক তেওঁ কথাৰে বা বিনা কথাই আৰু ভাবভঙ্গীৰে একেবাৰে নিঃশেষ কৰি দিব পাৰিছিল।

এই সামান্য ঘটনাত জগতৰ সকলো জীৱৰে গৰাকী মহা দেৱতা প্ৰসন্ন হ'ল। কিন্তু ক্ষুদ্ৰ গাঁওখনৰ সমাজ নামধাৰী অতি ক্ষুদ্ৰ দেৱতাটি অতিশয় ক্ষুব্ধ হৈ উঠিল।

চুবুৰীটোৰ সকলো অনুষ্ঠান বিপদ আপদত তেওঁ হাত আগবঢ়াইছিল। সকলোতে তেওঁ নিজৰ এটা গৌৰৱৰ স্থান তেওঁ বিনা চেষ্টাই অতি সহজে অধিকাৰ কৰি লৈছিল। য'তেই তেওঁ উপস্থিত হৈছিল তাতেই তেওঁ আগস্থান পাইছিল। সেই ক্ষেত্ৰত কাৰো মনত সন্দেহ বা দ্বিমত নাছিল।

ৰোগীৰ সেৱাত তেওঁ সিদ্ধহস্ত আছিল কিন্তু ৰোগীয়ে তেওঁক যমৰ দৰে ভয় কৰিছিল। পথ্য বা নিয়মৰ লেশমাত্ৰ লংঘন হ'লে তেওঁৰ খঙৰ জুয়ে ৰোগীক ৰোগৰ জুইতকৈয়ো বেছি উতপ্ত কৰি তুলিছিল।

এই দীৰ্ঘকায় অবলা বিধৱাগাৰীৰ নিজৰ গাঁৱৰ সকলোৰে ওপৰত স্থান আছিল। কোনেও তেওঁক ভালপাবলৈ বা অৱহেলা কৰিবলৈ সাহস নকৰিছিল। গাঁৱৰ সকলোৰে লগতেই তেওঁৰ সহযোগ আছিল, অথচ তেওঁৰ দৰে অকলশৰীয়া কোনো নাছিল।

বিধৱা গৰাকী নিঃসন্তান আছিল। পিতৃ-মাতৃহীন দুটা ভতিজা ল'ৰা তেওঁৰ ঘৰত থাকিয়েই মানুহ হ'ল। পুৰুষ অভিভাৱক নথকাৰ কাৰণে সিহঁতক কোনেও শাসন কৰা নাছিল বা স্নেহান্ধ পেহীয়েকৰ আদৰত সিহঁত নষ্ট হৈ গৈছিল বুলি কোনেও ক'ব পৰা নাছিল। সিহঁতৰ মাজৰে ডাঙৰটোৰ বয়স ওঠৰ বছৰ হৈছিল। মাজে মাজে তালৈ বিয়াৰ প্ৰস্তাৱ আহিছিল আৰু বিয়া সম্পৰ্কে সি ও উদাসীন নাছিল। কিন্তু পেহীয়েকে তাৰ সেই আগ্ৰহক একেবাৰে প্ৰশ্ৰয় দিয়া নাছিল। অন্য তিৰোতাৰ দৰে কিশোৰ নৱ দম্পতীৰ মাজত লাহে লাহে বাঢ়ি অহা প্ৰেমৰ দৃশ্য তেওঁৰ কল্পনাত কেতিয়াও উপভোগ্য বা মনোৰম নাছিল। আৰু তেওঁৰ ভতিজাকে বিয়া কৰাই অন্য ভদ্ৰলোকৰ দৰে আৰামেৰে ঘৰত বহি পত্নীৰ আদৰত মছগুল হৈ থাকিব। এই সমভাৱনা তেওঁৰ ওচৰত হেয় হৈ পৰিছিল। তেওঁ কঠোৰ ভাৱে কৈছিল "পুলিনে আগতে উপাৰ্জন কৰিবলৈ আৰম্ভ কৰক, তাৰ পিছত বোৱাৰী আনিব।" পেহীয়েকৰ মুখৰ সেই কঠোৰ বাক্যত ওচৰ চুবুৰীয়াৰ হৃদয় কঁপি গৈছিল।

মন্দিৰটি জয়কালীৰ অতি শ্ৰদ্ধাৰ বস্তু আছিল। মন্দিৰৰ গোঁসাই ধুউৱা, পূজা পাৰ্বণ, স্নান আহাৰৰ তিল মাত্ৰও ত্ৰুটি হ'ব নোৱাৰিছিল। পূজাৰী বামুণ দুজনে দেৱতাতকৈ এই গৰাকী মানৱীক বেছি ভয় কৰিছিল। পূৰ্বতে এটা সময় আছিল, যেতিয়া দেৱতাৰ প্ৰতি উছৰ্গা কৰা বস্তু দেৱতাই সম্পূৰ্ণ নাপাইছিল কাৰণ ঠাকুৰৰ অন্য এভাগ প্ৰতিমা গোপাল মন্দিৰত আছিল। সেই ভাগৰ নাম আছিল নিস্তাৰিণী। গোপনে ঘিউ, গাখীৰ, ছানাৰ নৈবেদ্য দুভাগ হৈছিল। কিন্তু আজি-কালি জয়কালীৰ শাসনত পূজাৰ ৰোল্ল অনাই গোঁসাইত লগোৱা হয়। উপদেৱতাৰ উপাসনাৰ ব্যৱস্থা অন্য ধৰণে কৰা হৈছে।

বিধৱা গৰাকীৰ যত্নত গোঁসাই ঘৰৰ চৌহদ পৰিস্কাৰ হৈ থাকে, ক'তো কুটা এডালো পৰি নাথাকে। ইয়াৰ কাষতেই এজোপা মাধৱীলতা হৈছে। তাৰ শুকান পাতবোৰ সৰাৰ লগে লগেই জয়কালীয়ে তুলি পেলাই দিয়ে। গোঁসাইঘৰৰ পৰিস্কাৰ পৰিচ্ছন্নতা পৱিত্ৰতাৰ অকণমান হেৰফেৰ হ'লেও বিধৱাই সহ্য কৰিব নোৱাৰে। আগতে চুবুৰীৰ ল'ৰা-ছোৱালীবোৰ লুকাচুৰি খেলিবলৈ মন্দিৰৰ চৌহদলৈ আহিছিল আৰু মাজে মাজে ছাগলী পোৱালী সোমাই মাধৱীলতাৰ পাত বোৰ খাইছিলহি। এতিয়া আৰু সেই সুযোগ নাই। আগৰ দৰে ল'ৰা-ছোৱালীবোৰে চৌহদত প্ৰৱেশ কৰিব নোৱাৰে আৰু ভোকাতুৰ ছাগলী পোৱালীবোৰে সোমাবলৈ আহি লাঠিৰ কোব খাই সিহঁতৰ মাক বোৱক চিঞৰি চিঞৰি উভতি যায়গৈ।

অনাচাৰীলোক পৰম আত্মীয় হ'লেও দেৱালয় প্ৰাঙ্গণত প্ৰৱেশ কৰিব নোৱাৰে। এবাৰ জয়কালীৰ কুকুৰৰ মাংসলৈও লোভ কৰা ভনীজোঁৱায়েক এটা গাঁৱলৈ আলহী খাবলৈ আহি মন্দিৰ প্ৰাংগণত প্ৰৱেশ কৰিবলৈ উপক্ৰম কৰিছিল, জয়কালীয়ে তীব্ৰ আপত্তি কৰাৰ বাবে সহোদৰা ভগ্নীৰ লগত তেওঁৰ বিচ্ছেদ হৈছিল।

এই দেৱালয়ৰপ্ৰতি বিধৱাগৰাকীৰ ইমানেই অতিৰিক্ত অনাৱশ্যক সতৰ্কতা আছিল যে সৰ্বসাধাৰণৰ ওচৰত সেয়া পাগলামী বুলিয়েই প্ৰতীয়মান হৈছিল।

জয়কালী সকলো ক্ষেত্ৰতেই কঠোৰ, উচ্চ আৰু স্বাধীন, কেৱল এই মন্দিৰৰ সন্মুখতহে তেওঁ পৰিপূৰ্ণ ভাৱে আত্ম সমৰ্পণ কৰিছিল। এই বিগ্ৰহৰ ওচৰত তেওঁ একান্ত ৰূপে মাতৃ, পত্নী, দাসী। ইয়াৰ ওচৰত তেওঁ সতৰ্ক, সুকোমল, সুন্দৰ আৰু সম্পূৰ্ণ বিনম্ৰ। এই শিলৰ মন্দিৰ আৰু শিলৰ মূৰ্তিটি তেওঁৰ নাৰী স্বভাৱৰ প্ৰকাশৰ স্থান। এয়াই তেওঁৰ স্বামী, পুত্ৰ, তেওঁৰ সমস্ত সংসাৰ।

ইয়াৰ দ্বাৰাই বুজা যায় যে মন্দিৰৰ চৌহদত প্ৰৱেশ কৰি মাধৱী ফুল ছিঙিবলৈ সাহস কৰা ল'ৰাটোৰ সাহসৰ সীমা নাছিল। সি হৈছে জয়কালীৰ সৰু ভায়েকৰ পুত্ৰ নলিন। সি তাৰ পেহীয়েকক ভালদৰেই জানিছিল, তথাপি তাৰ দুৰ্দান্ত স্বভাৱ আঁতৰা নাছিল, য'তেই বিপদ থাকে তাৰ প্ৰতিয়েই তাৰ আকৰ্ষণ আছিল, যতেই শাসন তাতেই লংঘন কৰিবলৈ তাৰ মন সদায় চঞ্চল। জনশ্ৰুতি আছে সৰু কালত তাৰ পেহীয়েকো তেনেকুৱাই আছিল।

জয়কালীয়ে তেতিয়া মাতৃস্নেহমিশ্ৰিত ভক্তিৰে সৈতে মন্দিৰৰ বিগ্ৰহলৈ চাই মন্দিৰত বহি একান্ত মনে মালা জপি আছিল।

ল'ৰাটো মনে মনে আহি মাধৱী লতাৰ তলত ৰ'লহি। সি দেখিলে তলৰ ফালৰ ডালৰ ফুলবোৰ পূজাৰ কাৰণে ছিঙা হৈ গৈছে। সি লাহে লাহে অতি সাৱধানে লতাডাল বগাবলৈ দিয়া চাঙত উঠিল। ওপৰৰ ডালত দুই এপাহ ফুল ফুলি থকা দেখি সি হাত মেলি ছিঙিবলৈ কৰা প্ৰবল চেষ্টাৰ ভৰত পুৰণা চাংখন হৰুসকৈ ভাগি থাকিল। লতাডালৰে সৈতে লৰাটো ধুপুচ কৈ মাটিত পৰিল হি।

জয়কালীয়ে ল'ৰালৰিকৈ দৌৰি আহি ভতিজাকৰ কাণ্ডকাৰখানা দেখিলেহি আৰু তাক পৰাৰ পৰা তুলি ধৰিলে। সি যথেষ্ট আঘাত পাইছিল, কিন্তু সেই আঘাতক শাস্তি বুলিব নোৱাৰি কাৰণ সেয়া অজ্ঞান জড় বস্তুৰ আঘাত। সেয়ে পৰিযোৱা ল'ৰাটোৰ আঘাতপ্ৰাপ্ত দেহাত জয়কালীৰ সজ্ঞান শাস্তি জোৰে জোৰে বৰষিবলৈ ধৰিলে। ল'ৰাটোৱে এটোপালো চকুপানী নুলিওৱাকৈ নীৰৱে সহ্য কৰি থাকিল। তেতিয়া তাৰ পেহীয়েকে তাক টানি নি ঘৰৰ কোঠাৰ ভিতৰত বন্ধ কৰি থলে। তাৰ সেইদিনাৰ আবেলিৰ খোৱা বন্ধ হ'ল।

খোৱা বন্ধ হোৱাৰ কথা শুনি ধাত্ৰী মোক্ষদাই কাতৰ ভাৱে চলচলীয়া চকুৰে ল'ৰাটোক ক্ষমা কৰি দিবলৈ অনুনয় বিনয় কৰিলেহি। কিন্তু জয়কালীৰ হৃদয় নগলিল। ঠাকুৰাণীয়ে গম নোপোৱাকৈ মনেমনে ভোকত থকা লৰাটোক কোনোবাই যে খাদ্য দিব এনে দুঃসাহসিক লোক ঘৰখনত কোনো নাছিল।

বিধৱাই ফুলজোপাৰ চাং আদি ঠিকঠাক কৰিবলৈ মানুহ লগাই পুনৰ মালা লৈ মন্দিৰত বহিল গৈ। মোক্ষদাই অলপ সময়ৰ পিছত ভয়ে ভয়ে ওচৰলৈ আহি ক'লেহি "ঠাকুৰ মা, ল'ৰাটোৱে ভোকত কান্দিছে। তাক গাখীৰ অকণ দিম নেকি?" জয়কালীয়ে অবিচলিত ভাৱে উত্তৰ দিলে "নালাগে।" মোক্ষদা উভতি গ'ল। ওচৰৰ ঘৰৰ কোঠাত নলিনৰ দুখৰ কান্দোন ক্ৰমে ক্ৰমে খঙৰ গৰ্জনত পৰিণত হ'ল, অৱশেষত তাৰ লাহে লাহে ভাগৰুৱা হৈ পৰা মাতটো জপ কৰি থকা পেহীয়েকৰ কাণত পৰিল।

বহু সময় তৰ্জন-গৰ্জন কৰাৰ অন্তত নলিন যেতিয়া লাহে লাহে ক্লান্ত হ'ল আৰু প্ৰায় মৌন হৈ পৰিল। সেই সময়তে আৰু এটা জীৱৰ ভয়াৰ্ত্ত কাতৰ মাত ওচৰতে শুনিবলৈ পোৱা গ'ল আৰু দূৰত তাৰ পিছে পিছ খেদি অহা মানুহৰ চিঞৰ বাখৰ দুয়োটা মিহলি হৈ মন্দিৰৰ সন্মুখৰ বাটত এটা ডাঙৰ হুলস্থুলৰ সৃষ্টি হ'ল।

মন্দিৰৰ চৌহদৰ ভিতৰত এটা খোজৰ শব্দ শুনি জয়কালীয়ে পিছলৈ উভতি চাই দেখিলে যে মাধৱীলতা জোপা মাটিলৈকে জোকাৰ খাইছে।

তেওঁ খঙেৰে চিঞৰি উঠিল- 'নলিন'। কোনেও উত্তৰ নিদিলে। তেওঁ বুজিলে যে অবাধ্য নলিনে বন্ধ কোঠাৰ পৰা কেনেবাকৈ পলাই আহি আকৌ তেওঁৰ খং তুলিবলৈ আহিছে।

অতি কঠোৰ ভাৱে খঙত ওঁঠ কামুৰি বিধৱা চোতাললৈ নামি আহিল। লতাকুঞ্জৰ ওচৰ পাই আকৌ মাতিলে- "নলিন!"

উত্তৰ নাই। তেওঁ ডাল এটা ডাঙি আঁতৰাই দেখিলে এটা অতি লেতেৰা গাহৰিয়ে প্ৰাণৰ ভয়ত পাতৰ আঁৰত লুকাই আশ্ৰয় লৈছে।

যি লতাকুঞ্জ এই ইটাৰ প্ৰাচীৰৰ মাজত বৃন্দাবনৰ ক্ষুদ্ৰ প্ৰতিৰূপ, যাৰ ফুলি উঠা ফুল ৰাশিৰ সৌৰভে গোপী সকলৰ সুগন্ধি নিশ্বাসলৈ মনত পেলায় আৰু কালিন্দীতীৰৰ গোপীকৃষ্ণৰ লীলাৰ সৌন্দৰ্যময় স্বপ্ন জাগ্ৰত কৰে, - বিধৱাৰ প্ৰাণাধিক আদৰ যত্নৰ সুপৱিত্ৰ নন্দন বনত অকস্মাতে এই বীভৎস ঘটনাটো ঘটিল। পূজাৰী ব্ৰাহ্মণে হাতত লাঠি লৈ খেদি আহিল।

জয়কালীয়ে তৎক্ষণাৎ আগবাঢ়ি আহি তেওঁক বাধা দিলে আৰু দৌৰি গৈ মন্দিৰৰ দুৱাৰ ভিতৰৰ পৰা বন্ধ কৰি দিলে।

অলপ পিছতেই মদখাই উন্মত্ত হৈ অহা মানুহৰ দল এটা মন্দিৰৰ দুৱাৰ মুখত উপস্থিত হৈ সিহতৰ বলিৰ জন্তুটো বিচাৰি চিঞৰিবলৈ ধৰিলে।

জয়কালীয়ে বন্ধ দুৱাৰৰ পিছফালে ৰৈ ক'লে "যা, তহঁত উভতি যা। মোৰ মন্দিৰ অপৱিত্ৰ নকৰিবি।"

সুৰামত্ত মানুহৰ দলটো উভতি গ'ল। জয়কালী ঠাকুৰাণীয়ে তেওঁৰ ৰাধানাথজীউৰ মন্দিৰৰ মাজত যে অশুচি জন্তুটোক আশ্ৰয় দিব সেয়া সিহঁতে নিজ চকুৰে দেখিও বিশ্বাস কৰিব নোৱাৰিলে।

এই সামান্য ঘটনাত জগতৰ সকলো জীৱৰে গৰাকী মহা দেৱতা প্ৰসন্ন হ'ল। কিন্তু ক্ষুদ্ৰ গাঁওখনৰ সমাজ নামধাৰী অতি ক্ষুদ্ৰ দেৱতাটি অতিশয় ক্ষুব্ধ হৈ উঠিল।

# ৰাজপথ

জিৎজ্যোতি শৰ্মা
তৃতীয় যান্মাসিক (অসমীয়া)



চৰকাৰে দিয়া
সাহাৰ্যৰে জানো
গোটেই জীৱনটো
চলিব পাৰি।

লাহে লাহে আন্ধাৰ নামিব ধৰিছিল। ফুটপাথৰ কাষৰ লাইটবোৰ জ্বলি উঠিছিল। হাতৰ লাঠিডাল জোকাৰি জোকাৰি ট্ৰেফিকজনে গাড়ীবোৰ শৃংখলা লগাই দিছিল।

গণেশগুৰিলৈ বাছ এখনলৈ বুলি বাট চাই আছিলো। গধূলি। গধুলি ছয় বাজিছে। কাষৰ চাহ দোকানৰ বেঞ্চ এখনত বহি অপেক্ষা কৰিলো। গাড়ীৰ লাইটবোৰে ৰাজপথটো পোহৰাই তুলিলে। হঠাৎ মই থমকি উঠিলো। এখন হাতে মোৰ হাতখন স্পৰ্শ কৰিলে। হাতখনৰ ছালবোৰ হাড়ৰ লগত লেপেট খাই আছিল। লগে লগে নাৰী কণ্ঠস্বৰ এটা ভাঁহি আহিল- "দাদা, কিবা এটা খাবলৈ দিয়ক, দুদিন ধৰি একো এটা পেটত পৰা নাই।" তেওঁৰ ফালে চাই দেখিলো তেওঁৰ ভৰি দুখন নাই। চুঁচৰি চুঁচৰি মোৰ কাষ পাইছেহি। চাহ-দোকানৰ ল'ৰাজনক মাতি মই তেওঁৰ বাবে কিবা এটা খোৱাবস্তু আনিব দিলো। মানুহজনীৰ চকুযুৰি সেমেকি উঠিছিল আৰু তেওঁ কৈছিল, "ঈশ্বৰে আপোনাৰ মংগল কৰক।" তেওঁৰ কথাত সঁহাৰি জনাই মই অকণমান মিচিকিয়াই হাঁহিলো আৰু অজানিতে মোৰ মুখৰ পৰা ওলাই আহিল "তোমাৰ ঘৰ ক'ত?" মোৰ প্ৰশ্নটো শুনি তেওঁ আচৰিত হোৱা যেন অনুভৱ হ'ল। তথাপি থোকাথুকি মাতেৰে তেওঁ ক'লে- "ফুটপাথেই মোৰ ঘৰ দাদা।" তেওঁৰ কথাটো শুনিও এনে লাগিল যেন তেওঁ বহুত হতাশাত ভুগি আছে। সোধো-নোসোধোকৈ মই তেওঁক সুধিলো, "তুমি কেতিয়াৰ পৰা ..... ইয়াত ....... এনেকৈ??" মোৰ প্ৰশ্নৰ উত্তৰত তেওঁ কৈ গ'ল-

"আপোনালোকৰ দৰে মোৰ জীৱনটোও হাঁহি-ধেমালিৰে ভৰপূৰ আছিল। এজন উপযুক্ত স্বামী, মৰম লগা এজনী ছোৱালী, আমি তিনিজনেই ইজনে আনজনৰ পৰিয়াল আছিলো। কিন্তু ভগৱানে আমাৰ সুখী-জীৱনটো সহ্য কৰিব নোৱাৰিলে। সিদিনা আছিল ৩০ অক্টোবৰ। মোৰ ছোৱালীজনীৰ জন্মদিন। বহু আয়োজন কৰিছিলো তাইৰ জন্মদিনৰ বাবে। স্বামী আৰু মই তাইক বজাৰলৈ লৈ গৈছিলো। বজাৰ শেষ কৰি গাড়ীত উঠিবলৈ লৈছোহে মাত্ৰ, এটা বিকট্ শব্দ। এই শব্দৰ পিছত মই মোৰ ছোৱালীজনী আৰু স্বামীক বিচাৰি নাপালো। ভগৱানে কিয় মোক বচাই ৰাখিলে এনেদৰে পংগু কৰি?" কথাখিনি কৈ মহিলাজনীয়ে হুকহুকাই কান্দিব ধৰিলে। অলপ ধৈৰ্য ধৰি চকুপানী খিনি মচি তেওঁ আকৌ কৈ গ'ল - "টকা-পইচা অবিহনে মই ক'লৈ যাওঁ? টকা নহ'লেনো ঘৰৰ মালিকে ঘৰ ভাড়ালৈ দিব? সেই তেতিয়াৰে পৰা এইটো ফুটপাথৰ পৰা সেইটো ফুটপাথত দিন কটাইছোঁ। কেতিয়াবা ক'ৰবাত এমুঠি খাবলৈ পাওঁ, কেতিয়াবা পেটত খাদ্যৰ কণা এটাও নপৰে। চৰকাৰে দিয়া সাহাৰ্যৰে জানো গোটেই জীৱনটো চলিব পাৰি। এয়েই মোৰ দুৰ্ভগীয়া জীৱনৰ কাহিনী।

ইমান সময়ে মই একেথিৰে কথাবোৰ শুনি আছিলো। এনেতে বাছৰ হৰ্ণে মোৰ স্থিৰতা ভাঙিলে। কোন মুহূৰ্তত মোৰ গাল দুখন চকু পানীৰে তিতি উঠিল গমকে নাপালো। মানুহজনীক সান্ত্বনা দিবলৈ মোৰ শব্দৰ অভাৱ হ'ল। তেওঁৰ হাতত এশটকীয়া এখন গুজি দি তেওঁৰ পৰা বিদায় লৈ বাছত উঠিলোগৈ। বাছৰ ছিটত মূৰটো পেলাই মই শুনি অহা সেই কৰুণ কাহিনীটোৰ কথা ভাবিব ধৰিলো। লগে লগে মোৰ মনত পৰিল নৱম শ্ৰেণীত পঢ়ি অহা ত্ৰৈলোক্যনাথ গোস্বামীদেৱে লিখা "অঘৰী বতনী" নামৰ চুটি গল্পটোলৈ। হয়তো এনেকুৱা বহু বতনীয়ে আজি সহায়ৰ বাবে আৰ্তনাদ কৰিছে, যাৰ জীৱনৰ আঁৰত লুকাই আছে এনেকুৱা বহু মৰ্মস্পৰ্শী কাহিনী। কিন্তু আমিবোৰে কি কৰো? দেখিও নেদেখাৰ ভাও ধৰি গুছি যাওঁ। কিজানিবা আমাৰ বিলাসিতাত কিবা ক'লা দাগেই পৰে, আমাৰ 'Standard' নষ্ট হয় ইত্যাদি ইত্যাদি। চৰকাৰেও এই সকল লোকৰ পিনে চকু দিয়া উচিত। কিয়নো যেতিয়ালৈকে ৰাজপথৰ কাষে কাষে এই নাঙঠ ফকীৰসমূহ থাকিব তেতিয়ালৈকে আমাৰ দেশে কেতিয়াও উন্নতিৰ পোচাক পৰিধান কৰিব নোৱাৰিব।






# অপমান

পাৰ্থ প্ৰতীম চৌধুৰী
প্ৰাক্তন ছাত্ৰ (ইংৰাজী বিভাগ)



কুকুৰ কেইটাই
তাৰফালে নোচোৱাকৈয়ে
এবাৰ খুৰমা কেইটা আৰু
এবাৰ জেলেপী কেইটা
খালে। এটা কুকুৰে
তাতেই পেট
পেলাই বহি দিলে।

ৰাতিপুৱা দহ বজাতেই ওলালে সি। দৰমহাৰ টকাৰে কিবা অলপ কিনিবলৈ। এইবাৰ ইংৰাজীত অনাৰ্চ লৈ পাছ কৰিলে প্ৰথম বিভাগত। বিশ্ববিদ্যালয়ত নাম লগাব খুজিছিল যদিও আসন নাপালে। সেয়ে এইবাৰলৈ ক'তো পঢ়া নহ'ল। অহাবাৰ যদি নামভৰ্তি হয় তেতিয়া আকৌ পঢ়িব। ৰিজাল্ট দিয়া চাৰিমাহ মানেই হ'বৰ হ'ল। টিউচন দুটা গোটাই লৈছে। মাহত পোন্ধৰশ মান টকা আহে। সেইকেইটা পাওঁতেই মাহৰ পোন্ধৰ তাৰিখনমান পায়গৈ। তাকো আজিকালি এটাক নপঠায়। গতিকে বাকীথকা ফিজ কেইটা দিওঁতে কিমান দিন কৰে ঠিক নাই।

এইবাৰ দুৰ্গাপূজা দেৰিকৈ পৰিছে। মাহৰ আৰম্ভণিতে নপৰি ভালেই হ'ল, নহ'লে পূজা বুলি হাতত একো এটা নাথাকিলে হয়। সেয়েহে আজি পূজা মণ্ডপৰ কাষৰ লাইনবোৰলৈ গ'ল সি। জেলেপি কিনিব। গৰমে গৰমে। বহুৰৰ বেলেগ সময়তো জেলেপি পায় , কিন্তু দাম বেছি। কেতিয়াবা দুশ বিছ টকা বুলিও কয়। দুশ টকাত দিয়ে, চিনাকী বুলি। সি বহুদিনৰ পৰা জেলেপী খাম বুলি ৰাবি আছিল। দুখন বেছিকৈয়ে।

কথাবোৰ ভাবি ভাবি সি গৈ আছে। লোহাৰ গেটখন খুলি ওলাই গ'ল সি। বাইলেনটোত কেইবাটাও কুকুৰ। সি পাৰ হৈ যাওঁতে সিহঁতি নেজ জোকাৰি আছিল। তাৰ মুখত এটা ঈষৎ হাঁহি পাৰ হৈ গ'ল। পূজাত সকলো আনন্দতে থাকে।

জেলেপী দোকান কেইখনৰ সন্মুখত থিয় হৈ সি দেখিলে জেলেপীবোৰে পাক খাই খাই নিজকে তেলত বিসৰ্জন দি ডাঠ হালধীয়া হৈ আহিছে। জেলেপীবোৰ তেলত দিওঁতে সিহঁতে একেলগে আছিল শাৰী পাতি কলেজীয়া বন্ধুৰ দৰে। তাৰ পাছত বিচ্ছিন্ন হৈ টোপোলাত সোমালে। মানুহবোৰে দোকানবোৰৰ সন্মুখত ভিৰ কৰিছেহি। কিনাই কিনিছে। নিকিনাই আগবাঢ়ি গৈছে বেলেগত সস্তাত পাব বুলি। সি গ'ল এখন কম ভিৰ হোৱা দোকান লৈ। কি লাগে বুলি সুধিলত জেলেপীৰ দামকে সুধিলে। দাম দুশ টকা। কমাব নোৱাৰি বোলে। বজাৰত মালৰ অভাৱ। কৰবাত বোলে পানী হৈছে। ইমান দূৰলৈকে নাভাবি সি জেলেপীকে ল'লে। আধা কিলো। দোকানীয়ে খুৰমা অলপো লৈ যাব ক'লে। সি নালাগে বুলি ক'লে যদিও দোকানীয়ে চাৰিবাৰ মান কোৱাত কিনিলে আধাকিলো। পাঁচটা দীঘল আকৃতিৰ খুৰমা আৰু জেলেপী আঠখনৰ টোপোলাটো দি দোকানীয়ে দুশ টকা ল'লে।

টোপোলাটো হাতত লৈ আহি থাকোতেই গাড়ী এখন আহি আছিল ঠেক পথটোৰে। সি আঁতৰি দিলে যদিও গাড়ীখন সোঁ সোঁৱাই পাৰ হৈ যায় মানে টোপোলাটোৰ ওচৰত টোপোলাটো গাড়ীৰ গাত ঘঁহনি খাই অলপ আঁতৰত পৰিলগৈ। কুকুৰ কেইটাই টোপোলাটো লৈ দাঁতেৰে টনা টনি কৰিছে। একোবত কুকুৰ কেইটাই ভিৰ কৰিলেহি। সি গৈ ওচৰ পায় মানে কুকুৰ কেইটাই টোপোলাটো লৈ দাঁতেৰে টনা টনি কৰিছে। একোবত ওলাই আহিল। কুকুৰকেইটা আৰু তাৰ মাজত যেন তৰা আৰু নক্ষত্ৰ বাতৰি কাকতেৰে মেৰাই থোৱা খুৰমা আৰু জেলেপীবোৰ ওলাই আহিল। কুকুৰ কেইটাই তাৰফালে নোচোৱাকৈয়ে এবাৰ খুৰমা কেইটা আৰু এবাৰ জেলেপী চিটিকি পৰিল। সি আৰু বাধা নিদিলে। কুকুৰ কেইটাই তাৰফালে নোচোৱাকৈয়ে এবাৰ খুৰমা কেইটা আৰু এবাৰ জেলেপী কেইটা খালে। এটা কুকুৰে তাতেই পেট পেলাই বহি দিলে। সি লাহে লাহে আকৌ খোজ কাঢ়িব ধৰিলে। তেনেতে সি দূৰৰ পৰাই দেখা পালে তাৰ গা ধুই মেলি অহা ফিচিকা গামোচাখন ৰ'দত শুকাই বতাহত উৰি আছে। আকাশৰ মেঘবোৰলৈ চাই চাই গামোচাখনো উৰিবলৈ চেষ্টা কৰিছে।

# সাগৰিকাৰ প্ৰেম অনুভৱত জয়যুক্ত ক্ৰিকেট খেলখন

ৰবিতা ৰয়
প্ৰাক্তন ছাত্ৰী (ৰাজনীতি বিভাগ)



দূৰৰ পৰাই নিবিড়ে দেখিলে যে খেলিবলৈ লাহে লাহে ল'ৰাবোৰ গোট খাইছে। ঘড়ীটোলৈ চালে তাৰ কিজানিবা দেৰিয়েই হ'ল। নাই তিনি বাজি গৈছেহে। সিহঁতৰ কায পোৱাত পিকআপ অলপ কমাই নতুনকৈ কিনা Black CBZ খন ল'ৰাবোৰৰ কাষতেই ষ্টেণ্ড কৰি থলে।

ঃ "হেই নিবিড় পালাহি" - সমীৰে সুধিলে।

ঃ অ' পালোহি। পিছে খেল হ'বনে?" বেঞ্চখনত বহি নিবিড়ে প্ৰশ্ন কৰিলে।

ঃ হ'ব হ'ব। কিয় নহ'ব আকৌ। ৰ'বা ল'ৰাবোৰ আহিবই এতিয়া।" সি অলপ উৎসাহেৰে ক'লে।

বেঞ্চত বহি থাকোতে কাষতে বওৱি টিউশ্যনৰ দুই-এটা শব্দৰ টুকুৰা আহি কাণত পৰিলহি। চুটী হ'বৰ হ'ল চাগে। নিবিড়ৰ মনটো উৎকণ্ঠিত হৈ পৰিল কেতিয়া খেলখন হ'ব?

সঁচাকৈ আজি-কালি কিবা কাৰণত খেলিবলৈ আহিব নোৱাৰিলে মনটো অলপো ভাল নালাগে নিবিড়ৰ। নহ'লেনো হোষ্টেলৰ মজ-মস্তি এৰি খেলিবলৈ আহে নে সি? তাতে দুদিনৰ আগৰ পৰা আৰম্ভ হোৱা Junior and Senior Challenging Cup ৰ বাবে নিবিড়ৰো উৎসুকতা আগতকৈ অলপ বেছি হ'ল।

ঃ "কি হ'ল নিবিড়, কি ভাবিছা? নেখেলা নেকি!" অনুৰাগে হঠাৎ কোৱা কথাষাৰতহে তাৰ ভাৱত যতি পৰিল।

লাহে লাহে ল'ৰাবোৰ আহি গোট খালেহি।

ঃ "নিবিড়, ধনদীপ্তৰ পৰা বেট দুখন লৈ তাকো লগতে লৈ আহিবা। Captain হৈও অলপো Sincerness নাই তাৰ।" অৰিজিতে তাৰ ক্ষোভখিনি উজাৰি কোৱা দেখি হাঁহি উঠি গ'ল নিবিড়ৰ। অনিচ্ছা স্বত্বেও যাবলৈ উঠিলে সি। উদীপ্তৰ ঘৰ ফিল্ডখনৰ পৰা প্ৰায় ৫ মিটাৰ মানত। কলেজত দুয়োটা একেলগে পঢ়ে। সিহঁত দুয়োৰে Friendship কলেজৰ বাহিৰেও অন্য ঠাইতো বহুতৰে ঈৰ্ষাৰ বিষয়।

ঃ "উদীপ্ত, অ' উদীপ্ত ....." দুৱাৰখন ঠেলি সি একপ্ৰকাৰ চিঞৰিব ধৰিলে।

ঃ "অই ইমানকৈ টেটুফালা চিঞৰ কেলেই মাৰিছ দেখা নাই নেকি কি কৰি আছো।"

ৰুমত সোমায়ে নিবিড়ে দেখিলে যে সি বেটাই বিচনাত তলমূৰকৈ শুই এই মাহৰ বিস্ময়খন পঢ়ি আছে। দেখিয়েই মূৰ গৰম হৈ গ'ল নিবিড়ৰ।

ঃ "অই গৰু, Field ত লগৰবোৰৰ চিঞৰ-বাখৰ যে আমাৰ কেপ্টেইন মহাশয় ক'ত? আৰু গাধ তই ইয়াত শুই শুই বিস্ময় পঢ়ি আছ। এইখন নপঢ়িলেও হ'ব। তইয়ে এটা মস্ত বিস্ময়।"

খঙত বকি বকি তাৰ হাতৰ পৰা বিস্ময়খন লৈ টেবুললৈ দলি মাৰি দিলে নিবিড়ে।

ঃ "তই কেলেই দলিয়ালি? ৰঞ্জিত চাৰিভিয়াৰ ইমান ধুনীয়া উপন্যাস এখন পঢ়ি আছিলো। প্ৰেমৰ উপন্যাস ভাই।" সি শুই থকাৰ পৰা কথাখিনি কৈ বহি পৰিল।

ঃ "হ'ব, হ'ব যা। এতিয়া সোনকালে ওলাগৈ, এনেয়ে দেৰি হৈছে।" তাক প্ৰায় ঠেলি নি ৰুমটোৰ পৰা বাহিৰ কৰিলে সি। এনেও তাৰ প্ৰেমৰ বক্তৃতাবোৰ বেছিয়েই দীঘল।

> ৰুমালখন দেখাৰ লগে লগেই মনত পৰিলে যে সেইখন অথনি সাগৰিকাই দিয়া ৰুমালখন। লগে লগে নাকত এটা মিঠা সুবাস লাগিল।

ঃ "অই উপন্যাসখন তোক দিম পঢ়িবি। বাহঃ কি প্ৰেম কাহিনী। একদম নিজকে কাহিনীটোৰ হিৰ' যেন লাগি যায়। আৰু নায়িকাজনী পৰী।" চকু মুদি পৰী দেখাৰ দৰেই কৈ গ'ল উদীপ্তই।

ঃ "অই তই কেতিয়াবা দেখিছ নে?"

ঃ "কি?"

ঃ "পৰী"

ঃ "নাই দেখা। কেলেই?"

ঃ "নহয় তই যে কলি পৰীৰ দৰে বুলি।"

ঃ "এহ ভাবি ল আৰু" সি নিবিড়ৰ মুখলৈ চাই দুষ্টালি হাঁহি এটা মাৰি ক'লে।

ফিল্ড পাওঁ পাওঁ হৈছিলহে। এনেতে সিহঁতৰ পৰা অলপ দূৰত ছোৱালী এজনীয়ে তাইৰ চাইকেলখন ৰখাই পৰি যোৱা চেইনডাল তোলাত ব্যস্ত হৈ আছিল।

ঃ "অই বৈ দিলি যে" - নিবিড়ে যাবলৈ বাদ দি বৈ যোৱা দেখি উদীপ্তই আচৰিত হৈ সুধিলে।

ঃ "অই উদীপ্ত আহছোন ছোৱালীজনীৰ কি Problem হৈছে চাই দিওঁ - বেচেৰীজনীয়ে বৰ কষ্ট পাইছে জাননে?" তাইলৈ চাই থাকিয়ে নিবিড়ে ক'লে।

ঃ "নাই ছোৱালীজনীৰ একো Problem হোৱা নাই। হৈছে যদিও তাই নিজে Solve কৰিব। আমাৰ দেৰি হৈছে। আহ।" - এই বুলি কৈ সি যাবলৈ ধৰিলে।

সি গ'লগৈ যদিও নিবিড়ে লাহে লাহে তাইৰ কাষলৈ আগুৱাই গ'ল।

ঃ Excuse me! Any problem ... may I help you? নিবিড়ে সুধিলে।

তাই মূৰ তুলি তাৰ ফালে চাই অলপ অপ্ৰস্তুত হৈ পৰিল। হয়তো নিবিড়ৰ উপস্থিতি তাইৰ বাবে অকল্পনীয় আছিল।

ঃ "নাই মানে চেইনডাল পৰিল।" কওঁ নকওঁকৈ মিঠা হাঁহি এটা মাৰি ক'লে। তাইক প্ৰথমবাৰৰ বাবে ভালকৈ চালে সি। এযোৰ হালধীয়া চেলোৱাৰ পৰিহিত বগাকৈ এজনী মৰম লগা ছোৱালী। দেখিয়েই কিবা এটা ভাল লাগি গ'ল তাৰ।

সি চেইনডাল তোলাত লাগিল। পাঁচ মিনিটমান যুঁজাৰ পিছত চেইনডাল তোলা হৈ গ'ল।

ঃ "এয়া লোৱা হৈ গ'ল" - এই বুলি কৈ হাতত লাগি থকা গ্ৰীজবোৰ ক'ত মোহাৰে সি ভাবিবলৈ ধৰিলে।

ঃ "এইখন লওঁক।" তাই তাৰ মনৰ কথা বুজিব পাৰি ৰুমালখন আগবঢ়াই দিলে।

অনিচ্ছাস্বত্বেও ৰুমালখন ললে যদিও ৰুমালখন আৰু লেতেৰা কৰিব মন নগ'ল তাৰ।

"Thanks। যাও আকৌ লগ পাম।" বুলি কৈ হাঁহি এটা মাৰি গুচি গ'ল তাই।

ঃ অই! এতিয়া আহ আৰু বৈ থাকি লাভ নাই। তাই আকৌ চেইনডাল পেলাই ঘূৰি নাহে।" উদীপ্তই দূৰৰ পৰাই চিঞৰিলে। তাৰ মাততহে যেন সি সম্ভিত ঘূৰাই পালে।

ইতিমধ্যে গোটেইবোৰে ঘটনাটোৰ গুজৱ (আলোচনা) আৰম্ভ হৈছিল।

ঃ "হেৰা নিবিড়, কি কথাহে তুমি দেখিছো চাইকেলৰ চেইন বৰ মৰমেৰে তোলা।" জিতু দাই কটা মাৰি ক'লে।

তেওঁৰ কথাত আটাইমখাই গিজনি মাৰি হাঁহিব ধৰিলে।

টছ হৈ গ'ল। প্ৰথমে ছিনিয়ৰ টিমে বেটিং পালে। খেলখন ১২ অভাৰৰ। ছিনিয়ৰ টিম্‌টো যথেষ্ট Strong। ভাল বেটিং তথা ভাল বলিং লাইন আছে। গতিকে খেলখন জিকাটো তেওঁলোকৰ বাবে সহজ নহয়।

নিৰ্দিষ্ট সময়ত ছিনিয়ৰ টিমৰ দুয়োজনে অপেনাৰ আহি ক্ৰিজত বেটিং ল'লেহি। লাহে লাহে ৰাণৰ সংখ্যা বাঢ়ি গ'ল। সময়ৰ লগে লগে দীপক নামৰ বেট্‌ছমেনজন দুৰ্দান্ত হৈ পৰিল।

সকলোৰে মুখত চিন্তাৰ ৰেখা ফুটি উঠিল। কিন্তু কিয় জানো নিবিড়ে খেলত অকনো মন বহুৱাব পৰা নাছিল। বাৰে বাৰে তাৰ মনটোৱে কিবা এটা বিচাৰি যেন উদাসীন হৈ পৰিছিল।

ঃ নিবিড় Caught it"

কিন্তু বহুত দেৰি হৈ গ'ল। দীপকদাৰ এটা সহজ কেট্‌ছ সি dropped কৰিলে।

দৰাচলতে কথাবোৰ ভাবি থাকোতে বলটোনো কেতিয়া তাৰ ফালে আহিল সি গমকে নাপালে।

ঃ "অই নিবিড় কি হ'ল? Please ভালকৈ খেলনা" -উদীপ্তই গাত ধৰি তাক ক'লে।

এবা সি নিজেও গম পাইছে যে কিমান এটা গুৰুত্বপূৰ্ণ কেট্‌ছ সি পেলাই দিলে। দীপকদাই তেওঁলোকৰ একমাত্ৰ বেট্‌ছমেন আছিল। নিজৰ ওপৰতে খং উঠি গ'ল তাৰ।

ইতিমধ্যে প্ৰথমটো ইনিংছ শেষ হৈ গ'ল ছিনিয়ৰ টিমে ১২ অভাৰত ৫ টা উইকেট হেৰুৱাই ৯৪ ৰাণ কৰিলে। হয়তো দীপকদাৰ caught টো ধৰা হ'লে ইমান ৰাণ নহ'লহেঁতেন। এইবোৰ ভাবি ভাবি লাহে লাহে উদীপ্তৰ ওচৰ পালেহি। সি তেতিয়া Batting order list কৰাই কোনে কি দৰে খেলিব তাকে বুজাই আছিল। তাক দেখি উদীপ্তই তালৈ চালে।

ঃ আটাইছো তোমালোকে মই কোৱাৰ দৰে খেলিবা, ok" সিহঁতক কথাষাৰ কৈ সি লাহেকৈ নিবিড়ৰ কায পালেহি।

ঃ উদীপ্ত, I am extremely sorry, মোক মাফ্ কৰি দিবি।" দোষী দোষী ভাবেৰে তাক ক'লে।

ঃ "গৰু sorry ক'ব আহিছ, কি হৈছিল তোৰ?"

ঃ "নাজানো কি হ'ল?"

ঃ "সাগৰীকাৰ প্ৰেমত পৰিছ?"

ঃ "সাগৰিকা, ৰাতিপুৱা চেইন তুলি দিয়া ছোৱালী জনী আকৌ।"

ঃ "সাগৰিকা, নাজানো এইবোৰক প্ৰেম কয় নেকি?"

ঃ "Yes, this is the magic of love এয়াই ভাল পোৱা। পিছে এইখিনি সময়ত cricket ৰ লগত প্ৰেমৰ সম্পৰ্ক গঢ়ি লোৱা - বুলি সি তাক টানি লৈ গ'ল।

ইতিমধ্যে Senior team fielding ত সোমোৱাত অবিজিত আৰু অনুৰাগ বেটিঙত নামিল। অবিজিতৰ ওপৰত টিমটোৰ আশা অলপ বেছি। সি সদায় সকলোৰে আশা কৰাৰ দৰেই খেলি আহিছে।

প্ৰথম অভাৰ ঠিকেই গ'ল। ১ অভাৰত ৪ ৰাণ। কিন্তু ই কি? দ্বিতীয় অভাৰত সৌৰভদাৰ এটা বিষাক্ত য়ৰ্কাৰত অবিজিত বিধস্ত হৈ গ'ল।

"অই বাহুল যা।" বাহুলৰ ফালে চাই সি ক'লে। উদীপ্ত তেতিয়াও তলমূৰ কৰি বহি আছিল।

অই উদীপ্ত ইমানকৈ টেন্‌ছন্ লৈছ কিয়? চাই থাক জিকিম আমি।

লাহে লাহে বাহুল অৰু অনুৰাগে ৰাণৰ সংখ্যা বঢ়াই যাবলৈ ধৰিলে। সকলোৰে মুখবোৰ পুনৰবাৰ জিলিকি উঠিল। অনুৰাগে কেইবাটাও নান্দনিক squore drive মাৰিলে। বাহুলেও তাক সম্পূৰ্ণ সহযোগিতা আগবঢ়াই গ'ল। কিন্তু হঠাৎ জ্যোতিদাৰ একেটা অভাৰতে দুয়োটা আউট হৈ গ'ল। তাৰ পাছৰ পৰা আৰু কোনো বেট্‌ছমেনেই গৈ ক্ৰিজত থিতাপি ল'ব নোৱাৰিলে।

৬ অভাৰৰ সমাপ্তিত সিহঁতৰ স্কৰ হ'ল ৬ উইকেট ৩৮ ৰাণ। টিমৰ সকলোৰে মুখবোৰ বিবৰ্ণ। কিন্তু নিবড়ে যেন সেই সময়ত বিচাৰিছিল সাগৰিকাৰ সান্নিধ্য।

ঃ "অই নিবিড় কি ভাবি আছ।" উদীপ্তই গাত ধৰি জোকাৰি দিয়াতহে তাৰ সম্বিত আহিল। ফিল্ডলৈ চাই দেখে শৰৎ আউট্ হৈ আহি আছে। বেটখন লৈ যাবলৈ সাজু হ'ল সি।

ঃ "অই তোৰ ওপৰতে আমাৰ আশা। জিকাই থৈ আহিবি।" উদীপ্তই কন্দামুৰা হৈ ক'লে।

ঃ তই মোৰ ওপৰত বিশ্বাস ৰাখ জিকিম আমি।"

তাৰ গাত হাত থৈ নিবিড় ক্ৰিজলৈ আগবাঢ়িল।

উদীপ্তৰ মুখখন দেখি মনটো বেয়া লাগি আহিল তাৰ। সঁচাই সি বহুত কষ্ট কৰিছে। খেলখনৰ বাবে।

জ্যোতিদায়ো নিৰ্দিষ্ট ৰাণৰ আগত আহি বল দিলে। প্ৰথমটোৱে এটা দুৰন্ত য়ৰ্ক কোনোমতে বচালে সি।

ঃ অই নিবিড় চাই খেল। ভৰি ভাগিব।"

চিন্ময় দাই দুষ্টালি হাঁহি এটা মাৰি ক'লে। টিমৰ সকলোৰে দৃষ্টিত সি এক বেট্‌ছমেন। আগতেও এনে বহুত খেল জিকাইছে সি। সেয়ে প্ৰত্যেকৰে ভৰসা তাৰ ওপৰত।

"কিন্তু! কিন্তু আজি এয়া কি হৈছে। এটা শ্বটো লব পৰা নাই যে?" জেপৰ পৰা ৰুমালখন উলিয়াই মুখখন মচি ললে সি। ৰুমালখন দেখাৰ লগে লগেই মনত পৰিলে যে সেইখন অথনি সাগৰিকাই দিয়া ৰুমালখন। লগে লগে নাকত এটা মিঠা সুবাস লাগিল।

এইবাৰ মনত এক অফুৰন্ত শক্তিৰ সঞ্চাৰ হোৱা যেন লাগিল তাৰ। আৰু তাৰ পিছৰে পৰা যেন তাৰ বেটখন ৰাণ ক্ষুধাতুৰ হৈ পৰিল। য'ৰ পৰা কোনো এজন বলাৰেও নিস্তাৰ নাপালে। কেইবাটাও বল অভাৰ বাউণ্ডেৰী পাৰ কৰিলে। ১০ অভাৰত দলীয় স্কৰ হ'ল ৮০ ৰাণ। য'ত নিবিড়ৰ অৱদান ৪০ ৰাণ। এতিয়া ২ অভাৰত সিহঁতক জয়ৰ বাবে প্ৰয়োজন ১৫ ৰাণৰ।

ঃ "Come on Neebir, জিকাবি" - উদীপ্তই চিঞৰিলে। একাদশ অভাৰত কেৱল ৫ ৰাণহে আহিল। এতিয়া অন্তিম অভাৰত সিহঁতক জয়ৰ বাবে প্ৰয়োজন ১০ ৰাণৰ। সৌৰভদাৰ অন্তিম অভাৰটো প্ৰথম বলটো বাউণ্ডাৰ হুক কৰি দিলে। পিছে ১ ৰাণহে পালে। পিছৰ বলটো অংশুৱে লং অফলৈ অলপ ফাইন খেলিলে। ২ ৰাণ পাই গ'ল। তৃতীয় বলটোত সি বল্ড হৈ গ'ল।

ঃ "নিবিড় জিকাবা। মই নোৱাৰিলো।"

এইবাৰ টিমটোলৈ চালে সি। সকলোৰে দৃষ্টি তাৰ ওপৰতে নিবদ্ধ।

এইবাৰ গীতু আহিল। "ঐ গীতু যেনেতেনে এক ৰাণ কৰি মোক ষ্ট্ৰাইকটো দিয়া" - কাষলৈ গৈ নিবিড়ে কোৱাত মূৰ দুপিয়ালে সি।"

সৌৰভদাৰ চতুৰ্থ বলটো গীতাথই লাহেকৈ থাৰ্ড ফিল্ড খেলিলে। এক ৰাণ পাই গ'ল আৰু লাগে ২ বলত ৬ ৰাণ। সৌৰভদাৰ পঞ্চম বলটোত সজোৰে এটা শ্বট ললে। কিন্তু আম্পায়াৰে 'Not out' ঘোষণা কৰিলে।

এতিয়া ১ বলত লাগে ৬ ৰাণ। ফিল্ডত কাৰো মাত নাই। ছিনিয়ৰ সকলে নিজৰ মাজতে আলোচনা কৰাত লাগিল। সকলোৰে মনত চৰম উৎকণ্ঠা। অজানিতে চাওঁতে হঠাৎ এঠাইত তাৰ দৃষ্টি নিবদ্ধ হৈ পৰিল।

সি দেখিলে যে অলপ দূৰত সাগৰিকাই লগৰ দুগৰাকী মানৰ সৈতে সিহঁতৰ খেল উপভোগ কৰি আছে। চকুৰে চকুৰে পৰাত তাই তালৈ হাঁহি এটা মাৰি All the best এটা যাচিলে। তাইৰ সেই হাঁহিটোৱে তাৰ সকলো আশংকা নিমিষতে কৰ্পূৰৰ দৰে উৰাই লৈ গ'ল। এতিয়া সি কৰিব নোৱাৰা কাম একো নাই।

খেলৰ অন্তিম বলটো দিবলৈ সৌৰভদা উদ্যত হ'ল। সিয়ো বেটখনৰ সৈতে পজিশ্যন ললে। সৌৰভদাই ৰাণ আপত আহি বলটো কৰাৰ লগে লগে stamp out কৰি সজোৰে ফিড অনলৈ এটা শ্বত ললে। বলটো শূণ্যলৈ উঠি গ'ল। দীপকদাই খেদি গ'ল বলটোক। সকলো নিমাত। দৃষ্টি বলত। সকলো উৎকণ্ঠিত হৈ পৰিল। দৃষ্টি কেৱল শূণ্যত। কিন্তু বলটো ইতিমধ্যে সীমাৰেখা পাৰ হৈ গ'ল। আৰু টিমৰ সকলোৰে আহি ইতিমধ্যে তাক দাঙি ধৰিছিল।

লাহেকৈ ঘূৰি সি সাগৰিকালৈ চালে। তাই তালৈ চাই ক্লেপ কৰি আছিল। অজানিতে সিয়ো হাঁহিলে। মনতে ভাবিলে এই জয় মাথো তোমাৰ বাবেই।

"পৃথিৱীত য'ত শোক-দুখ সকলো প্ৰেমৰ পৰাই আহে। ঘন-মোহনীয় সেউজীয়া বিষাক্ত লতাই যেনেকৈ শাল গছক আগুৰি ধৰে। লোভৰ পৰাই সুখ বাসনাৰ উদ্ৰেক হয়, আৰু দুখৰ পৰাই উদয় হয় ভয়।"

— বুদ্ধদেৱ

# নিৰৱ সংগী

হিমাঙ্গী গোস্বামী
উচ্চতৰ মাধ্যমিক, প্ৰথম বৰ্ষ (কলা শাখা)



**ৰা**তি ভাত-পানী খাই অতি কষ্ট কৰি নিহাৰে তাইৰ কণমানী ছোৱালী লোভাক টোপনী নিয়াই শুৱাই থৈ আঠুৱাখন বাহিৰৰ পৰা লাহেকৈ খুচি দিলে। এইবাৰ ভালদৰে থিয় হৈ তাই ক্ষন্তেক সময়ৰ বাবে নেটৰ আঠুৱাৰ বাহিৰৰ পৰা ভালকৈ চালে টোপনীত লাল কাল হৈ থকা বিৰিখৰ ফালে। কাষতে হাত ভৰি মেলি নিচিন্ত ভাবে শুই থকা লোভাৰ ফালেও।

এখোজ-দুখোজ কৰি তাই আগুৱাই গ'ল বেডৰুমৰ কাষত থকা বেলকনিখনলৈ আৰু তাত থকা চকিখনত অলস হৈ বহি পৰিল। এইখিনি তাইৰ নিজা সময়, অন্ততঃ লোভা বা বিৰিখে সাৰ নোপোৱালৈকে। এইবাৰ নিহাৰে কাষৰ ৰুমটোলৈ লক্ষ্য কৰিলে নাই একো সাৰ শব্দ নাই, নিশ্চয় শাহুৱেক টোপনী গৈছে।

শেষত তোমাৰ শান্তিৰ
বাবে তোমাৰ
চিৰকাম্য তীৰ্থযাত্ৰী বা বৃদ্ধ
আশ্ৰমৰ ব্যৱস্থা কৰিবৰ বাবে
চেষ্টা
কৰিম, কিন্তু ভুলতো
মই মোৰ ওচৰলে তোমাক
লৈ নানো।

নিশাও ভালেমান হৈছে। নিস্তব্দতাই বিৰাজ কৰিছে চৌ কাষ। তলত দেখা পোৱা ৰাস্তাটো এডাল মৰা সাপৰ দৰে নিশ্চল ভাবে পৰি আছে। দিনৰ ব্যস্ততা ভৰা জনতাৰ পদাঘাতত ভাগৰুৱা হৈ পৰি আছে।

নিহাৰে আৰামী চকিখনত নিজৰ গাটো ভালদৰে এৰি দি আউজী বহি পৰিল। চাই ৰ'ল দূৰ আকাশত জিলিকি থকা ভৰি উঠা জোনটোৰ মুখলৈ, হয়তো দুই এদিনতে পূৰ্ণিমা হ'ব, জোনটোও সম্পূৰ্ণ হৈ উঠিব আৰু স্পষ্ট হৈ পৰিব তাৰ গাত থকা ক'লা চিনবোৰৰ। নিহাৰৰ চিন্তাৰ গতি সলনি হ'ল মনত পৰিল বহুত দূৰত এৰি থৈ অহা তাইৰ ঘৰখনলৈ। ঘৰলৈ মনত পৰাৰ লগে লগে তাইৰ মাকৰ মুখখনে বৰকৈ আমনি কৰিব ধৰিলে-

নিহাৰে ভাবি গ'ল এফালৰ পৰা তাইৰ মাকৰ কথা। 'মা'তো কম ধুনীয়া নাছিল। মোৰ মনত পৰা দিনৰে পৰা মাৰ মুখখন এই জোনটোৰ দৰেই ধুনীয়া আছিল আৰু মাৰ ব্যৱহাৰ আছিল জোনৰ পোহৰৰ দৰেই নিৰ্মল। চিন্তাশীল গাম্ভীৰ্যতাৰে পৰিপূৰ্ণ মুখ। সুশৃংখল জীৱনৰ গতিধাৰাৰ আৰ্হি, অপৰিসীম ত্যাগ, মাৰ চাৰিত্ৰিক প্ৰতিক্ৰিয়াত এতিয়াও ভাবিলে মোৰ মূৰ দো-খাই যায়। নিহাৰে মনতে বোৰ-বোৰাই উঠিল মা, তোমাক লগ পাবলৈ বৰকৈ মন গৈছে অ' আৰু হেঁপাহ পলুৱাই কথা পাতিবলৈ। জানা মা- আজি কালি মই বৰ ব্যস্ত মোৰ সময় নাই, মই যে তোমাক অকণমান সময়ো দিব নোৱাৰো। তুমি মোৰ পৰা একোৱে বিছৰা নাই, কিন্তু যিতো বিছ্বাবিছ্ব তাকো দিবলৈ মই অপৰাগ।

জানা মা আজিকালি লোভা বৰ দুষ্ট হৈছে। মই যে তাইক অলপো সামৰিব নোৱাৰা হৈছো। তাই বৰ মৰম আকলুৱা আৰু অভিমানী। অভিমান ভাঙি ভাঙি কেতিয়াবা মই অতিষ্ঠ হৈ পৰো। কিন্তু জানা মা ই বিৰিখ যে তাইৰ বাবে কেতিয়াও ভাগৰুৱা হৈ নপৰে, সি তাইৰ বাবে সকলোবোৰ সময় উছৰ্গা কৰিব পাৰে, লাহে লাহে বেছিকৈ আকৃষ্ট হৈ পৰিছে। আজি-কালি লোভাৰ ওচৰত মোৰ প্ৰয়োজন আহাৰ আৰু টোপনীৰ বাবে সীমাবদ্ধ।

কেতিয়াবা বৰ বেয়া লাগে জানা মা, তোমাক বাদ দি মোৰ একো কামেই হোৱা নাছিল। তোমাৰ পৰা আঁতৰ কৰাৰ বুদ্ধিৰে তুমিও হয়তো এদিন মোক পঠাই দিলা বহু দূৰলৈ। তেতিয়া তুমি জনা নাছিলা যে তোমাৰ মৰমৰ সেই নিহাৰজনী এদিন তোমাৰ পৰা সঁচাই আঁতৰি যাব। তোমাৰ কাষৰ পৰা আঁতৰি আহি মই বৰ অকলশৰীয়া হৈ পৰিলো। সেই সময়ত বিৰিখে মোক বহুত সহায় কৰিলে। তোমাৰ অভাৱ অনুভৱ কৰিব নোৱাৰাকৈ ৰাখিলে। লাহে লাহে মই বিৰিখক ভাল পাবলৈ ধৰিলো তেতিয়া তোমাৰ মৰমতকৈ বিৰিখৰ মৰম বহুত ওপৰত থাকিল। বিৰিখক তোমাৰ পছন্দ হোৱা নাছিল। সেয়ে তুমি বহু চেষ্টা কৰিলা মোক বিৰিখৰ পৰা আঁতৰ কৰিবলৈ কিন্তু তুমি হাৰি গ'লা মোৰ আৰু বিৰিখৰ ওচৰত।

আমাৰ বিয়াও হৈ গ'ল কিন্তু থিক হৈ নগ'ল তোমাৰ আৰু বিৰিখৰ সম্পৰ্ক। বিৰিখে সহজ ভাবে লব নোৱাৰে তোমাক, খোজে প্ৰতি যুক্তিবান ই বৰ সহজ নহয়, কিন্তু কি কৰিম মই যেতিয়া বুজি পাইছিলো তেতিয়া বহুত দেৰি হৈ গ'ল।

এতিয়া হয়তো তুমি চেষ্টা কৰিছা বিৰিখক আকোৱালি ল'বলৈ মই ভাবো, লোভাৰ বাবে; কিন্তু সি কচু পাতৰ পানীৰ দৰে সৰি পৰে। মই বৰ দুখি অনুভৱ কৰো বিৰিখৰ কিছুমান কথা মই একেবাৰে সহ্য কৰিব নাৱাৰো, সি মোক বৰ ইতিকিং কৰিব পাৰে কথাই প্ৰতি, মোক বাদ দি জীৱনৰ বাকী দিন পাৰ কৰিব পাৰে, মই নহ'লেও সি একো অভাৱ অনুভৱ নকৰে তাৰ জীৱনত মোৰ একোৰেই প্ৰয়োজন নাই বুলি ক'ব পাৰে যদি তাৰ খং উঠে। কিন্তু কি জানা মা, সি আগতে তেনেকুৱা নাছিল, মোৰ বাবে সি পৃথিৱীৰ সকলো অসাধ্য সাধন কৰিবলৈও প্ৰস্তুত আছিল। এতিয়া দেখোন বিয়াৰ আগতে তুমি মোক কোৱা সকলোবোৰ কথাই সঁচাৰ ৰূপ ললে। এতিয়া ভাবি কি লাভ?

মইতো পকা ধানৰ মাজেৰেই খোজ দিব লাগিব। তোমাক যেতিয়া ওচৰত পাম আৰু বহুত কথা ক'ব লগা আছে। আমি গোটেই ৰাতি উজাগৰে থাকি কথা পাতিম দেই।

মা, জোনটোত দেখা সেই তুলসীৰ দৰে দাগবোৰ বৰ্তমান তোমাৰ মুখখনতো মই দেখিবলৈ পাওঁ। তোমাৰ জীৱনতোও কম লটিঘটি নহয়? তুমি যে কেনেদৰে পাৰ কৰিলা ভাবি নাপাও। বহু কষ্টৰ মাজেৰে আমাক ডাঙৰ কৰিলা কিন্তু বিনিময়ত আমি একোকে দিব নোৱাৰিলো। শেষত তোমাৰ শান্তিৰ বাবে তোমাৰ চিৰকাম্য তীৰ্থ যাত্ৰী বা বৃদ্ধ আশ্ৰমৰ ব্যৱস্থা কৰিবৰ বাবে চেষ্টা কৰিম, কিন্তু ভুলতো মই মোৰ ওচৰলে তোমাক লৈ নানো। তোমাৰ আত্মসন্মান আৰু স্বভিমান ৰক্ষা কৰিবলৈ যিমান পাৰো চেষ্টা কৰিম। তেতিয়া হয়তো কিছু পৰিমানে জন্ম দিয়াৰ ধাৰ পৰিশোধ কৰিব পাৰিম। মোৰ এই সিদ্ধান্তত সকলোৱে বাধা দিব, হ'লেও মই আগুৱাই যাম অন্ততঃ তোমাৰ শেষৰ দিনকেইটা তুমি বিছৰা দৰে পাৰ কৰিব পাৰা। তোমাৰ ওচৰত মই দুৰ্যোধন নহয় অৰ্জুন হৈ জীয়াই থাকিব বিচাৰো। মাথো তুমি মোক আশীৰ্বাদ কৰা।

মা, ইমানবোৰ কথা মই তোমাক অকলেই কৈ গ'লো, তুমি মাথো দূৰৰ পৰা চাই ৰলা। বাস্তৱ সত্যৰ দৰেই। মোক বিৰিখে মাতিছে নিশ্চয় লোভা সাৰ পাইছে, তাই গাখীৰ খাব। মইও গালি শুনিব লাগিব, ইমান দেৰি অকলশৰে বেলকনিত বহি থকা গম পালে। সেইয়া ৰাতি ৩ টা বজাৰ সংকেত দিছে বেৰৰ ঘড়ীটোৱে। তুমিও লোকৰ, ধাৰ কৰা পোহৰত উজ্বল হোৱা নিৰ্মল জোনটোৰ দৰেই নিৰবে উজ্বলি থাকা অকলশৰে।

নিহাৰ পোন হৈ থিয় দিলে আৰু এখোজ দুখোজ কৰি আগবাঢ়ি গ'ল তাইৰ শোৱনি কোঠাৰ ফালে।

> *"হাতীক হাতেৰে বগৰাই দিব নোৱাৰি। অসমীয়া জাতি বাৰিষাৰ চলত উটি নাযায়।"*
> — ৰঘুনাথ চৌধাৰী

# গাঁওৰ পৰা চহৰলৈ

জ্যোতিস্মিতা বড়ো
প্ৰথম ষান্মাসিক (বুৰঞ্জী)



এখন গাঁওত এটা অতি দুখীয়া খেতিয়কৰ পৰিয়াল বাস কৰিছিল। খেতিয়কজনে এঘৰ ধনী ঘৰৰ মাটিত হাল বাই মাটি চহ কৰি খেতি কৰিছিল। তেওঁ তেনেকৈয়ে পৰিয়ালক পোহ-পাল কৰিছিল। খেতিয়কজনৰ দুজন সন্তান আছিল। তেওঁৰ সন্তান দুজন লাহে লাহে ডাঙৰ হৈ আহিল। তেওঁৰ সপোন আছিল পুত্ৰ দুজন পঢ়ি শুনি ডাঙৰ মানুহ হ'ক যাতে তেওঁলোকে গাঁওখন উন্নতি কৰিব পাৰে। সেই বাবে তেওঁ পুত্ৰ দুজনক চহৰলৈ পঠিয়াবলৈ সিদ্ধান্ত ললে। সেই মতেই তেওঁ ঘৰৰ, মাটি গাঁওবুঢ়াৰ ওচৰত বন্ধকত দি পোৱা পইছাৰে দুয়োজনকে চহৰত পঢ়িবলৈ পঠিয়ায় দিলে। দুয়োজন ল'ৰাই পঢ়াত বৰ চোকা আছিল। তেওঁলোকে চহৰৰ এখন কলেজত নাম ভৰ্তি কৰিলে আৰু দুয়োজনে ভাড়াঘৰ এটা ঠিক কৰি তাত থাকিবলৈ ললে। এনেকৈয়ে দিনবোৰ পাৰ হ'ল।

খেতিয়জনে দিনৰ দিনটো হাজিৰা কৰে আৰু হাজিৰা কৰি পোৱা পইছাখিনি চহৰতথকা পুতেক দুজনলৈ পঠিয়াই দিয়ে। কিন্তু পুত্ৰ দুজনে তেওঁৰ কষ্টৰ মূল্য বুজিব নোৱাৰিলে। সিহঁত দুজনে কলেজৰ বন্ধুসকলৰ লগত অনাই-বনাই ঘূৰিবলৈ আৰম্ভ কৰিলে। কলেজত class নকৰি বন্ধুসকলৰ লগত চিনেমা চাব যোৱা আৰম্ভ কৰিলে। দিন-ৰাতি বন্ধুসকলৰ লগত ঘূৰি মাদক দ্ৰব্য সেৱন কৰিব ধৰিলে। এই ফালে গাঁওবুঢ়াই খেতিয়কৰ ঘৰ-মাটি খিনি নিজৰ নামত কৰি ল'বলৈ চেষ্টা কৰিলে। সিহঁতৰ পইচা শেষ হৈ আহিলে আৰু দেউতাকক পইচা লাগে- ঘৰভাড়াত দিব লাগে বুলি চিঠি লিখি পঠিয়াই। কিন্তু দেউতাকে পইচা দিব নোৱাৰিলে। সিহঁতৰ স্বভাববোৰো সলনি হৈ পৰিল।

কলেজত সিহঁতৰ পৰীক্ষাবোৰো ভাল নহ'ল। সিহঁতে গাঁৱলৈ গুচি আহিল। তেওঁলোকৰ পিতৃয়ে তেওঁলোকক বৰ আশাৰে বাট চাই আছিল। তেওঁ ভাবিছিল যে মোৰ পুত্ৰ দুজনে পৰীক্ষা ভাল কৰি গাঁৱলৈ আহিছে। এতিয়া মোৰ পুত্ৰ দুজনে ভাল চাকৰী কৰি গাঁওবুঢ়াৰ পৰা ঘৰ-মাটি মুকলাব পাৰিব। কিন্তু তেওঁৰ আশা, আশা হৈয়ে থাকিল। পুত্ৰ দুজনে দেউতাকৰ কষ্টৰ মূল্য আনিব নোৱাৰিলে। তেতিয়া দেউতাকে পুত্ৰ দুজনৰ দুৰ্দশা সহিব নোৱাৰি তেওঁৰ সপোন বাস্তৱ নোহোৱাত থিতাতে মাটিত পৰি গ'ল আৰু চিৰ দিনলৈ চকু মুদিলে অৰ্থাৎ মৃত্যু হ'ল।

**ভালৰ লগত বেয়াও থাকে আৰু বেয়াৰ লগত ভালো থাকে। ভালখিনি লৈ বেয়া খিনি উলিয়াই পঠিওৱাহে আচল বুধিয়কৰ কাম।**

পুত্ৰ দুজনে বুজি পালে যে দেউতাকে কিমান কষ্ট কৰি তেওঁলোকক পঢ়াৰ খৰচ দিছিল। পুত্ৰ দুজনে ভাবিলে- "গাঁওৰ পৰা চহৰলৈ পঢ়িবলৈ গৈছিলো। কিন্তু পঢ়িব নোৱাৰিলো। চহৰখন হৈছে মায়াৰ নগৰী ইয়াত ভাল-বেয়া সকলো ধৰণৰ বন্ধু পোৱা যায়। ভালৰ লগত বেয়াও থাকে আৰু বেয়াৰ লগত ভালো থাকে। ভালখিনি লৈ বেয়া খিনি উলিয়াই পঠিওৱাহে আচল বুধিয়কৰ কাম।" সিহঁত দুজনে দিনৰ দিনটো কাম কৰি পইছা গোটাই পিতৃৰ ঋণ পৰিশোধ কৰিলে। সিহঁতে কৰা ভুল স্বীকাৰ কৰি পিতৃৰ আত্মালৈ ক্ষমা প্ৰাৰ্থনা কৰিলে। ইয়াৰ দ্বাৰা ইয়াকে বুজিব পাৰি যে কিবা এটা কাম কৰিব খুজিলে দহবাৰ ভাবিব লাগে।





# এটি ভুল খোজ

জোনালী ডেকা
পঞ্চম ষান্মাসিক (বাণিজ্য শাখা)



"মানুহে মানুহৰ বাবে যদিহে অকনো নাভাবে
অকণি সহানুভূতিৰে ভাবিব কোনেনো কোৱা সমনীয়া
মানুহে মানুহৰ বাবে ......."

ক'ৰবাৰ পৰা ভাহি অহা গীতটি শুনি নীৰৱৰ অজানিতে চকুপানী ওলাই আহিল। সি আজি বুজি পাইছে তাৰ ভুল।

কি কৰিলে সি তাৰ পৰিয়ালৰ বাবে? জন্ম দাতৃ মাতৃৰ চকু পানী মচিব নোৱাৰিলে সি সদায় হাঁহি ধেমালিৰে ভৰি থকা ঘৰখন উকা মৰিশালী কৰি পেলালে সি ...

অকল সিহঁতৰ ঘৰখন বুলিয়ে নহয় কিমান নিৰীহ মানুহৰ প্ৰাণ কাঢ়িলে, কিমান ঘৰ উকা হ'ল তাৰ হিচাপ সি দিব পাৰিবনে?

নাই, নাই ... একো নোৱাৰে সি! একো কৰিব নোৱাৰে সকলো অংগ থাকিও সি আজি বিকলাংগ।

যদি কেইটামান টকাৰ লোভত ঘৰ এৰি জংঘলত থাকিব নগ'লে হয়, দেশদ্ৰোহীৰ সংগ নললে হয়, তাৰ ঘৰখন ভৰি থাকিলে হয়।

মাত্ৰ ৩০ মিনিট। ৩০ মিনিট আগতে সি নিজ হাতে থোৱা বমটোৱে কাঢ়ি লৈ গ'ল তাৰ মৰমৰ ভনীজনীক আৰু বজাৰ কৰিবলৈ যোৱা দেউতাকক। যদি সেইদিনা সি বম নথলে হয় হয়তো টিউচনলৈ যোৱা ভনীজনী ঘৰলৈ ঘূৰি আহিলে হয়, দেউতাকে বজাৰৰ পৰা হাতত বজাৰ কৰা মোনা লৈ হাঁহি মুখে ঘৰ সোমালে হয়।

**... তাৰ জীৱনৰ এটি ভুল খোজে কাঢ়ি লৈ গ'ল তাৰ জীৱনৰ ৰং।**

কি পালে সি? কেইটামান টকা মাত্ৰ ...

কিন্তু সেই টকাৰে তাৰ মৰমৰ ভনীজনীক উপহাৰ দিলে মৃত্যু। মাতৃৰ শিৰৰ সেন্দুৰ মচি পেলালে সি। সেই টকাৰে উপহাৰ দিলে বহুতো লোকক ৰং বিহীন জীৱন।

হয়। প্ৰতিবাদ কৰিছিল সি শেষ মুহূৰ্তত বম নথবলৈ কিন্তু ... সময় সদায় গতিশীল ... নোৱাৰিলে সি, বাধ্য হ'ল বম থবলৈ অসুৰৰ ওচৰত হাৰ মানিলে সি...

যদি সি আগতেই বুজি পালে হয় ... যদি কেইটামান টকাৰ বাবে দেশদ্ৰোহী নহ'লে হয় ... তাৰ জীৱনৰ এটি ভুল খোজে কাঢ়ি লৈ গ'ল তাৰ জীৱনৰ ৰং।

পংগু হৈ পৰি ৰ'ল সি..

"অইউঠ ভাত দিছে" জেলৰ আন এজন কয়দীৰ মাতত সি উচপ্ খাই উঠি চকু পানীখিনি মচি নীৰৱে চাই ৰ'ল ৮ টা বছৰে খোজ নেপেলোৱা বাহিৰৰ জগতখনলৈ..।



# যৌতুক

পম্পী বৰ্মন
দ্বিতীয় বৰ্ষ, উচ্চতৰ মাধ্যমিক (কলা শাখা)

**আমাৰ সমাজত আজিকালি যৌতুক প্ৰথাৰ ওপৰত চৰকাৰে বহুত ভাল ব্যৱস্থা লৈছে। তথাপিও কিয় এনেকুৱা লোকৰ বাবে ছোৱালীবোৰৰ ওপৰত অত্যাচাৰ কৰা হয়।**

এখন গাৱঁত এজনী ছোৱালী আছিল। ছোৱালীজনীৰ নাম আছিল তিলোত্তমা। তিলোত্তমাৰ মাক নাছিল আৰু দেউতাকে তাইৰ লালন-পালন কৰিছিল। তিলোত্তমা বৰ শান্ত আৰু সৎ চৰিত্ৰৰ ছোৱালী আছিল। তিলোত্তমাক এদিন এটা ল'ৰাই চাবলৈ আহিছিল, তাৰ নাম গোপাল। গোপালে তিলোকত্তমাক দেখাৰ লগে লগে পচন্দ কৰিলে। গোপালহঁতৰ পৰিয়াল বৰ লোভী আছিল। তিলোত্তমাৰ দেউতাক ইমান ধনী নাছিল। গোপালহঁতৰ তাইকে বিয়া কৰাব আৰু কাকো নকৰাই। গোপাল আৰু তিলোত্তমাৰ বিয়া হ'ল। বিয়াৰ পিছতো গোপালহঁতৰ পৰিয়ালে তিলোত্তমাক নানান বস্তু বাহিনী খুজি থাকে। তিলোকত্তমাই ভাবিবলৈ ধৰিলে - "মই বিয়াৰ আগতো ইমান সুখ পোৱা নাছিলো আৰু বিয়া পিছতো সেই একে অৱস্থা"। আমাৰ সমাজত আজিকালি যৌতুক প্ৰথাৰ ওপৰত চৰকাৰে বহুত ভাল ব্যৱস্থা লৈছে। তথাপিও কিয় এনেকুৱা লোকৰ বাবে ছোৱালীবোৰৰ ওপৰত অত্যাচাৰ কৰা হয়। তিলোত্তমাৰ দেউতাকে যৌতুক দিব নোৱাৰাৰ বাবে তিলোকত্তমাক হাবিৰ মাজত এৰি থৈ আহিছিল। তিলোকত্তমাই ভয় কৰিছিল আৰু দুখো কৰিছিল যে- " স্বামীৰ হাতত ধৰি তাই এই ঘৰলৈ আহিছিল। সেই স্বামীয়ে তাইক আজি এই হাবিৰ মাজত এৰি থৈ গৈছে।" তিলোকত্তমাই নিজৰ প্ৰাণ দিবলৈ গৈছিল কিন্তু তেতিয়াই এজনী মহিলা আহি উপস্থিত হ'ল আৰু ক'লে কি কৰিবলৈ লৈছা। তেতিয়া তেলোকত্তমাই সকলো কথা বিবৰি ক'লে আৰু মহিলা গৰাকীয়ে তাইক ক'লে- "এনেকৈ কিমান ছোৱালী যৌতুকৰ নামত নিজৰ স্বামীৰ পৰিয়ালে মাৰি আৰু পুৰি পেলাইছে কেতিয়াবা যৌতুক দিব নোৱাৰি নিজৰ প্ৰাণ নিজে দিছে। তুমি সেই একেই ভুল নকৰিবা। যৌতুক দিয়া বা নিয়া দুয়োটা অপৰাধ। এই অপৰাধৰ দোষীক উচিত শাস্তি দিব লাগিব"।

তেতিয়া তিলোত্তমা আৰু সমাজৰ বহুত এনেকুৱা মহিলা এগোট হৈ যৌতুক লোৱা পৰিয়ালৰ প্ৰতি তেওঁলোকে উপযুক্ত শাস্তিৰ ব্যৱস্থা কৰিলে।

যৌতুক প্ৰথা আমাৰ সমাজত বৰ্তমান বহু পৰিমাণে কমি গৈছে। এই প্ৰথা য'তেই নচলক কিয় তাৰ বিৰোধ কৰিব লাগে। তিলোকত্তমাই যদি তাৰ প্ৰতি মাত মাতিলেহেঁতেন তেনেহ'লে এনেকুৱা পৰিস্থিতি নহ'লহেঁতেন। তিলোকত্তমাই পিছত নিজৰ সাহসেৰে তেওঁলোকক শাস্তি দিছিল। শাস্তি দিয়াটো কোনো ডাঙৰ কথা নহয়। শাস্তি পায় যিজনে নিজৰ ভুল স্বীকাৰ কৰে তেওঁহে এই সমাজত মানুহ হ'ব পাৰে।







# নীলা খামৰ চিঠি

নিশান্ত তালুকদাৰ
তৃতীয় ষান্মাসিক, (ইংৰাজী বিভাগ)

মৰমৰ ৰবমা,

মৰম ল'বা। চাওঁতে চাওঁতে প্ৰায় তিনি বছৰেই হ'বৰ হ'লহি। তাৰিখ-বাৰ-মাহ সঠিক মনত নাই যদিও তিনিটা বছৰৰ আগৰ এটি বিশেষ ক্ষণতেই প্ৰথম চিনাকি হৈছিলো তোমাৰ স'তে। মনত পৰে এতিয়াও একেই সেই প্ৰথম চিনাকিৰ চিৰাচৰিত প্ৰক্ৰিয়া নিতান্তই ভদ্ৰতাসূচক আৰু গতানুগতিক। মধ্যস্থতাকাৰীৰ ভূমিকাত উমৈহতীয়া চিনাকি তৃতীয় ব্যক্তি। সপোনতো সেইদিনা ভাবিব পৰা নাছিলো আমাৰ প্ৰাথমিক চা-চিনাকিৰ সেই ক্ষণটোৰ পৰা ইমান দূৰ অতিক্ৰম কৰি এদিন যে আমি আমাৰ সম্পৰ্কটোৰ আজিৰ এই স্তৰটোত এপলকো ইজনে-সিজনৰ কথা নভবাকৈ থাকিব নোৱাৰা এই অৱস্থা পামহি বুলি। কল্পনাও কৰা নাছিলো সম্পৰ্কটোৱে যে সময়ত গৈ এদিন ইমান দলৈকে শিপাব! কিছুমান সম্পৰ্ক বোধহয় এনেদৰেই গঢ় লয় আৰু গাঢ় হয় ক্ৰমাৎ নিজে ক'ব নোৱাৰাকৈয়ে। তলে তলে, অতি সংগোপনে। ভাবি কেতিয়াবা আচৰিত হওঁ, তুমি নাথাকোতে বাৰু মোৰ দৈনন্দিনতা আগতে কেনেকৈ চলিছিল? সব ঠিকেইতো আছিল। একোতো অপূৰ্ণতা নাছিল। স্বাভাৱিক ছন্দতেইচোন দুলিছিল তেতিয়াও জীৱন। অথচ্ তোমাক এদিনৰ বাবে কাষত নাপালেই মনত মোৰ ইমান অশান্তি কিয়? তাহানিৰ কলেজীয়া দিনৰ বন্ধুৰে পৰিবেষ্টিত প্ৰাণোচ্ছল 'আড্ডাময়' দিনবোৰৰ সমাপ্তিৰ পিছত চাকৰি জীৱনৰ বিৰহ একঘেঁয়ামিৰ প্ৰথম দুটামান বছৰলৈকে মাজৰ সময়ছোৱা ব্যক্তিগত জীৱনটো হয়তো মোৰ কিছু নিস্তৰংগই হৈ পৰিছিল। হয়তো তেনে এই সন্ধিক্ষণতে আৰু হয়তো তাৰেই সুৰুঙাৰে এদিন তুমিও সোমাই পৰিছিলা মোৰ জীৱনত। সেয়া যি নহওক, আজিৰ তাৰিখত অন্ততঃ মই এটা কথাই জানো মোৰ সত্তা আৰু চেতনাজুৰি এতিয়াও মাথোঁ সৰ্বত্ৰ তুমি, তুমি আৰু তুমি!! ... মোৰ দিন-ৰাতি, মোৰ সুখ-দুখ, হাঁহি-কান্দোন সকলোবোৰ এতিয়া তোমাৰ ওপৰতেই সম্পৰ্পিত। একপ্ৰকাৰ তোমাক কেন্দ্ৰ কৰিয়েই যেন আৱৰ্তিত মোৰ সমস্ত দৈনন্দিনতা। ক'লা পৰা চকুৰ গুৰি দেখিয়েই হ'বলা সকলোৱে আজি মোক সোঁৱৰাই দিবলৈ লয়- "খাৱন-শোৱনৰ ফালে মন-কান দিবিচোন।" ...সঁচাকৈ তোমাৰ ভাৱনাত কি দিন কি ৰাতি সৰ্বক্ষণতে এনেকৈ আকণ্ঠ ডুবিবলৈ ল'লো যে ব্ৰেকফাষ্ট, লাঞ্চ, ডিনাৰ আনকি ৰাতিৰ টোপনিও সকলোতে মই বৰ নিয়মীয়াকৈ অনিয়মীয়া হ'বলৈ ল'লো। এতিয়াও মনত পৰে, তোমাক যেতিয়া প্ৰথম লগ পাওঁ মোৰ পৰা ইতিমধ্যে মোৰ 'প্ৰথম প্ৰেম' হেৰাই গৈছিল। আনে কোৱা শুনো প্ৰথম প্ৰেমৰ মাদকতা হেনো পাহৰিব নোৱাৰি। কিন্তু বিশ্বাস কৰিবা যেতিয়াৰ পৰা মই তোমাক পালোঁ, যেতিয়াৰ পৰা মোৰ দিঠক বৰ্তমানৰ প্ৰতিটো পলৰ স'তে তোমাৰ নাম সাঙোৰ খাই পৰিল তেতিয়াৰ পৰা আৰু কোনোদিনে মোক প্ৰেমৰ স্মৃতিয়ে কেতিয়াও আমনি কৰিবহি পৰা নাই। হ'ব পাৰা তুমি দ্বিতীয়; কিন্তু তুমি দ্বিতীয় হৈও অদ্বিতীয়। তুমি সঁচাকৈ তুলনাবিহীন। আৰু এটা গুৰুত্বপূৰ্ণ কথা হ'ল যে তুমি মোৰ বাবে 'প্ৰথম দৃষ্টিৰ প্ৰেম' (Love at first sight) ও নাছিলা। হয়তো সেই সময়ত তুমি নিজেও তোমাৰ স্বভাৱসিদ্ধ শৈলীৰে তোমাৰ ব্যক্তিত্বৰ সমস্ততা মোৰ দৰে সদ্য পৰিচিতজনৰ আগত উদঙাই দিব বিচৰা নাছিলা। যি কি নহওক তথাপি এয়া এক সংযোগেই আছিল। তোমাৰ স'তে এদিন চিনাকি হ'লো। সময় বাগৰিল। লাহে লাহে তোমাক বুজা নুবুজাৰ ভাৱবোৰ আঁতৰিল। সম্পৰ্ক ক্ৰমাৎ গাঢ়ৰ পৰা গাঢ়তৰ হ'ল। পৰ্যায়ক্ৰমে আৰু অৱতাৰিতভাৱেই এইবোৰ ঘটিল ইটোৰ পিছত সিটোকৈ তিনি বছৰীয়া সময় পৰিক্ৰমাৰ বিভিন্ন স্তৰত। মৰমৰ 'ফেচবুক', তাহানিৰ 'অৰকুট'ৰ প্ৰথম প্ৰেম অকালতে মৰহি যোৱাৰ দৰে এদিন তুমিও আঁতৰি যাবাগৈ মোৰ জীৱনৰ পৰা। জানো মই। আৰু এয়াও জানো, গতিশীল জীৱনত নতুন নতুন ব্যস্ততা আৰু দায়িত্বৰ পৰিশতিত হয়তো ময়ো এদিন সম্পূৰ্ণ এক নতুন 'তুমিবিহীন' গতানুগতিকতাত নিজক অভ্যস্ত কৰি ল'ম। তথাপি জীৱনৰ বাকীছোৱা সময় তোমাক সদায়ে কৃতজ্ঞতাৰে সুঁৱৰিম। কিদৰেনো পাহৰিব পাৰোঁ, সুদীৰ্ঘ জীৱনৰ এছোৱা চমু অথচ গুৰুত্বপূৰ্ণ সময়ত যে তুমি মোৰ ইমান কাষত আছিলা, মোক সাহস দিছিলা। বিগত তিনিটা বছৰৰ বহু একাকী ৰাতিৰ যন্ত্ৰণা তুমিয়েতো সহনীয় কৰি তুলিছিলা, নিসংগ দুপৰীয়াবোৰত সংগ দিছিলা, উদাসী আবেলি বোৰলৈ নতুন অৰ্থ আনিছিলা। কিদৰেনো পাহৰিব পাৰো সেইবোৰ কথা। 'ফেচবুক', তুমি নাথাকিলেও তোমাৰ ছবি থাকি যাব মনৰ গোপন কোণত এক মচিব নোৱাৰা সাঁচ হৈ চিৰদিন চিৰকাল।

**মৰমৰ 'ফেচবুক', তাহানিৰ 'অৰকুট'ৰ প্ৰথম প্ৰেম অকালতে মৰহি যোৱাৰ দৰে এদিন তুমিও আঁতৰি যাবাগৈ মোৰ জীৱনৰ পৰা।**

ইতি -
আকাশ

# বিভাগীয়

# প্ৰাচীৰ

# পত্ৰিকাৰ

# ৰেঙণি

# ২০১৫-১৬ বৰ্ষ





**অসমীয়া বিভাগ**

## বিষয় ঃ ভাৰতৰ স্বাধীনতা সংগ্ৰাম




সাৰস্বত

### স্বাধীনতা সংগ্ৰাম

১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুযায়ী ভাৰতৰ শাসনভাৰ বৃটিছৰ অধীনলৈ যায়। সেই সময়ত অকল ভাৰতবৰ্ষই নহয় বিশ্বৰ বিভিন্ন দেশ বৃটিছৰ অধীনত আছিল। ১৯১৯ চনত জালিয়ানবালাবাগত ইংৰাজ চৰকাৰে নিৰস্ত্ৰ লোকৰ ওপৰত অমানুষিক হত্যাকাণ্ড চলায়। ইয়াৰ ফলস্বৰূপে গোটেই ভাৰত জুৰি আন্দোলনৰ ধুম উঠে। ১৯২০ চনত কলিকতা কংগ্ৰেছত গান্ধীজীয়ে স্বাধীনতা সংগ্ৰামৰ পাশুপাত অস্ত্ৰ অসহযোগ আন্দোলন ৰাইজৰ হাতত তুলি দিয়ে। গান্ধীজীয়ে ভাৰতবাসীৰ অন্তৰত জাতীয়ভাব জগাই তুলিবৰ বাবে বিদেশী বস্তু বৰ্জন কৰি খাদীৰ প্ৰচলন কৰি আন্দোলন গঢ়ি তুলিছিল। ১৯৪২ চনৰ ৮ আগষ্ট তাৰিখে কংগ্ৰেছৰ বোম্বাই অধিৱেশনত ভাৰতৰ পূৰ্ণ স্বাধীনতা আৰু ইংৰাজৰ ভাৰত ত্যাগ প্ৰস্তাৱ গৃহীত হ'ল। ইয়াৰ পিছতে গান্ধীজী আৰু হাজাৰ হাজাৰ নেতা কাৰাৰুদ্ধ হ'ল। হাজাৰজনে প্ৰাণ বলিদান দিলে। অৱশেষত ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতে স্বাধীনতা ঘূৰাই পালে।

নিলাক্ষী ঠাকুৰীয়া

### অমৰ শ্বহীদ কুশল কোঁৱৰ

১৯০৫ চনৰ চ'ত মাহৰ ৯ তাৰিখ বৃহস্পতিবাৰে গোলাঘাট জিলাৰ ঘিল্যাধাৰী মৌজাৰ চাওদাং চাৰিআলিত জন্ম লাভ কৰা কুশল কোঁৱৰৰ পিতৃৰ নাম সোণাৰাম কোঁৱৰ আৰু মাতৃৰ নাম কনপাহী ওৰফে কনকেশ্বৰী। বালিজানৰ প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষাৰ পিছত তেওঁ গোলাঘাট চৰকাৰী বেজবৰুৱা মধ্য ইংৰাজী বিদ্যালয়ত নামভৰ্তি কৰি মেছত থকাৰ পৰাই দেশৰ পৰিস্থিতিয়ে তেখেতক অহিংসা আন্দোলনলৈ টানি নিয়ে। ১৯৪২ চনৰ ১০ চেপ্তেম্বৰত মৃত্যু বাহিনীৰ কেইজনমান সদস্যই লগ লাগি এখন ৰেল লাইনচ্যুত কৰি প্ৰায় ১০০০ ইংৰাজ সৈন্যক বধ কৰিছিল। সেই সময়ত কুশল কোঁৱৰ সৰুপথাৰ কংগ্ৰেছ কমিটিৰ সম্পাদক আছিল আৰু ইংৰাজে তেওঁক ৰেল লাইনচ্যুত কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰি ফাঁচীৰ হুকুম দিয়ে। ১৯৪৩ চনৰ ১৫ জুন তাৰিখে পুৱতি নিশা চৰকাৰী বিষয়াজনৰ 'কুশল', 'কুশল' বোলা মাত শুনি নিশ্চিন্ত হৈ শুই থকাৰ পৰা হঠাৎ সাৰ পাই সুধিছিল- "মোৰ সময় হ'ল নেকি? মৃত্যুৰ সময়। বীৰৰ দেহ ত্যাগৰ সময়।"

হাঁহিমুখে দেশৰ হকে ফাঁচী কাঠত উঠাৰ আগ মুহূৰ্তত এই মহান বীৰজনাই চিঞৰি গাইছিল - "পাৰ কৰা দীননাথ এই সংসাৰ সাগৰ ....।"

জিৎজ্যোতি শৰ্মা

### কনকলতা বৰুৱা

কনকলতা বৰুৱা আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ স্বাধীনতা সংগ্ৰামী। তেওঁৰ জন্ম হৈছিল শোণিতপুৰ জিলাৰ অন্তৰ্গত গহপুৰত ১৯২৪ চনৰ ২২ ডিচেম্বৰ তাৰিখে। তেওঁৰ পিতৃ আছিল কৃষ্ণকান্ত বৰুৱা আৰু মাতৃ কৰ্ণেশ্বৰী বৰুৱা। কনকলতা বৰুৱাক বীৰবালা নামেৰেও জনা যায়। ১৯৪২ চনৰ ২২ চেপ্তেম্বৰ তাৰিখে কনকলতা বৰুৱা ভোগেশ্বৰী ফুকননী আৰু আন বহুতো দেশপ্ৰেমীয়ে পতাকা উত্তোলন কৰিব যোৱা সময়ত গহপুৰ থানাৰ সন্মুখত বৃটিছৰ আদেশত চিপাহীয়ে তেওঁলোকক বাট ভেটি দিয়ে। কনকলতাই সেই বাধা নেওচি বুকুত গুলী খাই হ'লেও দেশ স্বাধীন কৰে আৰু হাতৰ পতাকাখন ভোগেশ্বৰী ফুকননীয়ে তুলি লয়। নিজদেশ অৰ্থাৎ ভাৰতৰ স্বাধীনতাৰ বাবে ১৯৪২ চনৰ ২২ চেপ্তেম্বৰ তাৰিখে এইগৰাকী সাহসী বীৰংগনাই নিজৰ জীৱন ত্যাগ কৰিবলগীয়া হয়।

পৰিখা কলিতা

### চৰ্দাৰ বল্লভভাই পেটেল

আমাৰ ভাৰতবৰ্ষ স্বাধীনতাৰ কাৰণে যিসকল লোকৰ অৱদান আছিল বা যিসকল লোকে প্ৰাণত্যাগ দিছিল তাৰ ভিতৰত আন এগৰাকী দেশপ্ৰেমী হ'ল 'চৰ্দাৰ বল্লভভাই পেটেল'। এওঁৰ জন্ম ১৮৭৫ চনৰ ৩১ অক্টোবৰত গুজৰাটত হৈছিল। তেওঁৰ পিতৃৰ নাম জাভেৰভাই পেটেল আৰু মাতৃৰ নাম লাডবাই আছিল। চৰ্দাৰ পেটেল দুখীয়া ঘৰৰ মানুহ আছিল বাবে শিক্ষকৰ পৰা কিতাপ ধাৰ কৰি ওকালতি অধ্যয়ন কৰিছিল। আনহাতে তেওঁ অধ্যয়ন কৰাৰ ওপৰিও ভাৰতীয় জাতীয় কংগ্ৰেছত যোগ দিছিল। তেওঁ এজন আন্দোলনকাৰীও আছিল আৰু ইয়াৰ বাবে তেওঁ গান্ধীৰ সহযোগী হৈ বৃটিছৰ বিৰুদ্ধে যুঁজিছিল। ইয়াৰ বাবে তেওঁ ৯ মাহ কাৰাবাস খাটিব লগা হৈছিল। স্বাধীনতাৰ পিছৰ সময়ছোৱাত তেওঁ প্ৰথম গৃহমন্ত্ৰী আৰু সঞ্চালকালয়ৰ প্ৰধান মন্ত্ৰী হৈছিল। দেশৰ হকে কাম কৰি ১৯৫০ চনৰ ১৫ ডিচেম্বৰত মুম্বাইত শেষ নিশ্বাস ত্যাগ কৰে।

জয়িতা দাস

## ভাৰতৰ জাতীয় পতাকা

ভাৰতৰ জাতীয় পতাকাক দেশ মাতৃৰ প্ৰতীক বুলি ধৰা হয়। ইয়াৰ মাজেৰে জাতিৰ আশা-আকাংক্ষা ফুটাই তোলা হয়। মহাত্মা গান্ধীয়ে স্বাধীনতা আন্দোলনৰ নেতৃত্ব লোৱা সময়ত নিজেই এখন পতাকাৰ ৰূপ দিয়ে। এই পতাকাৰ ওপৰ ভাগ বগা, মাজ ভাগ সেউজীয়া আৰু এটা যঁতৰ আছিল চিনস্বৰূপে, তলৰ ভাগ ৰঙা আছিল। ১৯৩১ চনত কংগ্ৰেছ মহাসভাৰ কাৰ্যকৰী কমিটিৰ সভাকেইখনত এখন জাতীয় পতাকাৰ পৰিকল্পনা কৰে। ইয়াতো তিনিটা ৰং আছিল প্ৰথমটো গেৰুৱা মাজভাগত বগা আৰু তলত সেউজীয়া। ইয়াৰে মাজৰ অংশত এটা যঁতৰৰ চিন আছিল। ইয়াৰ জোখ ৩ঃ২ অনুপাত গেৰুৱা ৰং সাহস আৰু ত্যাগৰ; বগা- সত্য আৰু শান্তি, সেউজীয়া বিশ্বাস আৰু শক্তিৰ প্ৰতীক। ১৯৪৭ চনত ভাৰত স্বাধীন হয় আৰু ভাৰতৰ প্ৰথম গণ পৰিষদে এই ঐতিহ্যমণ্ডিত পতাকাখনকে যঁতৰৰ সলনি অশোকৰ 'ধৰ্ম চক্ৰ'ৰ স্থাপন কৰি সংবিধান সন্মত ভাবে গ্ৰহণ কৰে। পতকাৰ মান ৰক্ষা কৰা মানে জাতিৰ মান আৰু গৌৰৱ ৰক্ষা কৰা বুজায়।

পৰিখা কলিতা

## স্বাধীনতাৰ সেনানী মই

৪২ ৰ সেনানী মই  
গহপুৰৰ ষোড়শী গাভৰু মই  
মই হৈছো কনকলতা, (বীৰাংগণা)  
মাৰ বান্ধি থিয় হৈছো,  
ককালত টঙালি বান্ধি  
দেশ স্বাধীন কৰিবলৈ।

আহ ঐ আহ ওলাই আহ,  
হে মোৰ দেশৰ জনগণ,  
আবাল বৃদ্ধা বনিতা।  
মৃত্যুৰ দুৱাৰ দলিব পৰা দেশক বচাবলৈ,  
ইংৰাজৰ কু-শাসনৰ অন্ত পেলাবলৈ,  
নৰাধম হঁতক দেশ ত্যাগ কৰিবলৈ  
মাৰ বান্ধি থিয় হওঁ হে মোৰ দেশৰ জনগণ।

পৰাধীনতাৰ শিকলি ছিঁডি।  
ইংৰাজ শাসনৰ পতাকা নমাই  
আমি সমস্বৰে একতাৰ দোলেৰে,  
ভাৰত মাতাৰ জয় গান গায়,  
আমি আগুৱাম ত্ৰিংৰেগা পতাকা উৰুৱাবলৈ  
"ভাৰত মাতা কী জয়"

তৃষ্ণা তালুকদাৰ

**ENGLISH DEPTT.**

## Synonyms of Search ... for thee...

As the soles of my feet,  
tip-toe through the temple path;  
my soul enters the holy place.  
Every part of me cries for you...  
As doves and pigeons hop around,  
With immeasurable faith and hope;  
For unfathomable spans of time ...  
As my eyes cry to see you,  
O Almighty! The ice cold silence wraps around.  
My ears alert for your sound  
But years tumble, without a fumble,  
Yet my nose can't inhale divine air  
knowing you are around me somewhere...  
Spreading your fragrance everywhere,  
Still my lips chant your mantras  
As time leaps by with a smile:  
All ever pleading for they blessing.  
My oil wicks keep burning.  
Both paths weak and strong ...  
Hopefully they'll lead me on  
Fan the enigma of thy presence to unfoil.

**Gunjan Das**



**SYMPHONY**






## My Crazy Friend

A pain a bit irritating  
But still very entertaining.  
A companion, my partner in crime  
Yes, my partner in crime  
Yes, my best friend, my sweet and sour lime  
Without whom, what would life be I wonder!!  
A priceless person, a certain someone I ponder.  
We eat like pigs, laugh like chimpanzees,  
Sit mental, scream and shout like  
Though two very different person, yet we're the same  
Both stubborn and silly and  
Love calling each other different names  
Everyone earns for a crazy friend once in a while  
Who'll stand by till end, though apart by a mile.  
To whom we can look upto trust  
A friendship, bond, connection. That will never rust  
Not everyone gets a friend like you  
I'm quite lucky to be one of the few ...... Love You !

**Banashree Sinha**

## Shakespeare's Late Romances

The late romances, often simply called the romances are a grouping of William Shakespeare's latest play's comprising Pericles- Prince of Tyre, Cymbeline, The Winter's tale and The Tempest. Shakespeare's late romances were also influenced by the development of tragicomedy and the extreme elaboration of the country masque as staged by Ben Jonson and Inigo Jones. In Shakespeare's plays, love and romance are often treated in ambiguous ways. In his romantic comedies the traditional comic ending featuring one or more marriages is often tampered with a more serious note which questions the finality of that ending. The category of Shakespeare's romances arise from a desire among critics for the late play to be recognised as a more complex kind of comedy. The romances have grand plots which are combined with humour, dramatic action and internal struggles. The romances are Shakespearean tragedies that end happily instead of a moment of danger that moves rapidly to a solution that also focuses on the relationship between father and daughter.

**Priya Deb**

## Miracles & Gods Will: Spinozo's view

There was a great philosopher named Baruch Spinozo who believed that miracles were an unexplained act of nature, not proof of God, proved dangerous and controversial. All the heart of Baruch Spinoza's philosophy is a challenge to the traditional Judeo-Christian view of the relationship between God and the world. While the Hebrew Bible and Christian scriptures share a conception of God as the creator of the natural world and the director of human history. This idea that God is not separate from the world and is expanded systematically in the Ethic's Spinoza's Magnum Opus. However a more accessible introduction to Spinozo's view can be found in his discussion of miracles in an earlier text 'The Theologics Political Treatise'. This book presents an innovative interpretation as a source of truth and questions the traditional understanding of prophetic miracles and the divine law. It seems responsible enough to many contemporary religious believers but Spinoza's attitude to the Bible was far ahead of his time. Today we take for granted, a certain degree of cultural relativism and most of us are ready to accept that ancient people understood the world differently from us and therefore had different ideas about natural and divine creations. The idea that the order of nature reveals existence and essence of God leads to the view that nature is divine and should be valued. In this way, Spinozo had an important influence in the nineteenth century romantic posts. Spinozo concluded that "ALL NOBLE THINGS ARE AS DIFFICULT AS THEY ARE RARE".

**Afreen Choudhury**

## Broken Faith

She moved towards a distinct world,  
